# সোণোৱাল কছাৰী সংস্কৃতি

## হয়দাং আৰু হুঁচৰি

STATE CENTRAL LIBRARY
Call No.
ASSAM

লভিত কুমাৰ শইকীয়া

লভিত্ত কুমাৰ শইকীয়া
মেগেলা-হৈখোৱাঘাট, ডিব্ৰুগড়, অসম।

Sonowal Kachari Sanskriti Haidang aru Hunchari—Culture, tradition and Fok-songs of the Sonowal Kacharis by Labhit-kumar Saikiya and published by the author, Megela Saikhowa, Dibrugarh, February 1981.

প্ৰকাশক :
লভিত কুমাৰ শইকীয়া
মেগেলা-চৈখোৱা ঘাট,
ডিব্ৰুগড়, অসম।

প্ৰথম প্ৰকাশ :
ফেব্ৰুৱাৰী ১৯৮১/শক মাঘ ১৯০২

প্ৰচ্ছদ-পট :
শ্যামকান্ত বৰঠাকুৰ

মূল্য : ১৫·০০

মুদ্ৰণ :
শ্ৰীশুভেন্দু ৰায়
ৰামকৃষ্ণ সাৰদা প্ৰিণ্টাৰ্স
৯ এ ৰামধন মিত্ৰ লেন
কলিকতা-৭০০০০৪।

# উছৰ্গা

যেয়ে মোক এই বিচিত্ৰ পৃথিৱীৰ বিচিত্ৰতা
উপলব্ধি কৰিবলৈ সুবিধা দিলে ;
যেয়ে মোক চেনেহী কোলাত লৈ অমৃত পান কৰাই
শিক্ষা লাভৰ প্ৰেৰণা দিলে

সেই

পৰম পূজনীয় পিতা
শ্ৰীকৰ্ণ কান্ত শইকীয়া

আৰু

পৰম পূজনীয়া আই
শ্ৰীমতী লগেশ্বৰী শইকীয়াৰ
কৰকমলত উছৰ্গা কৰিলোঁ।

# সোণোৱাল কছাৰী সংস্কৃতি হুয়দাং আৰু হুঁচৰি

## নিবেদন

সোণোৱাল কছাৰী সকল অসমৰ ভৈয়ামৰ অন্যান্য জনজাতি সকলৰ ভিতৰত অন্যতম। অসমৰ অন্যান্য জনজাতি সকলৰ দৰে তেওঁলোকৰো নিজা স্বকীয়া বাৰেৰহণীয়া বৈশিষ্ট্যপূৰ্ণ কলা-সংস্কৃতি আছে। কিন্তু দুখৰ বিষয় যে অসমৰ দুই-এখন আলোচনীৰ পাতত কেইজনমান মুষ্টিমেয় লেখকৰ দুই-এটা প্ৰবন্ধ-পাতি প্ৰকাশ পোৱাৰ বাহিৰে কিতাপ আকাৰত তেওঁলোকৰ কলা-সংস্কৃতি সমূহ অতি পৰিমিত প্ৰকাশৰ প্ৰচেষ্টা চলোৱা পৰিলক্ষিত হোৱা নাই। তেওঁলোকৰ কলা-সংস্কৃতি সমূহ বিশদ ভাৱে চৰ্চ্চা নোহোৱাত নাইবা সংৰক্ষণৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাত সেইবোৰৰ ভালেমান সময়ৰ কোবাল সোঁতত পৰি সম্পূৰ্ণ হেৰাই গ'ল আৰু অৱশিষ্ট সমূহো হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়েহে সময়ৰ সোঁতত পৰি হেৰাই যাব খোজা সংস্কৃতিৰ গন্ধপুষ্পৰ পুলি দুটি বুটলি আনি অসমৰ বাৰেৰহণীয়া বৈশিষ্ট্যপূৰ্ণ কলা-সংস্কৃতি উদ্যানত ৰোপণ কৰাৰ মানসেৰে "সোণোৱাল কছাৰী সংস্কৃতি—হুয়দাং আৰু হুঁচৰি"ক ৰাইজৰ আগলৈ আগবঢ়ালোঁ। বহুতো ঘাত-প্ৰতিঘাতৰ মাজেদি এই কাৰ্য্যত আগবাঢ়িব লগা হোৱাত আৰু কিতাপখনৰ কলেৱৰলৈ চাই প্ৰকাশৰ খৰচৰ ভয় আদি বিভিন্ন এৰাব নোৱৰা কাৰণবশতঃ হুয়দাং আৰু হুঁচৰি গীতৰ গীত-পদকে আদি কৰি ভালেমান বিষয় বস্তু প্ৰকাশ কৰিব পৰা নগ'ল; আৰু যিবোৰ প্ৰকাশ কৰা হৈছে সেইবোৰো খুব সংক্ষিপ্ত ৰূপেহে দাঙি ধৰা হৈছে। ৰাইজৰ আন্তৰিক মৰম-স্নেহ,

সহায়-সহানুভূতি পালে সেইবোৰ পৰবৰ্ত্তী সংস্কৰণত সম্পূৰ্ণ ৰূপে প্ৰকাশ কৰিবলৈ যত্ন কৰিম। কিতাপখনত মোৰ অজ্ঞানতা নাইবা অজানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দি সেই বোৰৰ সংশোধনৰ বাবে দিহা-পৰামৰ্শ দিলে পৰম কৃতাৰ্থ হম। আশাকৰোঁ সহৃদয় পঢ়ুৱৈ ৰাইজৰ আন্তৰিক মৰম-স্নেহ, সহায়-সহানুভূতিয়ে মোৰ এই কাৰ্য্যক সাৰ্থক কৰি তুলিব।

সোণোৱাল জাতি আৰু সোণোৱাল সংস্কৃতিৰ বিষয়ে লিখিত কোনো সমল পাবলৈ নথকাত "সোণোৱাল কছাৰী সংস্কৃতি—হয়দাং আৰু হুঁচৰি" প্ৰণয়নৰ ক্ষেত্ৰত বহুতো সমস্যাৰ সন্মুখিন হ'ব লগা হৈছিল। লিখিত কোনো সমল নথকাত সোণোৱাল সকলৰ জনশ্ৰুতি আৰু তেওঁলোকৰ বিভিন্ন উৎসৱ, সেৱা-পূজা আদিত মৌখিক ভাবে চলি অহা গীত-পদৰ ওপৰত নিৰ্ভৰ কৰিয়েই লিখিব লগা হ'ল। গতিকে সেইবোৰ জনশ্ৰুতি, গীত-পদ সংগ্ৰহৰ বাবে ভালেমান ব্যক্তিৰ ওচৰ চাপিব লগা হৈছিল। এই ক্ষেত্ৰত যি সকল ব্যক্তিৰ ওচৰ চাপিছিলোঁ সেই সকলৰ ভিতৰত মেগেলাৰ শ্ৰীযুত দীননাথ ঠাকুলীদেৱৰ নাম অন্যতম। তেখেতে ভালেমান তথ্যপাতি সংগ্ৰহ কৰি দিয়াৰ লগতে কিতাপখন লিখি উলিওৱাত বিশেষ ভাবে প্ৰেৰণা দিছিল। তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। ছৈখোৱা হাইস্কুলৰ শিক্ষক শ্ৰীহিতেন চেলেং, ছৈখোৱা মেগেলাৰ শ্ৰীহেমন্তকুমাৰ সোণোৱাল, শ্ৰীদুৰ্গকান্ত সোণোৱাল, ছৈখোৱা বৰপথাৰৰ শ্ৰীপ্ৰমোদ সোণোৱাল, শ্ৰীগুণঠাকুলী, শ্ৰীনগেন সোণোৱাল, দিৰাক-চুমনীৰ, শ্ৰীদেবেন সোণোৱাল, শ্ৰীগম্ভীৰ শইকীয়া, জোনাপথাৰ-অৰুণাচলৰ শ্ৰীবৰ সোণোৱাল; পিয়ং-অৰুণাচলৰ শ্ৰীকনক সোণোৱাল আৰু শ্ৰীকুল সোণোৱাল দেৱে গীত-পদ আদি দি সহায় কৰাৰ বাবে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। ইয়াৰ উপৰিও বিভিন্ন তথ্য পাতি সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ ভাবে সহায় কৰা দিচাং

ৰং চোৱালৰ শ্ৰীযুক্তা বাসন্তী সোণোৱাল আৰু দিৰাক-চুমনীৰ শ্ৰীনবেন সোণোৱাল দেৱলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। সহকৰ্মী বন্ধু শ্ৰীযুত উপেন কোঁৱৰ বি-এ-দেৱে কিতাপখনৰ পাণ্ডুলিপিটো এবাৰ চাইমেলি দিয়াত তেখেতলৈ ধন্যবাদ জনালোঁ। স্নেহাস্পদ ছাত্ৰ শ্ৰীমান অহিন্দ্ৰকুমাৰ তালুকদাৰ বি-এচ-চি আৰু ভনী শ্ৰীমতী বীণাপাণি সোণোৱাল বি এ-ই পুথিখনৰ প্ৰেছ-কপি কৰি দিয়াৰ কামত সহায় কৰাত তেওঁলোকলৈ মোৰ আন্তৰিক মৰম যাচিলোঁ। মিনাৰ্ভা ফটোগ্ৰাফাৰ শ্ৰীপুটু গগৈ দেৱে যথা সময়ত ফটোবোৰ দি সহায় কৰাত তেখেতলৈ আন্তৰিক ধন্যবাদ জনালোঁ। কলিকাতাৰ শ্ৰীকুল গগৈদেৱে কিতাপ খন ছপাই উলিওৱাত সহায় কৰাৰ বাবে মই তেখেতলৈ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কিতাপখন ছপা কৰা কামত বিভিন্নভাৱে সহায় কৰা শ্ৰীভূমি পাবলিচিং কোম্পানীৰ শ্ৰীঅৰুণ পুৰকায়স্থ দেৱ আৰু ৰামকৃষ্ণ-সাৰদা প্ৰিণ্টাৰ্ছ প্ৰেছৰ মালিক তথা কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌশেহত সুৰ শিল্পী গীতিকাৰ সাহিত্যিক, স্বনামধন্য শ্ৰদ্ধেয় ডঃ ভূপেন হাজৰিকা দেৱে ব্যস্ততাৰ মাজতো দহোবন কাতি কৰি কিতাপখনি পঢ়ি দু আষাৰ মন্তব্য লিখি দিয়াৰ বাবে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

টিং খাং হাইস্কুল।
টিং খাং, নাহৰকটীয়া, শ্ৰীললিতকুমাৰ শইকীয়া
ডিব্ৰুগড়—অসম। ৩।২।৮০
ফেব্ৰুৱাৰী ১ ৮০ চন।

## মোৰ এষাৰ

মাথোঁ সিদিনা—১৯৭৯ব ব'হাগত, ডাঙৰীত, টিংখং হাইস্কুলৰ শিক্ষক, শ্ৰীলভিতকুমাৰ শইকীয়াৰ মধুৰ সান্নিধ্য পাইছোঁ, সুন্দৰ আতিথ্য পাইছোঁ, চিন্তাৰ আদান প্ৰদান কৰিছোঁ—তেওঁৰ নিজ বাসভৱনত। নতুন পুৰুষক শিক্ষা দান কৰাৰ উপৰিও তেওঁ তেওঁৰ পাৰিপাৰ্শ্বিক সমাজখনক সদায় সন্মান কৰা, বিশ্লেষণ কৰা আৰু তাকে সাহিত্যেৰে প্ৰকাশ কৰা বিধৰ চিন্তাবিদ।

'সোণোৱাল কছাৰী সংস্কৃতি আৰু হয়দাং হুঁচৰি' কিতাপখনি শ্ৰীশইকীয়াৰ গৱেষক মনৰ সৃষ্টি। প্ৰায় দুই দশকৰ আগতে কলাগুৰু ৺বিষ্ণু ৰাভাদেৱৰ সৈতে, খোৱাঙলৈ গৈ সোণোৱাল কছাৰী সমাজৰ প্ৰকাশৰ মুকুতা স্বৰূপ হয়দাং হুচৰি নিজ কাণে শুনা আৰু নিজ চকুৰে দেখা মোৰ স্পষ্ট ভাৱে মনত আছে। তেতিয়াই ভাবিছিলোঁ অসমীয়া সংস্কৃতিক ঐশ্বৰ্যশালী কৰি তোলা এই গীত মাত নাচৰ উপযুক্ত গৱেষণা নহয় কিয়?—এই কিতাপত গম পোৱা যায়, আমাৰ সোণোৱাল কছাৰী সমাজৰ ৰীতি-নীতি, বুৰঞ্জী-কৃষ্টি কিমান সোণোৱালী জ্যোতিৰে জলমল্। লোক গীতৰ কথা সমূহৰ পৰা কছাৰী সকলৰ শৌৰ্য্য-বীৰ্য্য, বীৰত্ব আৰু মাজে মাজে অশান্ত সময়ৰ কথাও আমি জানিব পাৰিছোঁ।

বহল অসমীয়া সংস্কৃতিৰ পৃথিৱীত শ্ৰীশইকীয়াৰ হয়দাং হুঁচৰিৰ এই প্ৰথম পৰিচয় অতি প্ৰশংসাৰ যোগ্য।

বিজতৰীয়া বতাহে এনে হেন গীত-মাত উৰুৱাই নিয়াৰ আগতেই শ্ৰীশইকীয়াই অতি শ্ৰম কৰি এই কিতাপ ৰচাৰ বাবে সংগ্ৰ অসমীয়া জাতিৰ, কলা সেৱক সকলৰ পৰা ধন্যবাদ আৰ্জিব।

অনাগত ভৱিষ্যতত যি সকল গৱেষকে এই বিষয়ত গভীৰতৰ ভাবে প্ৰবেশ কৰিব খুজিব তেওঁলোকেও শ্ৰীশইকীয়াৰ এই সৃষ্টিক, প্ৰাৰম্ভিক ভেটি কৰাৰ সুযোগ থাকিব। সোণোৱাল কছাৰী সমাজৰ সোণোৱালী দিনবোৰ আৰু হৃদয়দাং হুঁচৰিৰ গীতি সাহিত্য, ছন্দ, সুৰ চিৰযুগমীয়া হওক এই শুভ কামনাৰে—

কলিকতা

২১-১-৮১

# সূচীপত্ৰ


| বিষয় | পৃষ্ঠা |
|---|---|
| ১। কছাৰী জাতিৰ চমু ইতিহাস ॥ | ১ |
| ২। কছাৰীৰ ধৰ্ম্ম ॥ | ৯ |
| ৩। বাইথৌ পূজাৰ জন্ম ইতিহাস ॥ | ১১ |
| ৪। বাইথৌ পূজাৰ বিধি বিধান ॥ | ১৫ |
| ৫। হয়দাং নৃত্য ॥ | ১৮ |
| ৬। হগ্ৰা নৃত্য ॥ | ১৮ |
| ৭। হয়দাং গীতৰ উৎপত্তি ॥ | ২০ |
| ৮। হয়দাং গীতৰ তাৎপৰ্য ॥ | ২২ |
| ৯। হয়দাং গীতৰ ভাষা ॥ | ৩০ |
| ১০। হয়দাং গীত সমূহ ॥ | ৩৪ |
| ১১। অসমীয়া সংস্কৃতি বিহু ॥ | ৪৬ |
| ১২। কাতি বিহু ॥ | ৫৪ |
| ১৩। মাঘ বিহু ॥ | ৫৬ |
| ১৪। বহাগ বিহু ॥ | ৫৯ |
| ১৫। গো পূজা ॥ | ৬০ |
| ১৬। চাট মাৰিৰ উৎপত্তি ॥ | ৬১ |
| ১৭। কণী যুজ ॥ | ৬৩ |
| ১৮। নাম ঘৰত আনুষ্ঠানিক বিহু ॥ | ৬৩ |
| ১৯। গৰু বিহুৰ গধূলি ॥ | ৬৪ |
| ২০। মানুহ বিহু ॥ | ৬৪ |
| ২১। হুঁচৰি ॥ | ৬৬ |
| ২২। হুচৰিৰ কাল বিভাজন ॥ | ৬৮ |
| ২৩। বঙ্গ মঞ্চৰ হুঁচৰি ॥ | ৭৮ |
| ২৪। হুচৰি গীতৰ শ্ৰেণীবিভাগ ॥ | ৭৯ |
| ২৫ বাৰে মন্ত্ৰ ॥ | ৭৯ |
| ২৬ পোহাৰী গীত ॥ | ৮১ |
| ২৭ খিয় গীত ॥ | ৮২ |
| ২৮ বৰ গীত ॥ | ৮২ |
| ২৯। হুঁচৰি গীত সমূহ ॥ | ৮৩. |



মেগেলা শিল্পী সমাজৰ সৌজন্যত বহুৰা নৃত্য



উজনি অসমৰ মেজি আৰু মেজিঘৰ



মেগেলা শিল্পী সমাজৰ সৌজন্যত সনোৱাল কছাৰীৰ হুঁচৰি



মেগেলা শিল্পী সমাজৰ সৌজন্যত হয়দাং নৃত্য

# কছাৰী জাতিৰ চমু ইতিহাস।

কছাৰীসকলৰ আদি বাসস্থান ক'ত আছিল আৰু কেতিয়া, কোনফালে, ক'ৰ পৰা আহি ভাৰতবৰ্ষত প্ৰৱেশ কৰিলেহি, এই বিষয়ে বুৰঞ্জী আজিও নিমাত। কছাৰী সকলৰ মাজতো তেওঁলোক অসমৰ বা ভাৰতৰ বাহিৰৰ পৰা অহাৰ বিষয়ে বৰ বেছি জনশ্ৰুতি পোৱা নাযায়।

ভাগৱত, পুৰাণ আদি পুৰণি হিন্দু শাস্ত্ৰৰ লগত সম্বন্ধ থকা এটি জনশ্ৰুতিৰ মতে বিষ্ণুপুৰত দুৱৰী হিচাপে থকা জয় আৰু বিজয়ে চাৰি সিদ্ধ পুৰুষৰ অভিশাপৰ ফলত দিতিৰ গৰ্ভত আৰু কশ্যপৰ ঔৰষত হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু ৰূপে জন্মগ্ৰহণ কৰে। এই হিৰণ্যকশিপুৰ বংশধৰ সকলক কছাৰী বুলি অভিহিত কৰা হয়, অৰ্থাৎ হিৰণ্যকশিপুৰ অন্ত্যাংশৰ 'কশিপু' শব্দৰ পৰাই কছাৰী শব্দৰ উৎপত্তি বুলি বহুতে মত প্ৰকাশ কৰা দেখা যায়। কিছুলোকে ক'ব খোজে, হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ, তেওঁৰ পুত্ৰ বিৰোচন, আৰু বিৰোচনৰ পুত্ৰৰ নাম আছিল বলি। বলিৰ পত্নী বাণৰজাৰ মাকৰ নাম আছিল কাটুৰী বুঢ়ী। এই কাটুৰী বুঢ়ীৰ নামকৰণৰ অৰ্থাৎ 'কাটুৰী'ৰ পৰাই কছাৰী শব্দৰ উৎপত্তি। আকৌ কিছুলোকে ক'ব খোজে, বাণৰ পুত্ৰৰ নাম আছিল কুম্ভবীৰ। এই 'কুম্ভ'ৰ পৰাই কছাৰীৰ উৎপত্তি। অন্য সূত্ৰই ক'ব খোজে কুম্ভবীৰৰ পুত্ৰ ভালুকবীৰ। ভালুকবীৰৰ পুত্ৰ আছিল সাতজন। ভালুকবীৰৰ এই সাতজন পুত্ৰৰ পৰাই কছাৰীৰ সাতটা বংশৰ সৃষ্টি হয়।

সোণোৱাল কছাৰীৰ 'হুগ্ৰা নৃত্য'ৰ তাৎপৰ্য্য পৰ্য্যালোচনা কৰিলে দেখা যায় যে হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু ভ্ৰাতৃদ্বয়ক ভগবান বিষ্ণুৱে যথাক্ৰমে বৰাহ আৰু নৰসিংহৰূপ ধৰি বধ কৰিছিল। তাৰ ফলস্বৰূপে এই ভ্ৰাতৃদ্বয়ৰ বংশধৰসকল বিষ্ণুৰ ঘোৰ বিৰোধী হৈ পৰে। তেওঁলোক ইমান বিষ্ণুবৈৰী হৈ পৰে যে বিষ্ণুক নাপাই গাহৰিকেই বিষ্ণুজ্ঞান কৰি বধ কৰিছিল। কালক্ৰমত তাম্ৰেশ্বৰী, কেঁচাই খাইতী, বুঢ়া—বুঢ়ী বাইথ' আদি শালসমূহত গাহৰিক বিষ্ণু জ্ঞান কৰি বৰাহৰূপী বিষ্ণুৰ প্ৰতীক হিচাপে ধৰি লৈ বলি দিছিল। এইদৰে বহুযুগ ধৰি বলি বিধান

চলাৰ পাছত বৰাহৰূপী বিষ্ণুৰ ঔৰষে জন্ম নৰকাসুৰৰ বংশধৰ সকলক বিষ্ণুৰ অংশ বুলি বৰাহ জ্ঞান কৰি শাল সমূহত পূজা দিবলৈ ধৰিলে। সোণোৱাল কছাৰীৰ 'হুগ্ৰাল' বংশটো নৰকাসুৰৰ বংশ বুলি খ্যাত। 'হুগ্ৰাল' বংশৰ ভেকাৰী পৰিয়ালৰ মানুহকে মদন আৰু মাণিকীয়াল বংশৰ, বাইথৰী, মুকুহুমী, লক্ষণাৰী, ভক্তিয়াৰী, ফেতাৰী গুঁই আদি পৰিয়ালৰ মানুহে বাইথ , কেঁচাই খাইতী, তাম্ৰেশ্বৰী বুঢ়া বুঢ়ী আদি শালসমূহত পূজা দিছিল। এইদৰে এটা সময়ত ভাৰতবৰ্ষৰ পীঠসমূহত নৰবলিৰ প্ৰথা চলিছিল।

সোণোৱাল কছাৰীৰ মাজত প্ৰচলিত 'হুগ্ৰা নৃত্য'ত উল্লেখ থকা মতে হুগ্ৰাল বংশটো নৰকাসুৰৰ বংশৰ আৰু মদন আৰু মাণিকীয়াল বংশ দুটা হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ বংশ। বুৰঞ্জীয়েও নৰকাসুৰক ম্লেচৰ অধিপতি কছাৰী বুলি অভিহিত কৰিছে। সোণোৱাল কছাৰীৰ হুচৰি গীতৰ বাবে মন্ত্ৰত উল্লেখ থকামতে 'শুক্ৰমুনি, কোতাল, ধাৰী-নিধাৰী, বালি-মাটি সুভ্ৰন মৃত্যাক জয় জয়······তিনিশ তিনি কুৰি তিনিদিনৰ মূৰত বলি ৰজাৰ বিহু। আমি তাকেহে যুগৰ নিয়তি কৰোঁ, বুলি কৈ সোণোৱাল সকল বলিৰজাৰ বংশধৰ লোক, তাকে বিহুৰ সময়ত ঘৰে ঘৰে হুচৰিৰ মাধ্যমেৰে প্ৰচাৰ কৰি ফুৰে। গতিকে বলিৰ পিতা, পিতামহ-পিতামহৰ পিতামহ যথাক্ৰমে বিৰোচন, প্ৰহ্লাদ, হিৰণ্যাক্ষ, হিৰণ্যকশিপু আদি দৈত্যৰাজ সকল কছাৰী সকলৰো পিতা, পিতামহ, পিতামহৰ পিতামহ।

মহাভাৰতত উল্লেখিত অন্য এটি সৰ্বজনবিদিত আখ্যান অনুসৰি দ্বিতীয় পাণ্ডৱ ভীমৰ ঔৰষত হিড়িম্বাৰ গৰ্ভত ঘটোৎকচৰ জন্ম। কাছাৰ জিলাতেই সেই ৰাজ্য আছিল বুলি প্ৰাচীন গ্ৰন্থৰাজিৰ পৰা জনা যায়। কছাৰী সকলে নিজকে ভীম, হিড়িম্বাৰ সন্তান বুলি চিনাকি দি গৌৰৱ অনুভৱ কৰে। সমগ্ৰ কছাৰী জাতিৰ মাজত এই বিশ্বাস বংশ পৰম্পৰা অনুসৰি চলি আহিছে। তেওঁলোকৰ অতীতৰ উজ্জ্বল স্মৃতি এতিয়াও ম্লান হোৱা নাই। বৰঞ্চ জাতিৰ প্ৰাচীন সভ্যতাক অধিক আলোকিত হে কৰিছে।

এইদৰে দেখা যায়, কছাৰী সকলৰ ফৈদ তিনিটা :–

(১) বলিৰ বংশধৰ কছাৰী।

(২) নৰকাসুৰৰ বংশধৰ কছাৰী।

(৩) হিড়িম্বাৰ বংশধৰ কছাৰী।

ভাৰতৰ জনগোষ্ঠী সমূহক যেনে ধৰণে শক, হুন, পাঠান, মোগল, অসুৰ আদি

ভিন্ ভিন্ ৰূপে বাচি উলিওৱাটো আজিৰ দিনত টান কামেই নহয়—অসম্ভৱো ; ঠিক তেনেকৈ কছাৰী সকলৰ খৈদ সমূহকো বেলেগ বেলেগ ৰূপত ভাগ কৰি উলিওৱাটো সহজ কাম নহয়। সি যি কি নহওক, সাধাৰণতে বলিৰ বংশধৰ কছাৰী আৰু নৰকাসুৰৰ বংশধৰ কছাৰী বুলি ক'লে আমি সোণোৱাল, দেউৰী, চুতীয়া, বাইলুং, মৰাণ, নিৰ্মলীয়া, শ্ৰীপুৰীয়া, টিপমীয়া, বাহবৰীয়া, কপৌৰী ধাতুমীয়া, কৈৱৰ্ত্ত আদি লোকসকলক ধৰিব পাৰোহঁক। হিড়িম্বাৰ বংশধৰ কছাৰী সকলৰ ভিতৰত প্ৰধানকৈ বড়ো, ৰাভা, ডিমাচা, মেছ, লালুং, কোঁচ, ৰাজবংশী, হোজাই, হাজং আদি লোক সকলক ধৰিব পাৰি।

### কছাৰী সকলৰ জনস্ৰোত :

(১) খৃঃ পূঃ দুহেজাৰ বছৰৰ আগতে মংগোলীয় জাতিৰ মানুহ চাইবেৰিয়া আৰু মংগোলীয় দেশত ভ্ৰমি ফুৰাৰ কথা পণ্ডিত সকলে অনুমান কৰে। কালক্ৰমত এই জাতিৰ মানুহ তিনিভাগ হৈ এভাগ ইউৰোপত সোমাই তুৰস্ক আৰু ইটালীত বাস কৰে। দ্বিতীয় ভাগটো বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰে। এই ভাগৰে আন এটা ঠাল জাপানত বাস কৰে। তৃতীয় ভাগটো ক্ৰমান্বয়ে দক্ষিণ ফালেদি আহি চীনৰ হোৱাংহো উপত্যকা, তিব্বত মালভূমিত বাস কৰে।' কালক্ৰমত তিব্বত মালভূমিত বাস কৰা সকলে পোনে পোনে দক্ষিণলৈ আহি হিমালয় পৰ্ব্বতৰ দাঁতিকাষৰীয়া ঠাইবোৰত বসতি কৰিবলৈ লয়। এনে ধৰণেৰে হিমালয়ৰ দাঁতি কাষৰীয়া ঠাইত থাকিবলৈ লোৱাৰ পৰাই কছাৰী শব্দৰ উৎপত্তি বুলি ধাৰণা কৰা হয়। সংস্কৃত 'কক্ষয়াত' বা 'কচ্ছাত' শব্দৰ অপভ্ৰংশ ৰূপেই কিৰাত আৰু কছাৰী ৰূপে পৰিগণিত বুলি শ্ৰীভবেন নাজ্জীয়ে 'বড়ো কছাৰীৰ সমাজ সংস্কৃতি' গ্ৰন্থত উল্লেখ কৰিছে [ পৃঃ ১-২ ]।

বাইথ, কৈঁচাই খাইতী, তাম্ৰেশ্বৰী, বলিয়া বাবা আদি শালসমূহৰ শান্তি মন্ত্ৰত যি সপ্তসাগৰ আৰু সপ্তদ্বীপৰ নাম উল্লেখ আছে তাৰ পৰা জনা যায় যে কছাৰী সকলৰ আদি পুৰুষ সকল উত্তৰ মহাসাগৰৰ কোনো এটা দ্বীপত বসবাস কৰিছিল। প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত উক্ত দ্বীপ ধ্বংস প্ৰাপ্ত হোৱাৰ উপক্ৰম হোৱাত তাৰ বাসিন্দা সকল বেৰিং প্ৰণালী পাৰ হৈ চাইবেৰিয়াৰ উত্তৰ-পূৰ্ব অঞ্চলত প্ৰৱেশ কৰে। কালক্ৰমত এই জাতিৰ লোকসকল গোটেই

চাইবেৰিয়াৰ বিভিন্ন অঞ্চলত বিয়পি পৰে। চাইবেৰিয়াত বহুকাল অতিবাহিত কৰাৰ পাছত তেওঁলোকে এচিয়াৰ দক্ষিণ পশ্চিম দিশলৈ ক্ৰমশঃ আগবাঢ়ি আহি ইৰাণ, ইৰাক, আফগানিস্থান আদি হৈ সিন্ধু নদীৰ উপত্যকাত প্ৰৱেশ কৰে। এনেকৈ তেওঁলোকে এচিয়াৰ উত্তৰ পূৰ্ব অঞ্চলেদি প্ৰৱেশ কৰি বিভিন্ন দেশৰ মাজেদি আহোঁতে বিভিন্ন দেশৰ জন গোষ্ঠীৰ লৈতে সংমিশ্ৰণ হোৱাত বিভিন্ন জাতিৰ সভ্যতা আৰু সংস্কৃতিৰ লগতো সংমিশ্ৰণ ঘটে। বিশেষকৈ ইৰাণ, ইৰাক, আফগানিস্থান আদি দেশসমূহত প্ৰৱেশ কৰা সময়ত তেওঁলোকে সভ্যতা আৰু সংস্কৃতিৰ ক্ষেত্ৰত চৰম বিকাশ লাভ কৰিছিল। এই জাতিৰ লোকসকল বিশেষকৈ সাগৰীয় উপকূলীয় অঞ্চলৰ লোক আছিল। অৰ্থাৎ তেওঁলোকে সাৰুৱা আৰু সহজে খেতি-বাতি কৰিব পৰা মাটি বিচাৰি সাগৰীয় উপকূল তথা নদীৰ উপত্যকা অঞ্চল বিচাৰি উলিয়াই সেইবোৰ ঠাইত বসবাস কৰিছিল। সেয়েহে বেঙ্গেলসাগৰ, প্ৰশান্ত মহাসাগৰ, ওখটস্ক সাগৰ, আৰব সাগৰ, কৃষ্ণসাগৰ, লোহিত সাগৰ, সুমেৰু চান, শ্বেতদ্বীপ, শাকদ্বীপ, ক্ৰৌঞ্চদ্বীপ, বেঙ্গেলদ্বীপ পুষ্কৰদ্বীপ আদি সাগৰৰ উপকূল আৰু দ্বীপসমূহত বাস কৰাৰ কথা উল্লেখ পোৱা যায়। এই জাতিৰ লোকসকল বীৰ, সাহসী আৰু নাও চলোৱাত পাৰ্গত আছিল। এইদৰে দেখা যায় যে বিভিন্ন সভ্যতা-সংস্কৃতিৰ সংমিশ্ৰিত এটা সু-সভ্য জাতি ৰূপে সিন্ধু নদীৰ উপত্যকাইদি ভাৰতত প্ৰৱেশ কৰি ভাৰতত এখন স্থায়ী ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁলোকৰ এই ৰাজ্য কেৱল সিন্ধু নদীৰ উপত্যকাতে সীমাবদ্ধ আছিল এনে নহয়—ই গোটেই পঞ্জাব আৰু কাশ্মীৰ পৰ্য্যন্ত বিস্তাৰিত আছিল। তেওঁলোকৰ এই ৰাজ্য প্ৰায় ৫০০ বছৰ মানলৈকে আছিল বুলি অনুমান কৰিব পাৰি। সেই সময়ত তেওঁলোকৰ সভ্যতাও চৰম সীমা পাইছিলগৈ। তেওঁলোকে উন্নত কৃষিকাৰ্য্য, বিজ্ঞানসম্মত উন্নত ঘৰ-দুৱাৰ সজা কাম আদি জনাৰ উপৰিও গণিত, জ্যোতিষ শাস্ত্ৰতো আগবঢ়া আছিল। তেওঁলোকে পৃথিৱীৰ ভিতৰত প্ৰথম কাশ্মীৰতেই জ্যোতিষ বিদ্যা চৰ্চা কৰিবলৈ লয় বাবে প্ৰাগ্‌জ্যোতিষ্‌পুৰ নগৰ কাশ্মীৰতে প্ৰতিষ্ঠা হোৱাৰ কথা বহুতো পণ্ডিতে অনুমান কৰে। এই ৰাজ্য খৃঃ পূঃ ৫৫০০ বছৰৰ আগৰ বুলি অনুমান কৰিব পাৰি।

প্ৰায় ৫০০ বছৰ ৰাজত্ব কৰাৰ পাছত কালক্ৰমত তেওঁলোক গোটেই উত্তৰ ভাৰতত বিয়পি পৰে। বিশেষকৈ গংগা আৰু যমুনা নদীৰ উপত্যকাত বহু বছৰ ধৰি বসবাস কৰাৰ পাছত দুই নদীৰ উপত্যকাইদি আহি গংগা ব্ৰহ্মপুত্ৰ

সংগমস্থলেদি ত্ৰিকোণাকৃতি অসমভূমিত প্ৰৱেশ কৰে। সেই সময়ত অসমৰ আয়তন বিশাল আছিল। কালিকা পুৰাণৰ মতে, "কামৰূপ ত্ৰিকোণাকাৰ, দীঘলে ১০০ যোজন আৰু বহলে ৩০ যোজন। পূবে দিক্কৰ নদীৰ পৰা পশ্চিমে কৰতোৱা নদীলৈকে বিস্তৃত আছিল।" "এনে এখন বিশাল ত্ৰিকোণাকৃতি অসম ভূমিৰ দক্ষিণ পশ্চিম কোণেদি তেওঁলোকে প্ৰৱেশ কৰি বসবাস কৰিবলৈ লয়।

(২) উপেন্দ্ৰ গুহদেৱে উল্লেখ কৰা প্ৰাচীন জনশ্ৰুতিমতে "অতি প্ৰাচীন কালত কছাৰীসকলৰ পূৰ্বপুৰুষ সকল ডালাওত্ৰা আৰু সাংগ্ৰীবা নদীৰ সংগমস্থলত, সমুদ্ৰ উপকূলত বাস কৰিছিল। সেই ঠাইৰ প্ৰাকৃতিক দৃশ্য আছিল অতি মনোৰম। এজোপা বিশাল বটবৃক্ষৰ ডালে-পাতে বহু ঠাই জুৰি শোভা বৰ্দ্ধন কৰিছিল। কালক্ৰমত ৰাজ্য জৰাজীৰ্ণ হোৱাৰ পাছত বয়োবৃদ্ধ সকলৰ পৰামৰ্শ মতে ৰজাই ৰাজ্য ভাগ কৰিবলৈ সংকল্প কৰিলে। অনেক লোক তাতে ৰৈ যায়। কিন্তু অধিকাংশ প্ৰজা সাংগ্ৰীবা [ ব্ৰহ্মপুত্ৰ ] ইদি উজাই আহি নীলাচলৰ অভিমুখে যাত্ৰা কৰিলে। [ "কাছাড়েৰ ইতিবৃত্ত'—পৃঃ ৪৭, উপেন্দ্ৰ চন্দ্ৰ গুহ ]

সোণোৱাল কছাৰীৰ বাবে মন্ত্ৰৰ মতে বলিক বামনৰূপে বিষ্ণুৱে ছলনা কৰি বলিদ্বীপৰ পৰা সুতলপুৰীলৈ খেদি পঠাইছিল। সেই সুতলপুৰী আছিল কাছাৰ-ত্ৰিপুৰা। কাছাৰ-ত্ৰিপুৰাক সেই সময়ত পাতাল পুৰী বুলি অভিহিত কৰিছিল। বলিয়ে বলিদ্বীপ এৰি সুতলপুৰীলৈ আহোঁতে তেওঁৰ ৰাজ্যত যিমান পণ্ডিত, প্ৰজা, পালি-পহৰীয়া আছিল সকলো লগত লৈ আহিছিল। সেয়েহে শুক্ৰাচাৰ্য্য, ভৃগুকে আদি কৰি পণ্ডিত সকল বলিৰ লগত অসমলৈ আহিছিল। তেওঁলোকে বিভিন্ন শাস্ত্ৰ চৰ্চা কৰাৰ লগতে জ্যোতিষ বিদ্যাৰ চৰ্চাও কৰিছিল। জ্যোতিষ বিদ্যা চৰ্চাত পণ্ডিত সকল ইমান আগবাঢ়িছিল যাৰ ফলত গোটেই অসমখনকে প্ৰাগ্‌জ্যোতিষপুৰ বুলি জনা গৈছিল।

এই বিলাক কথাৰ পৰাই জনা যায় যে কছাৰী সকলৰ আদি বাসস্থান প্ৰাগ্‌জ্যোতিষ পুৰৰ অন্তৰ্গত কাছাৰ ত্ৰিপুৰা আছিল। তেওঁলোকে তেওঁলোকৰ নিকটবৰ্ত্তী অষ্ট্ৰিক গোষ্ঠীৰ খাচীয়া সকলৰ লগত প্ৰায়েই যুদ্ধ বিগ্ৰহত লিপ্ত আছিল। খাচীয়া সকলক 'খচ' বুলি কোৱা হৈছিল অৰ্থাৎ খচ অৰি [ খচ+অৰি ] "খাচীয়াৰ শত্ৰু"ৰ পৰাই কছাৰী শব্দ হৈছে আৰু কছাৰী সকলৰ আবাসস্থানক কাছাৰ বুলিছিল। ডঃ সুনীতি কুমাৰ চেটাৰ্জ্জীৰ মতে "কছাৰী সকল সদায়েই নদী বা পৰ্বতৰ কাষতহে বসতি কৰিছিল। নদী বা পৰ্বতৰ কাষত বাস কৰা

বাবেই 'কক্কাত' শব্দ হৈছে আৰু সেই 'কক্কাত' শব্দৰ অপভ্ৰংশ হৈ পাছত কাছাৰ হৈছে আৰু ক্ৰমে কাছাৰৰ পৰাই কছাৰী শব্দৰ উৎপত্তি হৈছে।"

আদিতে কছাৰী সকল ডিমাচা নামৰে পৰিচিত আছিল। ডিমাচাসকলৰ কিংবদন্তিমতে কছাৰীৰ আদি পুৰুষ হিড়িম্বই 'ডিমালাং' নদীৰ পাৰত ৰাজ্য স্থাপন কৰিছিল। 'ডিমালাং শব্দৰ পৰাই 'ডিমাচা' শব্দৰ উৎপত্তি হৈছে যাৰ অৰ্থ ডি— পানী, মা-ফিচা সন্তান, অৰ্থাৎ ডাঙৰ নদীৰ সন্তান।

(৩) শ্ৰীযুত ভবেন নাৰ্জ্জীৰ মতে ৬৩৮ খৃঃ ৰ আগতে ত্ৰিপুৰা ৰজাই প্ৰজাবৰ্গৰ সৈতে বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰিছিল। বৌদ্ধধৰ্মত দীক্ষিত হৈ কছাৰী সকলে নিজকে বুদ্ধৰ ফিচা অৰ্থাৎ বুদ্ধৰ সন্তান বুলি পৰিচয় দিছিল। সেই বুদ্ধ ফিচা শব্দৰ পৰাই কালক্ৰমত বড়ো শব্দৰ উৎপত্তি হৈছে। [ বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃঃ ২১, শ্ৰীভবেন নাৰ্জ্জী ]

বড়োসকলৰ কিছুমানে হিন্দুধৰ্ম্ম গ্ৰহণ কৰি নিজক উচ্চ শ্ৰেণীৰ বুলি পৰিচয় দিবলৈ গৈ বৰকোঁচ, সৰু কোঁচ ৰাজবংশী আদি উপজাতিত বিভক্ত হয়।

১৬০৩ শকত আউনি আটীয়া সত্ৰাধিকাৰ কেশৱদেৱ মহন্তৰ ওচৰত কাকবাহৰ চুঙাত সোণ পৰীক্ষা কৰি শৰণ লৈ বৈষ্ণৱ হোৱা শদিয়াল কছাৰী সকল সোণোৱাল নাম পায়। এই দৰে কছাৰীসকল বিভিন্ন জাতি-উপজাতিত বিভক্ত হয়।

কছাৰী ৰজাসকলৰ ৰাজত্বৰ বিষয়েও ধাৰাবাহিক বিৱৰণ পোৱা নাযায়। তেওঁলোকৰ ৰাজত্বৰ বিষয়ে যিবিলাক বুৰঞ্জী আছিল, সিও আজি কালৰ গতিত বিস্মৃতিৰ অতল গৰ্ভত লীন গৈছে। দুই এখন পুথি তথা প্ৰচলিত জনশ্ৰুতি, গীত-মাতবোৰৰ পৰাহে তেওঁলোকৰ ইতিহাসৰ বিষয়ে কিছু আভাস পোৱা যায়। ৮৩০ খৃঃ ৰ আগৰ কছাৰী ৰজাসকলৰ বিৱৰণ প্ৰায় পোৱা নাযায়। সম্ভৱতঃ ৮৩০ খৃঃ ৰ আগৰ কছাৰী নৃপতি সকলে কাছাৰ ত্ৰিপুৰা এৰি নীলাচলৰ অভিমুখে যাত্ৰা কৰা হেতু বুৰঞ্জীত উল্লেখ নহ'ল। তেওঁলোকে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি উজাই আহি দৰং, তেজপুৰ, লক্ষীমপুৰ হৈ সোৱণশিৰী নদী অতিক্ৰম কৰি শদিয়া অঞ্চলত সোমাইছিল, সেই হেতু ৮৩০ খৃঃ ত ডিমালাং আৰু কৌণ্ডিল্যাত ভাস্কৰ বংশৰ ৰজাই ৰাজত্ব কৰাৰ কথা উল্লেখ পোৱা যায়। কৌণ্ডিল্য ৰাজ্য সেইসময়ত হালালী ৰাজ্য নামেৰে পৰিচিত আছিল। হালালীৰ অৰ্থ হ'ল উজ্জ্বল মাটি [ হা — মাটি, লালী — উজ্জ্বল ], ইয়াৰ ৰাজধানী আছিল লালী।

হয়দাং গীতত উল্লেখ থকা মতে দিহং, দিবাং, টেঙাপানী, কুণ্ডিল,

সোৱণশিৰী আদি নৈৰ অৱবাহিকাৰ খেৰেম, বেৰেম, মাৰিৱা, পচলা, লাখাও, চকাতো, চলিহা আদি বিস্তীৰ্ণ ভূ-ভাগ এই হালালী ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। এই হালালী ৰাজ্যত সোণোৱাল কছাৰীৰ মদন, মাণিকীয়াল, হগ্ৰোল, মুক্তাল, এজমাল, ফৰমাল, বৰহাজোৱাল, সৰু হাজোৱাল, দংৰাল, ডিঙিয়াল, কোমৰাল, চেকীয়াল, লাঠিয়াল আৰু চেতিয়াল—এই চৈধ্যটা বংশৰ ৰজাই ৰাজত্ব কৰিছিল। ৮৩০ খৃঃ ৰ পৰা শেষৰ জন শদিয়াখোৱা গোঁহাইৰ দিনলৈকে শদিয়াৰ হালালী ৰাজ্যত কছাৰী সকলে ৰাজত্ব কৰিছিল।

১২৩৪ খৃঃ ত ভাস্কৰ বংশৰ ৰজা গান্ধিকধ্বজে শদিয়াৰ দক্ষিণে ব্ৰহ্মপুত্ৰ পাৰ হৈ আহি চৈখোৱা, ডুমডুমা, নামচাং মহংগ আদি অঞ্চললৈকো ৰাজ্য বিস্তাৰ কৰি বহু বছৰ ধৰি ৰাজত্ব কৰে। ইয়াৰ পাছত তেওঁৰ বংশধৰ ভূপেন ধ্বজকে আদি কৰি বীৰহাস, বিচাৰ পতিফা, বিক্ৰমাদিত্যফা, মহামাণিক্যফা, মাণিকফা, লাৰফা, খোৰাফা, ডেৰচোংফা আদি কেইবাজনো ৰজাই চৈ-খোৱা, ডুমডুমা, মহংগ, নামচাং, জয়পুৰ, নামৰূপ, বৰহাট, সোণাপুৰ, বাণপুৰ, লক্ষীত্ৰপুৰকে আদি কৰি দিখৌ নদী পৰ্য্যন্ত ৰাজ্য বিস্তাৰ কৰি ব্ৰহ্মপুত্ৰ, বুঢ়ীদিহিং, দিখৌ এই তিনি নদীৰ অৱবাহিকাৰ বিস্তীৰ্ণ ভূ-ভাগত ৰাজত্ব কৰিছিল।

বুৰঞ্জীৰ বিভিন্ন তথ্যপাতিৰ পৰা জনা যায় যে ৯৮০ খৃঃ ত বলভদ্ৰ ৰজাই ব্ৰহ্মপুত্ৰৰ দক্ষিণে ৰাজ্য স্থাপন কৰি ৰাজত্ব কৰিছিল। জনাৰ্দন ৰজাই ডিমালাং ৰাজ্যৰ পৰা আহি ব্ৰহ্মপুত্ৰৰ দক্ষিণে বলভদ্ৰ ৰাজ্যত ১০৪০ খৃঃ ৰ পৰা ১০৯৫ খৃঃ লৈকে ৰাজত্ব কৰে। ১০৯৫ খৃঃ ৰ পৰা ১১৩৫ খৃঃ লৈকে হিৰণ্যৰজাই কলং-ধনশিৰি নদীৰ উপত্যকাকে আদি কৰি গোটেই নগাঁও জিলাতে ৰাজত্ব কৰে। এওঁৰ পাচতো ভালেকেইজন ৰজাই ১৭০৩ খৃঃ লৈকে নগাঁও অঞ্চলত ৰাজত্ব কৰি কছাৰী ৰজাৰ বৈজয়ন্তী উৰাই ৰাখিছিল বুলি ইতিহাসে প্ৰমাণ কৰে। হিৰণ্যৰজাৰ বংশধৰ নীলধ্বজ, দুৰ্ল্লভ নাৰায়ণ, গোৱধ্বজ, মহেশ্বৰ, চক্ৰধ্বজ, নীলাম্বৰ আৰু মদনধ্বজ ৰজাই কমতাপুৰত ১২১১ খৃঃ ৰ পৰা ১৫১০ খৃঃ লৈকে ৰাজত্ব কৰিছিল। চক্ৰধ্বজ ৰজাকে আদি কৰি কেইবাজনো ৰজাই গোলাঘাট মহকুমাৰ বৰ পথাৰৰ পৰা ডিমাপুৰলৈকে এই বিস্তীৰ্ণ ভূ-ভাগক লৈ ডিমাপুৰত নিগাজী ৰাজধানী পাতি ৰাজত্ব কৰিছিল।

এই সময়ছোৱাৰ ভিতৰতে অৰ্থাৎ ১২২৮ খৃঃ ত টাই জাতিৰ মানুহে পাটকাই পৰ্বত অতিক্ৰম কৰি নগা পাহাৰেদি সৌমাৰৰ কছাৰী ৰাজ্যত প্ৰৱেশ কৰে।

টাই জাতিৰ সাত ভাই-ককায়ে [ আহোম ] চৰাইদেউৰ কাষত বসতি কৰি থকা কছাৰী সকলৰ লগত মিলিজুলি খেতি-বাতি কৰি সুখেৰে দিন অতিবাহিত কৰাৰ লগতে কছাৰী সকলৰ সকলো আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি শিকি লৈছিল। টাই জাতিৰ এই সাত ভাই-ককায়ে লগত কোনো তিৰোতা লৈ অহা নাছিল। ফলত কছাৰীৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিব লগা হৈছিল। কছাৰী ৰজা ভূপেন্দ্ৰধ্বজৰ কন্যাকে আহোমৰ সাত ভাইৰ সবাতোকৈ জাওৰজন চুকাফাই বিয়া কৰায়। ভূপেন্দ্ৰধ্বজ অপুত্ৰক আছিল। চুকাফাই শহুৰেকৰ লগত বহুতদিন একেলগে থকাৰ পাছত এদিন শহুৰেকৰ পৰা ক'লী গৰুৰ ছাল এখন পাৰিবৰ জোখাৰে অকণমান হলেও নিজৰ নামত মাটি বিচাৰিলে। শহুৰেকে জোঁৱায়েকৰ কথা মতে মাটি দিলে, শহুৰেকৰ পৰা মাটি লৈ চুকাফাই চক্ৰান্ত কৰি ক'লী গৰু এজনী মাৰি তাইৰ ছালেৰে বৰতী কৰি একেৰাতিৰ ভিতৰতে জুইত শুকুৱাই সেই বৰতীবিলাকেৰে ডুমডুমাৰ পৰা দিখৌ নদী সীমালৈকে মাটি জুখি পেলালে। জোঁৱায়েকৰ কাণ্ড দেখি শহুৰেক খঙত অগ্নিশৰ্ম্মা হৈছিল যদিও কোনো শক্তভাব ন'লৈ সেই ভূ-খণ্ড চুকাফাক এৰি দি নিজে ডিমাপুৰলৈ গৈ ৰজা হয়।

"কাৰ কদম বই নাই ঐ

জেঠেৰী ক'ত যায় না হেই" -এই হুচৰি গীতটিয়েই ইয়াৰ উৎকৃষ্ট নিদৰ্শন। এই গীতটিত উক্ত ঐতিহাসিক কাহিনী সুন্দৰভাৱে দাঙি ধৰা হৈছে।

ভূপেন্দ্ৰধ্বজকে আদি কৰি আনুমানিক ১১৫১ খৃঃ ৰ পৰা ১৫৩৬ খৃঃ লৈকে প্ৰায় ৪০০ বছৰ কাল কছাৰী ৰজাসকলে ডিমাপুৰত ৰাজত্ব কৰে। ডিমাপুৰৰ শেষ কছাৰী ৰজা ডেটচুংফা ডেচাংডাওৱে আহোমৰ বশ্যতা স্বীকাৰ নকৰাত চুহুমুংগে ১৫৩৬ খৃঃ ত ডিমাপুৰ ৰাজ্য আক্ৰমণ কৰে, ফলত কছাৰীসকলে ডিমাপুৰ এৰি কাছাৰৰ মাইবঙলৈ গৈ তাত ৰাজ্য স্থাপন কৰি ৰাজত্ব কৰে। মাইবঙত ৰাজধানী পাতি দুৰ্গ, দৌল-দেৱালয়, পুখুৰী আদি সকলো যাৱতীয় উপকৰণেৰে প্ৰায় ৩০০ বছৰ ৰাজত্ব কৰে। মাইবঙত ৰাজত্ব কৰা কছাৰী সকলৰ বিস্তৃত বিৱৰণ নাই যদিও নিৰ্ভয় নাৰায়ণ, যশোনাৰায়ণ, ভীমদৰ্প, বীৰদৰ্প, ময়ূৰধ্বজ, গৰুধ্বজ, মকৰধ্বজ, তাম্ৰধ্বজ, ধৰ্ম্মধ্বজ, সুৰদৰ্প, কীৰ্তিনাৰায়ণ, ৰামচন্দ্ৰ, হৰিচন্দ্ৰ, লক্ষীচন্দ্ৰ, কৃষ্ণচন্দ্ৰ, গোবিন্দ ধ্বজ আদি প্ৰায় ২১ জন ৰজাই প্ৰায় ৩০০ বছৰ কাল ৰাজত্ব কৰে।

কছাৰী ৰজাসকলৰ ৰাজত্বৰ বিষয়ে ধাৰাবাহিক বিৱৰণ পোৱা নাযায় যদিও

৮৩০ খৃঃ ৰ পৰা ১৮৩০ খৃঃ লৈকে ৰাজত্ব কৰা কছাৰী ৰজাসকলৰ বিষয়ে কিছু আভাস পোৱা যায়। উপেন্দ্ৰ গুহদেৱে কাছাৰৰ ইতিবৃত্তত উল্লেখ কৰা মতে মুঠ ১০৩ জন কছাৰী ৰজাই অসমত ৰাজত্ব কৰে। কিন্তু স্বৰ্গীয় বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মতে অসমত ৰাজত্ব কৰা মুঠ ১৮৬ জন কছাৰী ৰজাৰ নাম পোৱা যায়। সি যি কি নহওক, শদিয়াৰ পৰা কাছাৰ ত্ৰিপুৰালৈকে সমগ্ৰ অসমত হেজাৰ হেজাৰ বছৰ ধৰি ৰাজত্ব কৰা অসমৰ বিশাল জনগোষ্ঠী, যি সকলৰ বুৰঞ্জী, কলা-সংস্কৃতিক বাদ দিলে অসমৰ বুৰঞ্জী, সংস্কৃতি আৰু সভ্যতা বিকলাংগ হৈ পৰিব, এনে এটি বিশাল কছাৰী জাতিৰ বুৰঞ্জী, কলা-সংস্কৃতি আজিও সম্পূৰ্ণৰূপে উদ্ধাৰ নোহোৱাটো অতি পৰিতাপৰ বিষয়। সেয়েহে এই বিষয়ে বিশেষ গৱেষণাৰ প্ৰয়োজন—ই স্বীকাৰ্য্য।

## কছাৰীৰ ধৰ্ম্ম

কছাৰী সকলৰ ধৰ্ম্মৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে কছাৰী সকলৰ আদি পুৰুষ হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু দুয়ো বিষ্ণুৰ ঘোৰ শত্ৰু আছিল। আদি দৈত্য হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৱে কোনো দিনেই বিষ্ণুৰ ওচৰত বশ্যতা স্বীকাৰ কৰা নাছিল। সেয়েহে বিষ্ণুৱে প্ৰবল প্ৰতাপী ভ্ৰাতৃদ্বয়ক বৰাহ আৰু নৰসিংহৰূপ ধৰি বধ কৰে। কিন্তু হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ আৰু প্ৰহ্লাদৰ পুত্ৰ আৰু নাতি যথাক্ৰমে বিৰোচন আৰু বলি, এই তিনিও বিষ্ণুৰ পৰম ভক্ত আছিল। প্ৰহ্লাদৰ সাবেই পুত্ৰ আৰু নাতিয়েক বিষ্ণুৰ পৰম ভক্ত হয়। গতিকে প্ৰহ্লাদ, বিৰোচন আৰু বলি—এই তিনি পুৰুষ কাল কছাৰী সকলৰ মাজত বৈষ্ণৱ ধৰ্ম্ম প্ৰবলভাবে প্ৰচলন হোৱাই নহয়, ই ৰাজধৰ্ম্মৰূপে প্ৰতিষ্ঠাও লাভ কৰিছিল।

বলি দৈত্যসকলৰ শ্ৰেষ্ঠ ৰজা আছিল। বলিয়ে ৰাজগুৰু শুক্ৰাচাৰ্য্যৰ মতে চলি আৰু পিতামহ প্ৰহ্লাদৰ আশীৰ্বাদ পাই পৃথিবীৰ অধীশ্বৰ হোৱাৰ উপৰিও ইন্দ্ৰৰ স্বৰ্গৰাজ্যকো নিজৰ অধীনলৈ আনিছিল। বলিৰ বীৰত্বত স্বৰ্গৰ দেৱতাসকল সকলো সময়তে সন্ত্ৰস্ত হৈ থাকিবলগা হোৱাত শেষত উপায় নাপাই দেৱতা সকল ব্ৰহ্মাৰ ওচৰলৈ গ'ল। ব্ৰহ্মাই দেৱতা সকলক লগত লৈ বলিৰ গৰ্ব খৰ্ব কৰিবলৈ বিষ্ণুৰ ওচৰলৈ গ'ল। দেৱতা সকলৰ আকুল মিনতিত বিষ্ণুৱে কশ্যপৰ ঔৰষত অদিতিৰ গৰ্ভত বামন ৰূপে জন্ম গ্ৰহণ কৰে আৰু সেই বামনৰূপী বিষ্ণুৰ ছলনাত ত্ৰিপদভূমি দান কৰিবলৈ গৈ বলিয়ে নিজ ৰাজ্য ত্যাগ কৰি পাতালপুৰীলৈ যাব

লগা হয়। এনে অপ্ৰত্যাশিত গমনত তেওঁৰ প্ৰজাবৰ্গৰ দুখ কুলাই-পাচিয়ে নধৰা হয়। ফলস্বৰূপে পূৰ্বৰ তিনি পুৰুষ ধৰি বিষ্ণুক মানি অহা কছাৰী সকল বিষ্ণু বৈৰী হৈ পৰিল। পিতৃবৈৰী বিষ্ণুৰ প্ৰতি প্ৰহ্লাদে শত্ৰুতাৰ ন'লৈ পৰম আৰাধ্য দেৱতা বুলি মানি লোৱাৰ পাছত নাতিয়েকৰ প্ৰতি এনে কঠোৰ মনোভাৱ দেখি কছাৰী সকলে তেতিয়াৰ পৰা বিষ্ণুৰ প্ৰতি শত্ৰুতাৰ ভাৱ আচৰণ কৰিলে। বলিৰ প্ৰজাবৰ্গৰ লগতে তেওঁৰ পুত্ৰ বাণৰজাও বিষ্ণুৰ ঘোৰ বিৰোধী হৈ পৰে। ফলত বাণৰজাৰ দিনত কছাৰী সকলৰ মাজত বিষ্ণু পূজা সম্পূৰ্ণৰূপে লোপ পায়। তেতিয়াৰ পৰা বিষ্ণুৰ পৰিবৰ্ত্তে শিৱক আৰাধ্যদেৱতা বুলি জ্ঞান কৰি শিৱপূজা কৰিবলৈ ধৰিলে। তিনি পুৰুষ ধৰি সৰলভাৱে গা কৰি উঠা বৈষ্ণৱ ধৰ্মৰ পৰিবৰ্ত্তে শাক্ত ধৰ্ম কছাৰী সকলৰ মাজত এনেকৈ প্ৰচলন হয়। নীৰৱ হৈ পৰা শাক্ত ধৰ্মৰ মঠ-মন্দিৰ-বোৰত প্ৰবলভাবে বলি বিধান চলিবলৈ ধৰাত লাহে লাহে ই গোটেই অসমভূমি ছানি ধৰিলে। ফলত বাণৰজাৰ দিনৰ পৰা প্ৰায় ১৬০৩ শকলৈ এই কালছোৱাত বলিৰ বংশধৰ কছাৰী সকল শিৱভক্ত হৈয়ে ৰয়।

১৬০৩ শকৰ শেষ ভাগত আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱ মহন্তই গদাধৰ সিংহৰ ভয়ত প্ৰাণৰক্ষা কৰিবলৈ শদিয়ালৈ পলাই আহি কছাৰী সকলৰ মাজত আত্মগোপন কৰি থাকিবলৈ লয়। সেই সময়ত কছাৰী সকলে বাইথ, কেঁচাইথাইতী, বুঢ়া-বুঢ়ী, তাম্ৰেশ্বৰী আদি শাল সমূহত নানা পশুৰ বলি বিধান চলাই আছিল। বলিৰ তেজেৰে পূজাৰ বেদী ৰাঙলী হৈ পৰিছিল। জীৱই জীৱৰ প্ৰতি তেনে অত্যাচাৰ কৰা দেখি মহন্ত ডাঙৰীয়াই অকণো সহ্য কৰিব নোৱাৰিলে। তেওঁ কছাৰী সকলৰ বলি পূজা ৰহিত কৰি তাৰ ঠাইত বৈষ্ণৱ ধৰ্ম প্ৰচলন কৰাৰ উপায় চিন্তা কৰিলে। নাম কীৰ্ত্তন আদিৰ দ্বাৰা অতি সহজ উপায়ে ঈশ্বৰ উপাসনাৰ উপায় উলিয়াই বৈষ্ণৱ ধৰ্মৰ প্ৰতি কছাৰী সকলৰ আসক্তি বঢ়াই তোলে। বহুতকে শৰণ-ভজন দি বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰিলে। বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি শদিয়াল কছাৰী সকলে তেতিয়াৰ পৰা সোণোৱাল উপাধি গ্ৰহণ কৰে। ১৬০৩ শকৰ শেষ ভাগত সোণোৱাল সকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে যদিও শৈৱ ধৰ্ম তেওঁলোকৰ মাজৰ পৰা বিলুপ্ত সম্পূৰ্ণৰূপে হৈছিল বুলি ক'ব নোৱাৰি। সেই সময়ছোৱাত বৈষ্ণৱ আৰু শৈৱ দুয়োটাই সমান্তৰাল ভাৱে যেনেকৈ চলিছিল অদ্য পৰিমিত তেনেকৈয়ে চলি থকা পৰিলক্ষিত হয়। আউনিআটী সত্ৰাধিকাৰৰ ওচৰত শৰণ-ভজন লৈ বৈষ্ণৱ হোৱা কছাৰীসকলে পূৰ্বৰ শৈৱ ধৰ্মৰ পৰম্পৰা

ৰক্ষা কৰি আজিও বাইথ, গজায়, মনায়, স্থল ভাড়ৰীয়া, জলভাড়ৰীয়া, পূজা-পাতল কেঁচাইখাইতী, বুঢ়া-বুঢ়ী, ফুলকোঁৱৰ, মণিকোঁৱৰ, মালিনী আদি নানা দেৱ-দেৱীৰ কৰি আছিছে।

বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত সোণোৱাল সকলক ধৰ্মৰ ফালৰ পৰা দুটা ভাগত ভাগ কৰিব পাৰি—(১) হিন্দুৱীয়া আৰু (২) বেহাৰী। হিন্দুৱীয়াসকলে নানা দেৱ-দেৱীক মাহ-প্ৰসাদ, পায়স, ফুল আদি নৈবেদ্যৰে পূজা-পাতল কৰে। তেওঁলোকৰ বলি প্ৰথা নাই। বৈষ্ণৱ পন্থা অনুসৰি মেধিৰ দ্বাৰা শান্তি জলেৰে অশুচিক শুচি কৰে।

বেহাৰীসকলে সম্পূৰ্ণ শাক্ত ধৰ্ম অনুসৰি পূজা পাঠ কৰে। ফটিকাৰে শান্তি জল কৰি বাইথ, ফুলকোঁৱৰ, মণিকোঁৱৰ, মালিনী, গজায়, মনায়, সৰগ পূজা আদি নানা দেৱ-দেৱীক পূজা কৰে। পূজাত কুকুৰা গাহৰি আদি বলি দিয়া দেখা যায়।

## বাইথ পূজাৰ জন্ম ইতিহাস

বাইথ, ( খিৰিং বা শিৱ ) পূজাৰ জন্ম সম্বন্ধে অন্য পৰিমিত কোনো ধৰণৰ লিখিত তথ্য পোৱা হোৱা নাই। সোণোৱাল কছাৰী সকলৰ মাজত প্ৰচলিত জনশ্ৰুতি মতে গৰখীয়া ল'ৰাই গৰু চৰাই থাকোঁতে ধেমালিৰ চলেৰে ফৰিং ধৰি আনি উলুখেৰ আৰু বিৰিণা পাতেৰে ফৰিং বলি দিছিল। ফৰিং বলি দি গৰখীয়া ল'ৰাইতে কিবা নহয় কিবা এটা সুফল লাভ কৰিছিল আৰু এনেদৰে সুফল পোৱাৰ পৰিপ্ৰেক্ষিতত নিতৌ ফৰিং বলি দি পোৱা সুফলৰ কথা চৌদিশে প্ৰচাৰ হৈ-গৈছিল। ফলত ৰাজ্যৰ জনসাধাৰণে কিবা অপায়-অমংগল হ'লে পোন চাতেই গৰখীয়া ল'ৰাইতৰ ওচৰলৈ গৈ সিঁহতৰ হতুৱাই ফৰিং বলি দিয়াই অপায়-অমংগল দূৰ কৰাইছিল। ইয়াৰ ফলস্বৰূপে ফৰিং পূজাৰ মহত্ব দিনকদিনে বাঢ়ি গৈছিল।

এদিন ফৰিং বলি দি থাকোঁতে এটা গৰখীয়া ল'ৰাই লগৰ এটা গৰখীয়া ল'ৰাক ধেমালিৰ ছলেৰে "আজি আৰু ফৰিং নাই, তোকে বলি দিওঁ" বুলি কৈ উলুখেৰৰ পাতেৰে সামান্যভাবে ডিঙিত ৰেপ দিলে। এনেকৈ খেৰৰ পাতেৰে সামান্য ৰেপ দিওঁতেই ল'ৰাটোৰ ডিঙিটো ছিগি গ'ল, কি আচৰিত! গৰখীয়া ল'ৰাটোৱে সামান্য খেৰৰ পাতেৰে ধেমালিতহে তেনে কৰিছিল—অথচ ডিঙিটো

ছিগি গ'ল। এনে অভাৱনীয় কাণ্ড দেখি বাকী গৰখীয়া ল'ৰাইতে-ভয়ত চিঞৰিব ধৰিলে। ল'ৰাইতৰ করুণ বিননিত দেৱতাই নিজে আহি সেই ঠাইত আবির্ভাৱ হ'ল। থিৰিং দেৱতাই গৰখীয়া ল'ৰাবোৰক ক'লে, "তোমালোকে ভয় নকৰিবা, ভয় কৰাৰ কাৰণো নাই। এনেকৈ মোক বলি দি পূজা দি থাকিবা, আৰু মই তোমালোকৰ অভীষ্ট পূৰ্ণ কৰিম"। লগে লগেই থিৰিং দেৱতা বলি কটা ঠাইতে অন্তৰ্ধান হ'ল।

এই আচৰিত কাণ্ডৰ কথা চাৰিওফালে প্ৰচাৰ হৈ পৰিল। থিৰিং দেৱতাই নিজে আহি ল'ৰাইতৰ পৰা বলি লোৱা কথাই সকলোকে ভবাই তুলিলে। শেষত উক্ত বলি দিয়া ঠাইডোখৰ পৱিত্ৰ থানলৈ (পীঠ) পৰিবৰ্ত্তন হ'ল। এনেকৈ পৱিত্ৰ থিৰিং দেৱতা থান স্থাপন কৰি তেতিয়াৰ পৰা আজিলৈকে পৰম্পৰা ৰক্ষা কৰি বাইথ'ৰা থিৰিং পূজা চলি আহিছে।

এটা সময়ত যে গোটেই অসমতে ফৰিং পূজাৰ প্ৰথা আছিল তাক বুৰঞ্জীৰ বিভিন্ন তথ্যৰ পৰা ক'ব পাৰি। দৰং ৰাজবংশাৱলীত বিশ্বসিংহই দুৰ্গাদেৱীক ফৰিং বলি দি পূজা দিয়াৰ কথা উল্লেখ আছে।

-"দুৰ্গাক পূজিবেক প্ৰতি কৰিলেক মন।
গোৰখীয়া সকলক বুলিলা বচন॥
শুন গোৰখীয়া সব মোৰ আজ্ঞা ধৰ।
ফৰিঙ্গ ধৰিয়া আনি দিওক সত্বৰ॥
দুৰ্গাক পূজিব মোৰ লাগে ভক্তিভাবে।
পূজা কৰি নমস্কাৰ কৰো তান পাৱে॥
গোৰখীয়াসবে শুনি প্ৰচণ্ড বচন।
বনত পশিলা সবে ফৰিঙ্গক পন॥
বিচাৰি ফৰিঙ্গ ধৰি অসংখ্যাত পাইলা।
সমস্তে ফৰিঙ্গ আনি বিশুত জোগাইলা॥
উভতাই লৰু আনি তথাতে পুতিলা।
কাকোৰা বাঁহৰ চোচ খড়্গ কৰিলা॥
ভক্তিভাবে উচৰ্গিলা ফৰিঙ্গ যতেক।
সমস্তকে কাটি পূজা কৰিলা প্ৰত্যেক॥"

যোৰহাট চহৰৰ ওচৰত গৰখীয়া দৌল বুলি এটি দৌল (থান) আছে। এই

দৌলটোৰ উৎপত্তিও সোণোৱাল কছাৰী সকলৰ বাইথ পূজাৰ উৎপত্তিৰ দৰেঃ একে। অৰ্থাৎ গৰখীয়া ল'ৰাই খেমালিৰ ছলেৰে ফৰিং বলি দিছিল। এইদৰে ফৰিং বলি দি ল'ৰাইতৰ অভীষ্ট সাধন হৈছিল। এদিন এটা ল'ৰাই বাঁহৰ চৌচেৰ খেমালিতে লগৰ এটা ল'ৰাৰ ভিত্তিত যেপি দিয়াত ল'ৰাটোৰ ডিঙি ছিগি গ'ল। সামান্য এটা বাঁহৰ চৌচতে ল'ৰাটোৰ ডিঙি ছিঙি যোৱাত মানুহবোৰ আচৰিত হৈ দেৱতাৰ মহিমা বুলি চিন্তা কৰিলে। ফলত ইয়াৰ মহত্ব দিনক দিনে বৃদ্ধি হোৱাত কালক্রমত ই দৌলত পৰিণত হ'ল। গৰখীয়া ল'ৰাৰ পৰাই দৌল সৃষ্টি হোৱা হেতু তাৰ নামো ৰখা হ'ল গৰখীয়া দৌল। এই দৌলত পূজা ভাগ আগবঢ়ালে মানুহৰ অভীষ্ট সাধন হয় বুলি বিশ্বাস।

থিৰিং, থানেশ্বৰ, বাণেশ্বৰ, কেঁচাইখাইতী (সোণখেত্ৰা) শিৱৰ পুত্ৰ-কন্যা বুলি কল্পনা কৰা হয়। বিক্ৰমাদিত্যফাই বাণেশ্বৰ আৰু থানেশ্বৰৰ দহভূজা সোণৰ মূৰ্ত্তি আৰু দেৱালয় সাজে। শদিয়াৰ বৰ্ত্তমান চুণপোৰা নামৰ ঠাইত যি বৈৰাগী মঠ আছে সেই মঠৰ ওচৰতে বাইথ মন্দিৰ আছিল বুলি কল্পনা কৰা হয়।

গদাধৰসিংহক ৰাজদ্ৰোহী বুলি অপমান কৰাৰ কাৰণে গদাধৰসিংহই পোতক তোলাৰ ভয়ত আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱ মহন্তই ১৬০৩ শকত শদিয়াৰে কছাৰীসকলৰ হালালী ৰাজ্যলৈ গৈ আত্মগোপন কৰি আছিল। সেই সময়ত সোণোৱাল সকলৰ মাজত থান, শাল, মঠ-মন্দিৰ আদিত বলি দিয়া পশুৰ তেজৰ ৰঞ্জিত বেদী দেখি তেওঁ শংকিত হৈ বন্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিলে। শেহান্তৰত শৈৱধৰ্মৰ ঠাইত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি কেৱল নাম-কীৰ্তন আদিৰে কেনেকৈ ঈশ্বৰক উপাসনা কৰিব পাৰি তাৰ উপায় দেখুৱালে। হোজা, সৰল আৰু সহজ কছাৰী সকল লাহেকৈ বৈষ্ণৱ ধৰ্মৰ প্ৰতি প্ৰভাৱান্বিত হ'ল। আত্মগোপনত থকা সত্ৰাধিকাৰে সোণোৱাল সকলৰ মাজত নামঘৰ সজালে। বহুত লোকক শৰণ-ভজন দিলে। এইদৰে সোণোৱাল কছাৰী সকলৰ মাজত প্ৰথম বৈষ্ণৱ ধৰ্মৰ সূত্ৰপাত হয়।

সত্ৰাধিকাৰ কেশৱদেৱ মহন্তই শক্তি পূজা (বাইথ) সমূলক বন্ধ কৰিবলৈ নানা উপায় উদ্ভাৱন কৰিবলৈ ধৰিলে। কিন্তু তেওঁৰ এনে কাৰ্য্যৰ প্ৰতিবন্ধক ৰূপে ওলাই আহিল এজন বহু গুণসম্পন্ন ব্যক্তি। তেওঁৰ নাম আছিল গজায়। তেওঁৰ গাত দেৱৰ গুণ আছিল বুলি কছাৰী সকলে বিশ্বাস কৰিছিল। মায়াৰ দ্বাৰা নিজৰ মোট সলাই অন্যৰূপ ধাৰণ কৰিব পৰা ক্ষমতা থকা এইজন ব্যক্তি যদিও

ঢ়ৰাচলতে বৈষ্ণৱ পন্থীৰ লোক আছিল তথাপিতো'পূৰ্বৰ পৰা কছাৰী সকলৰ মাজত চলি অহা শক্তি পূজা সম্পূৰ্ণ ৰহিত হোৱাটো মনে প্ৰাণে নিবিচাৰিছিল। তেওঁ জানিছিল মান্ধাতা যুগৰ পৰা কছাৰী সকলৰ মাজত চলি অহা শক্তিপূজা হঠাৎ নোহোৱা কৰি অন্য ধৰ্ম সম্পূৰ্ণৰূপে সুমুৱাই দিলে বহুতো বিপদ-বিঘিনিয়ে দেখা দিব। গতিকে কেশৱদেৱ মহন্তক শক্তি পূজা ৰহিত কৰিবলৈ কৰা চেষ্টাত তেওঁ বিধি পথা'ল দিছিল। কিন্তু মহন্ত ডাঙৰীয়াই বিধি-পথালিৰ প্ৰতি আওকাণ কৰাত দুয়োজনৰ মাজত তুমুল মন্ত্ৰ যুদ্ধ আৰম্ভ হ'ল। মন্ত্ৰ যুদ্ধত কোনেও কাকো পৰাজিত কৰিব নোৱাৰিলে। কিন্তু মহন্ত ডাঙৰীয়াই অন্যায়ভাবে গজায় ডাঙৰীয়াই প্ৰাতঃ পূজা কৰাৰ সময়তে মূৰ্চ্ছা বাণ মাৰি গজায় ডাঙৰীয়াই নিজৰ মোট সলনি কৰি অন্য ৰূপ এটি লৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণফালে গুচি আহে। ইফালে মহন্তদেৱে বুদ্ধিৰে কছাৰী সকলক বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি শক্তি পূজা সম্পূৰ্ণ ত্যাগ কৰিবলৈ উপদেশ দিলে। সেই উপদেশমৰ্তে কছাৰী সকলে শেষ দিনাৰ বাবে হৈঁপাহ পলুৱাই হুযদাং গীত গাই গাই বাইথ পূজাৰ সামগ্ৰীবোৰ মহন্তৰ হাতত গতাই দিবলৈ ওলাল। এনে কাৰ্য্য তাম্ৰেশ্বৰী দেৱীয়ে সহ্য কৰিব নোৱাৰি চাকলেং, নাকলেং আৰু বাড়ী এই তিনিজন বায়ু দেৱতাক লগাই এক মহা প্ৰলয়ৰ সৃষ্টি কৰিলে।. ক্ষন্তেকৰ পাছতে প্ৰবল ধুমুহা ব'বলৈ ধৰিলে। ঘৰ-দুৱাৰ, গছ-গছনি জাঙি সকলো থাস্তাং কৰিলে। উপায়ান্তৰ হৈ কেশৱদেৱ মহন্তই হালালী ৰাজ্য এৰিব লগা হ'ল। মহন্তদেৱ কোন বাটে কেতিয়া শদিয়া এৰিলে কোনেও গমকে নঁপোলে। হুয়দাং গীত গাই গাই মহন্তৰ হাতত বাইথ পূজাৰ সামগ্ৰীবোৰ শোধাবলৈ যোৱা কছাৰী সকলে বায়ুদেৱতাৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি পূজাৰ সামগ্ৰীবোৰ মন্দিৰৰ আগৰ ঠাইত পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বাধ্য হ'ল। এনেকৈ তাম্ৰেশ্বৰী আৰু গজায়ৰ অৱশেষত জয় হোৱাত কছাৰী সকলৰ মাজত বাইথ পূজাৰ প্ৰচলন বৈ গ'ল, কিন্তু কছাৰী সকল শদিয়া এৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণে ছৈখোৱা, ডুমডুমা, ধীমচাং আদি অঞ্চলত বসবাস কৰিবলৈ আহোঁতে লগত বাইথ পূজাৰ শালখন্টো তুলি আনি প্ৰথমে ডাঙৰীৰ বৰধাতুম গাঁৱত স্থাপন কৰে। বৰধাতুমত বহুত দিন থকাৰ পাছত কিছুমান অসুবিধাবশতঃ বাইথ পূজাৰ মন্দিৰটো উঠাই নি বৰপথাৰ গাঁৱত স্থাপন কৰা হয় আৰু আজিও বৰপথাৰতেই ই বিদ্যমান।

আন হাতেদি গজায় ডাঙৰয়াই ভালেমান কছাৰীক লগত লৈ ব্ৰহ্মপুত্ৰ পাৰ

হৈ একেবাৰে কাছাৰলৈকে যায় আৰু লগতে যোৱা কাছৰী সকলক সংস্থাপন দি পুনৰ উজনিলৈ ঘূৰি আহি ডিব্ৰুগড়ৰ জামিৰা অঞ্চলত কিছুদিন থাকে। তাত থকাৰ পাছত টেঙাখাত আৰু ডুলিয়া-জানৰ ওচৰত কছাৰী পথাৰত থাকে। গজায়ৰ নাম অনুসৰি কছাৰী পথাৰৰ নাম পাছলৈ গজায় পথাৰ নামে জনাজাত হ'ল যদিও কালক্ৰমত অপভ্ৰংশ হৈ পুনৰ কছাৰী পথাৰ ৰূপে পৰিচিত হ'ল। গজায় পথাৰৰ পৰা গৈ গজায় ডাঙৰীয়াই ডাঙৰীৰ লাইনা অঞ্চলত থাকিবলৈ লয় আৰু তাতেই তেওঁ ইহলীলা সম্বৰণ কৰে। এতিয়াও লাইনা গাঁৱত গজায় ডাঙৰীয়াৰ থান সজীৱ অৱস্থাত আছে।

বৈৰাগী মঠ :—শদিয়াৰ চুণপোৰাৰ ওচৰত যি বৈৰাগী মঠ আছে সেইটো গজায় ডাঙৰীয়াৰ মৰিশালী আছিল। গজায় ডাঙৰীয়াই নিজ ৰূপ এৰি শদিয়াৰ পৰা গুচি অহাত শদিয়াৰ কছাৰীসকলে গজায়ে এৰি অহা মোটটোক দাহ কৰে। গজায় ডাঙৰীয়াৰ সেই মৰিশালীটো বহুদিন মৰিশালীৰূপে থকাৰ পাছত তাৰ মাহাত্ম্য উপলব্ধি কৰি শদিয়াৰ ৰাইজে থানলৈ পৰিণত কৰে। ৰাইজৰ দান বৰঙণিৰ দ্বাৰা থানখন সৰ্বাংগ সুন্দৰকৈ সজোৱা হয়। চুমুনী গাঁৱৰ বৰমেধি স্বৰ্গীয় ফণীৰাম শইকীয়াদেৱে নিজৰ সৰ্বস্ব ত্যাগেৰে থানটি সজাই তোলে। তেখেতে আউনি আটীৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামীদেৱৰ উপদেশমতে শদিয়াবাসী মিৰি-দেউৰী বহুলোকক শৰণ দি বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰে। ফণীৰাম মেধিৰ মৃত্যুৰ পাছত আন এজন কছাৰী মেধিয়ে এই থানৰ পুৰোহিত হিচাপে কাম চলাই থাকে। বৰ্ত্তমান এই থানটোক শদিয়াৰ বৈৰাগী মঠ নামে জনা যায়। এই বৈৰাগী মঠ সম্পূৰ্ণ বৈষ্ণৱ সত্ৰৰ আৰ্হিৰে পৰিচালিত হয়।

## বাইথ পূজাৰ বিধি বিধান

বাইথ পূজা সোণোৱাল সকলৰ প্ৰধান পূজা। এই পূজা চ'ত মাহৰ দ্বিতীয় সপ্তাহত অৰ্থাৎ বহাগ বিহুৰ চৈধ্য দিনৰ আগতে ডাঙৰী অঞ্চলৰ বৰপথাৰ গাঁৱত অৱস্থিত বাইথ মন্দিৰত তিনিদিনীয়াকৈ পতা হয়। চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ কোনোবা এটা দেওবাৰে ৰাতি দেও নমায়, সোমবাৰে বলি বিধান, পূজা পাঠ আদি কৰি মংগলবাৰে পুৱা হয়দাং গীত গাই বাইথ শালত আসনত বহুৱাই পূজা সমাপ্ত কৰা হয়।

প্ৰথম দেওবাৰে বাইথ বুঢ়াই অৰ্থাৎ বাইথ পূজাৰ মূল পূজাৰীয়ে বাইথ বুঢ়াৰ ঘৰৰ ভিতৰত থকা বাইথ শালৰ পৰা পূজাৰ সামগ্ৰী, হয়দাং গীতৰ বাদ্যযন্ত্ৰ, বাঁহী, খুটিতাল, সক সক বাঁহৰ টকা, মাৰি, ম'ৰা চৰাইৰ পাখি আৰু বলি কটা দা আদি নমাই আনি পাণ-তামোলৰ টোপোলা আগবঢ়াই মাননি দিয়ে। সেই দিনাই পূজাৰ বাবে আৱশ্যক'য় সকলো সামগ্ৰী গোটাই লৈ মূল বাইথ মন্দিৰৰ চোতালত দেৱ-দেৱতা স্মৰণ কৰি পাণ-তামোলৰ টোপোলাৰে আগমান কৰা হয়। সেইদিনা ৰাতি পাণ-তামোলৰ টোপোলাৰে দেৱ-দেৱী সকলক আগমান কৰিবলৈ যোৱা লোকসকলে বহি পৃথিৱীৰ সৃষ্টি তত্ত্ব আৰু মানৱৰ অতীত বুৰঞ্জী ব্যাখ্যা কৰে। ইয়াকে দেও নমোৱা বুলি কোৱা হয়।

সোমবাৰে গধূলিৰ পৰা মূল পূজাৰ কাম আৰম্ভ হয়। বাইথ বুঢ়াই ঘৰৰ বাইথ শালৰ বেদীত প্ৰথমতে ডালি সাজি, শলিতা জ্বলাই ৰহি, মদ, টংলতি পাত ফুল আদি সামগ্ৰী লৈ শান্তি নমোৱা মন্ত্ৰ গাই শান্তি নমায়। সেই ৰহি মদৰ শান্তি জলেৰে পূজাৰ সামগ্ৰীবোৰ ধুই পবিত্ৰ কৰি লয়। বাইথ বুঢ়া ঘৰৰ বাইথশালত পূজা পাঠ, বলি বাসনৰ পাছত বাইথ বুঢ়াৰ ঢেকীশালৰ লখিমীক, পানীপতাত জলকুঁৱৰীক পূজাৰ ভাগ আগবঢ়ায়। পানীপতাত ইন্দ্ৰদেৱতাক স্মৰণ কৰি পূজা ভাগ দিয়ে আৰু ধনু কাঁড় লৈ বৰদৈচিলাক আদৰ সম্ভাষণ জনাই বছৰটোৰ বাবে মংগল কামনা কৰি প্ৰাৰ্থনা জনোৱা হয়। ইয়াৰ পাছত ন পাল খেতৰৰ নামত এযোৰ কুকুৰা মেলি দিয়া হয়। ইয়াৰ পাছত বাহিৰৰ বাইথ মন্দিৰৰ ভিতৰত শিৱলিংগৰ প্ৰতীক জামুকৰ খুটাৰ গুৰিত খিৰিং দেৱতালৈ স্মৰণ কৰি টংলতি আৰু তৰা ফুলৰ মালা অৰ্পণ কৰা হয়। খিৰিং দেৱতাৰ নামত মূল বাইথ মন্দিৰৰ বেদীত ৰঙা কুকুৰা বলি দিয়া হয়।

বাইথ মন্দিৰৰ বাহিৰৰ চোতালত ভুৰুলা শাল স্থাপন কৰা হয়। ভুৰুলী শালৰ মাজত এটা অগ্নিকুণ্ড থাকে। ব্ৰহ্মাক স্মৰণ কৰি এই অগ্নিকুণ্ড প্ৰতিষ্ঠা কৰা হয়। গতিকে ব্ৰহ্মকুণ্ডৰূপী অগ্নিকুণ্ডক কেন্দ্ৰ কৰি ইয়াৰ চাৰিওফালে বিভিন্ন দেৱ-দেৱীৰ আসন স্থাপন কৰা হয়। ভুৰুলী শালৰ পূজাত দেৱ-দেৱীসকলৰ আসন অনুসৰি নামৰ তালিকা দিয়া হ'ল—

(১) ফুলকোঁৱৰ (২) ভুৰুলী (৩) হাবুৰী (৪) বুঢ়া-বুঢ়ী (৫) বলিয়া বাবা (৬) টকালি পৰা দেউতা (৭) হুহুৰি মৰা দেউতা (৮) ঢোল বজোৱা দেউতা (৯) কুশামন গোসাঁই (১০) ঝিগিবাগাম দেউতা

(১১) চাৰিবুঢ়া চাৰি গোসাঁই (১২) ওঠৰ কোঁৱৰ (১৩) বৰগাভিয়াল (১৪) জলখাই ভাণ্ডৰীয়া (১৫) বৰচামন সাত ভাই (১৬) চেলাজহ (১৭) লোহিত কোঁৱৰ (১৮) বৰমবাহু (১৯) হৰিচৰণ, ৰঙাচৰণ, নমতা, সমতা (২০) মেলৌ, হেলৌ, কনৈ, কণ-কণ, বায়ু, বাংৰি, বৰুণ (২১) সাতভাই ভাণ্ডৰীয়া (২২) নাক্লেং চাক্লেং ৰজা (২৩) সূৰ্য্য (২৪) থলৰ ন-ভনী (২৫) কুবেৰ বুঢ়া-বুঢ়ী (২৬) ন-ভনী লখিমী (২৭) বাৰ ভনী (২৮) হৰ পাৰ্বতী (২৯) সৰস্বতী (৩০) আই ন-ভনী (৩১) জল-কুবেৰ (৩২) জলৰ ন-ভনী (৩৩) ৰাজমৰা।

এই দেৱ-দেৱী সকলৰ উপৰিও আই বসুমতীক বিশেষ স্থান দিয়া হয়। এই দৰে তেত্রিছ কোটি দেৱ-দেৱতাৰ স্মৰণত বিভিন্নৰূপে পূজা-পাতল কৰা হয়। তুৰুলী: হাবুকীশালত কুকুৰা, গাহৰি বলি দিয়া হয়। আই ন-ভনী লখিমী, আই সৰস্বতী, আই বসুমতী, মালিনী বুঢ়ী আদি দেৱীসকলক মাতৃ-প্ৰসাদেৰে পূজাৰ ভাগ দিয়া হয়। পূৰ্বতে এই দেৱী সকলক পায়সেৰে পূজাৰ ভাগ দিছিল বুলি জানিব পৰা গৈছে। এইদৰে সোমবাৰে নিশাৰ ভিতৰত বিভিন্ন দেৱ-দেৱীৰ বেদীত গাহৰি, কুকুৰা বলি আৰু বিভিন্ন নৈবেদ্যৰে পূজা সেৱা কৰি মংগলবাৰৰ পুৱা ভাগত পূজাৰ সকলো কাম সমাপ্ত কৰা হয়। পূজাৰ সকলো কাম সমাপ্ত কৰি মূল বাইথ মন্দিৰৰ ভিতৰত হুয়দাং গীত গোৱা হয়। প্ৰথমে বহি বহি ভকত সকলে হাতত খুটি তাল, বাঁহৰ টকা বজাই হুয়দাং গীত গায়। বাহীৰ ছেৱে ছেৱে খুটি-তাল, বাঁহৰ টকা বজায় আৰু লাহেকৈ বহাৰ পৰা উঠি পুনৰ হুয়দাং গীত গাই গাই বাইথ পূজাৰ মূল পূজাৰীৰ ঘৰৰ মজিয়াত থকা বাইথ শালত পূজা শোধাই থৈ পূজা সমাপ্ত কৰা হয়। হুয়দাং গীতৰ ছেৱে ছেৱে হাতত ম'ৰা চৰাইৰ পাখি লৈ জেমা-টঙালি পিন্ধি এগৰাকী নৰ্ত্তকীয়ে চালি ধৰি নচাটো অপৰিহাৰ্য্য।

মূল বাইথ পূজাৰীৰ মজিয়াত পূজা শোধাই থোৱাৰ পাছত হুঁচৰি গাই আনুষ্ঠানিক ভাৱে বিহু নমোৱা হয়। হুঁচৰি গোৱাৰ অন্তত 'হগ্ৰা' নৃত্য পৰিৱেশন কৰা হয়।' অৱশ্যে এই নৃত্য এতিয়া লুপ্তপ্ৰায় বুলিয়েই ক'ব পাৰি।

**হুয়দাং নৃত্য**

হুয়দাং গীত গোৱাৰ সময়ত হুয়দাং গীতৰ ছেৱে ছেৱে বাহীৰ সুৰে সুৰে, খুটিতাল আৰু বাঁহৰ টকা মাৰিৰ তালে তালে তাল মিলাই এগৰাকী নৰ্ত্তকীয়ে জেমা-টঙালি পিন্ধি হাতত ম'ৰা চৰাইৰ পাখি লৈ চালি ধৰি নাচে। এই নৃত্যক হুয়দাং নৃত্য বুলি কোৱা হয়। হুয়দাং নৃত্য প্ৰজননৰ প্ৰতীক। হুয়দাং গীত সৃষ্টিৰ স্তুতি গীত। গতিকে সেই সৃষ্টিৰ স্তুতি গীতৰ লগত বজিতা খুৱাই প্ৰজননৰ প্ৰতীক হিচাপে ম'ৰা চৰাইৰ পাখি লৈ এই নৃত্য কৰা হয়। এই নৃত্যৰ অন্তৰালত পাৰ্বতী আৰু কাৰ্ত্তিকৰ গুপ্ত প্ৰণয়ৰ কাহিনী ভাগ অন্তৰ্নিহিত হৈ আছে।

**হুগ্ৰা নৃত্য**

বাইথ মন্দিৰত হুয়দাং গীত গাই পূজা সমাপ্ত কৰাৰ পাছত হুঁচৰি গীত গাই সেই দিনতেই আনুষ্ঠানিক ভাবে বিহু নমোৱা হয় আৰু ইয়াৰ পাছতেই হুগ্ৰা নৃত্য পৰিৱেশন কৰা হয়।

'হুগ্ৰা বা হুগৰা শব্দৰ অৰ্থ হ'ল গাহৰি অৰ্থাৎ বাইথ পূজাৰ বৰ বলিৰ বাবে গাহৰি বিচাৰি অৰণ্যত গাহৰি চিকাৰ কৰা হয়। গাহৰি চিকাৰৰ সময়ত চিকাৰীয়ে যিবোৰ সমস্যাৰ সম্মুখীন হ'ব লগা হয় তাক এই নৃত্যৰ মাধ্যমত সহজ-সৰলভাৱে ব্যক্ত কৰা দেখা যায়। চিকাৰীয়ে চিকাৰ কৰিবলৈ গৈ ৰাস্তাত সন্মুখীন হোৱা বিপদ-বিঘিনিকে আদি কৰি গাহৰি ধৰি তাক শালত বলি দি তাৰ মাংস ভাগ কৰালৈকে এই সকলোবোৰ হুগ্ৰা নৃত্যৰ ভঙ্গিমাৰে ব্যক্ত কৰে।

'হুগ্ৰা' নৃত্য কৰা ব্যক্তিজনে 'হুগ্ৰা' ৰূপ ধৰি নাচে। তাৰ পাছে পাছে চিকাৰী সাজ পিন্ধি সু-সজ্জিত হৈ কেইজনমান চিকাৰীবেশী ব্যক্তিয়ে 'হুগ্ৰা' ৰূপ ধৰা ব্যক্তিক লক্ষ্য কৰি হাতত ধনু কাঁড় লৈ নৃত্য কৰে। এই দৰে চিকাৰীয়ে হাবিত কেনেকৈ গাহৰি চিকাৰ কৰি আনি বাইথ শালত বৰবলি দিয়ে আৰু তাৰ মাংস প্ৰসাদৰূপে বিতৰণ কৰা হয় তাক এই নৃত্যৰ যোগেদি দাঙি ধৰিবলৈ বিচৰা হয়। এই নৃত্যক বহুৱা নৃত্য বুলিও কোৱা হয়। কাৰণ, ই বহুৱালিহে মাথোন।

**হুগ্ৰা নৃত্যৰ তাৎপৰ্য**

হুগ্ৰা নৃত্যৰ তাৎপৰ্য্য ব্যাখ্যা কৰিবলৈ গলে দেখা যায় যে আদি দৈত্যৰাজ হিৰণ্যকশিপুক ভগৱান বিষ্ণুৱে যথাক্ৰমে বৰাহ আৰু নৰসিংহৰূপে বধ

কৰিছিল। তাৰ ফলস্বৰূপে হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ বংশধৰ সকলে তেতিয়াৰ পৰা বিষ্ণুৰ ঘোৰ বিৰোধী হৈ পৰে। তেওঁলোকে বিষ্ণুৰ প্ৰতি শত্ৰুতা আচৰণ কৰি বিষ্ণুক নাপাই বৰাহকে বিষ্ণু জ্ঞান কৰি শাল সমূহত পূজা দি পিতৃ শত্ৰুক দমন কৰিছিল। এনেকৈ অতীজৰ শালসমূহত গাহৰি বলি দিয়া প্ৰথা প্ৰচলন হয়। আকৌ বৰাহৰূপী বিষ্ণুৰ ঔৰষত নৰকাসুৰৰ জন্ম হয়। কছাৰীৰ 'হুগ্ৰাল' বংশটো নৰকাসুৰৰ বংশৰ বুলি জনা যায়। তেনেকৈ মদন, মাণিকীয়াল বংশ হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ বংশৰ বুলি জনা যায়। হুগ্ৰাল বংশৰ ডেকাৰী আদি পৰিয়ালৰ মাওহকে মদন আৰু মাণিকীয়াল বংশৰ বাইথৰী, মুকুদমী, লক্ষণাৰী, ভক্তিয়াৰী, ফেতাৰী, গুঁই আদি পৰিয়ালৰ মানুহে বাইথ, কেঁচাই খাইতী, তাম্ৰেশ্বৰী, বুঢ়া-বুঢ়ী আদি শালসমূহত পূজা দিছিল। এইদৰে এটা সময়ত অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন পীঠসমূহত নৰবলিৰ প্ৰথা চলিছিল। কালক্ৰমত এই নৰ বলিৰ প্ৰথা বহুতো মহান ব্যক্তিৰ মহান চেষ্টাত সম্পূৰ্ণ ৰহিত হ'ল যদিও তাৰ অনুৰূপ গাহৰি বলিৰ প্ৰথা অল্প পৰিমিত চলি থাকিল। তাৰ পৰম্পৰা ৰূপেই হ'ল হুগ্ৰা নৃত্য।

বৰ্ত্তমান কছাৰী সকলৰ মাজত বৈষ্ণৱ ধৰ্মই বিৰাজ কৰাত অতীতৰ বহুতো ৰীতি-নীতি সম্পূৰ্ণ ত্যাগ নাইবা সংস্কাৰ হৈ আহিব ধৰিছে। তাৰ ফলস্বৰূপে বৰ্ত্তমান কছাৰীসকলৰ মাজৰ পৰা হুগ্ৰা নৃত্য লুপ্ত হৈ তাৰ ঠাইত বহুৱা নৃত্য পৰিলক্ষিত হয়।

## বহুৱা নৃত্য

বহাগ বিহুৰ সাতদিনৰ পাছত সোণোৱাল সকলে সাতবিহু পাতে। এই সাতবিহুত বিহুৰ প্ৰতিযোগিতা হয়। বিহু প্ৰতিযোগিতা শেষ হোৱাৰ পাছত 'বহুৱা' ওলায়। অৰ্থাৎ এজন লোকে বাকলি বসন পিন্ধি তাল মৃদংগৰ ছেৱে ছেৱে এটা নৃত্য কৰে। এই নৃত্যক 'বহুৱা নৃত্য' বুলি কোৱা হয়। বহুৱা ওলালে ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী আদি সকলোৱে পইচা, খাৰু, মণি, আঙঠি আদি গাত যি থাকে তাকে বহুৱা নৃত্য কৰোঁতা জনলৈ দক্ষিণাৰূপে গালৈ দলিয়াই দিয়ে। বহুৱাই সেইবোৰলৈ নৃত্য কৰি কৰি তাক নদীত উটুৱাই দি গা-পা ধুই নতুন কাপোৰ-কানি পিন্ধি উলটি আহে। সাধাৰণতে গাঁৱৰ অপায়-অমংগল, বিপদ-বিঘিনি দূৰ কৰিবলৈ এই নৃত্য প্ৰদৰ্শন কৰা হয়।

## হয়দাং গীতৰ উৎপত্তি

হয়দাং গীত সোণোৱাল কছাৰীৰ প্ৰাচীনতম আৰু প্ৰথম গীত। ই এবিধ আনুষ্ঠানিক গীত। এই গীত বহাগ বিহুৰ চৈধ্যদিন আগতে বাইথ পূজাৰ সময়ত বাইথ মন্দিৰত বুঢ়া লোক সকলৰ দ্বাৰা পৰিবেশন কৰা হয়। ই হ'ল দেৱ-স্তুতি গীত। এই গীত কেতিয়া, ক'ত আৰু কোনে সৃষ্টি কৰিলে তাক জনাৰ আজি কোনো উপায় নাই।

সোণোৱাল সকলৰ হয়দাং গীতলৈ লক্ষ্য কৰিলে দেখা যায় যে এই গীতৰ প্ৰথম অধ্যায়ৰ কিছু গীতে আদিম মানৱ সভ্যতাই কি অৱস্থাত জন্ম লাভ কৰি ক্ৰমান্বয়ে বিকাশ লাভ কৰিছিল, সেই মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ইতিহাস দাঙি ধৰিছে আৰু তাৰ পাছ'ত ৰচিত কিছু গীতে সোণোৱাল সকলৰ অসম তথা শদিয়াৰ জীৱনৰ ইতিহাসৰ কথা দাঙি ধৰিছে। সোণোৱাল সকল হ'ল ভাৰতৰ দ্ৰাবিড়-মংগোলীয়, কিৰাট মংগোলীয় আৰু আৰ্য্য মংগোলীয় সংমিশ্ৰিত এটা বিৰাট মানৱ গোষ্ঠীৰ পৰা ফাটি আহি অসমত থিতাপি লোৱা অসমৰ প্ৰাচীন আদিমবাসী। সেইবাবে তেওঁলোকৰ এই হয়দাংগীতৰ প্ৰায়ভাগ গীতেই অসমলৈ অহাৰ বহু আগতেই নিজ পিতৃভূমিত ৰচিত হৈছিল বুলি ধাৰণা কৰিব পাৰি। এই গীতৰ প্ৰথম অধ্যায়ত উল্লেখ থকা জ্ঞান আৰু তত্ত্বৰ কথা আৰু পাছৰ দুই এটা অধ্যায়ৰ সাৰ-মৰ্ম্মখিনিৰ পৰা ঠাৱৰ কৰিব পাৰি যে হয়দাং গীতে কেৱল সোণোৱাল সকলৰ নিজস্ব সভ্যতা-সংস্কৃতি, জ্ঞান-বিজ্ঞান, আৰু শিল্পকলাৰ, লগতে জীৱন দৰ্শনৰ কথাও ব্যক্ত কৰিছে। এই কথাবিলাকলৈ লক্ষ্য কৰিলে এনে অনুমান হয় যে জ্ঞান-বিজ্ঞান, সভ্যতা-সংস্কৃতি, শিল্পকলা আৰু জীৱন-দৰ্শনৰ আৰম্ভণি অনাৰ্য্য সকলৰ মাজতেই সূচনা হৈছিল।

হয়দাং গীতৰ সৃষ্টিৰ সম্বন্ধে ক'বলৈ গলে ক'ব লাগিব যে সুদূৰ অতীতৰ বন্য মানৱে যেতিয়া যাযাবৰী জীৱন যাপন কৰিছিল তেতিয়া ক্ষুধা নিবাৰণৰ বাবে বন্যজন্তু আৰু ফলমূলৰ সন্ধানত জাক পাতি বনে বনে ঘূৰি ফুৰিছিল। সেই সময়ত তেওঁলোকৰ মনত জ্ঞান, চিন্তা ভাৱনা, কামনা বাসনা আদি চিন্তাই অজ্ঞানতাৰ সীমাৰেখা ঠেলি মস্তিষ্ক জগতত প্ৰৱেশ কৰিব পৰা নাছিল। প্ৰথম সাঁজ খোৱাৰ পাছত দ্বিতীয় সাঁজ ক'ৰ পৰা কেনেকৈ সংগ্ৰহ কৰিব সেই চিন্তাতেই ব্যস্ত আছিল। ভালেমান যুগ ধৰি তেওঁলোকে এই দলবদ্ধ জীৱন আৰু সীমাবদ্ধ চিন্তাধাৰাৰ মাজেদিয়েই জীৱন অতিবাহিত কৰিছিল। পাছত লাহে লাহে মনৰ পৰিবৰ্ত্তন

হ'ল। চিন্তা কৰা শক্তি আহৰণ কৰিলে। তেতিয়াই পৃথিৱী আৰু পৃথিৱীৰ গছ-গছনি, পৰ্বত-পাহাৰ, নৈ, বিল, নিজৰা গ্ৰহ-নক্ষত্ৰ আদিক বেলেগ দৃষ্টি-ভংগীৰে চাবলৈ, ভাবিবলৈ, বুজিবলৈ আৰু অনুভৱ কৰিবলৈ চেষ্টা কৰিলে। সেই চেষ্টাৰ পটভূমিতেই মনত প্ৰশ্ন উদয় হ'ল—এই পৰ্বত পাহাৰ, নৈ, বিল, জান জুৰিৰে বেষ্টিত ধুনীয়া পৃথিৱীখন কি বস্তু? কোনে ইয়াক সৃজিলে, ইয়াৰ শেষ ক'ত? কাৰ ওপৰত ই বৰ্তি আছে? অলেখ তৰকাযুক্ত সুনীল আকাশখন কি বস্তু? আকাশখনৰ পৰা তাপ আৰু পোহৰ বিলোৱা সূৰুয নামৰ বিৰাট জুইকুৰা কি বস্তু? ইনো কিয় পোহৰ বিলায়? ইত্যাদি? ইত্যাদি অলেখ প্ৰশ্নই তেওঁলোকৰ মনত যিমানেই খেলালে সিমানেই মনলৈ নানা চিন্তাৰ সোঁত বৈ মস্তিক সাগৰত চিন্তাৰ ঢৌ খেলিবলৈ ধৰিলে। এই প্ৰশ্নৰ সমাধান বিচাৰি থাকোঁতে পুনৰ প্ৰশ্ন আহিল—পাৰাপাৰহীন সমুদ্ৰ, ই কি বস্তু? বতাহ কিয় বলিছে? বৰষুণ দিয়াৰ কাৰণ কি? এই চৰাচৰ জগতত অসংখ্য জীৱৰ স্থিতি কিয় হ'ল? ইয়াক বিভিন্ন জাত আৰু বিভিন্ন ৰূপত সৃজিলে কোনে? এনেকৈ বিশ্বৰ বিনন্দীয়া ৰূপ অনুভৱ কৰিবলৈ চেষ্টা কৰি আদিম মানুহ প্ৰথমে অবাক হৈ পৰিছিল।

এনেকৈ সৃষ্টি পাতনিৰ উৎস বিচাৰি বিচাৰি কালৰ পাছত কাল, যুগৰ পাছত যুগ অন্ত হৈ যোৱাৰ পাছতো যেতিয়া আদিম অজ্ঞ মানুহে কোনো পাৰাপাৰ নাপালে, যুগ যুগান্তৰ মহাচিন্তাৰ অভিযানেও যেতিয়া সমস্যাৰ ওৰ পেলাব নোৱাৰিলে তেতিয়া জ্ঞান পিপাসু অজ্ঞান মানুহৰ প্ৰাণে হাহাকাৰ কৰি উঠিল। সেই হাহাকাৰৰ প্ৰতিধ্বনিত কঁপি উঠিল গোটেই সিন্ধু উপত্যকা। ধ্বনি প্ৰতিধ্বনিত হ'ল ভাৰতৰ আকাশে বতাহে, 'কোন তুমি সৃষ্টিকৰ্তা আমাক ধৰা দিয়া' আদি কৰুণকাতৰ ধ্বনিৰে কান্দোনৰ ৰোল উঠিল। এই কৰুণ কান্দোনত যেনিবা সৃষ্টিকৰ্তাই ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ এই তিনিৰূপত মানুহৰ আগত ধৰা দিয়ে। বিষ্ণুৰ আবিৰ্ভাবত ভাৰতীয় মানুহৰ যুগ-যুগান্তৰৰ পৰা চলি অহা এটা মহা সমস্যাৰ ওৰ পৰিল। আৰু তেওঁকেই জগতৰ সৃষ্টিকৰ্তা, জগতৰ পিতা বুলি উপলব্ধি কৰিলে। বিষ্ণুৰ সৃষ্টি আৰু গুণ গৰিমা বখানোতে বখানোতে সৃষ্টি হ'ল সৃষ্টিৰ এক স্তুতি আৰু সেই স্তুতি গানেই হ'ল "হয়দাং দে"। এতেকে হয়দাং দে-ৰ শাব্দিক অৰ্থ হ'ল।

'হ বা হা' = মাটি, বিশ্ব ; দাং = সৃষ্টি ; দে = গীত। অৰ্থাৎ বিশ্ব সৃষ্টিৰ স্তুতি গীত। এই স্তুতি গীতেই হ'ল সোণোৱাল কছাৰীৰ সৃষ্টি তত্বৰ যাউতিযুগীয়া নিদৰ্শন।

## হুমাং গীতৰ তাৎপৰ্য্য

॥ প্ৰথম অধ্যায় ॥

"হা ইয়হ নমো নাৰায়ণ্ন"।

সৃষ্টিৰ মহিমা অপাৰ। পৃথিৱীৰ এই অপাৰ মহিমাৰ কথা কল্পনা কৰি আদিম মানৱৰ অন্তৰত নানা প্ৰশ্নৰ উদয় হৈছিল। আদিম মানৱে পৃথিৱীৰ বিনন্দীয়া ৰূপ দেখি সৃষ্টি ৰহস্য বিচাৰি প্ৰশ্ন কৰিছিল, "এই অদ্ভুত পৃথিৱী কি? 'হা ইয়হ' (হা = মাটি, ইয়হ = আচৰিত), কোনে ইয়াক সৃষ্টি কৰিছে? আকাশ কি? আকাশত তাৰৰ কিয় উৰে? বায়ু কিয় বলে? বৰষুণ কি? বৰষুণ কিয় হয়? পাৰাপাৰহীন সমুদ্ৰ দেখি আচৰিত হৈ প্ৰশ্ন কৰে—সমুদ্ৰ কি? সমুদ্ৰত ঢৌ উঠে কিয়? স্থল কি? স্থলভাগত কিয় গছ-গছনি গজে? সেইবোৰ গছ-গছনি একে ধৰণৰ নহৈ কিয় বেলেগ বেলেগ হ'ল? ঠিক তেনেকৈ আকাশৰ গ্ৰহ নক্ষত্ৰ দেখিও বিভিন্ন প্ৰশ্নই ভুমুকি মাৰিলে। এই প্ৰশ্নৰ সমিধান বিচাৰি বহু জিজ্ঞাসু লোকে চিন্তা কৰি আবিষ্কাৰ কৰিলে যে এই অপাৰ মহিমাময় পৃথিৱীৰ সৃষ্টিৰ মূল হ'ল নাৰায়ণ। অৰ্থাৎ নাৰায়ণেই হ'ল এই অদ্ভুত পৃথিৱীৰ সৃষ্টিকৰ্ত্তা। "হা ইয়হ নমো নাৰায়ণ"। নাৰায়ণৰ আবিৰ্ভাৱৰ লগে লগে আদিম মানৱৰ সৃষ্টিৰ সত্য ৰহস্য উদঘাটন হ'ল। পৃথিৱী, আকাশ, অগ্নি, বায়ু, জল, স্থল, গজন, গমন, উৰণ, বুৰণ আদিগুৰু, হাটগুৰু, বাটগুৰু, শিক্ষাগুৰু, দীক্ষাগুৰু, ধৰ্ম্মগুৰু, কৰ্ম্মগুৰু আদি সকলোবোৰৰ সৃষ্টিৰ মূলতেই হ'ল নাৰায়ণ। সেয়েহে বিশ্বৰ সৃষ্টিকৰ্তা জনক ভগৱান, সত্য সনাতন নাৰায়ণ বুলি শতকোটি বাৰ প্ৰণাম জনাইছোঁ।

॥ দ্বিতীয় অধ্যায় ॥

"—যই, ইয়ই কেৰক কেৰক হেনো কেৰইছে, বাহক বাহক হেনো মাৰইছে, এডাল দুডাল হেনো কুৰইছে, এটা দুটা হেনো পাৰইছে; বোম্বা বোম্বা হেনো বোম্বাইছে।"

চৰাইৰ স্বাভাৱিক জীৱন সৃষ্টিৰ এটি সৰল আখ্যানৰ মাধ্যমেদি বিশ্বৰ জীৱ সৃষ্টিৰ মূল তত্ত্বৰ কথা দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

শব্দ ব্ৰহ্মৰ পৰাই নৰ শক্তিৰ সৃষ্টি। এই নৰ শক্তিয়েই নৰ ডিম্ব বা নৰজল বিন্দু। আকৌ উল্লেখিত নৰ ডিম্বৰ ভিতৰত চটা ডিম্বৰ পৰা যি পোৱালি জগাৰ

কথা উল্লেখ কৰিছে সেই ছটা ডিম্বই মানুহৰ ছটা ৰিপুৰ কথাকে সূচনা কৰিছে। নৱডিম্বৰ ভিতৰত নজগাকৈ থকা তিনিটা ডিম্বই হ'ল অলৌকিক ৰূপত সৃষ্টি হোৱা সত্বঃ, ৰজঃ তমঃ অৰ্থাৎ ব্ৰহ্মা, বিষ্ণু, মহেশ। নৱ ডিম্বৰ যোগেদি এই দৰে বিশ্বৰ জীৱ সৃষ্টিৰ ৰহস্য এই দ্বিতীয় অধ্যায়ৰ গীতত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

॥ তৃতীয় অধ্যায় ॥

হুয়দাং গীতৰ তৃতীয় অধ্যায়ৰ মাধ্যমত দেৱ-দানৱৰ পৰা আদি কৰি বিশ্ব ব্ৰহ্মাণ্ডৰ চেতন-অচেতন, জীৱ-জড় আদি পদাৰ্থবিলাকৰ মাজত গুণ-গৰিমাৰ কথা তুলনামূলকভাৱে বিচাৰ কৰি চাই সেই বিলাকৰ ভিতৰত কোন ডাঙৰ (?) কিয় ডাঙৰ তাক ব্যক্ত কৰিছে। আদিম মানৱ সমাজে যাৰ পৰা অভীষ্ট সাধন লাভ কৰিছিল নাইবা যাৰ পৰা ভয় পাই বিৰাট ৰূপৰ কথা উপলব্ধি কৰিছিল তাকেই দেৱতাজ্ঞান কৰি পূজা কৰিছিল। সেই হিচাপে কছাৰীসকলে খিৰিং আৰু ভুৰুলী হাবুকীক দেৱ-দেৱী জ্ঞান কৰি পূজা কৰিছিল। খিৰিং আৰু ভুৰুলী হাবুকীৰ পৰা সহজে সকলো অভীষ্ট লাভ কৰিব পাৰিছিল বাবে কছাৰী সকলে খিৰিং-ভুৰুলী হাবুকীক দেৱ-দেৱীৰ ভিতৰত শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিছিল।

বামনৰূপী বিষ্ণুৰ ছলনাত পৰি ত্ৰিপদভূমি দান কৰিবলৈ গৈ বলিয়ে নিজ ৰাজ্য এৰি পাতাললৈ যাব লগা হৈছিল। স্বৰ্গ, মৰ্ত্ত্য, পাতাল জয় কৰি সগৌৰৱে ৰাজত্ব কৰা বলিয়ে এজন বামনৰ ওচৰত পৰাজয় বৰণ কৰিব লগা হোৱাত বলিৰ প্ৰজা কছাৰী সকলে নানা কষ্ট ভোগ কৰিব লগা হৈছিল। ফলত তেওঁলোকে বামনৰ মহত্ব উপলব্ধি কৰি বামনৰূপী বিষ্ণুক শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিছিল। তাৰ ফলস্বৰূপে আজিও কছাৰীসকলে বাওনা-বাওনী মানুহক বামনৰূপী বিষ্ণু জ্ঞান কৰি মানুহৰ মাজত—"মানুহ ডাঙৰ বাওনা-বাওনী জে" বুলি কল্পনা কৰে।

"কুলৰ ডাঙৰ লাই মিক্ৰি জে।" "এই লাই মিক্ৰি"- -সোণৰ মেকুৰীৰ সম্পৰ্কত কছাৰী বুৰঞ্জীৰ প্ৰথম অধ্যায়ত স্বৰ্গীয় ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাদেৱে মন্তব্য দাঙি ধৰিছে—"শদিয়া পৰ্বতৰ সমীপত বাৰঘৰ কছাৰী আছিল। তাৰে মাণিক নামৰ কছাৰীৰ ঘৈণীয়েকৰ গৰ্ভ হ'লত সি বোলে, তোৰ গৰ্ভ কেনেকৈ হ'ল?" ঘৈণীয়েকে বোলে মোৰ ঋতুস্নানৰ সময়ত দুৱাৰমুখতে সন্ন্যাসী এটা দেখিলোঁ, মোৰ গাত ধৰিলে, মযো ভয় হৈ চকু জপালোঁ। চকু মেলি চালত একো দেখা নাপালোঁ।

তাৰেপৰা মোৰ এনে হ'ল।" পাছে পৈয়েকে মিছা ক বুলি অনেক ৰূপে গালি-শপনি পাৰিলত কছাৰীয়ে স্বপ্ন দেখিলে। সন্ন্যাসী আতাই বোলে "তই ঘৈণীয়েৰক খঙ্ নকৰিবি। এইৰ গৰ্ভত কলীয়া বিড়ালী এটা জন্মিব। তাক অনাদৰ কৰি নেপেলাই সৰিয়হ ভুলিত পুতি থবি। এক মাসৰ মূৰত উলিয়াই চাবি সেইয়ে সুবৰ্ণৰ বিড়ালী হ'ব। তাৰে পৰা শ্ৰীসম্পত্তি লাগ লৈ ৰজা হবি।"

"এইৰূপে স্বপ্ন দেখিবৰ পৰা কছাৰীয়ে ঘৈণীয়েকক ভাবিবৰ এৰিলে, পাছে কালানুক্ৰমে প্ৰসৱ হ'লত কলীয়া বিড়ালী দেখিলে। পাছে স্বপ্নৰ কথা মনত স্মৰি সেই বিড়ালীটো সৰিয়হৰ ভুলিত পুতি থৈ এক মাহৰ মূৰত চালত দেখে সুবৰ্ণৰ বিড়ালী হৈ আছে। পাছে উলিয়াই আনিলে। তাৰে পৰা সকলো ঐশ্বৰ্য্যই লগ ললে। সিও ৰজা হ'ল।" (কছাৰী বুৰঞ্জী- প্ৰথম অধ্যায়। সূৰ্য্য কুমাৰ ভূঞা।)

বুৰঞ্জীৰ এই উল্লেখিত কথাখিনি কিমানদূৰ সত্য তাক কোৱা টান। মানুহৰ পেটত মেকুৰীৰ জন্ম নাভূত-নাশ্ৰুত কথা। এই সম্পৰ্কে আমি কিছু তথ্যৰ ওপৰত ভিত্তি কৰি ক'ব খোজোঁ যে বলি এজন পৰম বিষ্ণু ভক্ত ৰজা আছিল। তেওঁ নিজে বিষ্ণুভক্ত হোৱাৰ উপৰিও বৈষ্ণৱ ধৰ্মক ৰাজধৰ্ম্ম কৰি তুলিছিল। গতিকে বলিৰ লগতে তেওঁৰ প্ৰজাবৰ্গও বিষ্ণুৰ উপাসক আছিল। বলিয়ে বামনৰূপী বিষ্ণুৰ ছলনাত যেতিয়া বলিদ্বীপ এৰি প্ৰজাবৰ্গৰ সৈতে পাতাললৈ (ত্ৰিপুৰালৈ) আহিছিল তেতিয়া লগত বিষ্ণুৰ সোণৰ মূৰ্তি এটা লৈ আহিছিল। সেই বিষ্ণুৰ সোণৰ মূৰ্ত্তিয়েই হ'ল সোণৰ মেকুৰী। অৰ্থাৎ অশোকৰ বৌদ্ধ ধৰ্ম্মৰ প্ৰতীক সিংহৰ ত্ৰিমূৰ্ত্তিৰ দৰে বলিৰ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতীক আছিল সোণৰ মেকুৰী। সেইবাবে বলিৰ সন্তান বুলি চিনাকি দিব খোজা কছাৰীসকলে—"কুলৰ ডাঙৰ লাইমিক্ৰি"বুলি অভিহিত কৰে।

সেইদৰে "পাতৰ ডাঙৰ উলু বৰ পাত", এই কথাৰ মাধ্যমত খিৰিং বা বাইথ পূজাৰ সৃষ্টিৰ ৰহস্য দাঙি ধৰিছে। সামান্য এখন উলু পাতৰ দ্বাৰা নৰ বলি হোৱাৰ ফলত খিৰিং বা বাইথ পূজাৰ সৃষ্টি হয়। গতিকে সামান্য এখন উলুপাতৰ মাহাত্ম্য উপলব্ধি কৰি তেতিয়াৰ পৰা পাতৰ মাজত উলু বৰপাতেই ডাঙৰ বুলি পৰিগণিত হয়।

এইদৰে দেৱতাৰ ডাঙৰ খিৰিং, দেবীৰ ডাঙৰ ভুৰুলী হাবুকী। কুলৰ ডাঙৰ লাইমিক্ৰি, বায়ুৰ ডাঙৰ নপুবায়ু। স্থলৰ ডাঙৰ পানী পইতা, জলৰ ডাঙৰ

ডোঙাপানী। সেৱাৰ ভাঙৰ নাৰবা সেৱা, মানুহৰ ভাঙৰ বাওনা-বাওনী। গছৰ ভাঙৰ লাই জুটুলী, পাতৰ ভাঙৰ উলু বৰ পাত। ফুলৰ ভাঙৰ হেট কপাহ, পশুৰ ভাঙৰ ডালিম কেকু'ট। চৰাইৰ ভাঙৰ টিপচী, মাছৰ ভাঙৰ ভেচেলী চন্দা। গীতৰ ভাঙৰ বৰপেট, মাতৰ ভাঙৰ ধালাই মেঘ ( মেঘৰ গৰ্জন )— আদি বিশ্বৰ চেতন অচেতন সকলো প্ৰাণী আৰু পদাৰ্থৰ মহত্বৰ কথা উপলব্ধি কৰি তাৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছিল। তৃতীয় অধ্যায়ত হয়দাং গীতৰ প্ৰতি ফাঁকি কথাৰ অন্তৰালত এটা ঐতিহাসিক কাহিনী সোমাই আছে। তাক সামান্য এটি গীতৰ কলিৰ মাধ্যমত ব্যক্ত কৰি বিন্দুতে সিন্ধুত্ব প্ৰতিপন্ন কৰিছে।

॥ চতুৰ্থ অধ্যায় ॥

চতুৰ্থ অধ্যায়ৰ হয়দাং গীতে মানুহ অঘৰী তথা বন্য জীৱনৰ বৰ্বৰ অৱস্থাৰ পৰা কেনেকৈ সমাজ ব্যৱস্থালৈ আহিল আৰু এই সমাজ ব্যৱস্থাৰ পৰা কেনেকৈ ৰজা নামৰ নেতা ওলাই ৰাজভোগ কৰা প্ৰথা সূচনা হ'ল তাক ব্যক্ত কৰিবলৈ যোৱাৰ লগতে সোণোৱাল কছাৰীৰ চৈধ্যবংশৰ উৎপত্তিৰ কথাও ব্যক্ত কৰিবলৈ প্ৰয়াস কৰিছে।

চতুৰ্থ অধ্যায়ৰ হয়দাং গীতৰ ভাবাৰ্থ পৰ্য্যালোচনা কৰিলে দেখা যায় যে হস্তী-হস্তিনী, শৰ-ভেলেউী আৰু হৰিণ-হৰিণী আদি জীৱ জন্তুবিলাকে পৰস্পৰে পৰস্পৰ মাজত প্ৰণয়-বন্ধনত আবদ্ধ। জীৱ জন্তুৰ এই প্ৰণয় লীলা দেখি আদিম মানৱৰ অন্তৰতো অদম্য কামনা-বাসনা জাগ্ৰত হ'লত সেই কামনা বাসনাৰ চৰিতাৰ্থে জীৱন লগৰীৰ লগত প্ৰণয় বন্ধনত আবদ্ধ হৈ মধুৰ জীৱন অতিবাহিত কৰাৰ মধুৰ কল্পনা কৰিবলৈ ধৰিলে। পুত্ৰই বোৱাৰী আনি বংশ বৃদ্ধি কৰিলে। শদিয়াৰ হালালী ৰাজ্য এৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে চৈখোৱালৈ গুচি অহা এদল কছাৰীয়ে প্ৰথম অৱস্থাত খাদ্যাভাৱত উপায় নাপাই চৈখোৱাৰ ওচৰৰ ৰংদৈ চাপৰিৰ ওচৰত বাস কৰা সাতঘৰ মিৰিৰ ওচৰত আশ্ৰয় লব লগাত পৰে। কছাৰী সকলৰ আশ্ৰয়দাতা লিকাম, কুৰাম, হাগু, তাগু, কাদং চেদং আৰু নৰ এই সাত ঘৰ মিৰিৰ লগত তেওঁলোকৰ ওতঃপ্ৰোত সম্পৰ্ক গঢ়ি উঠাৰ ফলত পৰস্পৰে পৰস্পৰৰ মাজত বৈবাহিক সম্বন্ধও গঢ়ি তোলে।

এনেকৈ প্ৰাণে বিচৰা জীৱন লগৰীৰ সৈতে সুখৰ সংসাৰ পাতি বংশ বৃদ্ধি কৰাৰ ফলত কছাৰী সকলৰ মদন, মাণিকীয়াল, হগ্ৰাল, মুক্তাল, বৰহাজোৱাল, সৰু হাজোৱাল, এচমাল, ফৰমাল, কুমৰাল, ঢেকীয়াল, দংৱাল, ডিঙিয়াল, লাঠিয়াল,

আৰু চেতিয়াল এই চৈধ্যটা বংশৰ উৎপত্তি হয়। খেল বা কৰ্ম অনুসৰি এই চৈধ্যটা বংশৰ নাম তলত উল্লেখ কৰাৰ দৰে দিয়া হৈছিল।

| | |
|---|---|
| ১। হগ্ৰাল—ৰজা | ৮। ফৰমাল—ফুকন |
| ২। মদন—মন্ত্ৰী | ৯। এচমাল—ক্ষত্ৰিয়-যুদ্ধাৰু (সৈন্য |
| ৩। ভিড়িয়াল—ৰাজমন্ত্ৰী | ১০। কুমৰাল—বৰা |
| ৪। মাণিকীয়াল—ৰাজগুৰু | ১১। ঢেকীয়াল—বাৰিক |
| ৫। বৰহাজোৱাল—হাজৰিকা | ১২। লাঠিয়াল—গাঁওবুঢ়া-তুৰৰী |
| ৬। সৰুহাজোৱাল—শইকীয়া | ১৩। দংৰাল—কমাৰ |
| ৭। মুক্তাল—বৰবৰুৱা | ১৪। চেতিয়াল—বাঢ়ৈ |

ইয়াৰোপৰি ছৈখাৱা অঞ্চলৰ সাতটা পৰিয়ালৰ লিকাম, কুৰাম, হাগু, গাগু, কাদং, ছেদং আৰু নৰ, মিৰিসকলৰ লগত বৈবাহিক সম্পৰ্ক ঘটাৰ ফলত উক্ত সাতটা পৰিয়ালৰ মিৰিও কাছাৰীসকলৰ অন্তৰ্ভুক্ত হয়। এই বিলাক পৰ্য্যালোচনা কৰিলে দেখা যায় যে সোণোৱালসকলে খেল অনুসৰি বেলেগ বেলেগ কামৰ ভাগ কৰি এখন সৰ্বাংগ সুন্দৰ শদিয়াৰ হালালী ৰাজ্য প্ৰতিষ্ঠা কৰি সুখ্যাতিৰে ৰাজত্ব কৰিছিল। এই সকলোবোৰ কথা হয়দাং গীতৰ চতুৰ্থ অধ্যায়ত দাঙি ধৰা হৈছে।

[ মেগেলাৰ ৺ঘনীৰাম দাসদেৱৰ বৰ্ণনামতে উক্ত চৈধ্যবংশৰ তালিকা ওপৰত উল্লেখ কৰা হ'ল ]

॥ পঞ্চম অধ্যায় ॥

পঞ্চম অধ্যায়ৰ পৰা অষ্টম অধ্যায়লৈকে শিৱৰ আন এটা সংস্কৰণ খিৰিং দেৱতাৰ বিয়াৰ কথা বৰ্ণনা কৰা হৈছে।

শংখদেউ ৰজাৰ লুৰপী আৰু চুৰপী নামৰ দুগৰাকী কন্যা আছিল। শংখদেউ ৰজাৰ কন্যা লুৰপীক খিৰিং দেৱতাই বিয়া কৰাবলৈ মন মেলাত পালি-পহৰীয়াৰ সৈতে "অমন কাঠৰ পমন নাও, লাই থচু লাই থচু হেনো বাইনো যাওঁ"—ভ্ৰমৰ মিস্ত্ৰীয়ে সজা কাঠৰ পমন নাৱেৰে ধীৰে ধীৰে গৈ লুৰপী চুৰপীৰ ঘাটত নাও চপাই শংখদেউ ৰজাৰ ওচৰলৈ যায়। ৰজাৰ ওচৰলৈ গৈ নিয়মানুসৰি তামোল-পাণ, মদ-মাংস, নানা বস্ত্ৰ, বৰপিঠা, সৰুপিঠা, মাহ-চাউল আদি বয়-বস্তুৰ ভাৰ শংখদেউ ৰজাৰ ওচৰত অৰ্পণ কৰি লুৰপীক ধৰ্মপত্নী হিচাপে পাবলৈ প্ৰস্তাৱ দিয়ে। ইফালে খিৰিং দেৱতাৰ ৰূপত মুগ্ধ হৈ লুৰপী আৰু চুৰপী দুয়ো বাই-ভনীয়ে স্বামীৰূপে পাবলৈ মন মেলিলে।

"লুৰপী বোলে হেনো মই যাং দে
চুৰপী বোলে হেনো মই যাং দে
বিত্রিং বাত্রাং হেনো লগাইছে।"

এনেকৈ ইজনী সিজনীৰ মাজত অৰিয়া অৰি লাগে। অৱশেষত উপায়ান্তৰ হৈ খিৰিং দেৱতাই দুয়ো গৰাকীক বিয়া কৰাৰ লগাত পৰে। শংখদেউ ৰজাই বিধিমতে দুয়ো গৰাকী কন্যাক খিৰিং দেৱতালৈ বিয়া দিয়াৰ যা-যোগাৰ কৰে।

॥ ষষ্ঠ অধ্যায় ॥

খিৰিং দেৱতালৈ দুয়ো গৰাকী কন্যাক (লুৰপী আৰু চুৰপী) বিয়া দিবলৈ আয়োজন কৰি আলহী-অতিথিক নিমন্ত্ৰণ কৰি শংখদেউ ৰজাই সকলোকে ভোজ-ভাতেৰে আপ্যায়িত কৰিলে। দৰাৰ পক্ষৰ পৰা বিধি অনুসৰি কন্যাঘৰৰ সকলো সম্ভ্ৰান্ত লোকক গুৱা-পাণ, বস্ত্ৰ আদি মান ধৰিলে। দৰা কন্যা উভয় পক্ষৰ কামবোৰ নিয়মানুসৰি সমাপন হোৱাৰ পাছত শংখদেউ ৰজাই আ অলংকাৰৰ লগত অন্যান্য যাবতীয় যৌতুকৰ বস্তু সহ খিৰিং দেৱতালৈ বুলি কন্যা সম্প্ৰদান কৰিবলৈ ললে। এনেতে কিছুমান লোকে কন্যা সম্প্ৰদানত বাধা প্ৰদান কৰিলে। ফলত বিবাহমণ্ডপত তুমুল যুদ্ধ চলিল। যুদ্ধৰ কথা গম পাই খিৰিং দেৱতাৰ পক্ষৰ হৈ বায়ু দেৱতা নাক্লেং, চাক্লেং বাভীৰ সৈতে বহু লোক যুদ্ধ দিবলৈ আগবাঢ়িল। বিয়ালৈ গৈ যুদ্ধৰ বাবে আগতীয়াকৈ সাজু নথকা খিৰিং দেৱতাৰ পক্ষৰ লোকে অস্ত্ৰ-শস্ত্ৰৰ অভাৱত বিয়াত পোৱা যৌতুকৰ তোলোঠা, চিৰি মাৰি, যতঁৰ, মাকো, পাকৰী, জাপি আদি বস্তুবোৰকে যুদ্ধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। যুদ্ধত খিৰিং দেৱতাই শংখদেউ ৰজাৰ মঠ মন্দিৰ, ঘৰ-দুৱাৰ, প্ৰাচীৰ, কোঁঠ আদি ভাঙি থাস্তাং কৰিলে। যুদ্ধত খিৰিং দেৱতাৰ জয় হ'ল।

॥ সপ্তম অধ্যায় ॥

খিৰিং দেৱতাই ৰণত জয়লাভ কৰাত প্ৰজাবৰ্গৰ আনন্দত ঠাই নধৰা হ'ল। সকলোৱে আনন্দত বিভোৰ হৈ নাচিবলৈ ধৰিলে। খিৰিং দেৱতাই ৰণত জয়লাভ কৰি লুৰপী-চুৰপীক বিয়া কৰি অনাত সকলো প্ৰজাই আনন্দত মতলীয়া হৈ তেওঁলোকক পুষ্পবৃষ্টি আৰু উৰুলিৰে জয়ধ্বনি কৰিলে। সকলোৱে লুৰপী-চুৰুপীক নানা অলংকাৰ উপহাৰ দি সেইবোৰ পিন্ধাই সাক্ষাৎ শংকৰৰ জীয়াৰী মাধৱৰ বোৱাৰ সদৃশ সজাই তুলিলে। শংকৰৰ জীয়াৰী মাধৱৰ বোৱাৰী স্বৰূপ

লুৰপী-চুৰপীক বেংদৈ, হাক্লাদৈ, ফাক্লাদৈ, দোনদৈ, কুলাদৈ, দেওবুঢ়া, সোমবুঢ়ী, মংগলবুঢ়ী, বুধবুঢ়ী এই ন-ভনী লখিমীৰূপে সজাই আদৰি আনিলে।

॥ অষ্টম অধ্যায় ॥

খিৰিং দেৱতাই ন-ভনী লখিমী স্বৰূপ লুৰপী-চুৰপীক বিয়া কৰি আনি ঘৰ সোমোৱাৰ পাছত ঘৰৰ বৰঘৈণীয়েকে মূৰত ডালি কলচী লৈ ন-কন্যাক আগবঢ়াই আনিবলৈ যায়। দৰা কন্যাক পদূলিৰ মূৰত বৰপীৰাৰ ওপৰত তুলি ভৰি হাত ধুৱাই সেৱা সৎকাৰ কৰি ঘৰৰ ভিতৰলৈ আদৰি আনে। মজিয়াখন ভাঙৰ। আহল-বহল, পোন-দীঘল, দীঘল বাটযুক্ত বৰঘৰৰ কোঠা এটা পৰিপাটিকৈ সজাই লৈ তাত ন-কন্যাক বহুৱায়। দৰাকন্যাক আদৰি অনাৰ পাছত দৰাঘৰত বৰভোজ পাতি আনন্দ উৎসৱ পাতে।

এইদৰে দেখা যায় যে খিৰিং দেৱতাৰ বিয়াখনে সম্পূৰ্ণ অসমীয়া বিয়াৰ ছবি এখন দাঙি ধৰিছে। দৰাপক্ষৰ মানুহে কন্যাৰ ঘৰলৈ গৈ কন্যাৰ মাক-বাপেকৰ ওচৰত তামোল পাণ, বৰপিঠা সৰুপিঠা, মদ-মাংস আদি বয়-বস্তুৰ ভাৰ-ভেটিৰে গৈ ছোৱালী খোজা তাহানিৰ অসমীয়াৰ নিয়ম। বিয়াৰ দিনা বিয়াঘৰত দৰাপক্ষৰ মানুহে কন্যাঘৰৰ মান্যব্যক্তিসকলক মান ধৰাৰ নিয়ম আজিও অসমীয়া সমাজত প্ৰচলন হৈ আছে। তেনেকৈ বিয়া কৰি আনি ঘৰ পোৱাৰ পাছত ন-কন্যাক ডালি কলচী লৈ আদৰি অনাৰ নিয়মো অসমীয়া সমাজত প্ৰচলিত হৈ আছে। অসমীয়া সমাজত বৰ্ত্তমানো প্ৰচলিত বিয়াৰ সকলো নিয়ম কোনো ব্যতিক্ৰম নোহোৱাকৈ হুমদাং গীতত উল্লেখ আছে।

॥ নৱম অধ্যায় ॥

নৱম অধ্যায়ত কছাৰী সকলৰ দহ দেৱতাক প্ৰাৰ্থনা জনোৱাৰ কথা ব্যক্ত কৰিছে। মানৱ সমাজৰ মাজত অপায়-অমংগল দূৰ কৰি সুখেৰে যাতে জীৱন অতিবাহিত কৰিব পাৰে তাৰ বাবে তেওঁলোকৰ অধিষ্ঠাতা খিৰিং, গজায়, মনায়, বায়ু, বৰুণ, নাক্লেং চাক্লেং, বাঙী, দেলৌ, হেলৌ, কণকণ, ফুলকোঁৱৰ, মণিকোঁৱৰ আদিক প্ৰাৰ্থনা জনাইছে। তেওঁলোকে বিভিন্ন দেৱ দেৱতাক পূজিলেও শিৱক সকলো দেৱতাতকৈ শ্ৰেষ্ঠ বুলি ধৰি লৈছিল।

হাইঠা হেমেলু লেং ঠাই ঠাই,
সকলো দেৱতাৰ একে ঠাই,

জামুকৰ খুটাতে দিছোং ঠাই।" বুলি শিৱ লিংগৰ প্ৰতীক জামুকৰ খুটাত

সকলো দেৱতাৰ বাবে আসন প্ৰতিষ্ঠা কৰি পূজাৰ ভাগ আগবঢ়াইছে। সেইদৰে আকাশৰ স্বৰ্গৰ, জলৰ, স্থলৰ, পূৰ্বৰ, পশ্চিমৰ, উত্তৰৰ, দক্ষিণৰ আদি সৰ্বদিশৰ দেৱীসকলৰ ওচৰত তেওঁলোকৰ নিজৰ সৰ্বমংগলাৰ্থে প্ৰাৰ্থনা জনাই জামুকৰ খুটাত বেদী স্থাপন কৰি পূজাৰ ভাগ আগবঢ়ায়।

॥ দশম অধ্যায় ॥

অসম এখন কৃষিপ্ৰধান দেশ। কৃষিয়েই হ'ল অসমৰ অধিবাসী সকলৰ প্ৰধান জীৱিকা। অধিবাসী সকলে অতি প্ৰাচীন কালৰ পৰাই খেতিৰ উপযোগী সাৰুৱা মাটি বিচাৰি নদীৰ উপত্যকা অঞ্চল সমূহত বসবাস কৰি আহিছে। কৃষিৰ অধিষ্ঠাত্ৰী দেৱী হ'ল লখিমী। কৃষিৰ সৰ্বমংগল কামনা কৰি লখিমীক আদৰা হয়। লখিমী জলত থাকে বুলি বিশ্বাস। সেইবাবে শদিয়াৰ হাগালী ৰাজ্যত বসবাস কৰা কছাৰীসকলে কৃষিৰ শ্ৰীবৃদ্ধিৰ বাবে লুইত, দিহং, দিবাং, কুণ্ডিল, সোৱণশিৰী, টেঙাপানী, দিহিং, দিখৌ, নামদাং, ধনশিৰী আদি বিভিন্ন নদ-নদীৰ পৰা ন-ভনী লখিমীক তুলি আনি জামুকৰ খুটাত বেদী স্থাপন কৰি প্ৰতিষ্ঠা কৰিছে। এনেকৈ দেখা যায় যে তাহানিৰ পৰম্পৰা ৰীতি অনুসৰি আজিও অসমীয়া সমাজত গোপিনী সকলে এঁৰা সূতা লৈ লখিমী আদৰাৰ নাম গাই জলৰ পৰা লখিমী আদৰি অনাৰ প্ৰথা চলি আছে।

॥ একাদশ অধ্যায় ॥

সৰ্বমংগল কামনা কৰি বিভিন্ন দেৱ-দেৱীক প্ৰাৰ্থনা জনাবলৈ যাওঁতে অজানিতে যি ভুল ত্ৰুটি হ'ব পাৰে সেই ভুল-ত্ৰুটিৰ বাবে ক্ষমা ভিক্ষা খুজি অজ্ঞান-অবুজ বালকৰ দৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

"হে ভগৱান, শিৱ, তুমিয়ে আদি নিৰঞ্জন সত্য সনাতন।
তুমিয়ে আদি নিৰঞ্জন ব্ৰহ্মা, তুমিয়েই বিষ্ণু, তুমিয়েই মহেশ্বৰ।"

আমি অজ্ঞান বশতঃ বিভিন্ন দেৱ-দেৱীক পূজিছোঁ যদিও সেই সকলোবোৰৰ মূলতে তুমিয়েই। সেয়েহে আমি আমাৰ অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা ভিক্ষা খুজি তোমাৰ চৰণত [ শিৱলিংগৰ প্ৰতীক জামুকৰ খুটাত ] আমাৰ সৰ্বস্ব অৰ্পণ কৰিছোঁ।

নৱম-দশম আৰু একাদশ অধ্যায়ৰ হয়দাং গীতৰ পৰা দেখা যায় যে কছাৰী সকল প্ৰহ্লাদ, বিৰোচন আৰু বলি এই তিনি পুৰুষ বিষ্ণুৰ উপাসক আছিল যদিও তেওঁলোক জাতিগতভাৱে শিৱভক্ত হোৱাত বিষ্ণুৰ প্ৰতি বিশেষ আসক্তি

সাবাথি .শিৱৰ প্ৰতিহে বেছি প্ৰাধান্য দিছে আৰু পূৰ্বৰ পৰম্পৰা অনুসৰি আজিও বেছিভাগ .কছাৰীয়েই শিৱভক্ত।

**হুয়দাং গীতৰ ভাষা**

হুয়দাং গীত সম্পৰ্কে ড মহেশ্বৰ নেওগদেৱে এইদৰে মন্তব্য কৰিছে– "কছাৰী সকলৰ মাজত প্ৰচলিত নানা গীতৰ মাজত হাইদাং গীতই বিশেষ মূল্যবান সম্পত্তি। ইয়াৰ ভাষা মিহলি আৰু অনিয়মিত অসমীয়া বুলি ক'ব পাৰি।" [ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ৩২ ]

হুয়দাং গীতৰ ৰচনাশৈলী আৰু শব্দ প্ৰয়োগৰ প্ৰতি দৃষ্টি ৰাখি ক'ব পাৰি যে হুয়দাং গীত আদিম আৰু প্ৰথম অসমীয়া গীতি সাহিত্য। হুয়দাং গীতৰ প্ৰথম সৃষ্টি তত্বৰ মীমাংসা অধ্যায়ত যিবোৰ শব্দ প্ৰয়োগ কৰিছে সেইবোৰৰ কিছুমান অসমীয়া শব্দৰ আদি ৰূপ। অনিয়মিত অসমীয়া ভাষাৰ শব্দ আৰু কিছুমান সংস্কৃত সানমিহলি অসমীয়া ভাষাৰ শব্দ যাক অসমীয়া ভাষাৰ আদি ৰূপ বুলি কোৱাৰ বাহিৰে অন্য উপায় নাই। আদি অধ্যায়ৰ প্ৰথম গীতফাঁকিত "পৃথিবী" আৰু সৃজইছে" [ সৃজ+ইছে ] সংস্কৃতৰ পৰা অহা অসমীয়া শব্দ। "পৃথিবী" সংজ্ঞা শব্দৰ আগত অসমীয়া শব্দৰ আদি ৰূপ হা-ইয়হ [ হা=মাটি, ইয়হ= আচৰিত ] আৰু পাছত "হেনো" অসমীয়াৰ শব্দ আৰু ক্ৰিয়াৰ মূল ধাতু "সৃজ" ধাতুৰ লগত "ইছে" [ সৃজ+ইছে ] সংযোগ হৈ "সৃজইছে"ৰ পৰা সৃজিছে শব্দলৈ ৰূপান্তৰ কৰি সম্পূৰ্ণ অসমীয়া ঠাঁচত বাক্যটো সাজিবলৈ যত্ন কৰা দেখা যায়। সেইদৰে প্ৰথম অধ্যায়ৰ গীতত প্ৰয়োগ হোৱা অগনি, আকাশ, প্ৰকাশ, গজন, গমন, ভ্ৰমণ, উৰণ, বুৰণ, ধৰম, কৰম, আগম, নিগম আদি শব্দ সংস্কৃত জাত আৰু এইবোৰ অসমীয়াত ব্যৱহাৰ হোৱা কোমল ৰূপৰ শব্দ। এইবোৰ সংখ্যা শব্দৰ আগত "হা-ইয়হ" আৰু পাছত "হেনো" আৰু ক্ৰিয়াৰ মূল ধাতুৰ লগত "ইছে" প্ৰত্যয় যোগ কৰি বাক্যবোৰ অসমীয়া ঠাঁচত সাজিবলৈ যত্ন কৰিছে। ২য় অধ্যায়ৰ গীতবোৰত সংস্কৃত শব্দ যোগ কৰি সম্পূৰ্ণ অসমীয়া শব্দৰে বাক্যৰচনাৰ কাৰ্য্য সমাধা কৰিছে। ইয়াত মূল বিশেষণ শব্দ এক, দুই, তিনি, এভাল, দুভাল তিনিভাল আদি শব্দৰ আগত "হা-ইয়হ", পাছত "হেনো" আৰু ক্ৰিয়াৰ মূল ধাতুৰ লগত "ইছে" প্ৰত্যয় যোগ কৰি বাক্যবোৰ ৰচনা কৰিছে। ২য় অধ্যায়ত এভাল, দুভাল, তিনিভাল……নভাল, এটা, দুটা, তিনিটা……নটা আদি শব্দ প্ৰয়োগ কৰি অসমীয়া গণনা শাস্ত্ৰবো আৰম্ভ কৰিছে।

তৃতীয় অধ্যায়ৰ পৰা একাদশ অধ্যায়ৰ গীত সমূহত দুই-এটা অসমীয়া ভাষাৰ আদি ৰূপ, সানমিহলি শব্দৰ বাহিৰে বাকী সকলোবোৰ সংস্কৃত মিশ্ৰিত অসমীয়া ভাষাৰ শব্দ প্ৰয়োগ কৰি সম্পূৰ্ণ আধুনিক অসমীয়া ঠাঁচত বাক্যবোৰ ৰচনা কৰিছে। প্ৰথম অধ্যায়ত প্ৰয়োগ হোৱা শব্দবোৰৰ প্ৰায়ভাগ শব্দই তৃতীয় অধ্যায়ত সম্পূৰ্ণ আধুনিক শব্দলৈ পৰিৱৰ্ত্তিত হোৱা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে গজন [ উদ্ভিদ ] শব্দৰ পৰা গছ ; ভ্ৰমণ শব্দৰ পৰা পশু, আকাশ শব্দৰ পৰা মেঘ ; জল শব্দৰ পৰা পানী, বৰুণ শব্দৰ পৰা মাছ, উৰণ শব্দৰ পৰা চৰাই আদি শব্দবোৰৰ প্ৰয়োগ বিশেষভাৱে আঙুলিয়াব পাৰি। এনেকৈ তৃতীয় অধ্যায়ৰ হয়দাং গীতৰ পৰা একাদশ অধ্যায়লৈকে ব্যৱহাৰ হোৱা শব্দবোৰৰ লগত আধুনিক অসমীয়া ব্যাকৰণৰ বিভক্তি, প্ৰত্যয় আদি যোগ কৰি অসমীয়া ভাষাৰ নৱ ৰূপলৈ পৰিবৰ্ত্তন কৰা পৰিলক্ষিত হয়।

শব্দ বিভক্তি

দেৱ + ৰ = দেৱৰ ডাঙৰ কোন

হাল্লাদৈ + ক = হাল্লাদৈক হেনো আনইছো

ধাতু প্ৰত্যয়

সুধা + ইছো = সুধাইছো

আন + ইছো = আনইছো

এনেকৈ হয়দাং গীতে অসমীয়া ভাষাৰ আদি ৰূপৰ পৰা পৰ্য্যায়ক্ৰমে আধুনিক অসমীয়ালৈ পৰিবৰ্ত্তিত হোৱা দেখা যায়।

ভাষা হ'ল সামাজিক সম্পত্তি। গতিকে বিভিন্ন পৰিস্থিতি আৰু পৰিবেশৰ ফলত সমাজৰ ক্ৰমবিকাশ হোৱাৰ লগে লগে ভাষাৰো ক্ৰমবিকাশ হয়। ভাষা বোৱতী নদীৰ দৰে চিৰ প্ৰবাহমান। ই সদায় আগলৈহে গতি কৰে। সেয়েহে ভাষা নদীৰ গতিৰ দৰে পৰিবৰ্ত্তনশীল।

কছাৰীসকল অসমৰ আদিমবাসী। তেওঁলোকে ডিমালাং ( ত্ৰিপুৰা ) ৰ পৰা নীলাচল পাহাৰ অতিক্ৰম কৰি কামৰূপৰ দক্ষিণেদি আহি তেজপুৰত প্ৰৱেশ কৰে আৰু তাত শোণিত পুৰ ৰাজ্য প্ৰতিষ্ঠা কৰি বহু বছৰ কাল ৰাজত্ব কৰাৰ পাছত উত্তৰ লক্ষীমপুৰৰ জোনাইয়েদি গৈ শদিয়াত প্ৰৱেশ কৰে। শদিয়াত সোৱণশিৰী, দিহং দিবাং, কুণ্ডিল, টেঙাপানী আদি নৈৰ অৱবাহিকাৰ বিস্তীৰ্ণ ভূ-ভাগক

লৈ হালালী নামৰ এখন ৰাজ্য প্ৰতিষ্ঠা কৰি সগৌৰৱেৰে ৰাজত্ব কৰাৰ বহুবছৰৰ পাছত ১৬০৩ শকত শদিয়াৰ এদল কছাৰীয়ে আউনি আটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱৰ ওচৰত শৰণ লৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে আৰু তেতিয়াৰ পৰা সেই শৰণ লোৱা কছাৰীসকল সোণোৱাল নামেৰে পৰিচিত হয়। এই সোণোৱাল সকলে আদিতে কি ভাষাৰ মাধ্যমেৰে নিজৰ মনোভাব প্ৰকাশ কৰিছিল তাক জনাৰ উপায় নাই। তেওঁলোকে বিভিন্ন ৰাজ্যৰ মাজেদি আহি বিভিন্ন জন-গোষ্ঠীৰ লগত সংমিশ্ৰণ হোৱাৰ ফলত তেওঁলোকৰ ভাষাৰো পৰিবৰ্তন হয়। শদিয়াৰ হালালী ৰাজ্যত ৰাজত্ব কৰাৰ সময়ত তেওঁলোকৰ ভাষাৰ ক্ৰমবিকাশ হয় বুলিয়েই ক'ব লাগিব। তেওঁলোক অসমলৈ অহাৰ পূৰ্বে নিজ পিতৃভূমিতে সৃষ্টি হোৱা তেওঁলোকৰ হুয়দাং গীতৰ ভাষা সমূহো ক্ৰমবিকাশ হোৱাৰ ফলত মোট সলাই অন্য এটা ৰূপ ললে। এই হালালী ৰাজ্যতেই সোণোৱাল কছাৰীৰ হুঁচৰি, গোসাঁই নাম, আই নাম, লখিমী নাম, অপেশ্বৰী নাম আদি গীত মাতবোৰৰ বিকাশ হয়।

সোণোৱাল কছাৰীসকলৰ হুয়দাং গীতত প্ৰয়োগ হোৱা পুৰণি অসমীয়া শব্দৰ তালিকা এখন তলত দিয়া হ'ল।

| | শব্দ | | অৰ্থ |
|---|---|---|---|
| (১) | হা ইয়হ | - | হা-মাটি, ইয়হ-আচ'ৰত |
| (২) | লাহ | - | ডাঙৰ, বিখ্যাত, |
| (৩) | মিক্ৰি | - | মেকুৰী [ বিষ্ণুৰ সোণৰ মূৰ্ত্তি ] |
| (৪) | কুৰইছে | - | কঢ়িয়াইছে। |
| (৫) | ৰোম্বা | - | উম ( উমনি লোৱা ) |
| (৬) | ৰোম্বাইছে | - | উমনি দিয়া। |
| (৭) | ভুৰুলী | - | কেঁচাই খাইতী। |
| (৮) | খিৰাং | - | শিৱৰ এটা সংস্কৰণ। |
| (৯) | হেট কপাহ | - | বগা কপাহ। |
| (১০) | হচংখে | - | হৰিণ। |
| (১১) | হচংখী | - | হৰিণী। |
| (১২) | লিগলাই | - | শৰ। |
| (১৩) | লিগফাই | - | ভেলেঙী। |

| শব্দ | | অৰ্থ |
|---|---|---|
| (১৪) লাইজোৰ | — | পাভযোৰা। |
| (১৫) লাগুইয়া | — | আনিছে। |
| (১৬) বাৰঙ্গী | — | বঢ়ালে। |
| (১৭) আপং | — | ফটিকা। |
| (১৮) উঙ | — | মাছ। |
| (১৯) মঙ | — | মাংস। |
| (২০) গুইং | — | তামোল। |
| (২১) বিৰ্ৰিং বাৰ্ৰাং | — | বেবেৰিবাং ( খেলি মেলি ) |
| (২২) চাক লিং লিং লিং | — | ঘূৰি ঘূৰি, চক্ৰাকাৰ, |
| (২৩) চাকি-নেচাকি | — | চিকমিক পোহৰ |
| (২৪) থুটি-নোথুটি | — | কোঠ মৰা কাৰ্য্য |
| (২৫) খোপা লুধুম ধাম | — | ডাঙৰ ওলমি পৰা খোপা। |
| (২৬) খুকুম খুকুম লাই | — | খুটি তাল। |
| (২৭) তেবে গাগনী আই | — | বিয়াৰ সময়ত সজাই লোৱা দৰাৰ মাক। |
| (২৮) শিমলু | — | লখিমী। |
| (২৯) ঘুনুচা | — | বিয়াৰ সময়ত বিয়াঘৰৰ দুৱাৰ মুখত বন্ধা আমপাত, তুলাযুক্ত এঁৰা সূতা। |
| (৩০) জাৰাওৰাও | — | গহীন অন্ধকাৰ। |
| (৩১) লেলেং লেং | — | ক্ষীণ দীঘল। |
| (৩২) খুটুপ টুপ | — | চুটি, খৰা, পৰিপাটী। |
| (৩৩) গাৰাও ৰাও | — | আহল বহল। |
| (৩৪) ভামাও মাও | — | ওখ, ডাঙৰ, ওফন্দি পৰা, |
| (৩৫) নেজ ভং ভং | — | পোন ভোবোৰা নেজ। |
| (৩৬) লেং ঠাই ঠাই | — | নঙঠা, লঠং, সকলোতকৈ ওখ। |
| (৩৭) হালিঙা-জালিঙা | — | হালি-জালি। |
| (৩৮) লাইথট-লাই-থট | — | লাহে লাহে। |
| (৩৯) চিলিক চিকলিক লাই | — | চকামকাকৈ দেখা। |

| শব্দ | | অর্থ |
|---|---|---|
| (৪০) পময়ন নাও | = | পমা কাঠৰ নাও |
| (৪১) বিজলা-বিজলী | = | বেজি শিঙিয়া গৰু। |
| (৪২) সদন-মদন | = | হস্তী-হস্তিনী। ( সদন-মদন = স্বৰ্গৰ পৰা অহা হাতীৰ কালিকা খুন-খুনি—চুনতেমি = মৰ্ত্তৰ হাতীৰ কালিকা। |
| (৪৩) তুলীয়া | = | ভাত বন্ধা পাত্ৰ ঢাকিবলৈ কাঠেৰে সজা এবিধ পাত্ৰ ( ঢাকোন )। |
| (৪৪) হাবুকী | = | বৰদৈচিলা। |
| (৪৫) আত্মভ | = | সৰ্ব্বস্বান্ত |

## হুয়দাং গীতসমূহ

প্ৰথম অধ্যায় :

[illegible]

[illegible] নমো নাৰায়ণ

" " পৃথিৱী তেনে সৃজইছে (৪)

" " আকাশ " " (৪)

" " প্ৰকাশ " " (৪)

" " নিমখ তেনো [illegible]ছে (৪)

" " জল তেনো সৃজইছে (৪)

" " থল " " (৪)

" " অগনি " " (৪)

" " বায়ু " " (৪)

" " বৰুণ " " (৪)

" " উৰণ " " (৪)

" " বুৰণ " " (৪)

" " গজন " " (৪)

" " ভ্ৰমণ " " (৪)

হা ইয়হ নমো নাৰায়ণ
,, ,, আদি গুৰু সৃজইছে (৪)
,, ,, অনাদি ,, ,, (৪)
,, ,, হাট ,, ,, (৪)
,, ,, বাট ,, ,, (৪)
,, ,, শিক্ষা ,, ,, (৪)
,, ,, দীক্ষা ,, ,, (৪)
,, ,, ধৰম ,, ,, (৪)
,, ,, কৰম ,, ,, (৪)
,, ,, আগম ,, ,, (৪)
,, ,, নিগম ,, ,, (৪)
,, ,, ক'লা গৰু ,, ,, (৪)
,, ,, ধুৰলী ,, ,, (৪)
,, ,, বিজলা ,, ,, (৪)
,, ,, বিজলী ,, ,, (৪)
হা ইয়হ কপিলা গৰু সৃজইছে (৪)
,, ,, কপিলী ,, ,, (৪)
,, ,, আদি যুগৰ কছাৰী হয়দাং দে। (৪)

তৃতীয় অধ্যায় :

হয়হ কেৰক কেৰক হেনো কেৰইছে।
ইয়হ কেৰক কেৰক হেনো কে ৰইছে।
হা-ইয়হ কেৰক কেৰক হেনো কেৰইছে।
হা-ইয়হ বাহক বাহক হেনো মাৰইছে। (৩)
হা-ইয়হ এডাল দুডাল হেনো কুৰইছে। (৩)
,, ,, তিনিডাল চাৰিডাল হেনো কুৰইছে। (৩)
,, ,, পাঁচডাল ছডাল হেনো কুৰইছে। (৩)
,, ,, ছডাল সাতডাল হেনো কুৰইছে। (৩)
,, ,, আঠডাল নডাল হেনো কুৰইছে। (৩)
,, ,, বাঁহক বাঁহক হেনো মাৰইছে। (৩)

হা-ইয়হ এডাল দুডাল হেনো কুৰইছে ।
,, ,, এটা দুটা হেনো পাৰইছে । (৩)
,, ,, তিনিটা চাৰিটা হেনো পাৰইছে । (৩)
,, ,, পাঁচটা ছটা ,, ,, । (৩)
,, ,, সাতটা আঠটা ,, ,, । (৩)
,, ,, আঠটা নটা ,, ,, । (৩)
,, ,, ৰোম্বা ৰোম্বা হেনো বোম্বাইছে । (৩)
,, ,, এটা দুটা হেনো জগইছে । (৩)
,, ,, তিনিটা চাৰিটা হেনো জগইছে । (৩)
,, ,, পাঁচটা ছটা ,, ,, । (৩)
,, ,, তাৰে তিনিটা হেনো ঘোলইছে । (৩)
,, ,, আদি যুগৰ কছাৰী হইদা দে । (৩

তৃতীয় অধ্যায় :

হা। ইয়হ ডাঙৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, দেৱৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, দেৱৰ ডাঙৰ খিৰিং ৰজা জে । (৪)
,, ,, দেৱী ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, দেৱী ডাঙৰ ভুকুলী-হাবুকী জে । (৪)
,, ,, বায়ু ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, বায়ু ডাঙৰ সপ্ত বায়ু জে । (৪)
,, ,, কুলৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, কুলৰ ডাঙৰ লাই মিক্রি জে । (৪)
,, ,, মানুহ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, মানুহ ডাঙৰ বাউনা বাউনী জে (৪)
,, ,, পশু ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, পশু ডাঙৰ ডালিম-কেৰ্কুট জে । (৪)
,, ,, চৰাই ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, চৰাই ডাঙৰ লাই টি পচী জে । (৪
,, ,, মাছৰ ডাঙৰ কোন ডাঙৰ ? (৪)

হা ইয়হ ডাঙৰ ডাঙৰ কোন ডাঙৰ ?
,, ,, মাছৰ ডাঙৰ ভেচেলী-চন্দা জে। (৪)
,, ,, পানী ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, পানী ডাঙৰ ডোঙাই পানী জে। (৪)
,, ,, স্থল ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, স্থল ডাঙৰ পানী পইতা জে (৪)
,, ,, মাতৰ ডাঙৰ কোন ডাঙৰ ? (৪)
, ,, মাতৰ ডাঙৰ ধুলাই মেঘ জে। (৪)
,, ,, গাতৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, গাতৰ ডাঙৰ বৰপেট জে। (৪)
,, ,, মাটিৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, মাটিৰ ডাঙৰ ধুলাই মাটি জে। (৪)
,, ,, গছৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, গছৰ ডাঙৰ লাইজুৰী জে। (৪)
হা ইয়হ পাতৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, পাতৰ ডাঙৰ উলুৱৰ পাত জে। (৪)
,, ,, ফুলৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, ফুলৰ ডাঙৰ হেট কপাহ জে। (৪)
,, ,, বাঁহৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, বাঁহৰ ডাঙৰ লাই জুটুলী জে। (৪)
,, ,, গৰুৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, গৰুৰ ডাঙৰ কজলা মুগা জে (৪)
,, ,, গুৰুৰ ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, গুৰুৰ ডাঙৰ পিতৃগুৰু জে। (৪)
,, ,, সেৱা ডাঙৰ কোন ডাঙৰ ? (৪)
,, ,, সেৱা ডাঙৰ লইনা সেৱা নাৱৰা চেৱা জে। (৪)
,, ,, আদি যুগৰ কছাৰীৰ হয়দাং দে। (৪)

**চতুৰ্থ অধ্যায় ঃ**

এ, সদন মদন হেনো লাইজোৰা (৩)

এ, হচংখে হুচংখী হেনো লাইজোৰা (৩)

এ, লিগলাই, লিগফাই হেনো লাইজোৰা (৩)

এ, লিকাম কুৰাম হেনো লাইজোৰা (৩)

এ, হাও, তাও হেনো লাইজোৰা (৩)

এ, কাদং চেদং হেনো লাইজোৰা (৩)

এ, নৰ ডফলা হেনো লাইজোৰা (৩)

এ, নৰে নৰে হেনো লাঙ্গইয়া (৩)

এ, নৰে বোৱাৰী হেনো বাৰঙ্গী (৩)

এ, মদন হেনো মাণিকীয়াল (৩)

এ, হপ্রাল হেনো মুক্তাল জে (৩)

এ, বৰ হাজোৱাল হেনো সৰু হাজোৱাল (৩)

এ, এচয়াল হেনো ফৰমাল জে। (৩)

এ, কুমৰাল হেনো ঢেকীয়াল। (৩)

এ, দঙ্গৰাল হেনো ডিঙিয়াল জে। (৩)

এ, লাঠিয়াল হেনো চেতিয়াল। (৩,

**পঞ্চম অধ্যায় :**

এ হালিঙা হালিঙা হেনো দালিঙা।

এ লইনা কাঠৰ হেনো ছইনা জে।

এ অমন কাঠৰ হেনো পমন লাই বঠা।

এ অমন কাঠৰ হেনো পমন নাও

এ লাইখট, লাইখঢ হেনো বাইনো যাং।

এ চাপক নাচাপক চপাই চাং।

এ সুধক নুসুধক সুধাই চাং।

এ মাতক নামাতক মতাই চাং।

এ লুৰণী ঘাটে হেনো চপাই চাং।

এ চুৰণী ঘাটে হেনো চপাই চাং।

এ চাপক নাচাপক চপাই চাং।

এ মাতক নামাতক মতাই চাং।

এ সুধক নুসুধক সুধাই চাং।

এ পাণ ভাৰ হেনো শোধাই চাং।
এ গুইং ভাৰ হেনো শোধাই চাং।
এ চাউল ভাৰ হেনো শোধাই চাং।
এ আপং ভাৰ হেনো শোধাই চাং।
এ উঙ ভাৰ হেনো শোধাই চাং।
এ মঙ ভাৰ হেনো শোধাই চাং।
এ লুৰপী চুৰপী হেনো দুই ভর্ন ।
এ লুৰপী বোলে মই যাং দে।
এ চুৰপী বোলে মই যাং দে।
এ 'বিব্রিং বাত্রাং হেনো লাগইছে।
বৈয়ামতী হৈয়া বাই
বৈয়ামতী হৈয়া বাই
চাক লিং লিং লিং যুগৰ হয়দাং দে।

**৬ষ্ঠ অধ্যায় :**

হা ইমহ কোন কোন মিস্ত্রি ওলাইছে ওলাইছে ?
,, ,, ভ্রমৰ মিস্ত্রি ওলাইছে······ ।
,, ,, কোন কোন বাঢ়ৈ ওলাইছে ওলাইছে ?
,, ,, বাঢ়ই খটলা ওলাইছে······ ।
,, ,, কন কন বজা ওলাইছে ওলাইছে ?
,, ,, থিৰিং বজা ওলাইছে······ ।
,, ,, বায়ু বজা ওলাইছে ওলাইছে ?
,, ,, বায়ু বজা ওলাইছে······
,, ,, বৰুণ বজা ওলাইছে ওলাইছে ?
,, ,, বৰুণ বজা ওলাইছে··· ।
,, ,, নাক্লেং বজা ওলাইছে ওলাইছে ?
,, ,, নাক্লেং বজা ওলাইছে··· ।
,, ,, চাক্লেং বজা ওলাইছে ওলাইছে ?
,, ,, চাক্লেং বজা ওলাইছে··· ।

হা ইয়হ বাংৰি ৰজা ওলাইছে ওলাইছে ?
,, ,, বাংৰি ৰজা ওলাইছে··· ।
,, ,, দেলৌ ৰজা ওলাইছে ওলাইছে ?
,, ,, দেলৌ ৰজা ওলাইছে··· ।
,, ,, তেলৌ ৰজা ওলাইছে ওলাইছে ?
,, ,, তেলৌ ৰজা ওলাইছে··· ।
,, ,, কন কন ৰজা ওলাইছে ওলাইছে ?
,, ,, কন কন ৰজা ওলাইছে··· ।
,, ,, কিহৰ কিহৰ লাইহিলৈ লাইহিলৈ ?
,, ,, মাকু তেনো লাইহিলৈ··· ।
,, ,, কিহৰ কিহৰ লাইবাকদ লাইবাকদ ?
,, ,, ফটছাই তেনো লাই বাকদ··· ।
,, ,, কিহৰ কিহৰ লাইচিকৰাই লাইচিকৰাই ?
,, ,, চিৰি কাঠি তেনো লাইচিকৰাই··· ।
,, ,, কিহৰ কিহৰ লাইধন্ত-লাইধন্ত ?
,, ,, তুলা বটা তেনে লাইধন্ত··· ।
,, ,, কিহৰ কিহৰ লাইগদা লাইগদা ?
,, ,, হলসা তেনো লাইগদা··· ।
,, ,, কিহৰ কিহৰ লাইচক্ৰজে লাইচক্ৰজে ।
,, ,, মাকৰ তেনো লাইচক্ৰজে··· ।
,, ,, কিহৰ কিহৰ লাইটালজে লাইটালজে ?
,, ,, ভগা জাপি তেনো লাইটালজে··· ।
,, ,, কিহৰ কিহৰ লাইবিকুলজে-লাইবিকুলজে ?
,, ,, বচুঙা তেনো লাই বিকুল জে··· ।
,, ,, আদি যুগৰ কছাৰী হয়দাং দে ।

৭ম অধ্যায় ঃ

এ···খুটা নখুটা খুটা নখুটা
হা বে-বে-বে খুটা নখুটা ।

এ…খুটি নখুটি খুটি নখুটি
হাৰে-ৰে-ৰে খুটি নখুটি।
এ…চাকি নেচাকি চাকি নেচাকি
হাৰে-ৰে-ৰে চাকি নেচাকি।
এ…ৰণত জিকইছো ৰণত জিকইছোং
হাৰে ৰে-ৰে ৰণত জিকইছোং।
এ কোঠ ভাঙইছো কোঠ ভাঙইছোং
হাৰে-ৰে-ৰে কোঠ ভাঙইছোং।
এ… কাৰ ঘৰৰ বোৱাৰী কাৰ ঘৰৰ জীয়াৰী
হাৰে-ৰে-ৰে খোপা লুধুম-ধুম।
এ…কেৰু জিলিকা মণিজিলিকা
হাৰে ৰে-ৰে মণিজিলিকা
এ…খাক জিলিকা মণিজিলিকা
হাৰে-ৰে-ৰে-ৰে খাকজিলিকা।
থুকম থুকম লাই ঐ থুকম থুকম লাই
তেবে গাগনা আই ঐ থুকম থুকম লাই।
এ…গুয় হৈয়া লাই ঐ গুয়া হৈয়া লাই
তেবে গাগনী আই ঐ গুয়া হৈয়া লাই।
লুৰপীক আনইছো লুৰপীক আনইছোং
হাৰে-ৰে ৰে লুৰপীক আনইছোং।
চুৰপীক আনইছো চুৰপীক আনইছো
হাৰে-ৰে-ৰে চুৰপীক আনইছোং।
বেংদৈক আনইছো বেংদৈক আনইছো
হাৰে-ৰে-ৰে বেংদৈক আনইছো।
হাক্লাদৈক আনইছোং হাক্লাদৈক আনইছোং
হাৰে-ৰে-ৰে হাক্লাদৈক আনইছোং।
ফাক্লাদৈক আনইছোং ফাক্লাদৈক আনইছোং
হাৰে-ৰে-ৰে ফাক্লাদৈক আনইছোং।
দোনদৈক আনইছোং দোনদৈক আনইছোং

হাৰে-ৰে-ৰে দোনদৈক আনইছোং।
কুলাদৈক আনইছোং কুলাদৈক আনইছোং
হাৰে-ৰে-ৰে কুলাদৈক আনইছোং
দেওবুটীক আনইছোং দেওবুটীক আনইছোং
হাৰে-ৰে-ৰে দেওবুটীক আইনছোং।
সোমবুটীক আনইছোং সোমবুটীক আনইছোং
হাৰে-ৰে-ৰে সোমবুটীক আনইছোং।
মঙ্গল বুটীক আনইছোং মঙ্গল বুটীক আনইছোং
হাৰে-ৰে-ৰে মঙ্গলবুটীক আনইছোং
বুধবুটাঁক আনইছোং বুধবুটীক আনইছোং
হাৰে-ৰে-ৰে বুধবুটীক আনইছোং

**৮ম অধ্যায় :**

তেবে ঐ আমি হেনো পালংহি।
তেবে ঐ ঠেং ধং পানী আন।
তেবে ঐ বৰঘৰৰ বৰঘৈণী।
তেবে ঐ আমাক হেনো গুলাই মাজ এ···
এ···এইহে···এইহে···হেই।
দুৱাৰ মেল দুৱৰী
অৰ্জ্জুনৰ কুৱঁৰী
দুৱাৰত ঘুমচা জৰী কি এ···
এ এইহে এইহে হেই···।
তেবে ঐ লুৰপীকো আনইছোং।
তেবে ঐ চুৰপীকো আনইছোং।
তেবে ঐ লুৰপী-চুৰপী আনইছোং এ···
এ এইহে এইহে হেই।
এ হেই লেহে লেহেৰা হয়েলো লেহেৰা,
এ হেই বৰঘৰৰ শিমলু জাৰাওৰাগু
এ হেই দীঘল বাটৰ শিমলু লেলেংলেং
এ হেই খটা ( কোঠা ) শিমলু খুটুপটুপ

এ হেই মজিয়াৰ শিমলু গাবাওবাও।
এ হেই চক শিমলু ছাইমুৱা।
এ হেই উধান শিমলু ভামাওমাও।
এ হেই তুলসীয়া শিমলু নেজ ভংভং।
এ হেই কোন কোন বান্ধনি বান্ধইছে।
এ হেই কোন কোন বাঢনী বাটৈছে।
এ হেই লেহে লেহেৰা হয়েলৌ লেহেৰা।

**২য় অধ্যায় :—**

লৌ লৌ শিমলু চলৌ লাই।
এহেই খিৰিং ৰজা দেউতাক আনইছোং।
,, বায়ু ৰজা দেউতাক আনইছোং।
,, বৰুণ ৰজা দেউতাক আনইছোং।
,, নাক্লেং ৰজা দেউতাক আনইছোং।
,, চাক্লেং ৰজা দেউতাক আনইছোং।
,, দেলৌ ৰজা দেউতাক আনইছোং।
,, দেলৌ ৰজা দেউতাক আনইছোং।
,, বাংৰি ৰজা দেউতাক আনইছোং।
,, কন' কন দেউতাক আনইছোং।
,, হাইঠা শিমলু লেংঠাই ঠাই।
,, সকলো দেউতাৰ একে ঠাই।
,, জামুকৰ খুটাতে দিছোং ঠাই।
,, আকাশৰ নভনীক আনইছোং।
,, স্বৰ্গৰ নভনীক আনইছোং।
,, জলৰ নভনীক আনইছোং।
,, স্থলৰ নভনীক আনইছোং।
,, পূবৰ নভনীক আনইছোং।
,, পশ্চিমৰ নভনীক আনইছোং।
,, উত্তৰৰ নভনীক আনইছোং।
,, দক্ষিণৰ নভনীক আনইছোং।

এহেই খিৰি ৰজা দেউতাক আনইছোং।
,, হাইঠা শিমলু লেং ঠাই ঠাই।
,, সকলো নভনীৰ একে ঠাই।
,, জামুকৰ খুটাতে দিছোং ঠাই।

১০ম অধ্যায় ঃ—

লো লো শিমলু চলো লাই।
এহেই লুইতৰ শিমলু আনইছোং।
,, দিচিঙৰ শিমলু আনইছোং।
,, দিবাঙৰ শিমলু আনইছোং।
,, কুণ্ডিলৰ শিমলু আনইছোং।
,, টেঙাপানীৰ শিমলু আনইছোং।
,, খেৰেমৰ শিমলু আনইছোং।
,, বেৰেমৰ শিমলু আনইছোং
,, মাবিৰাৰ শিমলু আনইছোং
,, সোৱণশিৰীৰ শিমলু আনইছো
,, দিহিঙৰ শিমলু আনইছোং
,, ধনশিৰাৰ শিমলু আনইছোং
,, হাইঠা শিমলু লেং ঠাই ঠাই।
,, সকলো নদীৰে একে ঠাই।
,, জামুকৰ খুটাতে দিছোং ঠাই।

একাদশ অধ্যায় ঃ—

লো লো শিমলু চলো লাই
এহেই গীতৰ শিমলু শোধাইছোং।
,, মাতৰ শিমলু শোধাইছোং।
,, টকাৰ শিমলু শোধাইছোং।
,, বাঁহীৰ শিমলু শোধাইছোং।
,, খঞ্জৰী শিমলু শোধাইছোং।
,, ৰঙক শিমলু শোধাইছোং।
,, খড়ক শিমলু শোধাইছোং।

,, নাচক শিমলু শোধাইকোং।
,, বাগক শিমলু শোধাইছোং।
,, হাইঠা শিমলু লেং ঠাই ঠাই।
,, সকলো ৰাজগুৰুৰ একে ঠাই।
,, জামুকৰ খুটাতে দিছোং ঠাই।
,, দুখক শিমলু শোধাইছোং।
,, দাযক শিমলু শোধাইছোং।
,, সকলো দায়-দোষ ক্ষেমিবা ঐ দেউতা।
,, নোগোৱা গাইছোং নকৰা কৰিছোং।
,, আমি আতঙ বালক ঐ দেউতা।
,, খাও গৰু যেন শোঁ পশু যেন
,, আমি আতঙ প্ৰাণী ঐ দেউতা
,, হাইঠা শিমলু লেং ঠাই ঠাই।
,, সকলো দায়-দোষ একে ঠাই।
,, জামুকৰ খুটাতে দিছো ঠাই।

## অসমীয়া সংস্কৃতি বিহু

### বিহু :—

প্ৰকৃতিৰ লীলা ভূমি ভাৰতৰ সুমলী জী অসম আইৰ শীতলী কোলাত হোজা, সহজ-সৰল অসমীয়া লোক সকলে অনাদি অনন্ত কালৰ পৰাই বিহু পালন কৰি আহিছে। বিহু অসমীয়াৰ প্ৰাণৰো আপোন অতি চেনেহৰ বাপতি-সাহোন। বিহুবলিয়া ৰাংঢালী গাভৰুৰে গচকত যঁতৰ ভঙা, শ্ৰীলুইতৰ পাৰত কোনোবা বিহু বলিয়াই বজোৱা ঢোলৰ চেৱ শুনি মিৰি চাঙত মিৰিজনী আৰু নগা চাঙত নাগিনীক নচুৱাই মৰা অসমীয়াৰ আটাইতকৈ চেনেহৰ প্ৰাণৰো আপোন বিহু অসমীয়া সমাজত কেতিয়া কেনেকৈ সৃষ্টি হ'ল এই বিষয়ে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণেৰে নিজৰ নিজৰ মত পোষণ কৰি আহিছে।

স্বৰ্গীয় হলিৰাম ঢেকীয়াল ফুকনে তেখেতৰ অসম বুৰঞ্জীত (অসম বুৰঞ্জী ১৮২৯) বিহু উৎসৱ সম্পৰ্কে এই দৰে মন্তব্য প্ৰকাশ কৰিছে—"বঙ্গদেশৰ চৰক পূজাৰ সলনি বহাগত সাত দিন ধৰি চলা অসমৰ আন এটি উৎসৱ হ'ল বিহুৰ নৃত্যগীত। ইয়াত সাধাৰণ তিৰোতা আৰু হিন্দুদাসকলে পুনৰে একে লগে লগ হৈ আপত্তিজনক নৃত্যগীত কৰে। গাঁও অঞ্চলত এই উৎসৱ বিশেষ উল্লেখ যোগ্য। কিন্তু এই বেয়া অভ্যাসটো কামৰূপত নাছিল। উজনি অসমতহে ইয়াৰ প্ৰচলন বেছি।"[1]

অধ্যাপক বীৰেন বৰকটকীদেৱেও ঢেকীয়াল ফুকনৰ কথাত হয় ভৰ দি এই দৰে মন্তব্য দিছে যে "এই বেয়া অভ্যাসটো (বিহুনাচ আৰু বিহুগীত) কামৰূপত নাছিল। বৈদিক গো পূজা, ইন্দ্ৰ পূজা আদি কৰি যি বোৰ আৰ্য্য সংস্কৃতিৰ পোনপটীয়া প্ৰভাৱ সেই বোৰ বেছি পৰিমাণে কামৰূপত থাকি গ'ল। উজনি অসমত পূৰ্ব্বৰ সংস্কৃতিৰ লগত আদান-প্ৰদান বেছি হোৱাত ইয়াৰ নাচ-গানৰ প্ৰভাৱ বেছি হৈ পৰিল। কাৰণ, অসমৰ সংস্কৃতিৰ ওপৰত পূৰ্ব্বৰ যি প্ৰভাৱ সেই প্ৰভাৱত লৌকিক নৃত্যৰ গভীৰ পয়োভৰ বেছি আছিল"।[2]

১৮৮৫ চনৰ "আসাম বন্ধুৰ" এটা প্ৰবন্ধত স্বৰ্গীয় বলিনাৰায়ণ বৰাই বিহুৰ সম্পৰ্কে এই দৰে লিখিছে—"ভগৱানে নিজে স্বৰ্গৰ সৌন্দৰ্য্য পাহৰি মানুহৰ

ৰূপ ধাৰণ কৰি পৃথিৱীত নাচে গায়। ভাৰতৰ যি ফাললৈকে চোৱা যায় সেই ফালেই এই কথা চকুত পৰে। কোনোবা ঠাইত হয়তো হোলী উৎসৱ, কোনো ঠাইত কাৰ্তিক পূজাত কোনো ঠাইত মদন পূজাত"। অৰ্থাৎ ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে বিহু পালন কৰি আহিছে।[৩]

"বিহু শব্দটো "বিষু" শব্দৰ পৰা ওলোৱা বুলি বহুতো পণ্ডিতে মত প্ৰকাশ কৰে। বিষু হ'ল আকৌ "দ্বীষু" শব্দৰ পৰা হোৱা। "দ্বীষু" মানে হ'ল সূৰ্য্যৰ ৰশ্মি বছৰৰ দুটা সময়ত সমানে দুভাগ হৈ পৰে, এবাৰ চ'ত মাহৰ ৮।৯ তাৰিখে আৰু আহিনৰ ৮।৯ তাৰিখে। অনুমান হয় এসময়ত হয়তো চ'ত মাহত আৰু আহিনৰ মাহৰ এই উক্ত দুই তাৰিখত বহাগ আৰু কাতি বিহু হৈছিল।"[৪]

"সংস্কৃত বিষুৱণ, বিষুৱ এই শব্দৰ লগত সম্বন্ধ ৰাখি বিহু উৎসৱ পালন কৰা অথৰ্ব বেদ আৰু ঐতৰেয় ব্ৰাহ্মণৰ কাম চাপিব পাৰে। ঐতৰেয় ব্ৰাহ্মণৰ মতে বিষুৱ সংক্ৰান্তিৰ দিনা এই ধৰ্মীয় উৎসৱ পালন কৰিলে বছৰটোৰ খেতি পথাৰ মঙ্গল হয়। সূৰ্য্যৰ শক্তি নিয়ন্ত্ৰিত হয় এই বিশ্বাসত সূৰ্য্য আৰু পৃথিৱীৰ সম্বন্ধ ঘটোৱা ধৰ্মীয় কথা অন্তৰ্নিহিত হৈ আছে। বিহু শব্দটো অসমৰ বাহিৰত বিভিন্ন ধৰণেৰে ব্যৱহাৰ হয়। চিটাগঙৰ চাকমা বিলাকৰ চ'ত মাহত হোৱা কৃষি উৎসৱক বিযু বোলে। দাক্ষিণাত্যৰ নায়াৰ সকলৰ নতুন বছৰৰ উৎসৱক বিষু বোলে। থাইলেণ্ড, ব্ৰহ্মদেশ আৰু কম্বোদিয়াত যি কৃষিৰ উৎসৱ পাতে তাৰ নাম সংগজান।"[৫] (১, ২, ৩, ৪, আৰু ৫,—ৰঙালী বিহুৰ পৰম্পৰা—অসমীয়া সাহিত্য সংস্কৃতিৰ ছটি এটি - শ্ৰীবীৰেন বৰকটকী)

বিহু শব্দটো বড়ো ভাষাৰ পৰা ওলোৱা বুলি কিছুমানে মত প্ৰকাশ কৰে। "বি মানে-খোজা, হো মানে-দিয়া। অৰ্থাৎ বস্তু আনৰ পৰা খোজা আৰু আনক দিয়া। এই অৰ্থও হ'ব পাৰে যে প্ৰিয়জনৰ পৰা মৰম বিচৰা আৰু প্ৰিয়জনক মৰম দিয়া। সেয়ে বিহো = বিহু।" (শৰণীয়া সকল কোন জাতিৰ মানুহ—শ্ৰীৰজনী কান্ত দাস আৰু শ্ৰীৰাম চৰণ ব্ৰহ্ম।)

সৃষ্টি তত্বৰ লগত সম্বন্ধ ৰাখি বিহু উৎপত্তিৰ ব্যাখ্যা দাঙি ধৰিব পাৰি। সৃষ্টিৰ আদিম পুৰাণত অনাদি ঈশ্বৰে সৰ্ব্ব প্ৰথমে এই বিশ্বব্ৰহ্মাণ্ডত এটি সূক্ষ্ম আকাৰত আবিভাৱ হৈছিল, অৰ্থাৎ মহা শূন্যত মহাবিষ্ণুৱে উভয় লিঙ্গ হৈ আবিৰ্ভাৱ হৈছিল। বিশ্বব্ৰহ্মাণ্ডৰ য'ত স্থিতি লভি সৃষ্টিকৰ্ত্তা ভগৱানৰ আবিৰ্ভাৱ হৈছিল সেই লক্ষ্য স্থানেই হ'ল বিষু বা বিষুৱ। এই বিষুৱতেই ভগৱান বিষ্ণুৱে আবিৰ্ভাৱ

হৈ বহু যুগ মৌন ব্ৰতেৰে কালাতিপাত কৰিছিল। অৱশেষত ভগৱানে নিজৰ বাম অঙ্গক প্ৰকৃতি স্বৰূপা কৰি সৃষ্টি কৰিলে। লগে লগে ক্ষিতি, অপ, তেজ, মৰুত, আৰু ব্যোম এই পঞ্চভূত সৃষ্টি কৰিলে। যথা সময়ত প্ৰকৃতি দেৱীয়ে যৌৱন লাভ কৰিলে। প্ৰকৃতি দেৱীৰ নৱ যৌৱনে মহাবিষ্ণুৰ মনলৈ আনি দিলে সৃষ্টিৰ এক নতুন জোৱাৰ। প্ৰকৃতি দেৱীৰ প্ৰেমালিঙ্গনত মহা বিষ্ণু হৈ পৰিল অফুৰন্ত আনন্দত আত্মহাৰা। মহাবিষ্ণুৱে এই দৰে আনন্দত আত্মহাৰা হোৱা প্ৰথম দিনটোৱেই হ'ল বিহু। ইয়াক মহাবিষ্ণুৰ সংক্ৰান্তি বোলে।

ইয়াৰ পাছত যথা সময়ত বিষ্ণুৰ ঔৰষত আৰু প্ৰকৃতিৰ গৰ্ভত এটি ডিম্ব স্খলন হ'ল। এই ডিম্বটি নি মহা জলত পেলাই দিয়াৰ ফলত বহুদিন জল মগ্ন হৈ ৰয়। জলমগ্ন ডিম্বটিৰ মাংসপেশী মধুকৃত্য ভৱ দেৱতাই আবৰি ধৰি আছিল। অৱশেষত আদি নিৰঞ্জন ভগৱানে বৰাহ ৰূপ ধাৰণ কৰি মহাজলৰ পৰা তুলি ডিম্বটিক উদ্ধাৰ কৰে। বৰাহৰূপী বিষ্ণুৱে মহাজলৰ পৰা উদ্ধাৰ কৰাৰ বাবে ইয়াৰ নাম হ'ল পৃথিৱী আৰু মধুকৃত্যৰ পৰাই পৃথিৱীৰ আন এটা নাম মেদিনী। সৃষ্টি কৰ্ত্তা ভগৱানে আশীটা যুগ এনেয়েই কটালে। আশীটা যুগ অতিবাহিত কৰাৰ পাছত সৃষ্টিকৰ্ত্তা ভগৱানে সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি এই চাৰিটা যুগ সৃষ্টি কৰি পৃথিৱীত উৰণ, বুৰণ, গজন আৰু গমন এই চাৰি মুঠি জীৱ সৃষ্টি কৰিলে। এই সৃষ্টিক বিৰাজমান কৰিবলৈ ভগৱানে নিজে স্ৰজন কৰ্ত্তা হিচাপে, ব্ৰহ্মা, পালন কৰ্ত্তা হিচাপে বিষ্ণু আৰু সংহাৰ কৰোঁতা হিচাপে মহেশ্বৰ এই তিনি ৰূপত আবিৰ্ভাৱ হ'ল। ইয়াৰ পাছত আকাশ মাৰ্গ সৃষ্টি কৰি চন্দ্ৰ, সূৰ্য্যকে আদি কৰি তেত্ৰিছ কোটি দেৱতাক সৃষ্টি কৰিলে। ইয়াৰ পাছত ব্ৰহ্মাই মানস কুণ্ডৰ পৰা মনুক প্ৰকৃতি আৰু পুৰুষ এই দুই ৰূপত সৃষ্টি কৰিলে। এই প্ৰকৃতি আৰু পুৰুষ ৰূপী মনুৰ পৰাই পৃথিৱীত বীৰ্য্য সন্তান মানুহৰ জন্ম। এই দৰে মহাবিষ্ণুৱে আশ্ৰয় লৈ সৃষ্টি হোৱা বিষ্ণুৰ ৰেখাডালকে প্ৰথমে বিষ্ণুৰ সংক্ৰান্তি বা বিষ্ণু সংক্ৰান্তি বুলি ধৰি লোৱা হ'ল। এই বিষুব ৰেখাত মহাবিষ্ণুৱে সৃষ্টি হোৱা প্ৰথম দিন বা মাহটোকে বছৰৰ প্ৰথম দিন বা মাহ বুলি ধৰি লৈ বহাগ মাহত আজি অসমীয়াই বহাগ বিহু পাতি মহাবিষ্ণু সংক্ৰান্তি উদ্‌যাপন কৰে। ইয়াৰ পাছত কাতি মাহত এটা বিহু পালন কৰা হয়। ইয়াক দক্ষিণায়ন সংক্ৰান্তি বোলে। এই বিহু শিৱৰ। পুহমাহৰ সংক্ৰান্তিত আন এটি বিহু পালন কৰা হয়। ইয়াক উত্তৰায়ণ সংক্ৰান্তি বোলে। এই বিহু ব্ৰহ্মাৰ। এইদৰে

অনাদি ঈশ্বৰৰ এই তিনি ৰূপত মহাবিষ্ণুৱে সৃষ্টি হয় আৰু এই তিনি ৰূপে সৃষ্টি হোৱা ভগৱানক উদ্দেশ্য কৰিয়েই বছৰৰ তিনিটা সংক্ৰান্তি বা বিহু পালন কৰা হয়। এই উৎসৱক মানৱৰ জ্ঞান আৰু চিন্তাধাৰাই মানৱতাৰ পথত আগুৱাই যোৱাৰ প্ৰথম পদক্ষেপ বুলি ধৰি লব পাৰোঁহক।

ঋগবেদত বিষ্ণুক উপাস্য দেৱতা হিচাপে জ্ঞান কৰা উল্লেখ পোৱা যায়। কিন্তু সেই বিষ্ণু সৌৰ বা সূৰ্য্য অৰ্থতহে ব্যৱহাৰ হৈছিল। পৃথিৱীৰ আদি মানৱ মনুৰ প্ৰাণত হয়তো দুখ নিবাৰণৰ অৰ্থে সংসাৰৰ অন্ধকাৰ নিবাৰক যি মহাপ্ৰলয়ৰ অৱসানৰ পাছত প্ৰথম সূৰ্য্য উদয় হোৱা দেখি ভৱিষ্যত জীৱনৰ আশা আকাঙ্ক্ষা পৰি পূৰণৰ উদ্দেশ্যে সূৰ্যকে বিষ্ণু ৰূপে জ্ঞান কৰি প্ৰাৰ্থনা জনোৱাৰ ভাৱ উদয় হৈছিল। কাৰণ, সৌৰ শক্তিৰ অবিহনে পৃথিৱীত কোনো সৃষ্টিয়েই জীয়াই থাকিব নোৱাৰে। এই কথা আদি মানৱে হয়তো হাডে-হিমজুৱে উপলব্ধি কৰিছিল আৰু সেই বাবেই তেওঁলোকে সৌৰশক্তিক কেন্দ্ৰ কৰি বিভিন্ন উপাস্য দেৱতাক পূজা-সেৱা কৰিছিল। ফলত বৈদিক যুগৰ কৃষিজীৱী মানুহে পূৰ্ব্বৰ পৰম্পৰা ৰাখি সৌৰ শক্তিক কেন্দ্ৰ কৰি কৃষিৰ বাবে বহুতো মাঙ্গলিক পূজা সেৱা আগবঢ়াইছিল। কালক্ৰমত এই কৃষিৰ মাঙ্গলিক পূজা সেৱাই বিহু উৎসৱ ৰূপে পৰিগণিত হ'ল। সেয়েহে বিহু উৎসৱৰ সময়ত কৃষিৰ শ্ৰীবৃদ্ধিৰ বাবে গো-পূজাকে আদি কৰি বিভিন্ন দেৱ-দেৱতাৰ পূজা-সেৱা কৰা দেখা যায়।

বিহু অসমীয়াৰ মাজত বুৰঞ্জীয়ে ঢুকি নোপোৱা অনাদি অনন্ত কালৰ পৰাই চলি আহিছে। কিন্তু বৰ্ত্তমানৰ বিহুৰ দৰে অতীজতে মানুহে বিহুক উৎসৱ হিচাপে পালন কৰা নাছিল। প্ৰকৃতিৰ ৰাজ্যত বিভিন্ন পৰিস্থিতিৰ মাজত বিভিন্ন ধৰণৰ কঠোৰ সংগ্ৰাম কৰি বন্য জীৱন যাপন কৰা মানুহে বহুতো কথা প্ৰকৃতিক অনুসৰণ কৰিয়েই শিকিছিল। ছাঁত থকা গছৰ পুলিটোতকৈ ৰ'দ পৰা গছৰ পুলিটো সোনকালে ডাঙৰ হোৱা আৰু ৰ'দ পৰা গছ-গছনি সমূহত ফল-মূল বেছি লগা দেখি হয়তো তেওঁলোকে ভাবি পাইছিল যে সূৰ্য্যৰ পোহৰৰ বাবেই সেইটো সম্ভৱ হৈছে। সূৰ্য্যৰ পোহৰৰ অবিহনে শস্য সৃষ্টি হ'ব নোৱাৰে। সেই বাবেই হয়তো সূৰ্য্যক দেৱতা ৰূপে জ্ঞান কৰি পূজা কৰিছিল। আকৌ বানপানী আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ পৰ্ব্বত-পাহাৰৰ আশ্ৰয় লৈছিল। গছৰ পৰা ফল-মূল পোৱাৰ উপৰিও ৰ'দে-বৰষুণে আশ্ৰয় পাইছিল। বিভিন্ন বন্য প্ৰাণীৰ ভিতৰত সাপৰ পৰা

বেছিকৈ ভয় পাইছিল। এইদৰে যাৰ পৰা ফল লাভ কৰিছিল আৰু যাৰ পৰা ভয়-আশঙ্কা আদি পাইছিল তাৰে শ্ৰেষ্ঠত্ব উপলব্ধি কৰি দেৱতা জ্ঞান কৰি পূজা সেৱা কৰিছিল। সেয়েহে চন্দ্ৰ সূৰ্য্য, পৰ্ব্বত-পাহাৰ, নদ-নদী, সাপ, গছ আদিক দেৱতা জ্ঞান কৰি পূজা-সেৱা কৰা বহুতো উদাহৰণ পোৱা গৈছে। আদিম মানৱে এই দৰে বিভিন্ন দেৱ-দেৱতাক পূজা-সেৱা কৰিলেও সেই বিলাকৰ মূলতে একঈশ্বৰ আছে এই কথাও সময়ত উপলব্ধি কৰিছিল আৰু সেই সময়ৰ পৰিস্থিতিৰ লগত খাপ খোৱা আৰু প্ৰকৃতিৰ পৰ্ব্বত-পাহাৰ, গছ-গছনি সাপ আদিৰ লগত সম্বন্ধ থকা বন্য জীৱন যাপন কৰা, বঙ্কল, পশুছাল পৰিধান কৰা, বাঘছাল, সাপৰ মালা পিন্ধা জটাধাৰী এজন দেৱতা আৱিষ্কাৰ কৰিলে; সেই জনেই হ'ল শিৱ বা ৰুদ্ৰ। কালক্ৰমত এই শিৱ বা ৰুদ্ৰক বিভিন্ন ৰূপত পূজা-সেৱা কৰাৰ প্ৰচলন হ'ল।

অসমৰ আদিম বাসী বিশেষকৈ কিৰাট সকল প্ৰকৃতি পূজক আছিল। তেওঁলোকে প্ৰকৃতিৰ প্ৰিয় আৰু ৰমণীয় ৰূপক উষাদেৱী আৰু ভয়ানক ৰূপক ৰুদ্ৰৰূপে জ্ঞান কৰি পূজা কৰিছিল। এই দৰে মনৰ আবেগক আদিম মানৱে প্ৰকৃতিৰ কাৰ্য্য-কলাপ সমূহক অনুকৰণ কৰি প্ৰকাশ কৰিছিল। বতাহত গছ-গছনিৰ ডাল-পাতৰ হেন্দোলনি, বানপানীৰ সময়ত উঠা পানীৰ ঢৌৰ খলকনি, বোঁৱতী নদীৰ সোঁতৰ খিলখিলনি, ন পানী বঢ়াৰ সময়ত উঠা উজান মাছৰ নাচোনৰ ভঙ্গিমা আদি চাই আনন্দ উপভোগ কৰিছিল আৰু সেইবোৰ হাঁহি আনন্দৰ মাজেদি প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছিল। সেয়েহে অসমৰ পুৰণি বিহু নাচ বোৰৰ ভঙ্গিমা বোৰত বতাহত গছ-গছনিৰ ডাল-পাতৰ কম্পন, বাঢ়নী পানীৰ ঢৌৰ খলকনি, উজান মাছৰ নাচোনৰ ভঙ্গিমা আদি সকলোবোৰ পৰিলক্ষিত হয়। ঠিক সেই দৰে মেঘৰ গাজনিক অনুকৰণ কৰি ঢোলৰ চেৱ বোৰত আৱিষ্কাৰ হৈছিল বুলি ধৰি লব পাৰোঁইক, যিহেতু পুৰণি ঢোলৰ চেৱবোৰত মেঘৰ গাজনিৰ দৰে মাত আৰু লগে লগে গছ-গছনিৰ ডাল-পাতৰ কম্পনৰ দৰে নাচনীৰ নাচোনৰ লয়-লাস দেখিবলৈ পোৱা গৈছিল।

বৈদিক যুগৰ আগত বিহু আনুষ্ঠানিক ভাবে ক'তো পতা হোৱা নাছিল। কেৱল প্ৰকৃতিৰ মাজত গছৰ তলতহে বিহু কৰা হৈছিল। আৰ্য্য সকল ভাৰতত প্ৰৱেশ কৰাৰ লগে লগে ই সমগ্ৰ ভাৰতত বিয়পি পৰে। আৰ্য্যসকল ভাৰতলৈ অহাৰ পাছত দ্ৰাবিড় সকলৰ মাজত ভাবৰ আদান-প্ৰদানকে আদি কৰি বহুতো কাৰ্য্য সমাপন হয়। ফলত ভাৰতীয় মানৱ গোষ্ঠীৰ মাজত এক নতুন

পৰিবেশ গঢ়ি উঠে। আৰ্য্যসকলৰ দিনত ভাৰতবৰ্ষৰ বেদ, বেদান্ত, পুৰাণ আদি ধৰ্ম্ম গ্ৰন্থৰাজি ৰচিত হয়। আৰু তেওঁলোকৰ প্ৰভাৱৰ ফলতেই তেতিয়া-তেতিয়াই পতা গছৰ তলৰ বিহু আনুষ্ঠানিক ভাবে এটা নিৰ্দিষ্ট সময়ত পতাৰ ব্যৱস্থা হয়। কিন্তু অসমৰ জন-জাতি তথা পিছ পৰা সম্প্ৰদায় সকলৰ মাজত অল্প পৰিমিত সৰ্ব্বসাধাৰণতে শাস্ত্ৰ-সম্মত ভাবে নিৰ্দিষ্ট সময়ত পতা বিহুৰ দৰে বিহু উৎসৱ পালন নকৰে। সোণোৱাল কছাৰীসকলে বহাগ মাহৰ চৈধ্যদিন মানৰ আগতেই বাইথ মন্দিৰত দেওবাৰে দেও নমাই, সোমবাৰে বলি আদি দি পূজা কৰি মঙ্গলবাৰে হয়দংগীত গাই আনুষ্ঠানিক ভাবে বিহু নমায়। সেই বাবে তেওঁলোকৰ মতে বহাগ বিহু প্ৰতি বছৰে মঙ্গবাৰে উৰুকা আৰু বুধবাৰে বিহু হ'ব লাগে।

শদিয়াৰ ৰাইজে আজিও তাম্ৰেশ্বৰী শালত পূজা পাতিহে বিহু উৎসৱ পালন কৰে। সোণোৱাল সকলৰ বাইথ বা খিৰিং দেৱতাৰ পূজা পতাৰ পাছত আৰু সৰ্ব্বসাধাৰণতে পতা বিহুৰ ঠিক এসপ্তাহ মানৰ পাছত তাম্ৰেশ্বৰী শালত বৰপূজা পাতি মঙ্গলবাৰে উৰুকা কৰি বুধবাৰে বিহু পাতে। সেই দৰে এটা সময়ত বহাগ মাহত তাম্ৰেশ্বৰীৰ মন্দিৰত নৰ বলি আদিৰে বৰপূজা পাতি বিহুক আদৰি আনিছিল। তাৰে পৰম্পৰা ৰাখি শ দিয়াৰ ৰাইজে আঞ্চলিক ভাবে সভা-সমিতি পাতি কোনটো বুধবাৰে বিহু পতা হ'ব তাক ঠিক কৰিছিল আৰু আজিও সেই দৰে বিহু পালন কৰি আহিছে।

মৰাণ আৰু লালুংসকলৰ মাজতো সৰ্ব্বসাধাৰণতে পতা বিহুৰ ঠিক এসপ্তাহ মানৰ পাছত মঙ্গলবাৰে উৰুকা কৰি বুধবাৰে বিহু পতা দেখা যায়।

শদিয়াৰ দেউৰী সকলে তেওঁলোকৰ দেৱালয় বা থানত বহাগ মাহৰ শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে বিহুৰ উপলক্ষে বছৰি এটা ডাঙৰ সামূহিক পূজা পাতে। এই পূজাৰ লগত বিহুৰ এটা ডাঙৰ সম্পৰ্ক আছে। কাৰণ এই বিহুৰ বৰপূজা নোহোৱালৈকে দেউৰী সকলৰ মাজত বিহু হ'ব নোৱাৰে। গতিকে বহাগ মাহৰ শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে দেৱালয় বা থানত পূজা-পাতল কৰি পিছৰটো বুধবাৰে বিহু পতা হয়। এই দৰে দেউৰী সমাজতো মঙ্গলবাৰে উৰুকা বুধবাৰে বিহু হয়।

বিহু শব্দৰ অৰ্থ হ'ল আনন্দ। যিদিনাই মানুহে দল বান্ধি বসবাস কৰিবলৈ শিকিলে আৰু যিদিনাৰ পৰা মনৰ হাঁহি-কান্দোন, আশা-নিৰাশা আদি আবেগ

সমূহ পৰস্পৰৰ মাজত বিনিময় কৰিবলৈ শিকিলে, সেই দিনাৰ পৰাই বিহুৰ সৃষ্টি। উজনি অসমৰ জেং বিহু বা গাভৰু বিহু ইয়াৰ জ্বলন্ত নিদৰ্শন। এই জেং বিহু বা গাভৰু বিহু সবাহে-বিয়াই, হাটে-বাটে, পথাৰে-সমাৰে য'তে ত'তে চাৰি-পাঁচজনী মান গাভৰু গোট খালেই বিহু মৰাৰ প্ৰথা বহু আগৰ পৰাই চলি আহিছে।

বিহু শব্দ আনন্দৰ অৰ্থত জতুৱা ঠাচ হিচাপে ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। যেনে বিহু কৰ, বিহু লাগ, বিহু পা, বিহু চা, বিহু দেখ আদি। সি যি কিয়েই নহওক বিহু এক কৃষি উৎসৱ ই ধ্ৰুৱ সত্য। কৃষিক কেন্দ্ৰ কৰিয়েই বছৰৰ বিভিন্ন সময়ত বিহু তিনিটা পালন কৰা হয়।

সাধাৰণতে বিহুক আমি দুটা ভাগত ভগাব পাৰোঁ। (১) স্বাভাৱিক বিহু আৰু (২) আনুষ্ঠানিক বিহু।

১। স্বাভাৱিক বিহু :—যি দিনাই প্ৰকৃতি ৰাজ্যত বাস কৰা মানুহৰ হাঁহি-আনন্দ, নাচ-বাগ আদি আনন্দ অনুভূতি জাগ্ৰিত হ'বলৈ ধৰিলে সেই দিনাৰ পৰাই আদিম মানৱ সমাজত বিহুৰ প্ৰচলন হ'ল। কিন্তু সেই বিহু আজিৰ বিহুৰ দৰে উন্নত আৰু পৰিমাৰ্জিত নাছিল। সেই সময়ত মানুহে প্ৰকৃতিৰ বিভিন্ন স্বাভাৱিক ৰূপক অনুকৰণ কৰি নিজৰ মনোভাৱ বিলাক নিজৰ প্ৰিয় জনৰ আগত অৱগত কৰিবলৈ প্ৰয়াস কৰিছিল। এই বিহুৰ কোনো ক্ষেত্ৰতে বাধ্য-বাধকতা নাছিল। সকলোৱে স্বতন্ত্ৰীয়া আৰু মুকলি মুৰীয়াকৈ নাচিব পাৰিছিল গাব পাৰিছিল। তাত দিন ৰাতিৰ, পুৱা-গধূলিৰ কোনো সময় অসময়ৰ হিচাপ নাছিল। ডেকা-গাভৰুৱে সুবিধা পালেই কাৰোবাৰ এৰাবাৰী, গছতল, বাঁহতল আদি ঠাইত জুম বান্ধি বান্ধি খোলা মনেৰে বিহু গীত গাই নাচিছিল। তেওঁলোকৰ বাবে দৰ্শকৰ প্ৰয়োজন নাই। দৰ্শক আৰু পোহৰ তেওঁলোকৰ প্ৰতিবন্ধক। আন্ধাৰ আৰু নিৰ্জনতা তেওঁলোকৰ প্ৰিয় আছিল। এনে আন্ধাৰ আৰু নিৰ্জনতাৰ মাজত গাভৰুৱে হিয়া উবুৰিয়াই মনৰ ভাৱবোৰ প্ৰিয়জনৰ ওচৰত ব্যক্ত কৰে। প্ৰিয়জনেও প্ৰেমিকাৰ আগত নিজৰ মনোভাৱবোৰ প্ৰত্যোত্তৰ হিচাপে বিহুগীতেৰে ব্যক্ত কৰে। এই দৰে প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে পৰস্পৰৰ গীতৰ মাধ্যমেৰে নিজৰ নিজৰ মনৰ ভাৱানুভূতি বিলাক ব্যক্ত কৰে। প্ৰেমিক-প্ৰেমিকাই পৰস্পৰৰ মাজত মনৰ ভাৱানুভূতি বিলাক গীতৰ মাধ্যমেৰে ব্যক্ত কৰিবলৈ গৈ দিন-ৰাতি, পুৱা-গধূলি সময় অসময় কোনো হিচাপ নোহোৱাকৈ একেৰাহে ঘণ্টা ঘণ্টা ধৰি

বিহু তলি উৎসৱ মুখৰ কৰি ৰাখিছিল। নিজৰ মনৰ ভাবানুভূতি বিলাক খুলি প্ৰকাশ কৰিবলৈ যাওঁতে দৰ্শকৰ পৰা যাতে তেওঁলোকে কোনো ধৰণৰ বাধা নাপায় তালৈ লক্ষ্য ৰাখি নিৰ্জন আৰু আলোক বিহীন ঠাই নিৰ্ব্বাচন কৰে।

ঐই ক্ষেত্ৰত ডেকা-গাভৰুৰ এই গীত মাত বিলাকত যৎ সামান্য দৈহিক মিলনৰ ইঙ্গিত থাকিলেও বাস্তৱিকতে তাত প্ৰেমিক-প্ৰেমিকাৰ আন্তৰিক মিলনৰ ভাবহে প্ৰকাশ পায়। তেওঁলোকৰ তেনে আন্তৰিক মিলনৰ ভাবে পৰস্পৰে পৰস্পৰৰ জীৱনৰ চিৰ লগৰী বাচি লোৱাত সহায় হয়।

গুণাভিৰাম বৰুৱাই এনে ধৰণৰ বিহুত পৰিবেশন কৰা গীত-মাতক লক্ষ্য কৰি এই দৰে মন্তব্য দিছে—"চৈতৰ বিহুত সংক্ৰান্তিৰ পৰা সাতদিন কোনো ঠাইত ইতৰ কোনো ঠাইৰ ইতৰ লোক সকলে স্ত্ৰী-পুৰুষে কোনো প্ৰকাশ্য স্থানলৈ গৈ নৃত্য-গীত কৰে। সময়ত অবাচ্য ও অশ্লীল গীত গোৱা আৰু নিৰ্লজ্জ ভাব-ভঙ্গী দেখুৱা হয়। এইটি নিয়ম শীঘে দেশৰ পৰা গুছিলে বড উপকাৰ আৰু স্থনীতি সংস্থাপন কৰা হয়।" (আসাম বুৰঞ্জী-গুণাভিৰাম বৰুৱা,-পৃষ্ঠা ২০২-২০৩) বাস্তৱিকতে স্বৰ্গীয় গুণাভিৰাম বৰুৱাদেৱে ভবাৰদৰে বিহুগীত, বিহুনাচ অসমীয়া জনসাধাৰণৰ দৈহিক মিলনৰ বীভৎস কাণ্ড নহয়। ই আন্তৰিক মিলনৰ আধাৰ স্বৰূপ হে অসমীয়া জনসমাজৰ কট কটীয়া বান্ধোনৰ ফলত আজিৰ সভ্য সমাজত ঘটা বীভৎসকাণ্ড বোৰৰ দৰে তাহানিৰ অসমীয়া সমাজত তেনেবোৰ ঘটনা ঘটা নাছিল।

অসমৰ মিৰি, দেউৰী, কছাৰী আদি জন-জাতি সকল সৰ্ব্ব সাধাৰণতে বৰ সমাজ প্ৰিয়। তেওঁলোকে ভূঁইৰুৱা, ঘৰসজা, মাছ মৰা আদি অন্যান্য কাম-কাজবোৰ দলগত ভাবে কৰে আৰু কামৰ শেষত মদ-মাংস, ভোজ-ভাত খাই বিহু আদি কৰি ফূৰ্ত্তি কৰে। আধুনিক সমাজৰ আনন্দ-বিনোদৰ বাবে ক্লাবঘৰ, নাট্যশালা, পুথিভৰালৰ দৰে বিভিন্ন অনুষ্ঠান বোৰ তাহানিৰ এই জন-জাতি সকলৰ মাজত নাছিল আৰু সেইবাবে তেওঁলোকৰ বিহু খোলাই ক্লব ঘৰ, নাট্যশালা পুথিভৰালৰ স্বৰূপ অনুষ্ঠান আছিল।

## আনুষ্ঠানিক বিহু :—

বৈদিক যুগৰ আগলৈকে বিহু ক'তো আনুষ্ঠানিক ভাবে পালন কৰা হোৱা নাছিল। বৈদিক যুগত বেদ, বেদান্ত, পুৰাণ আদি নানা ধৰ্ম্ম শাস্ত্ৰ সমূহ প্ৰণয়ন

হোৱাৰ লগে লগে বিভিন্ন কৰ্ম্মকাণ্ড সমূহ শাস্ত্ৰ সম্মত ভাবে পালন কৰিবলৈ লয় আৰু সেই দৰে অৰীতি-অনীতি ভাবে যেতিয়া-তেতিয়াই পতা বিহু এটা নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট নিয়ম-নীতিৰ মাজেদি শাস্ত্ৰ সম্মত ভাবে পালন কৰিবলৈ লোৱা হয়। ফলস্বৰূপে বছৰৰ তিনিটা সময়ত বেলেগে বেলেগে তিনিটা বিহু আনুষ্ঠানিক ভাবে পালন কৰা হয়। এইদৰে আনুষ্ঠানিক ভাবে পালন কৰা বিহু তিনিটা হ'ল—১। কাতি বিহু, ২। মাঘ বিহু আৰু ৩। বহাগ বিহু।

## কাতি বিহু :—

আহিনৰ সংক্ৰান্তিৰ দিনা কাতি বিহু পালন কৰা হয়। এই বিহুৰ সময়ত সাধাৰণতে খেতিয়ক ৰাইজৰ ভঁৰালবোৰ উদং হৈ থাকে বাবে মানুহৰ অৱস্থা বৰ শোচনীয় হৈ পৰে। সেইবাবে এই বিহু বৰ জাকজমকতাৰে পালন কৰা নহয়। মানুহৰ অভাৱ অনাতনৰ মাজেদি এই বিহু পালন কৰিব লগীয়া হয় বাবে এই বিহুক কঙালী বুলি কোৱা হয়।

এই কাতি বিহুৰ উৎপত্তিৰ সম্বন্ধে শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য দেৱে এই দৰে উল্লেখ কৰিছে, "বৈদিক যুগৰ অশ্বিন দেৱতাৰ সন্মানাৰ্থে কাতি বিহুৰ নিশা পূজা-সেৱা, যাগ-যজ্ঞৰ বিধান আছিল, ঐ তৰেয় ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থ মতে অশ্বিন্ দেৱতাৰ পূজাৰ লগতে অতিৰাত্ৰ নামেৰে যজ্ঞ এটি সম্পন্ন হৈছিল। ধন-সম্পত্তি আৰু প্ৰজনন বৃদ্ধিৰ বাবে এই উৎসৱ পাতিছিল। অতিৰাত্ৰ যজ্ঞত নিশা জুইৰ চাৰিও ফালে ঘূৰি ঘূৰি সোমৰস পানকৰাৰ নিয়ম আছিল'। ( অসমৰ লোক উৎসৱ-পৃষ্ঠা-১০, শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য )

এই কাতি বিহুৰ উৎপত্তিৰ সম্বন্ধে সোণোৱাল কছাৰী সকলৰ এটি সুন্দৰ জনশ্ৰুতি আছে। সেই জনশ্ৰুতি মতে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই সকলো জীৱ-জন্তু, পশু-পক্ষী, নৈ বিল, পৰ্ব্বত পাহাৰ, গছ গছনি আদি পৰ্য্যাপ্ত পৰিমাণে সৃষ্টি কৰি সেই সৃষ্টিৰ ৰহস্য চাই তেওঁ নিজে আনন্দত বিভোৰ হৈ পৰিল। এই দৰে বহু যুগ পাৰ হ'ল। অৱশেষত ব্ৰহ্মাৰ সৃষ্ট জীৱ-জন্তু, পশু-পক্ষী, নৈ-বিল, পৰ্বত-পাহাৰ, গছ-গছনি আদিৰে পৃথিৱীত ঠাই নধৰা হ'ল। এই বিশাল সৃষ্টিৰ ভাৰ বসুমতীয়ে লব নোৱৰা হ'ল। বসুমতীয়ে পৃথিৱীৰ সৃষ্টিৰ ভাৰ বব নোৱাৰি ব্ৰহ্মাৰ ওচৰত প্ৰাৰ্থনা জনালে। বসুমতীৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ ব্ৰহ্মাই বিষ্ণু আৰু শিৱৰ লগত আলোচনা কৰি সিদ্ধান্ত কৰিলে যে বসুমতীৰ বুকুত অবাঞ্চিত ভাবে

সৃষ্টিৰ ভাৰ জাপি দিয়া হৈছে। এই সৃষ্টিক পালন কৰিবলৈ বিষ্ণুৱেও সমৰ্থ হৈ উঠা নাই। গতিকে পৃথিৱীলৈ আহি সৃষ্টিৰ ধ্বংস লীলা পতিবলৈ ব্ৰহ্মাই শিৱক ক'লে শিৱই সৃষ্টি ধ্বংস কৰিবলৈ স্বৰ্গৰ পৰা পৃথিৱীলৈ আহিল। ইফালে শিৱৰ তাণ্ডৱ লীলাত পৃথিৱীৰ সৃষ্টি যাতে শূন্য হৈ নাযায় তাক লক্ষ্য কৰিবলৈ বিষ্ণুৱেও পৃথিৱীলৈ আহিল। ইতিমধ্যে শিৱৰ তাণ্ডৱ মূৰ্ত্তিত পৃথিৱী কঁপি উঠিল। চাৰিওফালে প্ৰলয়ৰ হাহাকাৰৰ ধ্বনি শুনিবলৈ পোৱা গ'ল। এই আচৰিত কাণ্ড দেখি জীৱ শ্ৰেষ্ঠ মানুহে চিন্তা কৰিবলৈ ধৰিলে। অৱশেষত তেওঁলোকে জানিব পাৰিলে যে সৃষ্টিৰ ভাৰ সহ্য কৰিব নোৱাৰি বসুমতী আইয়ে ব্ৰহ্মাৰ ওচৰত সৃষ্টিৰ ভাৰ কমাবলৈ প্ৰাৰ্থনা জনোৱাত ব্ৰহ্মাই শিৱক সৃষ্টি ধ্বংস কৰিবলৈ স্বৰ্গৰ পৰা পৃথিৱীলৈ পঠিয়াইছে। গতিকে সকলোৱে প্ৰাণ ৰক্ষাৰ বাবে শিৱৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ ধৰিলে। ধ্বংসলীলাৰ ফলত মানুহৰ ওচৰত একো বস্তুৱেই নোহোৱা হ'ল। সেই বাবে অনাহাৰে, অনিদ্ৰাই থাকি মৰ্ত্যৰ মানুহে সামান্য এগছি শলিতা জ্বলাই শিৱক প্ৰাৰ্থনা জনাবলৈ ধৰিলে। কেৱল মানুহেই নহয়, জীৱ-জন্তু, পশু-পক্ষী, আদিয়েও অনাহাৰে, অনিদ্ৰাই থাকি শিৱক প্ৰাৰ্থনা জনাবলৈ ধৰিলে। সেয়েহে হেনো কাতি মাহত বগলীয়ে মাছ নাখায়। জীৱ-জন্তু বোৰে উপবাসে থাকে। মানুহ, জীৱ-জন্তু, পশু-পক্ষী আদিৰ উপবাসে, অনাহাৰে, অনিদ্ৰাই থাকি কৰা কৰুণ প্ৰাৰ্থনাত বিষ্ণুৱে পৰম সন্তোষ লাভ কৰিলে। বিষ্ণুৰ অনুৰোধক্ৰমে শিৱই ধ্বংসৰ তাণ্ডৱ লীলা সম্বৰণ কৰিলে। এই দৰে মানুহ, জীৱ-জন্তু, পশু-পক্ষী, আদিৰ কৰুণ প্ৰাৰ্থনাত সন্তুষ্ট হৈ বিষ্ণু আৰু শিৱই সিহঁতক সুখ-সমৃদ্ধিৰ বাবে আশীৰ্বাদ কৰি স্বৰ্গলৈ ঘূৰি গ'ল। বিষ্ণুৰ বাবেহে পৃথিৱী ধ্বংসৰ পৰা হাত সাৰিল, এই কথা ভাবি আদি মানৱে বিষ্ণুক পূজিবলৈ ধৰিলে। শঙ্খচূড়ৰ পত্নী বৃন্দাদেৱীৰ সতীত্ব নষ্ট কৰি বিষ্ণুৱে শঙ্খচূড়ক বধ কৰে আৰু বৃন্দাদেৱীয়ে শিৱৰ জটাত তুলসীৰূপে আশ্ৰয় লয়। বৃন্দাদেৱীৰ অভিশাপ মতে তুলসীৰূপী বৃন্দাদেৱীৰ অবিহনে বিষ্ণু পূজা অসাৰ্থক। সেয়েহে কাতি বিহুত তুলসীগছৰ তলত চাকি জ্বলাই বিষ্ণুক পূজা কৰা হয়। আনহাতেদি শিৱই যাতে সৃষ্টি ধ্বংস কৰিব নোৱাৰে তাৰ বাবে শস্য পথাৰ পহৰা দি ধূপ-দীপ, জ্বলাই শিৱক প্ৰাৰ্থনা জনোৱা হয়। এই পৰম্পৰা ৰক্ষা কৰিয়েই কাতিবিহুৰ দিনা মানুহে শস্য পথাৰ চায়। শস্যৰ শ্ৰীবৃদ্ধিৰ বাবে শস্য পথাৰত বন্তি জ্বলাই শিৱক পূজে। ইয়াৰ

উপৰিও গোহালিঘৰ, ভঁৰালঘৰ, থকাঘৰ, ৰান্ধনিঘৰ, ঘৰৰ পদুলী, নাদ-পুখুৰী আদি বিভিন্ন ঠাইত বন্তি জ্বলাই সৰ্বমঙ্গল কামনা কৰি শিৱক পূজে।

সেণোৱাল কছাৰী সকলে খেতি-বাতিৰ মঙ্গলাৰ্থে এই বিহুৰ সময়ত নানা পূজা সেৱা কৰে। তেওঁলোকৰ হিদুৰীয়া সকলে শস্যৰ পথাৰত কল, পিঠা-পনা, মাহ-প্ৰসাদ, কটা তামোল-পাণ শলিতা আদিৰে নভনী লখিমীক পূজাৰ ভাগ দিয়ে। সেই দৰে ভঁৰাল ঘৰৰ ভিতৰতো কল, পিঠা-পনা, মাহ-প্ৰসাদ, কটা তামোল-পাণ শলিতা আদি অৰ্পণ কৰি নভনী লখিমীক আদৰে। গোহালি ঘৰ, ৰান্ধিনিঘৰ, থকাঘৰ, ঘৰৰ পদুলী আদি বিভিন্ন ঠাইত বন্তি জ্বলাই ঘৰৰ সৰ্বমঙ্গলাৰ্থে প্ৰাৰ্থনা জনায়। কছাৰী সকলৰ বেগাৰী সকলে শস্যৰ পথাৰত, ভঁৰাল ঘৰৰ ভিতৰত কুকুৰা কাটি নভনী লখিমীক পূজাৰ ভাগ অৰ্পণ কৰে। কাতি মাহ টো লখিমী আদৰা মাহ হিচাপে ধৰা হয়। সেইবাবে গোটেই কাতি মাহটোতে বন্তি জ্বলোৱাৰ প্ৰথাও আছে।

## মাঘ বিহু :—

মাঘ বিহুৰ সম্পৰ্কে শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই এই দৰে উল্লেখ কৰিছে, "বৈদিক যুগৰ অগ্নি পূজা আৰু মহাব্ৰত যজ্ঞৰ লগত আমাৰ ভোগালী বিহুৰ দূৰণীয়া সম্বন্ধ আছে। মহাব্ৰত যজ্ঞৰ বিষয়ে ঐতৰেয় ব্ৰাহ্মণত থকা বৰ্ণনা আৰু ডাঃ কীথৰ মন্তব্য আলচ কৰি স্বৰ্গীয় কালিৰাম মেধিয়ে ভোগালী বিহুক প্ৰজনন কৃত বুলি অভিহিত কৰিছে। ভেলা ঘৰ বা হাৱলি ঘৰৰ জুইৰ লগত মহাব্ৰত যজ্ঞৰ অগ্নিকুণ্ড আৰু তাৰ চৌ পাশে কৰা নৃত্যৰ সাদৃশ্য বৰ্ণনা কৰা হৈছে।" ( অসমৰ লোক উৎসৱ-শ্ৰীপ্ৰমোদ চন্দ ভট্টাচাৰ্য্য, পৃষ্ঠা-১১ )

কাতি বিহুৰ উৎপত্তিৰ সম্পৰ্কীয় জনশ্ৰুতিৰ লগত সম্বন্ধ থকা সোণোৱাল সকলৰ জনশ্ৰুতি মতে বিষ্ণু আৰু শিৱই পৃথিৱীৰ মানুহ, জীৱ-জন্তু, পশু-পক্ষী, আদিৰ করুণ প্ৰাৰ্থনাত সন্তুষ্ট হৈ সৃষ্টি ধ্বংস নকৰি স্বৰ্গলৈ ঘূৰি যোৱাত বসুমতীয়ে অত্যন্ত দুখ পালে। কাৰণ, পৃথিৱীত সৃষ্টি দিনক দিনে বাঢ়ি যোৱাত বসুমতীয়ে সৃষ্টিৰ ভাৰ একেবাৰে সহ্য কৰিব নোৱৰা হ'ল। পৃথিৱীৰ সৃষ্টিৰ ভাৰ কমাবলৈ, বসুমতীয়ে ব্ৰহ্মাৰ ওচৰত পুনৰবাৰ কাতৰ প্ৰাৰ্থনা জনালে। বসুমতী আইৰ কাতৰ প্ৰাৰ্থনাত ব্ৰহ্মাই সৃষ্টি ধ্বংসৰ ভাৰ শিৱক নিদি নিজে সৃষ্টি ধ্বংস কৰিবলৈ পৃথিৱীলৈ আহিল। ব্ৰহ্মাই সৃষ্টি ধ্বংস কৰিবলৈ গৈ কুবেৰক

কোনো বস্তুকে পৃথিৱীৰ মানুহক নিদিবলৈ উপদেশ দিলে। সেই উপদেশ মতে কুবেৰে ধন-ধান, বয়বস্তু আদি সকলো বন্ধ কৰি দিয়াত খাদ্যৰ অভাৱত মানুহৰ কুলাই পাচিয়ে নধৰা দুখ হ'ল। মৰ্ত্যৰ মানুহে খাবলৈ নাপাই খোৱাবস্তুৰ সন্ধানত অনাই-বনাই হাবিয়ে-বননিয়ে ঘূৰি ফুৰোঁতে এখনি মাহনি পালে। মৰ্ত্যৰ মানুহে ভোকত তত নাপাই মাহনিৰ মাজলৈ গৈ মাহ খাবলৈ লোৱাত মাহে কুবেৰৰ আদেশ মানি লেছেৰি নিছিগা হ'ল। ফলত মানুহে খণ্ডত হাতত লৈ ফুৰা লাখুটীডালেৰে মাহক মৰিয়াবলৈ ধৰিলে। মাহৰ কোব দেখি ওচৰতে থকা এখন তিল বাৰীৰ তিলবোৰে ভয়তে বেট মেলিবলৈ ধৰিলে। ইয়াকে কয় মহন্তৰ চিন মাহনিত, বুঢ়াগৰুৰ চিন ঘাঁহনিত আৰু মাহৰ কোব দেখি তিলে বেট মেলা।

এই দৰে মাহ-তিলবোৰ খাই শেষ কৰাৰ পাছত আকৌ খোৱা বস্তুৰ সন্ধানত হাবিয়ে বননিয়ে ঘূৰি ফুৰিবলৈ ধৰিলে। এনেকৈ হাবিয়ে বননিয়ে ঘূৰি ফুৰোঁতে হাবিত এটা গাহৰিয়ে কিবা এটা খান্দি খাই থকা দেখা পালে। তাকে দেখি কি খাইছে বুলি মানুহে ওচৰলৈ গৈ দেখে যে গাহৰিয়ে আলু খান্দি খাইছে। মানুহে ভোকত ৰ'ব নোৱাৰি গাহৰিটোক খেদি বনৰীয়া কেঁচা আলু বোৰকে খাবলৈ ধৰিলে। এনেকৈ মানুহে গাহৰিৰ পৰা আলু খান্দি খাবলৈ শিকি হাবিয়ে-বননিয়ে বনৰীয়া আলু খান্দি খাবলৈ ধৰিলে। ইতিমধ্যে ব্ৰহ্মাই পৃথিৱীলৈ আহি দেখে যে মানুহে বনৰীয়া আলু খাই জীয়াই আছে। এই আলু খান্দি খাবলৈ মানুহক কোনে শিকালে বুলি ব্ৰহ্মাই সুধিলত সিহঁতে ক'লে বোলে গাহৰিয়ে শিকালে। তেতিয়া ব্ৰহ্মাই খণ্ডত অগ্নিশৰ্ম্মা হৈ গাহৰিক অভিশাপ দি ক'লে—"মই কুবেৰক সকলো ধন, বয়-বস্তু আদিৰ ভঁৰালবোৰ সম্পূৰ্ণ বন্ধ কৰিবলৈ দি সৃষ্টি ধ্বংস কৰাৰ কথা চিন্তা কৰিছিলোঁ। কিন্তু তই মোৰ সৃষ্টিৰ ধ্বংসত বাধা দিলি। গতিকে তোক কলি যুগত আলু হৈ জন্মিবলৈ অভিশাপ দিলোঁ। মানুহে তোক উৎসৱে পৰবে আলুৰূপে খাব।" এই দৰে ব্ৰহ্মাই অগ্নি শৰ্ম্মা হৈ গাহৰিক শাপ দিয়া দেখি মানুহে ভয়ত পেপুৱা লাগি মৰণকো শৰণ দি ভয়ে ভয়ে ব্ৰহ্মাৰ চৰণত পৰি প্ৰাণ ৰক্ষাৰ বাবে প্ৰাৰ্থনা জনালে। সেই সময়ত মানুহৰ ওচৰত ব্ৰহ্মাক পূজিবলৈ মাহ, তিল, আলুৰ বাহিৰে একোৱেই নাছিল। গতিকে মাহ, তিল, আলু আদিকে প্ৰসাদ হিচাপে ব্ৰহ্মাৰ ওচৰত অৰ্পণ কৰি ব্ৰহ্মপূজাৰ আয়োজন কৰিলে।

ইফালে বসুমতী আইৰ বাৰে বাৰে কৰা প্ৰাৰ্থনাৰ ফলত হে ভগৱানে পৃথিৱীলৈ আহি সৃষ্টি ধ্বংস কৰেহি বুলি ভাবি বসুমতী আইক সন্তুষ্ট কৰিবলৈ আখৈ, কেঁচা পিঠা, আদিৰে পূজিবলৈ ধৰিলে। এই দৰে প্ৰত্যেক পুহ মাহৰ সংক্ৰান্তিৰ দিনা মাহ, তিল আলু আদি অৰ্পণ কৰি ব্ৰহ্ম পূজা পালন কৰাৰ লগতে আখৈ, কেঁচা পিঠা আদিৰে বসুমতী আইকো পূজি অহা হৈছে। পূৰ্ব্বৰ পৰম্পৰা ৰক্ষা কৰি আজিও অসমীয়া মানুহে মাঘ মাহৰ ব্ৰহ্ম পূজাত মাহ, তিল, আলু আদি অৰ্পণ নকৰাকৈ নতুন মাহ, তিল, আলু আদি নাখায়। মাঘ মাহত ভঁৰাল ঘৰ খুলিলে ব্ৰহ্ম বাক্য লঙ্ঘন কৰা হয় বুলি ভঁৰাল ঘৰ নোখুলে।

আন এটি জনশ্ৰুতি মতে বহুদিন শৰ শয্যাত পৰি থকা ভীষ্মই পুহমাহৰ সংক্ৰান্তিৰ দিনাই ইচ্ছাকৃত ভাবে মৃত্যু বৰণ কৰিছিল। মৃত্যুৰ আগমুহূৰ্ত্তত ভীষ্মই নিজৰ জ্ঞাতি কঁটুম্ব সকলক মাতি আনি ভোজ-ভাত খুৱাই আনন্দ উৎসৱৰ মাজত চিৰ দিনৰ বাবে বিদায় লৈছিল। ভীষ্মৰ মৃত্যুত তেওঁৰ জ্ঞাতি-কুটুম্ব সকলে আনন্দ উৎসৱৰ মাজেদি চিতা মাজি শ দাহ কাৰ্য্য সম্পন্ন কৰিছিল। তাৰ পৰম্পৰা ৰক্ষা কৰি তেওঁৰ বংশধৰ সকলে প্ৰতি পুহমাহৰ সংক্ৰান্তিৰ দিনা মেজি সাজি (চিতা জুইৰ প্ৰতীক) ভোজ-ভাত খাই পিতৃ-পিতামহক পূজি আহিছে। সেয়েহে হেনো মেজিত জুই দিয়া ব্যক্তি জন কেও-কিছু নথকা মাউৰা হ'ব লাগে।

আমাৰ পূৰ্ব পুৰুষ সকলৰ যিয়ে যিধৰণেৰে সুপূজক লাগে বৰ্তমান কিন্তু মাঘ বিহুক ব্ৰহ্ম পূজা হিচাপেহে পালন কৰি আহিছে। পূৰ্বৰ পৰম্পৰা অনুসৰি পুহৰ সংক্ৰান্তিৰ দিনা মেজি, ভেলা ঘৰ সাজি সেই মেজি ভেলাঘৰত জুই দি অগ্নি উপাসনাৰে মাঘ বিহু পালন কৰা হয়। গাঁৱৰ ডেকা ল'ৰা হঁতে মাঘ মাহৰ কেই দিন মানৰ আগৰ পৰাই মেজিৰ বাবে খৰি কাটি তৰা, নৰা, বাঁহ আদিৰে মেজি ঘৰ সাজি উলিয়ায়। মেজি আৰু মেজি ঘৰত ফেঁচু, কাউৰী, হুদু আদি পক্ষী বোৰ পৰি যাতে অপৱিত্ৰ কৰিব নোৱাৰে তাৰ বাবে গাঁৱৰ ডেকা ল'ৰা হঁতে ঢোল পেঁপা, গগনা বাঁহী আদি লৈ বিহুৰ কেইদিন মানৰ আগৰ পৰাই মেজি ঘৰ ৰখে। মাঘ বিহুৰ দিনা মাহ, তিল আলু কটা তামোল-পাণ দক্ষিণা সহ মেজিৰ গুৰিত অৰ্পণ কৰি এজন মাউৰা ল'ৰাই তিতা তিয়নীৰে মেজি জ্বলাই অগ্নি দেৱতাক পূজে। মাঘ বিহুত আজিকালি মাহ তিল, আলু আদি খোৱাৰ উপৰিও পিঠা-পনা, মদ, ভোজ-ভাত খাই ফুৰ্ত্তি কৰা দেখা যায়। মাঘ বিহুৰ দিনা আহু ধানৰ নৰাৰ ছাইত মিঠাতেল, তিল, মাহ আদি সানি লৈ গৰুক তিলক দিয়াৰ নিয়ম আছে। বিহুৰ

দিনা ইঘৰৰ বস্তু সি ঘৰৰ লগত সলনা-সলনি কৰি খোৱাৰ প্ৰথা আগৰ পৰাই চলি আহিছে। উৰুকাৰ দিনা গাঁৱৰ বুঢ়া-বুঢ়ী ডেকা-ডেকেৰী ল'ৰা-ছোৱালী সকলোৱে জুম বান্ধি মাছ মৰাৰ প্ৰথাও আগৰ পৰাই চলি আহিছে।

**বহাগ বিহু ঃ—**

বহাগ বিহু চ'ত মাহৰ সংক্ৰান্তিৰ দিনা আৰম্ভ হৈ বহাগ মাহৰ সাত দিনলৈ থাকে যদিও আজি কালি গোটেই বহাগ মাহটোতেই বিভিন্ন সন্মিলন আদিৰ যোগেদি এই বিহু উদ্‌যাপন কৰা হয়। বহাগ বিহুৰ প্ৰথম দিনা অৰ্থাৎ চ'তৰ সংক্ৰান্তি বা মহাবিষুৱ সংক্ৰান্তিৰ দিনা গৰুক পূজা-সেৱা কৰা হয়। সেই বাবে বহাগৰ প্ৰথম দিনৰ বিহুক গৰু বিহু বোলা হয়। বিহুৰ প্ৰথম দিনাই গৰুক ইমান প্ৰাধান্য দি কিয় পূজা কৰা হয়? এই প্ৰশ্নৰ সমাধান বিচাৰিবলৈ গলে আমি আমাৰ পুনৰ আদিম অৱস্থালৈ ঘূৰি যাব লাগিব। মানুহে আদিম অৱস্থাত যেতিয়া বন্য প্ৰাণীৰ দৰে পৰ্বতে-পাহাৰে, হাবিয়ে-বননিয়ে ঘূৰি ফুৰি বনৰীয়া ফল-মূল আৰু জন্তুৰ মাংস খাই বন্য জীৱন যাপন কৰিছিল সেই সময়ত বোধকৰো গৰুকেই সহজে বধ কৰিবলৈ সুবিধা পাইছিল। কাৰণ, অন্যান্য বন্য জীৱ-জন্তুৰ তুলনাত গৰুৱেই দল বান্ধি ফুৰা আটাইতকৈ সহজ সৰল নিৰীহ প্ৰাণী আছিল। গতিকে এই ফালৰ পৰা এই কথা নিসন্দেহে ক'ব পাৰি যে,আদিম অৱস্থাত পৃথিৱীত এনে এটা মানৱ জাতি নাছিল যি এদিন গো মাংস ভক্ষণ কৰা নাছিল। মানৱ মনত প্ৰথম জ্ঞানৰ অঙ্কুৰ হোৱাৰ লগে লগে এই বন্য গৰুক ধৰি পুহিবলৈ শিকিলে। পোহনীয়া গৰুৰ মাংসৰ উপৰিও গাখীৰ খিৰাই খাবলৈ শিকিলে। কালক্ৰমত সেই গৰুৰ সহায়েৰে মানুহে খেতি-বাতি কৰিবলৈ শিকিলে যাৰ ফলত অঘৰী বন্য মানুহৰ স্থায়ী বসবাসৰ প্ৰতিষ্ঠা হ'ল। এতেকে যিদিনাই মানুহে, গো-পালন কৰিবলৈ শিকিলে সেই দিনাৰ পৰাই মানৱ সভ্যতাৰ নতুন দিগন্তত এক নতুন সূৰ্য্যৰ আবিৰ্ভাৱ হ'ল বুলি ক'ব পাৰি। এইদৰে মানৱ সমাজত জ্ঞান বিকাশৰ লগে লগে গৰু দেৱতা ৰূপত পূজিত হ'ল, যেহেতু আদিম মানৱে যাৰ পৰা সহজে ফল লাভ কৰিছিল বা উপকাৰ লাভ কৰিছিল তাকেই দেৱতা জ্ঞান কৰিছিল। বোধকৰো সেই বাবেই ভাৰতৰ আদিম বাসী অনাৰ্য্য সকলে তেওঁলোকৰ মুখ্য দেৱতা দেৱাদিদেৱ মহাদেৱৰ বাহন হিচাপে গৰুক কল্পনা কৰিছিল। সেই মহাদেৱক পশুপতি বুলি পূজা কৰিছিল। দ্বাপৰ যুগত ভগৱান

কৃষ্ণক গো-পালক আৰু কৃষি দেৱতা হিচাপে প্ৰতিপন্ন কৰিছে। এইদৰে ভাগৱতত "ধেনুৰূপে জানিলো এহেন্তে বসুমতী, আৰু এক্ৰো গো ৰূপ পৃথিৱী যাৰ, মহাভাৰত কৃষ্ণে হৰিলা" বুলি কেইবা ঠাইতো বৃষভক দেৱতা জ্ঞান কৰা আৰু পৃথিৱীক গো-ৰূপ কল্পনা কৰাৰ কথা উল্লেখ পোৱা যায়। ঋগ্ বেদতো ধেনু শব্দ পৃথিৱী অৰ্থত ব্যৱহাৰ হোৱা দেখা যায়। পৃথিৱীক গাইৰ প্ৰতীক আৰু বৃষভৰ হাল বোৱা কাৰ্য্যক প্ৰজননৰ প্ৰতীক হিচাপে প্ৰতিপন্ন কৰা দেখা যায়।

প্ৰাচীন কালত গৰু কেৱল খেতিৰ একমাত্ৰ সম্বলেই আছিল এনে নহয়; ইয়াৰ উপৰিও গৰুৱে ধন সম্পত্তিৰ কাম কৰিছিল। অৰুণাচলৰ বিভিন্ন জন-জাতিৰ মাজত আজিও বিয়াৰ সময়ত মেথুন আদি দিয়া বাধ্য-বাধকতাৰ কথাই তাকে সূচনা কৰে। কৃষিজীৱী সকলে গৰুৰ যোগেদি বিভিন্ন বস্তুৰ বিনিময় কৰিছিল এইদৰে গৰুৱে মানুহৰ আৰ্থিক দিশটোৰ কথা সূচনা কৰিছিল। ডাকৰ বচনত "যাৰ নাই গৰু সি সবাতকৈ সৰু" বুলি কৈ কৃষিজীৱী অসমীয়া ৰাইজৰ গৰুৰ ওপৰতেই আৰ্থিক দিশটোৰ সকলো নিৰ্ভৰ কৰা কথা প্ৰতিপন্ন কৰিছে। সেইবাবে এনে অতি উপকাৰী জন্তু গৰুৰ শ্ৰীবৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ প্ৰথা অতীজৰ পৰাই চলি আহিছে আৰু তাৰে পৰম্পৰা ৰক্ষা কৰি আজি অসমীয়াই বহাগ বিহুৰ প্ৰথম দিনাই গৰু বিহু পাতি গো-পূজা কৰে।

## গো পূজা ঃ—

গৰু বিহুৰ দিনা নৱ প্ৰভাৱতৰ লগে লগে গাঁৱৰ ৰৰমুৰীয়াই দুই তিনি জাই হিলৈ মাৰি হিলৈৰ ধুম-ধুম শব্দৰে জয়ধ্বনি দি গাঁৱৰ ৰাইজক গৰু গা ধুৱাবলৈ গোহালিৰ পৰা গৰু খুলি নিবলৈ জাননী দিয়ে। হিলৈৰ জয়ধ্বনি শুনাৰ লগে লগে গাঁৱৰ সকলো লোকে চাৰিপাটী এৰি গো-পূজাৰ বাবে সাজু হয়। প্ৰত্যেক ঘৰৰ মানুহে গোহালিৰ পৰা গৰু খুলি নিয়াৰ আগেয়ে গা-পা ধুই ঘৰৰ ভাতৰ চৰুৰ চৌখাত, পানীপতাত, নাদত, ভঁৰালৰ মুখত, বৰ ঘৰৰ চালত-গোহালিত কটা তামোল-পান দেও পাতত আগবঢ়াই ঘৰৰ দেৱ-দেৱতাক সেৱা কৰে আৰু সেই দিনাই পুৱাতে খুন্দি দিয়া কেঁচা পিঠা ঘৰৰ ভিতৰে বাহিৰে ছটিয়াই ঘৰখন পৱিত্ৰ কৰি লোৱা হয়। ইয়াৰ পাছত গৰু বোৰৰ গাত মাহ, হালধি, তেল আদি ঘঁহি লৈ উৰুকা দিনাই লাউ, বেঙেনা, খেকেৰা, হালধি আদিৰে সি লোৱা "চাট মাৰি" আৰু খুন্দি লোৱা মাহ-হালধি লৈ গৰু গা

ধুৱাবলৈ পথাৰ নাইবা নদীলৈ দীঘলতী বা টংলতি আৰু মাখিয়তী পাতেৰে গৰু বোৰক খেদি লৈ যোৱা হয়। গাঁৱৰ ৰাইজে কৰি লোৱা ব্যৱস্থা অনুসৰি পথাৰ নাইবা নদীৰ পাৰত গাঁৱৰ ৰাইজে গৰু লৈ গোট খোৱাৰ পাছত সকলোৱে বসুমতী আৰু ইষ্টদেৱতাৰ নামত দেও পাতত কটা তামোল-পাণ আগবঢ়ায় আৰু গাঁৱৰ আশীৰ্বদীয়া বুঢ়াই দেৱতাৰ ওচৰত গৰু আৰু কৃষিৰ মাৰি-মৰক, বেমাৰ-আজাৰ দূৰ কৰি গো-বৃদ্ধি আৰু কৃষিৰ বৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। প্ৰাৰ্থনা বা আশীৰ্বাদ দিয়াৰ শেষ হোৱাৰ লগে লগে পুনৰ হিলৈৰ ধুম-ধুম ধ্বনি দিয়ে আৰু সকলো ৰাইজে নিজৰ নিজৰ গৰু চাট মাৰিত সি নিয়া লাউ, বেঙেনা, থেকেৰা আৰু হালধিবোৰ উলিয়াই—

'লাউ খা, বেঙেনা খা,
হালধি খা, থেকেৰা খা,
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু

তই হ'বি বৰ গৰু" এই বুলি গৰুবোৰলৈ, বেঙেনা, থেকেৰা, হালধি-বোৰ দলিয়াবলৈ ধৰে। এইদৰে গৰু গা ধুওৱা কাৰ্য্য সমাপন হোৱাৰ পাছত ফুৰ্ত্তিতে ইজনে সিজনৰ গালৈ লাউ বেঙেনা বোৰ দলিয়াই নানা ৰং তামাচা কৰি কৰি ঘৰা ঘৰি গুচি যায়।

## চাট মাৰিৰ উৎপত্তি ঃ—

গৰু বিহুৰ দিনা গৰু গা ধুৱাবলৈ নিওঁতে ত্ৰিশূলা-কৃতিৰ তিনি ডাল বাঁহৰ শলা মাৰি কৰি সেই শলা তিনিডালত লাউ, বেঙেনা থেকেৰা আৰু হালধি সি লৈ টংলতি আৰু মাখিয়তীৰ পাত আৰু ফুলেৰে সুসজ্জিত কৰি লোৱা বাঁহৰ শলা মাৰিক চাট মাৰি বোলা হয়। এই চাটমাৰিৰ উৎপত্তিৰ সম্পৰ্কে এটি জনশ্ৰুতি আছে। সেই জনশ্ৰুতিৰ মতে শঙ্খচূড়ক বধ কৰিবৰ বাবে বিষ্ণুৱে শঙ্খচূড়ৰ ৰূপ ধৰি শঙ্খচূড়ৰ পত্নী বৃন্দাদেৱীৰ সতীত্ব নষ্ট কৰিলে। শঙ্খচূড়ে এই কথা জানি বিষ্ণুৰ তেনে কাৰ্য্যত খঙত অধীৰ হৈ বৃন্দাদেৱীক না না কটু কথাৰে গালি-শপনি পাৰিবলৈ ধৰিলে আৰু বিষ্ণুক প্ৰতিশোধ লবলৈ খেদি গ'ল। বিষ্ণু আৰু শঙ্খচূড়ৰ মাজত তয়া-ময়া যুদ্ধ চলিল। যুদ্ধত বিষ্ণুৱে শঙ্খচূড়ক বধ কৰে। বৃন্দাদেবীয়ে শিলামূৰ্ত্তি হৈ সতীত্ব নষ্ট হোৱাৰ পাপৰ

পৰা পৰিত্ৰাণ পাবলৈ বহু যুগ ধৰি কঠোৰ তপস্যাত মগ্ন হ'ল। ইফালে সেই সময়তে কৃষ্ণৰ অতি স্নেহৰ ধৱলী গাইজনী মৰাত দামে সুদামে বৃন্দাদেৱীয়ে তপস্যা কৰি থকা ঠাইত পেলাই থৈ আহিল গৈ। আন ফালে বৃন্দাদেৱীয়ে য'ত তপস্যা কৰি আছিল তাৰ ওচৰতে শিৱই অন্তৰ্ধান হৈ টংলতি, মাথিয়তী, তৰা, উদাল লাউ, বেঙেনা, থেকেৰা, হালধি আদি ৰূপে জনম লয় আৰু নাৰদে তাক আনি পৃথিৱীত ৰুলেহি। গতিকে শিৱৰ ভক্ত সকলে টংলতি, লাউ, বেঙেনা, থেকেৰা হালধি আদি বস্তুবোৰক শিৱৰেই অংশ বিশেষ বুলি পবিত্ৰ জ্ঞান কৰে। সেয়েহে পূৰ্বৰ পৰম্পৰা হিচাপে শিৱৰ ত্ৰিশূলাকৃতিৰে বাইৰ শলা মাৰি কৰি তাত উক্ত লাউ, বেঙেনা থেকেৰা হালধি আদি বস্তুবোৰক সি লৈ টংলতি আৰু মাথিয়তীৰ পাত আৰু ফুলেৰে সুসজ্জিত কৰি চাট মাৰি সজায়। উদাল আৰু তৰাক গৰুৰ মুণি ৰূপে জ্ঞান কৰি গৰু বিহুৰ দিনা উদাল আৰু তৰা ৰছীৰ পঘাৰ কৰি পিন্ধায়। গৰু বিহুৰ দিনা উক্ত চাট মাৰিৰ লাউ, বেঙেনা থেকেৰা হালধি আদি বস্তুবোৰক বনৌষধি হিচাপে গৰুক খুৱালে গৰুৰ শ্ৰীবৃদ্ধি হয় আৰু মানুহক খুৱালে (এজনী থাকিও আন এজনী আনিব বিচৰা জনক) গাইমুৱা অৰ্থাৎ মানুহৰ কাম শক্তি হ্ৰাস হয় বুলি বিশ্বাস।

বিষ্ণু শান্তিজল কৰা হয় তুলসী পাতেৰে আৰু শিৱ পাৰ্বতীৰ শান্তিজল কৰা হয় টংলতি পাতেৰে। সেইবাবে আজিও তাম্ৰেশ্বৰী, কেঁচাই খাঁইতী, বুঢ়া বুঢ়ী, বাইথ আদি শাল বোৰত পূজা পাঠ কৰোঁতে টংলতিৰে শান্তিজল কৰা হয়। বাইথ পূজাত তৰাৰ ৰছীৰে টংলতিৰ ফুল আৰু পাতৰ বাইথ পূজাৰ মালা গঠা হয়। সোণোৱাল কছাৰীৰ বেহাৰী সকলে তেওঁলোকৰ ঘৰৰ দহ দেৱতাৰ পূজাৰ সময়ত টংলতি পাতেৰে শান্তিজল কৰে।

টংলতিৰ উৎপত্তিৰ সম্পৰ্কে ঢোল, মৃদঙ্গ, খোল আৰু তালৰ মালিতাত এই দৰে উল্লেখ আছে—

"কৃষ্ণৰ স্নেহৰ গৰু ধৱলী মৰিলা।
দামে সুদামে সাঙ্গি কৰিয়া পেলাইলা॥
পূৰ্ব বৃন্দাদেবী যৈতে তপ কৰিছিলা।
সেই স্থানে মৰা গৰু আনিয়া পেলাইলা॥
মহাদেৱে ধৰিলা টংলতিৰ জনম।
এতেকে গাঠয় মালা তাক সৰ্বজন॥

মালা গাঁথা সূতা গছি মহা ধৰ্ম্মে ভৈলা ।
পৃথিবীত টংলতি নাৰদে ৰূপীলা ॥
বিষ্ণু লক্ষ্মী স্বৰূপায় দৰা কন্যা হয় ।
এতেকে মালাক যত্নে পিন্ধায় দিবয় ॥”

( ৮ শ্ৰীশ্ৰীতীৰ্থনাথ গোস্বামীৰ দ্বাৰা সঙ্কলিত—ধলৰসত্ৰ পুথি ভঁৰাল, ধোৰাহাট, অসম )

গৰু বিহুৰ দিনা ল'ৰা-ডেকা-বুঢ়া সকলোৱে পুৱাতে মাহ-হালধি সানি গা-পা ধুই নতুন কাপোৰ পিন্ধে। বিহুৰ বহু আগৰ পৰা যঁতাই খোৱা চিৰা, পিঠা সান্দহ জা-জলপান খোৱাৰ পাছত সকলে ডাঙৰক সেৱা কৰে। পো-বোৱাৰীয়ে মাক-বাপেক, ককাক, মোমাই মামী আদি সম্বন্ধীয় লোকক সেৱা কৰে। ঘৰৰ গৃহিণী তথা বাই ভনীহঁতে ঘৰৰ সকলোকে বিহুৱান দিয়ে।

**কণী যুঁজ**—গৰু বিহুৰ দিনা জা-জলপান খাই বিশেষকৈ ল'ৰা আৰু ডেকা বোৰে কণী যুজ কৰিবলৈ ওলাই যায়। কণী প্ৰজননৰ প্ৰতীক। সেই বাবে সেই দিনা কণী যুঁজত জিকি লাভ কৰা কণী আমৰলি টোপৰ লগত আঞ্জা খালে আমৰলিৰ দৰে বংশ বৃদ্ধি হয় বুলি বিশ্বাস কৰে। ইয়াৰ উপৰিও কণী যুঁজে বছৰটোৰ লাভ লোকচানৰ কথা সূচনা কৰে। অৰ্থাৎ কণী যুঁজত আনৰ কণী ভাঙি জিকিব পাৰিলে গোটেই বছৰটোৰ বাবে লাভ আৰু আনে কণী ভাঙি লৈ গলে বছৰটোৰ বাবে লোকচান বুলি মানুহৰ বিশ্বাস।

**নামঘৰত আনুষ্ঠানিক বিহু**—গৰু বিহুৰ দিনাই গাঁৱৰ ডেকা বুঢ়াই সকলোৱে নামঘৰত আনুষ্ঠানিক ভাবে হুঁচৰি নমায়। নামঘৰত হুঁচৰি নমোৱাৰ আগতে তামোল-পাণ খোৱাই নামঘৰ শুচি কৰি লোৱা হয়। ইয়াৰ পাছত গাঁৱৰ বাৰীকে হুঁচৰিৰ গীত ঘাই, টকালী ভাৰী আদিৰ বাবে কেইজন মান সেই বিষয়ত ৰুচি থকা পাৰ্গত ব্যক্তিক তামোল পাণৰ টোপোলা দি নিযুক্তি দিয়ে। তেওঁলোকে গাঁৱত হুঁচৰি গাই শেষ নকৰা পৰ্য্যন্ত কাম চলাই যাব লাগে। হুঁচৰি উকুৱাৰ দিনা গাঁৱৰ পৰিচালনাত থকা ব্যক্তি সকলৰ লগতে তেওঁলোককো হুঁচৰি, গাওঁতে পোৱা চেলেং গামোচা আদিৰে ৰাইজ ভগীয়াকৈ মান ধৰা হয়।

ইয়াৰ পাছত হুঁচৰিৰ বাবে তেৰটা গাঁঠি আৰু তেৰটা পাব থকা এডাল ভলুকা বাঁহ কাটি আনি চাক বাঁহৰ খুটিৰ ওপৰত থৈ হুঁচৰিৰ বাবে সকলো

ব্যৱস্থা কৰা হয়। হুঁচৰি আনুষ্ঠানিক ভাৱে নামঘৰত নমোৱাৰ আগতে থিৰিং: গজায় মনায়, গাঁতি গিৰি, নামঘৰৰ ডাঙৰীয়া আদি দেৱ-দেৱতা সকলৰ নামত তামোল-পাণৰ টোপোলা আগবঢ়াই লোৱা হয়। এইদৰে দেৱ-দেৱতা সকলৰ নামত তামোল-পাণৰ টোপোলা আগবঢ়োৱাৰ পাছত গাঁৱৰ প্ৰধান গীতঘাইজনে হুঁচৰি নমায়॥ ইয়াৰ পাছত গাঁৱৰ প্ৰধান মূৰব্বী জনৰ ঘৰত হুঁচৰি গোৱা হয় আৰু ৰাইজে সিদ্ধান্ত কৰি লৈ গাঁওখনৰ ইমূৰৰ পৰা হুঁচৰি গাই যায়।

**গৰু বিহুৰ গধূলি**—গৰু বিহুৰ গধূলি গৰুক উদাল, তৰা বছীৰে পঘাৰ বাটি তাত মাহ-হালধি ঘঁহি টংলতি আৰু মাখিয়তৰ ফুল গুজি লৈ নতুন পঘা পিন্ধোৱা হয়। গৰুক ঘিলা পিঠা, বৰ পিঠা খুউৱা হয়। গৰু বিহুৰ দিনাই মহ, মাখি, চেৰেপা আদি নানা পোক-পৰুৱাৰ জন্ম হয় বুলি বিশ্বাস কৰা হয়। সেইবাবে মহ মাখি, চেৰেপা আদি পোক পৰুৱাক ধ্বংস কৰিবলৈ তুঁহ জুই দি নতুন বিচনীৰে বিচি ধোঁৱা দিয়া হয়। এইদৰে ধোঁৱা দিয়া কাৰ্য্যক “জাগ দিয়া” বোলে। গৰু বিহুৰ দিনা গোহালিকে আদি কৰি ঘৰৰ চাৰিওফালে জাগ দিয়া হয়। গৰু বিহুৰ দিনা বিচনী ললে গা জুৰ পৰে বুলি বিশ্বাস। সেইবাবে সেই দিনা নতুন বিচনীৰে বিচাৰ নিয়ম।

**মানুহ বিহু**—বহাগ বিহুৰ দ্বিতীয় দিনটোক মানুহ বিহু বোলে। সেই দিনা প্ৰতিজন অসমীয়াৰ ঘৰে ঘৰে ঘৰৰ দেৱ-দেৱতাৰ নামত পূজাৰ ভাগ অৰ্পণ কৰে। ধৰ্মৰ ফালৰ পৰা সোণোৱাল কছাৰীৰ ভাগ দুটা—হিদুৰীয়া আৰু বেহাৰী। হিদুৰীয়া সকলে বৈষ্ণৱীয় পন্থাৰে ধৰ্মীয় কাৰ্য্য সমাপন কৰে। বেহাৰী সকলে শাক্ত পন্থাৰে কাৰ্য্য সমাপন কৰে।

**হিদুৰীয়া**—হিদুৰীয়া সকলে মানুহ বিহুৰ দিনা (কিছু লোকে গৰু বিহুৰ দিনাই) সন্ধিয়া মৰা মৃতকৰ নামত ঘৰৰ বাৰীৰ চুকত নাইবা নাদৰ পাৰত মাহ-প্ৰসাদ, কল-পিঠাপনাৰে “পীৰ” দিয়ে। ঘৰৰ দহ-দেৱতাৰ সন্তুষ্টিৰ বাবে ঘৰৰ দহ-দেৱতাৰ নামত (ঘৰ দেওক) মজিয়া বা ৰান্ধনি শালৰ চুকত, ৰান্ধনি শালৰ ঘাই পাচিত, ঘৰৰ দুৱাৰ মুখত, ঢেকীশালত, চ'ৰা ঘৰ, বৰ ঘৰৰ পানী পতা, নাদ, গোহালি ঘৰ আদিত স্থানে স্থানে ভাগে ভাগে পূজাৰ ভাগ অৰ্পণ কৰে। নিত্য ব্যৱহাৰ কৰা দা-কটাৰী, কোৰ-কুঠাৰ, হাতুৰি, বটালী, শাল-হাতিয়াৰ আদি সকলোবোৰ ধুই পখালি কল-পিঠা, মাহ-প্ৰসাদ আদিৰে পূজাৰ ভাগ অৰ্পণ কৰে।

সন্ধ্যা উৰালত নভনী লখিমী সোম বুঢ়ী, বুধবুঢ়ী হাক্লা দৈ, ফাক্লাদৈ, বেৰেং

দৈ, মেৰেং দৈ, দন্ত দৈ কেশ দৈ আৰু কমল দৈক স্মৰণ কৰি কটা তামোল-পাণ, ফল-পিঠা, মাহ-প্ৰসাদেৰে পূজাৰ ভাগ অৰ্পণ কৰে। এইদৰে সোণোৱাল কছাৰীৰ হিচুৰীয়া পন্থী লোকসকলে পূৰ্ব্বৰ পৰম্পৰা ৰক্ষা কৰি বিভিন্ন দেৱ-দেৱতাক বিভিন্ন ধৰণেৰে পূজা পাতল কৰি বছৰটোৰ বাবে ঘৰৰ অপায়-অমঙ্গল, মাৰি-মৰক দূৰ কৰি সৰ্ব মঙ্গল কামনাৰ্থে গৃহ দেৱতালৈ স্মৰণ কৰে। আজি কালি বৰ্ত্তমান বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ ফলত এই হিচুৰীয়া কছাৰী সকলে বিহুৰ সময়ত বছৰটোৰ মঙ্গলাৰ্থে ঘৰে ঘৰে নাম কীৰ্ত্তন ( নাম গোৱা সবাহ ) কৰাও দেখা যায়।

**বেহাৰী**—কছাৰী সকলে বিহুৰ উৰুকা দিনা ঘৰ-দুৱাৰ মচি-কাচি পৰিষ্কাৰ কৰি লৈ গাঁৱৰ মেধি ঘৰৰ পৰা অনা শান্তিজল ( মেধি ঘৰৰ শান্তিৰ অভাৱত চাউল, তামৰ পইচা এটা আৰু দুডালমান দুবৰি বন লৈ শান্তি জল কৰে ) ছটিয়াই পৱিত্ৰ কৰি লয়। ইয়াক তেওঁলোকে থিন ভঙা বুলি কয়। বেহাৰী সকলে সাত ভাই-ককায়ে ৰৰচৰাই মাৰিবলৈ যোৱা কাহিনী কৈ বছৰৰ বৰ থিন ভাঙি ঘৰ দুৱাৰ পৱিত্ৰ কৰি লয়।

হিন্দুৰীয়া সকলৰ দৰে বেহাৰী সকলেও মানুহ বিহুৰ দিনা বাৰীৰ চুকত বা নাদৰ পাৰত মৰা মৃতকৰ বাবে মৰাক দিয়ে। অৰ্থাৎ মদ-মাংসৰে মৃতকৰ নামত পূজাৰ ভাগ অৰ্পণ কৰে। মজিয়া বা ৰান্ধনি ঘৰৰ চুকত কুকুৰা বলি দি ঘৰ দেউক আপদাল লয়। হিন্দুৰীয়া সকলৰ দৰে দুৱাৰ মুখত, পানী পতাত, ঢেকী শালত, নিত্য ব্যৱহাৰ কৰা দা-কটাৰী কোৰ কুঠাৰ, হাতুৰী বটালী আদি শাল হাতিয়াৰ বোৰ ধুই পখালি মাহ-প্ৰসাদেৰে পূজাৰ ভাগ অৰ্পণ কৰে। ভঁৰালত ন ভনী লখিমীৰ নামত কুকুৰা কাটি পূজা দিয়ে। এই দৰে ঘৰদেউক পূজাৰ পাছত গোহালিত গো কালিকা গৰখীয়া, কজলা কমলা, কপীলা ( ৫বৰ্ণ ) সুৰভি গাই, বলোভদ্ৰ বনৰজা আদি মুঠতে সাতভাগে পিঠা, ফুলপাত, চাকি-শলিতা মাহ পূজাৰ ভাগ অৰ্পণ কৰাৰ উপৰিও বসুমতী কুবেৰ বুঢ়া বুঢ়ীকো একোযোৰ পাত আগ বঢ়োৱা হয়। গোহালিৰ সন্মুখত দিনৰ ভাগতে ব্যৱস্থা কৰি ৰখা পূজাৰ বেদীত কেঁচা পিঠা, কেঁচা হালধি গুলি তাৰ পানী ছটিয়াই—পূজাৰ বেদী পৱিত্ৰ কৰি লোৱা হয়। গোহালিৰ পূজাৰ বেদীতে কুকুৰা বলি দি গো কালিকা, গাঁতিগিৰি আদিক পূজা হয়। বাঁহৰ হিলৈ, কাঠৰ তৰোৱাল আৰু পাতৰ ঢাল সাজি লৈ গুলি লোৱা কেঁচা হালধিৰ পানীৰে সেইবোৰ ধুই পৱিত্ৰ কৰি লৈ পূজাৰীয়ে সেইবোৰ

হাতত তুলি লৈ গো-জাতিৰ অপায়-অমঙ্গল বেমাৰ আজাৰ, মাৰি-মৰক দূৰ কৰাৰ মানসেৰে দহোদিশলৈ গুলি মাৰে আৰু কাঠৰ তৰোৱাল কোঁপাতৰ ঢাল হাতত তুলি লৈ বসুমতীক ফুৰাই খিৰিং ভাও বুলি তিনি বাৰ বা সাতবাৰ জপিয়াই গো-কালিকাৰ সেৱাৰ নামত দীঘল দি পৰি সেৱা জনায়।

এইদৰে ঘৰদেউৰ পূজা-সেৱা সমাপ্ত কৰাৰ পাছত বুঢ়া-ডেকা, ল'ৰা আদি সকলোৱে মিলি হুঁচৰি গাবলৈ ওলাই যায়।

**হুঁচৰি**—হুঁচৰি গীত অসমীয়াৰ মৌখিক সাহিত্যৰ অন্তৰ্গত। অসমীয়া মানুহৰ মুখে মুখে চলি অহা হুঁচৰি গীতৰ উৎপত্তি কেতিয়া কেনেকৈ হ'ল তাৰ সবিশেষ আজি জনাৰ উপায় নাই। বৰ্ত্তমান হুঁচৰি গীতৰ উৎপত্তিৰ সম্পৰ্কে যিবোৰ তথ্য দাঙি ধৰা হৈছে সেই বোৰতো বহুতো কথাই প্ৰশ্নবোধকৰূপে ৰৈ গৈছে। হুঁচৰি গীতৰ উৎপ্ৰত্তিৰ সম্পৰ্কে বিশেষ কোনো ধৰণৰ লিখিত সুনিশ্চিত তথ্য নোপোৱাত যি কেইজন মুষ্টিমেয় ব্যক্তিয়ে এই বিষয়ে তথ্য দাঙি ধৰিবলৈ প্ৰচেষ্টা চলাইছে সেই তথ্যৰ ওপৰত ভিত্তি কৰি আৰু বিভিন্ন জনজাতিৰ মাজত মৌখিক ভাবে চলি অহা কিছুমান জনশ্ৰুতিক কেন্দ্ৰ কৰিয়েই হুঁচৰি গীতৰ উৎপত্তিৰ সম্পৰ্কে সম্যক আলোচনা দাঙি ধৰিলে।।

হুঁচৰিৰ উৎপত্তিৰ সম্বন্ধে বিভিন্ন জনশ্ৰুতি শুনা যায়। বড়ো কছাৰী সকলৰ মাজত থকা জনশ্ৰুতি এটি কলাগুৰু স্বৰ্গীয় বিষ্ণু প্ৰসাদ ৰাভাই এইদৰে ব্যক্ত কৰিছে, "কোনো এগৰাকী অপ্সৰাৰ পৰা পোৱা ব্ৰহ্মাৰ এগৰাকী জীয়াৰী আছিল। যৌৱন প্ৰাপ্তা হোৱাৰ পিছত ধৰ্মৰজাৰ কোপত পৰি ছোৱালীজনী স্বৰ্গচ্যুতা হ'ল। পৃথিৱীত ঘূৰিপকি মনৰ বেজাৰতে ছোৱালীজনী মৰহি গ'ল। তাইৰ এনে অৱস্থাত দেৱতা সকল দুখত অভিভূত হৈ সেই কথা বিষ্ণুক জনালে। বিষ্ণুৱে আকৌ তেওঁলোকক পঠিয়ালে বামো বা শিৱৰ ওচৰলৈ। আহঁত গছৰ তলত ধ্যান মগ্ন হৈ থকা শিৱই দেৱতা সকলক হুঁচৰি গীত আৰু হুঁচৰি নাচ শিকাই পঠিয়ালে। দেৱতা সকলে সেই নাচ আৰু গীতেৰে ঘৰে ঘৰে গৈ বস্তু সংগ্ৰহ কৰি চিত্তোৰলা দেৱীক সজালে। ছোৱালীজনীয়ে আনন্দত ফিৰাই পাই নিজেও দেৱতা সকলৰ লগত অংশ গ্ৰহণ কৰিলে। যি ধৰ্ম ৰজাই তাইৰ নৈতিকতাত সন্দেহ কৰি এদিন স্বৰ্গচ্যুতা কৰি মৰতলৈ পঠিয়াইছিল, পিছত সেই ধৰ্মৰজাই তাইৰ নৃত্য-গীতত মোহিত হৈ স্বৰ্গলৈ লৈ গ'ল। কিন্তু নৃত্য-গীত চিৰকালৰ বাবে ৰৈ গ'ল বড়ো কছাৰী সকলৰ মাজত। প্ৰতিবছৰে বসন্ত ঋতুত

এই নৃত্যগীতৰ আয়োজন চলিল। বড়ো কছাৰী সকলৰ পৰাই হুঁচৰি নৃত্যগীতৰ এনেদৰে উৎপত্তি হোৱা বুলি অনুমান কৰা হয়।

হুঁচৰি শব্দৰ ব্যুৎপত্তিগত অৰ্থ ব্যাখ্যা কৰি চালে বড়ো ভাষাৰ "হুশ্ৰী" শব্দৰ পৰাই হুঁচৰি শব্দৰ উৎপত্তি হৈছে বুলি ধৰিব পাৰি। "হুশ্ৰী থন নায়। অৰ্থাৎ সুৰ নগলেও মনৰ আনন্দতে চিঞৰি চিঞৰি গোৱা গীতেই হুঁচৰি গীত।" ( "শৰণীয়া সকল কোন জাতিৰ মানুহ"-ৰজনীকান্ত দাস, ৰামচৰণ ব্ৰহ্ম। )

বলিৰজাৰ সন্তান কছাৰী সকলৰ আন এটি জনশ্ৰুতি মতে "বলি বাসবৰ যুদ্ধত হাৰি বলিদ্বীপলৈ গ'ল। বলিৰ ৰাজত্বত বাসবৰ প্ৰজাসকলে ( দেৱতা সকলে ) আহি বলি ৰাজ্যৰ প্ৰজাৰ লগত প্ৰথম চা-চিনাকি হৈ এই বিহুৰ দিনাই পৰস্পৰৰ মাজত মৰম স্নেহৰ সঁচাৰ ফুৰাইছিল। সেই সঁচাৰ ফুৰোৱাৰ পৰাই সুচুৰা, সুচুৰাৰ পৰাই হুঁচুৰা আৰু হুঁচুৰাৰ পৰা হুঁচৰি হৈছে।" ( শৰণীয়া সকল কোন জাতিৰ মানুহ—শ্ৰীৰজনীকান্ত দাস আৰু শ্ৰীৰামচৰণ ব্ৰহ্ম )

সোণোৱাল কছাৰী সকলৰ হুঁচৰি গীতত উল্লেখ থকা প্ৰচলিত জনশ্ৰুতিৰ ওপৰত উল্লেখ কৰা সকলো কথাই অন্তৰ্নিহিত হৈ আছে। সোণোৱাল কছাৰীৰ জনশ্ৰুতি মতে এবাৰ ব্ৰহ্মাই নিজৰ মানস কন্যা সুৱচনী কুঁৱৰীৰ ৰূপ লাৱণ্যত অধীৰ হৈ প্ৰেম নিবেদন কৰাত ধৰ্ম ৰজাই ধৰ্মৰ মানদণ্ডৰে জুখি কুঁৱৰীক স্বৰ্গচ্যুতা কৰিলে। ফলত সুৱচনী কুঁৱৰীয়ে বৰ নোৱৰা দুখ বেদনা লৈ লাজে অপমানে মৰ্ত্যলৈ আহি মৰ্ত্যত মানৱ সমাজৰ লগত নানা দুখ-কষ্টৰ মাজেদি দিন বোৰ অতিবাহিত কৰিব লগা হ'ল। এই দৰে কেইবাটাও যুগ পাৰ হ'ল।

আদিতে মানৱ সমাজত গীত-মাতৰ বিশেষ পয়োভৰ নাছিল। কাৰণ, তেতিয়া মৰ্ত্যত গীতৰ ৰাগহে আছিল, ৰাগিণী নাছিল। গতিকে সুৱচনী কুঁৱৰীক ৰাগ-ৰাগিণী বিচাৰি আনিবলৈ স্বৰ্গলৈ যাবলৈ মৰ্ত্যৰ মানুহে অনুৰোধ কৰিলে। সুৱচনী কুঁৱৰীয়ে মৰ্ত্যৰ মানুহৰ অনুৰোধ পেলাব নোৱাৰি ৰাগ-ৰাগিণী আনিবলৈ স্বৰ্গৰ ইন্দ্ৰৰ ৰাজসভালৈ যাবলৈ বাধ্য হ'ল। তেওঁ স্বৰ্গলৈ গ'ল। ইফালে কেবাটাও যুগ স্বৰ্গ চ্যুতা হৈ থকা সুৱচনী কুঁৱৰীৰ কথা দেৱতা সকলৰ মনত পৰিল। দেৱতা সকলে সুৱচনী কুঁৱৰীক পাই তাইলৈ স্নেহ প্ৰদৰ্শিলে। স্বৰ্গৰ দেৱতা সকলৰ প্ৰীতি সম্ভাষণ পাই তাই আনন্দত আত্মহাৰা হ'ল। তাই মৰ্ত্যৰ মানুহৰ মাজত ৰাগহে আছে ৰাগিণী নাই, সেই বাবে ৰাগ ৰাগিণী বিচাৰি নিবলৈ মৰ্ত্যৰ মানুহে তাইক স্বৰ্গলৈ পঠিয়াইছে এই কথা দেৱতা সকলৰ আগত আদ্যোপান্ত

যিৱৰি ক'লে। তাইৰ কথামতে দেৱতা সকলে তাইক ৰাগ-ৰাগিণী শিকাই পঠিয়াবলৈ সন্মত হ'ল। স্বৰ্গৰ দেৱতা সকলৰ আদেশত ইন্দ্ৰৰ ৰাজ সভাত নৃত্য-গীতৰ পয়োভৰ চলিল। নৃত্য-গীতৰ পয়োভৰৰ প্ৰাৰম্ভণিৰ লগে লগে ইন্দ্ৰৰ ৰাজ সভাত অকাল বসন্তই দেখা দিলে। ইন্দ্ৰৰ ৰাজ্য ফলে ফুলে চাৰিওফালে জাতিষ্কাৰ হৈ পৰিল। কুলি-কেতেকীৰ সুমধুৰ ধ্বনিয়ে চাৰিওফালে আনন্দত মুখৰিত কৰিলে। আকাশত ডাৱৰে নাচিবলৈ ধৰিলে। নতুন কুঁহিপাত যুক্ত গছ বিৰিক্ষ বোৰ মৃদু বতাহত হালিজালিকৈ নাচিবলৈ ধৰিলে। নতুন পানী পাই মাছ আদি জলচৰ প্ৰাণীবোৰে চেৰ ধৰি নাচিবলৈ ধৰিলে। এই দৰে অসময়ত নৱ বসন্তৰ আবিৰ্ভাৱ হোৱাত স্বৰ্গ ৰাজ্যত দেৱতা, গন্ধৰ্ব, কিন্নৰ, আৰু অপ্সৰা সকলৰ আনন্দত গা ৰাই জাই কৰিবলৈ ধৰিলে। সকলোৰে মহা আনন্দে ইন্দ্ৰৰ ৰাজ সভাত অনুষ্ঠিত হোৱা নৃত্য-গীতত যোগ দিলেহি। স্বৰ্গৰ নৃত্য পাৰঙ্গত মেনকা, ৰম্ভা, তিলোত্তমা আদি অপ্সৰাসকল আহি নৃত্য গীতত অংশ গ্ৰহণ কৰি নিজৰ নিজৰ পাৰদৰ্শিতা দেখুৱালেহি। কিন্তু সুৱচনী কুঁৱৰীয়ে যি নৃত্য-গীত পৰিবেশন কৰিলে সেই নৃত্য-গীতৰ ওচৰত স্বৰ্গৰ নৃত্য-পাৰঙ্গত মেনকা ৰম্ভা, তিলোত্তমা আদি অপ্সৰাসকলৰ কোনোৱে তিষ্ঠিবকে নোৱাৰিলে। সুৱচনী কুঁৱৰীয়ে সকলোকে পৰাভূত কৰিলে। তাইৰ নৃত্য-গীতত বিমোহিত হৈ দেৱতা সকলে তাইক ভূয়সী প্ৰশংসা কৰিলে। দেৱতা সকলে তাইক গীতৰ সকলো-ৰাগ-ৰাগিণীৰ জ্ঞান দিবলৈ শিৱক অনুৰোধ কৰিলে। শিৱই দেৱতা সকলৰ অনুৰোধক্ৰমে তাইক নিজে সকলো বোৰ গীতৰ ৰাগ-ৰাগিণীৰ শিক্ষা দিলে। এই দৰে তাই নৃত্য-গীতত পাৰঙ্গত হৈ স্বৰ্গ ৰাজ্যত দেৱতা সকলৰ ওচৰত এখন সন্মানৰ আসন প্ৰতিষ্ঠা কৰিলে। কিন্তু স্বৰ্গচ্যুতা এগৰাকী কুঁৱৰীৰ ওচৰত মেনকা, ৰম্ভা-তিলোত্তমা আদিৰ দৰে নৃত্য-গীত পাৰঙ্গত সকলে পৰাজিত হ'ব লগা হোৱাত তেওঁলোকে অকণো সহ্য কৰিব নোৱাৰিলে। স্বৰ্গৰ মেনকা, ৰম্ভা, তিলোত্তমা আদি অপ্সৰা সকলে সুৱচনী কুঁৱৰীক নানা অত্যাচাৰ কৰি দ্ৰৌপদীৰ বস্ত্ৰ হৰণৰ দৰে তাইৰ কাপোৰ-কানি ফালি-চিৰি উলঙ্গ কৰি স্বৰ্গৰ পৰা খেদি পঠিয়ালে। বিধিৰ কি বিড়ম্বনা! তাই পুনৰ স্বৰ্গচ্যুতা হ'ল। তাই লাজে-অপমানে উলঙ্গ অৱস্থাত মৰ্ত্য পালেহি আৰু মানুহৰ ঘৰে ঘৰে গৈ বস্ত্ৰ আদি ভিক্ষা কৰিবলৈ ধৰিলে। তাইৰ তেনে অৱস্থা দেখি মৰ্ত্যৰ মানুহে ৰৰ বেজাৰ পালে আৰু তেওঁলোকে সামৰ্থ্য অনুসৰি যি পাৰে বস্ত্ৰ আদি দান

কৰিলে। এই দৰে সুবচনী কুঁৱৰীয়ে মৰ্ত্যৰ মানুহৰ আদৰ যত্নত মৰ্ত্যৰ মানুহৰ লগতে থাকি স্বৰ্গত শিকি অহা ৰাগ-ৰাগিণীবোৰ মৰ্ত্যৰ মানুহক শিকাবলৈ ধৰিলে। এনেকৈ সুবচনী কুঁৱৰীয়ে মৰ্ত্যৰ মানুহক প্ৰথম গীত হিচাপে হুঁচৰি গীত সৃষ্টি কৰি গাবলৈ শিকালে।

সোণোৱাল কছাৰী সকলে হুঁচৰি গীতত ৰাগ-ৰাগিণীৰ সৃষ্টিৰ কাহিনী টোৰ কথা উল্লেখ কৰি এই দৰে গায়—

"হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে।
হুৰে হুৰে গীতক কোনে সৰজায়।
মহাদেউ-পাৰ্বতী সিও সৰজায়।
খিৰিং ৰজা দেউতা সিও সৰজায়।
গজায়, মনায় সিও সৰজায়।...

কেৱল হুচৰি গীততে উক্ত কথা উল্লেখ আছে এনে নহয়। সোণোৱাল সকলে গায়ন গোৱাৰ সময়ত প্ৰথমতে গোৱা গুৰু ঘাতৰ মালিতাতো সেই কথা সুন্দৰ ভাবে উল্লেখ আছে।

## গায়নৰ গুৰু ঘাতৰ মালিতা—১

"জগতকে স্ৰজা প্ৰভু আদি নিৰঞ্জন
অনন্ত শয্যাত প্ৰভু কৰিলা শয়ন।
চেতন লভিয়া প্ৰভু উঠিয়া ৰহিলা
চেতনক প্ৰতি ৰাজা সিংহা থনি দিলা
ৰাগভৈল তাল ৰাগিণী মৃদং.আৰু খোলতাল।
আষ্টুলা গীতক লাগি শুনিবাক ভাল॥
মাল্লৰৰ মাজত আছিলেক মাল্ল পটেশ্বৰী।
বদৰিকা গৈলা পত্ৰকো পাৰি ধনন্তৰী॥
চাৰি ডালি বাইঁৰে তৰিলেক ৰভা।
তলত পাতিছে শঙ্কৰ দেউৰ সভা॥
ওপৰত আঁৰিলেক বাতুলী চাকি।
তলত পাতিছে হৰি মণ্ডলী॥
ৰভাৰ চাৰিমেৰে পাৰিলেক পাত।

সুবর্ণ মুকুতা মণি আৰিলেক চন্দ্ৰতাপ ॥
চাৰি চুকে চাৰি আতি বহি আছে তাত।
তাৰ মধ্যে শোভা কৰে প্ৰভু জগন্নাথ ॥
স্বৰ্গত আছিলেক ছয়ত্ৰিশ কোটি বাজন।
গৰুড় বাহনে গৈ আনিলেক আদি নিৰঞ্জন ॥
অপেশ্বৰী নাচে গন্ধৰ্বই বায়।
তাক লইয়া গৰুণ্ডে আনিলে নমায় ॥
সুবচনী কন্যাই আনিলে আগবঢ়ায়।
ছয়ত্ৰিশ কোটি বাজনক দিলে বিলায়।
সত্যত আছিল সোণৰ মৃদং অনন্তই বায়।
ত্ৰেতাত আছিল ফটিকৰ মৃদং বক্ষি বায়নে বায়।
দ্বাপৰত আছিল তামৰ মৃদং কলিয়া বায়নে বায়।
কলিত হৈ গ'ল কাঠৰ মৃদং বায়ন সীমা সংখ্যা নাই।
সাগৰ শুকাল, মাণিক লুকাল,
বগে ধৰি খালে মাছ।
তাল বাজে মৃদং বাজে ঈশ্বৰক স্মৰি
মাৰো গুৰু ঘাত ॥"

**গায়নৰ গুৰু ঘাতৰ মালিতা—২**

"শ্ৰীশঙ্কৰৰ সভা সাতডাল মাৰলীয়ে পাতিছে ৰভা⋯
চাৰি ফালে চাৰিটা পোৱালি খুটা;
চাৰি চুকত বহিছে চাৰিজন বুঢ়া-মেথা;
মাজত পাতিছে বামুণে পূজা;
তলে সভা ওপৰে ৰভা;
ৰভাৰ ওপৰে বাদুলী চাকি
দিয়াগৈ তেল বাকি
দেখাক দেখি পোহৰ হ'ল
গাই যাওক গায়ন ॥
ৰাগ আছে, ৰাগিণী নাই;

ইন্দ্ৰ স্বৰ্গীত গৈ ৰাগিণী আনিবলৈ যায়।
এসি সময়তে দেৱগণ উপস্থিত ভৈলা,
আকাশত দেৱগণ ধন্য ধন্য ভৈলা।
সত্যত আছিল সোণৰ মৃদং
বায় নন্দীনিয়ে।
ত্ৰেতাত আছিল তামৰ মৃদং
বায় কেশৰীয়ে
দ্বাপৰত আছিল মাটিৰ মৃদং
গুপ্ত হৈ;
কলিত হৈ গ'ল কাঠৰ মৃদং
থয় ভাৰন্ত লৈ
হাতত কিংকিনি কঁকালত ঘূৰী
মাথাত পাগ মাৰে ধুলা পৰি হৰি।
সাগৰ শুকাল, মাণিক লুকাল।
বগে ধৰি খালে মাছ।
তাল বাজে, মৃদং বাজে
গুৰু দেৱক শিৰত লৈ
মাৰো গুৰু ঘাত।।"

আজি বৰ্ত্তমান হুঁচৰি গাওঁতে গৃহস্থই যি বস্ত্ৰ দান কৰে তাৰদ্বাৰা সুবচনী কুঁৱৰীক বস্ত্ৰ দান কৰাৰ প্ৰথাকে পূৰ্বৰ পৰম্পৰা হিচাপে ৰক্ষা কৰি অহা হৈছে। উজনি অসমৰ যুৱতী সকলে যি জোপা গছৰ তলত জেং বিহু কৰে সেই জোপা গছত গামোচা বন্ধা, বিহুৱাই ঢোলত আৰু গায়নীয়াই মৃদঙত গামোচা বন্ধা, বহাগ বিহুৰ সময়ত নাম ঘৰৰ লাই খুটাত গামোচা বন্ধা আৰু উজনি অসমৰ চাউদাং সকলে গছৰ তলত বিহু উৰুৱাবৰ সময়ত গছত গামোচা বন্ধাৰ প্ৰথা আদি সকলোবোৰ গীত-মাত, ৰাগ-ৰাগিণীৰ জননী সুবচনী কুঁৱৰীক বস্ত্ৰ দানৰ প্ৰতীক হিচাপে পূৰ্বৰ নীতি ৰূপে চলি আহিছে।

সোণোৱাল কছাৰী সকলৰ "হুঁচৰি টকা" ডালৰ সৃষ্টি সম্বন্ধে পুৰাণৰ লগত সম্বন্ধ থকা আন এটি প্ৰচলিত জনশ্ৰুতি আছে। সেই জনশ্ৰুতি মতে ত্ৰেতা যুগত মহাদেৱ শিৱই দক্ষ ৰজাৰ কন্যা পাৰ্বতীক বিয়া কৰাইছিল। এবাৰ দক্ষ

ৰজাই এটা যজ্ঞ আয়োজন কৰি যজ্ঞলৈ সকলো দেৱতা, গন্ধৰ্ব্ব, কিন্নৰ আৰু ব্ৰহ্মা, বিষ্ণু, যক্ষ-ৰক্ষ, চন্দ্ৰ, সূৰ্য্য আদি লৈ বিয়া দিয়া সাতাইশ জনী জীয়েককে মাতিলে, কিন্তু পাৰ্ব্বতীক নিমন্ত্ৰণ নকৰিলে। পাৰ্ব্বতীয়ে স্বামীৰ পৰা অনুমতি বিচাৰি পিতাকৰ যজ্ঞলৈ আহিবলৈ বিচাৰিলে। অনিমন্ত্ৰিত যজ্ঞলৈ যাবলৈ মহাদেৱে পাৰ্ব্বতীক বাৰে বাৰে হাক দিয়াৰ সত্বেও পাৰ্ব্বতীয়ে কাবৌ-কাকুতি কৰি মহাদেৱৰ পৰা আজ্ঞা লৈ যথা সময়ত যজ্ঞলৈ গ'ল। দক্ষৰ যজ্ঞত দেৱতা গন্ধৰ্ব্ব, কিন্নৰ আদি সকলো উপস্থিত হ'ল। দেৱতা সকলে শিৱক যজ্ঞত নেদেখি দক্ষ ৰজাক শিৱৰ অনুপস্থিতিৰ কথা সুধিলে। দক্ষৰাজে দেৱতা সকলৰ আগত শিৱৰ বিষয়ে নানা নিন্দা ভৰ্ৎসনা কৰিবলৈ ধৰিলে। যজ্ঞত দেৱতা সকলৰ আগত পাৰ্ব্বতীয়ে পিতাকৰ মুখৰ পৰা স্বামীৰ নিন্দা শুনি লাজত ম্ৰিয়মান হৈ সেই স্বামীৰ নিন্দা সহ্য কৰিব নোৱাৰি যজ্ঞ স্থলীতে মূৰ্চ্ছা গৈ মৃত্যুৰ মুখত পৰিল। ইফালে শিৱই কৈলাসত ধ্যান কৰি থকা অৱস্থাত ধ্যানত পাৰ্ব্বতীৰ মৃত্যুৰ কথা গম পাই তৎক্ষণাত দক্ষৰাজৰ যজ্ঞ স্থলী পালেগৈ। যজ্ঞ স্থলীত পত্নীক মৃত্যু অৱস্থাত দেখি আৰু মৃত্যুৰ কাৰণ আদি সকলো জানিব পাৰি খঙত উন্মত্ত হৈ জ্বলি উঠিল। মহাদেৱৰ ক্ৰোধাগ্নিৰ পৰা এক দৈত্যৰ আবিৰ্ভাৱ হ'ল। দৈত্যই শিৱৰ আজ্ঞা অনুসৰি যজ্ঞ ভঙ্গ কৰিবলৈ ধৰিলে। ইফালে ভৰ যৌৱনতে বৰলা হোৱা শিৱই পত্নীৰ মৃত্যুত বিলাপ কৰিলে আৰু পগলা যেন হৈ পাৰ্ব্বতীৰ মৃত দেহ কান্ধত তুলি লৈ দেশে-বিদেশে ঘূৰি ফুৰিবলৈ ধৰিলে। এইদৰে ঘূৰি ফুৰোঁতে ফুৰোঁতে সতীৰ মৃতদেহ গেলি পচি যাবলৈ ধৰিলে। কিন্তু শিৱৰ তথাপিও ভ্ৰূভঙ্গই নাই। শিৱৰ এই কাণ্ড দেখি বিষ্ণুৱে প্ৰমাদ গণিলে। বিষ্ণুৱে অৱশেষত শিৱৰ গাৰ পৰা সতীৰ মৃতদেহ একৰাই পেলাবলৈ সুদৰ্শন চক্ৰৰ দ্বাৰা সতীৰ অঙ্গবোৰ কাটি পেলাবলৈ ধৰিলে। সতীৰ অঙ্গবোৰ য'তে ত'তে ছিটিকি পৰিল। কিন্তু শিৱই খামুচি মাৰি ধৰি থকা ৰাজহাড ডালৰ তেৰটা গ্ৰন্থি যুক্ত তেৰ টুকুৰা হাড়হে বাকী থাকিল। সুদৰ্শন চক্ৰই কটা সতীৰ অঙ্গবোৰ য'ত যেনেকৈ পৰিল তাতেই একোখন পবিত্ৰ তীৰ্থ স্থানত পৰিণত হ'ল।

কিন্তু শিৱই খামুচি মাৰি ধৰি থকা অৱশিষ্ট ৰাজহাড় ডালৰ তেৰটা গ্ৰন্থি যুক্ত তেৰ টুকুৰা হাড় শিৱভক্ত কছাৰী সকলক দিবলৈ শিৱই নিজৰ পৰম শিষ্য নন্দীভৃঙ্গীৰ হাতত গতালে। নন্দীভৃঙ্গীয়ে গুৰু শিৱৰ পৰা শিক্ষা গ্ৰহণ কৰি লাভ কৰা বীজ মন্ত্ৰৰ দ্বাৰা মদ আৰু টংলতি পাতেৰে শান্তিজল কৰি সেই শান্তি জলেৰে

অৱশিষ্ট সতীৰ ৰাজ হাড ডাল ধুই পবিত্র কৰি "হুঁচৰি টকা" হিচাপে ব্যৱহাৰ কৰিবলৈ কছাৰী সকলক দিয়ে। কছাৰী সকলে সেইবাবে হুঁচৰি গাওঁতে সতীৰ ৰাজহাডৰ প্ৰতীক হিচাপে তেৰটা গাঁঠি আৰু তেৰটা পাব থকা এডাল দীঘল ভলুকা বাঁহ চাক বাঁহৰ খুটিৰ ও পৰত পূবা-পশ্চিমা কৈ থৈ হুঁচৰি গায়। এই বাঁহ ডালক তেওঁলোকে "হুঁচৰি টকা" বোলে। হুঁচৰি টকা ডালৰ দুই মুৰৰ ছটা চাক বাঁহৰ খুটাৰ অৰ্থ হ'ল পূবৰ তিনিটা যথাক্ৰমে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, আৰু পশ্চিমৰ তিনিটাৰ অৰ্থ হ'ল প্ৰকৃতি। অৰ্থাৎ সৃষ্টি কৰ্ত্তা ব্ৰহ্মা, পালন কৰোঁতা বিষ্ণু আৰু সংহাৰ কৰোঁতা মহেশ্বৰ, এই ত্ৰিদেৱতা আৰু প্ৰকৃতিৰ প্ৰভাৱৰ কথা আদি মানৱে ভাল দৰে উপলব্ধি কৰি ভক্তি প্ৰদৰ্শন কৰিছিল। তাৰ প্ৰতীক স্বৰূপে আজিও সোণোৱাল সকলে উক্ত চাক বাঁহৰ খুটি ছটাৰ যোগেদি প্ৰতিপন্ন কৰিছে। সোণোৱাল সকলে তামোল-পাণ আৰু আৰৈ চাউলৰ প্ৰসাদ আদি নৈবেদ্যৰে শৰাই আগবঢাই সতীৰ ৰাজহাড ডালক পবিত্র কৰি লৈ হুঁচৰি টকা হিচাপে ব্যৱহাৰ কৰাৰ কথা হুঁচৰি গীতত এই দৰে উল্লেখ আছে।

"চালি পাণ খুৰৰী আৰৈ চাউল কঠা।
জপনা মাৰ ঐ মাৰ মাৰ কৰে।"

সতীৰ মৃত্যুত মহাদেৱ শিৱই পগলা যেন হৈ অনাই-বনাই ঘূৰি ফুৰিছিল ঠিক সেই দৰে তেওঁৰ শিষ্য সোণোৱাল কছাৰী সকলে শিৱৰ বিৰহত বিৰহী হৈ টকা ডালকে সতীৰ মৃত দেহ হিচাপে লৈ ঘৰে ঘৰে হুঁচৰি গাই পূৰ্ব্বৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। সেয়েহে তেওঁলোকে হুঁচৰি টকা লৈ হুঁচৰি গোৱাৰ সময়ত ঘৰৰ পৰা মৰা শ শ্মশানলৈ উলিয়াই নিলে মৰাশৰ লগত ভঁৰালৰ লখিমী ওলাই নাযাবলৈ ভঁৰাল ঘৰৰ মুখত যেনেকৈ এখন কাপোৰ দিয়ে ঠিক তেনেকৈ কাপোৰৰ আবৰণ দিয়ে। আৰু এবাৰ ঘৰৰ চোতালত হুঁচৰি গাই হুঁচৰি টকা উলিয়াই নিয়াৰ পাছত দ্বিতীয় বাৰ পুনৰ ঘৰৰ চোতালত হুঁচৰি টকা সোমোৱাবলৈ দিয়া নহয়। এই দৰে সতীৰ মৃত্যুত শিৱই শোকাকুল অৱস্থাত যি দৰে বিনাই ফুৰিছিল সেই বিননিক নন্দীভৃঙ্গীয়ে আগম নীতিৰে হুঁচৰি গীত ৰচনা কৰি শিৱভক্ত কছাৰী সকলক এই বিষয়ে শিক্ষা দিয়ে। কছাৰী সকলে নন্দীভৃঙ্গীৰ পৰা হুঁচৰি গীত আৰু নাচ আদিৰ শিক্ষা লয় আৰু পূৰ্ব্বৰ পৰম্পৰা অনুসৰি হুঁচৰি টকা লৈ আজিও হুঁচৰি গায়।

সোণোৱাল সকলৰ আন এটি জনশ্ৰুতি মতে সোণোৱাল কছাৰীৰ ৰাজত

ঢোলীয়াৰী আৰু ভোগপৰীয়া নামৰ দুটা ফৈদ আছিল। ঢোলীয়াৰী সকল হেনো সম্ভ্ৰান্ত পৰিয়ালৰ আৰু ভোগপৰীয়া সকল টোকোনা পৰিয়ালৰ লোক আছিল। এবাৰ দুয়ো ফৈদৰ মানুহৰ মাজত কাজিয়া লাগিল। টোকোনা ভোগপৰীয়া সকলে ঢোলীয়াৰী সকলক কাজিয়াত জিকিব নোৱাৰি ছলচক্ৰান্ত কৰি ঢোলীয়াৰী সকলৰ অহিত চিন্তা কৰিবলৈ ধৰিলে। এদিন ভোগপৰীয়া সকলে ৰয়ামতী, হয়ামতী, ছুৰেবাই, মীৰবাই, ৰামতী, কলিমতী আদি যুৱতী সকলৰ হতুৱাই তৈয়াৰ কৰা মদ চক্ৰান্ত কৰি ঢোলীয়াৰী সকলক খুৱাই পগলা কৰি পেলালে। ঢোলীয়াৰী সকলে ভোগপৰীয়া সকলৰ মদ খাই পগলা হৈ নিজকে ক'ব নোৱৰা হ'ল। সেই চেগতে ভোগপৰীয়া সকলে ঢোলীয়াৰী সকলৰ গৰুবোৰ চুৰ কৰি আনিলে। ভোগপৰীয়া সকলে চুৰ কৰা গৰু বোৰৰ খোজবোৰ ঢোলীয়াৰী সকলে যাতে পাব নোৱাৰে তাৰ ব্যৱস্থা কৰি ৰয়ামতী, ছুৰেবাই, মীৰবাই, ৰামতীবাই, কলিমতী আদি যুৱতী সকলে বই দিয়া চেলেং কাপোৰ পাৰি পাৰি তাৰ ওপৰেদি গৰুবোৰ দেখি নিয়ে। এই দৰে গৰুবোৰ খেদি নিওঁতে হোঁ-হোঁ, হোঁ-হোঁ, শব্দ কৰি গৈছিল। এই হোঁ-হোঁ, হোঁ-হোঁ, শব্দেৰে হেনো বিহু সুৰীয়া ৰূপত মনৰ আনন্দৰ ভাৱবোৰ ব্যক্ত কৰি গৰু বোৰ খেদি নিছিল। এই বিহু সুৰীয়া হোঁ-হোঁ, হোঁ-হোঁ, শব্দৰ পৰাই থৰচাপৰ হুঁচৰি গীত সৃষ্টি হয়। আকৌ ঢোলীয়াৰী সকলৰ মদৰ নিচা শেষ হোৱাত চেতনা পাই হেৰুৱা গৰুবোৰ বিচাৰি চলাথ কৰিবলৈ ধৰিলে। শেষত গৰুবোৰ বিচাৰি উলিয়াব নোৱাৰি যি করুণ মনোবেদনা ব্যক্ত কৰিছিল সেই করুণ মনোবেদনা বোৰেই হ'ল ধীৰ করুণ সুৰৰ হুঁচৰি গীত। এই হিচাপে সোণোৱাল সকলে হুঁচৰিভাগ দুটা বুলি ক'ব খোজে। ১ – ঢোলীয়াৰী আৰু ২ – ভোগপৰীয়া।

ঢোলীয়াৰী আৰু ভোগপৰীয়া হুঁচৰিৰ মাজত মৌলিক পাৰ্থক্যও পৰিলক্ষিত হয়। ভোগপৰীয়া সকলে হুঁচৰি টকাৰ এ ফালে কেৱল চাক বাহৰ খুটি লয় আৰু হুঁচৰি গাওঁতে কেৱল গীত বোৰ হে গায় গোতি বোৰ গীত ঘাইৰ লগে লগে গাই নাযায়।

প্ৰকৃতিৰ ৰাজ্যত প্ৰকৃতিৰ মনোৰম পৰিবেশত বাস কৰা আদিম অসমীয়া জনসাধাৰণে এই হুঁচৰি প্ৰথম অৱস্থাত গছৰ তলত হে গাইছিল। কিন্তু জন জীৱনৰ মাজত নানা ধৰণৰ পৰিস্থিতিৰ পৰিবৰ্ত্তনৰ লগে লগে কলা-সংস্কৃতি

সমূহৰো পৰিবৰ্ত্তন হৈ আহিবলৈ ধৰিলে। বোৱতী নদীয়ে সোঁত সলাই এবাস্তুতি সৃষ্টি কৰাৰ দৰে অসমীয়া সংস্কৃতি হুঁচৰিত গছৰ তল এৰি জন-সাধাৰণৰ চোতালত প্ৰবেশ কৰিলে। সোণোৱাল কছাৰী সকলৰ হুঁচৰি গীতসমূহ পৰ্য্যালোচনা কৰি চালে ১২শ শতাব্দীৰ শেষৰ ফালেহে জন সাধাৰণৰ চোতালত হুচৰি প্ৰবেশ কৰা বুলি ক'ব পাৰি। ইয়াৰ আগলৈকে হুঁচৰি গছৰ তলতহে আছিল। জন সাধাৰণৰ চোতাললৈ হুঁচৰি প্ৰবেশ কৰাৰ কথা সোণোৱাল কছাৰী বুৰঞ্জী আৰু হুঁচৰি গীতত এই দৰে উল্লেখ আছে।

৮০৩ খৃঃত ঘটোৎকচৰ বংশৰ ভাস্কৰ নামৰ এজন ৰজাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত লৌহিত্যপুৰ বা ডিমালাং নামৰ এখন ৰাজ্য পাতে। এই ভাস্কৰ বংশৰ ৰজাই ১০০০ খৃঃত কৌণ্ডিল্য ৰাজ্য স্থাপন কৰে। এই কৌণ্ডিল্য ৰাজ্যক হালালী বা হেমালী বুলিছিল। ইয়াৰ ৰাজধানী আছিল লালী। এই হালালী ৰাজ্যৰ ৰজা গান্ধিক ধ্বজৰ দিনত আহোম সকলৰ লগত মনোমালিন্য ঘটে। আহোম ৰজাই এদল শক্তিশালী সৈন্য গোটাই লৈ গান্ধিক ধ্বজৰ ৰাজ্য লুণ্ঠন কৰে। অৱশেষত গান্ধিক ধ্বজে ১২৩৪ খৃঃত শদিয়াৰ হালালী ৰাজ্য এৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণে ছৈখোৱা পায়হি। আৰু ছৈখোৱাত সাতবংশৰ মিৰিৰ লগত ঘনিষ্ঠ সম্পৰ্ক ঘটে। গান্ধিকধ্বজে এই সাতটা বংশৰ মিৰিক লগত লৈ ছৈখোৱা, ডুমডুমা অঞ্চলত ৰাজ্য স্থাপন কৰে। ছৈখোৱা, ডুমডুমা অঞ্চলত বাস কৰা কছাৰী সকলৰ সেই সময়ত লোণৰ বাহিৰে অন্য কোনো খোৱাবস্তুৰে অভাৱ নাছিল। গতিকে তেওঁলোকে লোণ নামচাঙৰ নগাৰ অধীনত থকা লোণ পুঙৰ পৰা আনিব লগা হৈছিল। কছাৰী সকলে নগা সকলক লোণৰ বিনিময়ত টক-পইচা আৰু নানা বয়-বস্তু দিব লগা হৈছিল। ফলস্বৰূপে তেওঁলোকে সেই টকা-পইচা, বয়-বস্তুৰ বাবে গছৰ তলৰ বিহুক জনসাধাৰণৰ চোতাললৈ আনিব লগা হ'ল। অৰ্থাৎ তেওঁলোকে হুঁচৰি আদি গাই টকা-পইচা, বয়-বস্তু আদি সংগ্ৰহ কৰিব লগা হৈছিল। এই দৰে হুঁচৰি গাই সংগ্ৰহ কৰা টকা-পইচা, বয়-বস্তুবোৰ দুৰ্গম পথেৰে গৈ নামচাঙৰ নগা সকলক দি লোণ আনিব লগা হৈছিল। অটব্য অৰণ্যৰ মাজেদি বনৰীয়া হিংস্ৰ জন্তুৰ আক্ৰমণৰ ভয়ক বুকুত বান্ধি লৈ লোণ আনিবলৈ নামচাঙলৈ যাব লগা হোৱাত নামচাঙলৈ যোৱা সকলৰ বাবে জীৱনৰ সংশয় হৈছিল। এজন ডেকাই নামচাঙলৈ লোণ আনিবলৈ গৈ নামচাঙৰ পৰা ঘূৰি আহিব নে নাহিব এই সন্দেহতে

প্ৰেমিকাই বিলাপ কৰি গোৱা গীতটিয়েই উক্ত নামচাঙৰ পৰা লোণ অনাৰ জলন্ত নিদৰ্শন। তলত তাৰ একাংশ উদ্ধৃত কৰা হ'ল।

"ৰসেৰে নহলে ধৰিব নোৱাৰি
সোণাৰীৰ শালৰে সোণ।
ঢকুৱা নহলে পুৰিব নোৱাৰি
চতাই নামচাঙৰ লোণ॥
ভাতে ৰান্ধি দিয়া খাওঁ সমনীয়া
পানী আনি দিয়া খাওঁ।
লোকে মহঙীয়া মহঙে পালে গৈ
মইনো মহঙলৈ যাওঁ॥
ককাই মহঙীয়া মহঙক নাযাবি
নেখাওঁ ডোখৰীয়া লোণ।
ক'ৰবাত কেনেবাকৈ পৰ্ব্বত খহি মৰিবি
তোৰ হৈ কান্দিব কোন॥
মহঙ লেতেৰা—দিহং লেতেৰা
নাম চাং এৰি থোৱা ঠাই।
চপৰা হাতেৰে মাৰিব তোক ককাই ঐ
তোৰ হৈ কান্দোতা নাই॥"

এই গীতটিৰ উপৰিও বহাগ জেঠ মাহত উজনি অসমৰ সোণোৱাল গাঁও সমূহত গাঁৱৰ বুঢ়া সকলে গাঁৱৰ ঘৰে ঘৰে আই সকাম পাতি আই সকামত পোৱা দান-দক্ষিণাৰে লোণ কিনি ভগাই লোৱাৰ প্ৰথা এতিয়াও তেওঁলোকৰ আছে। এতেকে দেখা যায় যে লোণৰ অভাৱ দূৰ কৰিবলৈকে হুঁচৰি জনসাধাৰণৰ চোতাললৈ আনিব লগা হয়। হুঁচৰি জনসাধাৰণৰ চোতালত প্ৰৱেশ কৰাৰ লগে লগে ই ব্যাপক ভাবে অসমীয়া জনসাধাৰণৰ মাজত প্ৰচাৰ হ'বলৈ ধৰিলে। কালক্ৰমত ১৬৯৬ খৃঃত আহোম ৰজা ৰুদ্ৰ সিংহই প্ৰথমে এই হুঁচৰিক ৰাজ দৰবাৰলৈ নি এখন মৰ্যাদা পূৰ্ণ আসন দিলে। হুঁচৰিয়ে এইদৰে ৰাজ দৰবাৰত মৰ্যাদাপূৰ্ণ আসন পোৱাত ৰজা-প্ৰজা, ধনী-দুখীয়া, জাতি-বৰ্ণ নিৰ্বিশেষে আদৰেৰে গ্ৰহণ কৰিলে। ফলতঃ হুঁচৰি হৈ পৰিল সমগ্ৰ অসমবাসীৰ এক সমূহীয়া কৃষ্টি আৰু লগে লগে গছৰ তলৰ আৰু অসমীয়াৰ চোতালৰ হুচৰি গৈ এক মেলাত

পৰিণত হ'ল। হুঁচৰিৰ ক্ৰমবিকাশৰ লগে লগে ই হৈ পৰিল সমগ্ৰ অসমীয়াৰ জাতীয় কৃষ্টি। কিন্তু যেনেকৈ কেতিয়াবা কোনো এটা বস্তুক কৃত্ৰিম ৰহণ সানি সৌন্দৰ্য্য বৃদ্ধি কৰিবলৈ গলে বস্তুৰ মৌলিকতাহীন হৈ পৰে ঠিক তেনেকৈয়ে হুঁচৰিয়েও ৰজাৰ ৰাজদৰবাৰত প্ৰৱেশ কৰাৰ লগে লগে হুচৰিৰ ৰূপ পৰিবৰ্তন হ'ল। হুঁচৰি আৰু বিহুৱে মোট সলাই অন্য এটি ৰূপ ললে। অৰ্থাৎ ৰাজ-দৰবাৰত হুঁচ'ৰি আৰু বিহু গীত প্ৰশস্তি গীতত পৰিণত হ'ল। যাৰ খায়, তাৰ গুণ গায়—ৰীতি অনুসৰি আশ্ৰিত সকলে আশ্ৰয়দাতাৰ প্ৰশংসা কৰি গীতবোৰ ৰচনা কৰিলে যাৰ ফলত হুঁচৰি, গীত মূল বস্তুৰ পৰা আঁতৰি গৈ—

"দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী ;
কেতেকী মলেমলাই ঐ গেবিন্দায় ৰাম। আৰু
দেউতা ওলালে বাট চ'ৰাৰ মুখলৈ
তুলীয়াই পাতিলে দোলা।
কাণত জিলিকিলে কাণৰে থুৰীয়া
গাতে গোমচেঙৰ চোলা॥ আদি ধৰণৰ—

প্ৰশস্তিমূলক গীতৰ পয়োভৰ চলিল। ভাৰতৰ বিভিন্ন ভাষাৰ সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে এই কথা স্পষ্টভাৱে পৰিলক্ষিত হয় যে ১৩০০ খৃষ্টাব্দৰ পৰা প্ৰায় ১৭০০ খৃঃলৈকে যিবোৰ সাহিত্য ৰাজদৰবাৰত ৰজা সকলৰ পৃষ্ঠ পোষকতাত ৰচনা কৰা হৈছিল সি মৌখিক সাহিত্যই হওক বা লিখিত সাহিত্যই হওক সেইবোৰৰ প্ৰায় বোৰতে আশ্ৰিত সকলে আশ্ৰয় দাতা সকলৰ প্ৰশংসাৰ কথা প্ৰকাশ কৰিছিল।

জগত পৰিবৰ্তনশীল আৰু প্ৰগতিশীল। এই প্ৰগতিশীল জগতত মানুহে খোজত খোজ মিলাই প্ৰগতিৰ পথত আগবাঢ়িব লাগিছে। এই দৰে প্ৰগতিৰ পথত আগবাঢ়ি যাওঁতে মানুহৰ জীৱনত বিভিন্ন সময়ত বিভিন্ন সমস্যাবোৰ আহি পৰে। এই সমস্যাবোৰৰ গভীৰ হেঁচাত তেওঁলোকে অতীতৰ বহুতো আপুৰুগীয়া বস্তু ত্যাগ কৰিব লগা হৈছে। অতীতৰ সকলো কথা বিস্মৃতিৰ অতল গৰ্ভত ঠেলি দি বৰ্ত্তমানৰ বিভিন্ন পৰিস্থিতি আৰু জীৱনৰ প্ৰভাৱক বিভিন্ন ৰূপে বিভিন্ন ৰহণ সানি প্ৰকাশ কৰা মানুহৰ স্বভাৱ। এই দৰে বিভিন্ন

পৰিস্থিতি আৰু প্ৰভাৱৰ ফলত হুচৰি গীত পৰিবৰ্ত্তন হৈ বৰ্ত্তমান থি পৰ্য্যায়ত উপনীত হৈছে তালৈ লক্ষ্য কৰি হুঁচৰি গীতক কেইবাটাও ভাগত ভাগ কৰিব পাৰি।

১। আদিকালৰ হুঁচৰি :—হুঁচৰি সৃষ্টিৰ পৰা জনসাধাৰণৰ চোতালত প্ৰবেশ কৰালৈকে।

২। ৰাজদৰবাৰৰ হুচৰি :—জনসাধাৰণৰ চোতালত প্ৰবেশ কৰাৰ পৰা ৰজাৰ ৰাজদৰবাৰত পতা মেলাবিহুলৈকে।

৩। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ যুক্ত হুঁচৰি :—শ্ৰীশঙ্কৰ দেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰৰ ফলত সমগ্ৰ অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ জোৱাৰ উঠে। কিন্তু সেই বৈষ্ণৱ ধৰ্ম্মৰ জোৱাৰৰ প্ৰভাৱে একে সময়তে সমগ্ৰ অসমৰ জন সাধাৰণক প্ৰভাৱিত কৰিব পৰা নাছিল, বিশেষকৈ জনজাতি লোক সকলক শাক্ত ধৰ্ম্মৰ পৰা বৈষ্ণৱ ধৰ্ম্মলৈ সহজতে প্ৰভাৱিত কৰিব পৰা নাছিল। সোণোৱাল সকল ১৬০৩ শকাব্দ মানতহে কেশৱদেৱ মহন্তৰ ওচৰত শৰণ লৈ বৈষ্ণৱ হয়। গতিকে ১৬০০ শকাব্দৰ আগলৈকে হুঁচৰি গীতত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ প্ৰবল ভাবে পৰা নাছিল। ১৬০৩ শকাব্দৰ শেষৰ ফালে অসমত বৈষ্ণৱ ধৰ্ম্ম ব্যাপক ভাবে প্ৰচাৰিত হয় আৰু হুঁচৰি আদি লোক সংস্কৃতিৰ ওপৰত ইয়াৰ গভীৰ প্ৰভাৱ পৰিবলৈ ধৰে। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱৰ ফলত।

"হাহৰ পেটতে জনমকৈ নলবা
তাৰে চোন লেপেতা ভৰি,
যেতিয়া আহিব বিহুৰ বৰ পূজা
নিব হালে-হালে ধৰি।
ছাগলীৰ পেটতে জনম নলবা
তাৰে চাৰি খুৰা ভৰি,
যেতিয়া পাবহি বিহুৰ বৰ পূজা

নিব হালে-হলে ধৰি।" আদি ধৰণৰ হুচঁৰি গীতৰ সৃষ্টি হয়। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱৰ ফলতেই হুঁচৰি টকা এৰি বৃত্তাকাৰে ঘূৰি ঘূৰি হুঁচৰি গোৱাৰ প্ৰথা প্ৰচলন হ'ল।

৪। ৰঙ্গ মঞ্চৰ হুঁচৰি :—বিভিন্ন পৰিস্থিতিৰ মাজেদি আহি হুচৰি ৰঙ্গমঞ্চত

উপনীত হ'ল। হুঁচৰি ৰঙ্গমঞ্চত প্ৰবেশ কৰাৰ লগে লগে হুঁচৰিৰ মৌলিকতা নাইকিয়া হ'ল। হুঁচৰি গীতৰ ঠাইত বাৰে ৰঙলোৱা গীতে স্থান লাভ কৰিলে। কীৰ্ত্তন ঘোষা আৰু হুঁচৰি গীতৰ মাজত পাৰ্থক্য নাইকিয়া হ'ল। হুচৰি গীত, বিহুগীত, বিহুনাচ আদিত পশ্চিমীয়া সঙ্গীত আৰু নাচৰ প্ৰভাৱ পৰিবলৈ ধৰিলে।

বিহু নাচ গুচি বাইজী নাচ হ'ল। বিহু খোলাত পুৰুষে ছোৱালীৰ সাজ-পাৰ পিন্ধি বাইজী নাচ পৰিবেশন কৰিবলৈ ধৰিলে। ৰঙ্গমঞ্চৰ বিহু চাই উন্মত্ত হোৱা লোকে বিহুনাচ বুলি বাইজী নাচ নচা ( পুৰুষে ছোৱালীৰ সাজ-পাৰ পিন্ধি নচা ) নাচনিৰ গালৈ টকা দলিয়াই টকাৰ বাহাদুৰি দেখুৱাবলৈ ধৰিলে। অশ্লীল বুলি ভবিৰে গছকি মোহাৰি পেলোৱা প্ৰেম-প্ৰীতিৰ গীতক জন সাধাৰণে আঁকোৱালি ধৰি সজীৱ কৰি তুলিলে। ফলত ৰঙ্গমঞ্চ আৰু ৰেডিঅ' চেণ্টাৰত প্ৰেম-পীৰিতিৰ গীত অবাধে গাব পৰা হ'ল। ৰঙ্গমঞ্চৰ বিহুত নাচনীয়ে গছকত যঁতৰ ভঙা ঢোলৰ চেৱ নোহোৱা হ'ল। ঢোলৰ চেৱৰ লগত নাচনীৰ নাচোনৰ কোনো সঙ্গতি নাইকিয়া হ'ল। ৰঙ্গমঞ্চৰ ঢোলৰ চেৱত নাচনীৰ কলাফুল নলৰে। ঢোলৰ ঠাইত তবলা, বাঁহীৰ ঠাইত গীতাৰ, চেতাৰ হ'ল। ৰঙ্গমঞ্চৰ বিহু জৰি গছত পৰিণত হ'ল। কোনোবা এজোপা গছক আশ্ৰয় লৈ সৃষ্টি হোৱা জৰি গছ জোপাই ডাঙৰ দীঘল হৈ পুলিয়ে-পোখাই, ডালে পাতে, বিৰাট আকাৰ ধাৰণ কৰি মূল আশ্ৰিত গছ-জোপাক মাৰি পেলোৱাৰ দৰে ৰঙ্গমঞ্চৰ বিহুৱে নানা ৰূপ, নানা ৰহণ সানি বিহুৰ বাহ্যিক সৌন্দৰ্য্য বৃদ্ধি কৰিবলৈ গৈ মূল বিহুক মৌলিকতাহীন, অস্তিত্ব বিহীন কৰিলে।

## হুঁচৰি গীতৰ শ্ৰেণী বিভাজন :—

সোণোৱাল সকলে হুঁচৰি টকা লৈ গোৱা হুঁচৰি গীতক সাধাৰণতে চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি। ১। বাৰে মন্ত্ৰ ২। পোহাৰী গীত ৩। থিয় গীত আৰু ৪। বৰগীত।

১। বাৰে মন্ত্ৰ : শুকমুনি কৌটাল, ধাৰী-নিধাৰী, বালি মাটি সুভ্ৰণ ( বেৰৰ মাটি সুবৰ্ণ ) মৃত্যুকে জয়-জয়, পূবে ভঁৰাল, পশ্চিমে গঁৰাল, উত্তৰে ভাতৰ চৰু, দক্ষিণে গোহালিত গৰু, পোৱে জীয়ে বুকু জোৰাই থাই থাকিবলৈ শক্তি বিধান কৰক। তিনিশ তিনিকুৰি তিনিদিনৰ মূৰত বলি ৰজাৰ বিহু।

আমি ভাত নাই, পানী নাই বুলি ফুৰা নাই ; যুগৰ হে নিয়তি কৰিছো। এই দৰে বাৰে মন্ত্ৰৰে হুঁচৰি গোৱাৰ আৰম্ভ কৰাৰ অৰ্থ এইয়ে যে আদি দৈত্যগুৰু শুক্ৰাচাৰ্য্যই বলিকে আদি কৰি আদিম মানৱক বিভিন্ন জ্ঞানৰ শিক্ষা দিছিল। এই জ্ঞানৰ ফলত অনাৰ্য্য সকলে দেৱতা সকলৰ ৰাজ্য অধিকাৰ কৰি অনাৰ্য্যৰ শক্তি বিৰাজ কৰিছিল। কিন্তু বামনৰূপী বিষ্ণুৱে চক্ৰান্ত কৰি বলিক দমন কৰিবলৈ অহাত গুৰু শুক্ৰাচাৰ্য্যই সেই চক্ৰান্তৰ পৰা ৰক্ষা কৰিবলৈ বলিক যি সজ উপদেশ দি বামনক কোনো দান-দক্ষিণা নিদিবলৈ কৈছিল, সেই উপদেশ নমনাৰ বাবে বলি আৰু শুক্ৰাচাৰ্য্যৰ মাজত মনোমালিন্য হ'ল। তাৰ ফলস্বৰূপে বলিয়ে ত্ৰিপদ ভূমি বামনক দান কৰিবলৈ গৈ নিজে সৰ্ব্বস্বান্ত হৈ নিজ ৰাজ্য ত্যাগ কৰি পাতাললৈ যাব লগা হ'ল। এইদৰে বলিৰ পতন হোৱাত বলিৰ সন্তান কছাৰী সকলৰ বহুতো দুখ-কষ্ট, বিলাই-বিপত্তি ভোগ কৰিব লগা হৈছিল। শুকমুনি কৌটাল শব্দৰ যোগেদি এই বলি আৰু শুক্ৰাচাৰ্য্যৰ মনোমালিন্য আৰু বলিৰ পতনৰ কথাটোকে প্ৰতিপন্ন কৰা হৈছে।

ধাৰী-নিধাৰী : ধাৰী শব্দই মহা প্ৰলয়ৰ পাছত মহা বিষ্ণুৱে মহান শক্তিৰে ধীৰে-স্থিৰে পৃথিৱী সৃষ্টি কৰাৰ কথা ব্যক্ত কৰা হৈছে। সুস্থিৰ অৱস্থাত পৃথিৱী সৃষ্টি কৰাৰ পাছত পৃথিৱীৰ শ্ৰেষ্ঠ জীৱ বিলাকৰ মনত উদয় হোৱা আশা-আকাঙ্ক্ষা, কামনা-বাসনা আদি প্ৰবৃত্তিবোৰৰ কথাও এই ধাৰী শব্দৰ যোগেদি প্ৰতিপন্ন কৰা হৈছে।

নিধাৰী : নিধাৰী শব্দই নিবৃত্তি মাৰ্গৰ কথা সূচনা কৰে। অৰ্থাৎ মৰ্ত্যৰ লোকে জীৱনৰ সকলো আশা-আকাঙ্ক্ষা ত্যাগ কৰি ভগৱানৰ ওচৰত ভক্তি প্ৰদৰ্শন কৰি নিৰ্ব্বাণ লাভৰ জ্ঞানৰ উপলব্ধি কৰাৰ কথা প্ৰকাশ কৰা হৈছে।

বেৰৰ মাটি সুবৰ্ণ : এই শব্দই মৰ্ত্যৰ মানুহে প্ৰকৃতিৰ মহান জ্ঞান আৰু শক্তি লাভ কৰি মহাবিষ্ণুৰ সুবৰ্ণময় চাৰিজ্ঞান (সত্য, শৌচ, ক্ষমা, দয়া) উপলব্ধি কৰি আনন্দ লাভ কৰিব পৰাৰ কথা প্ৰকাশ কৰা হৈছে। কিছুমানে বেৰৰ মাটি সুবৰ্ণ বুলি নকৈ বালি মাটি সুভ্ৰণ বুলি গায়, যাৰ অৰ্থই আদিতে মানৱ গোষ্ঠীয়ে সাৰুৱা আৰু সহজতে শস্যৰ সুভ্ৰণ (গজালি মেলা) হ'ব পৰা বালি মাটি বিচাৰি নদীৰ পাৰৰ উপত্যকাবোৰত বসতি স্থাপন কৰাৰ কথা সূচনা কৰে।

"মৃত্যুক জয়-জয়, পূবত ভঁৰাল, পশ্চিমত গৰাল, উত্তৰে চৰু দক্ষিণে গৰু, পোৰে-জীয়ে বুকু জোৰাই খাই থাকিবলৈ শক্তি বিধান কৰক" আদি কথাবোৰে গৃহস্থৰ সৰ্ব্বমঙ্গল কামনা কৰাৰ লগতে অসমীয়া জন-সাধাৰণৰ গৃহনিৰ্ম্মাণৰ এক সুন্দৰ নিদৰ্শনো দাঙি ধৰাৰ কথা পৰিলক্ষিত হয়। ডাকৰ বচনতো উক্ত অসমীয়াৰ গৃহনিৰ্ম্মাণৰ আহি পোৱা যায়।

"পূবা পশ্চিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুক নাহিকে দৰ॥
পূবে ভঁৰাল, পশ্চিমে গঁৰাল।
উত্তৰে চৰু, দক্ষিণে গৰু॥
পশ্চিমে বাঁহ পূবে বেত।
উত্তৰে তামোল-পাণ, দক্ষিণে খেত"॥

এই দৰে বাৰে মন্ত্ৰৰে গৃহস্থৰ সৰ্ব্বপ্ৰকাৰৰ মঙ্গল কামনা কৰাৰ লগতে বলি ৰজাৰ পতনৰ কাহিনীটোকো অৰ্থাৎ তিনিশ তিনিকুৰি তিনিদিনৰ মূৰত বলি ৰজা পুনৰ এবাৰ নিজ সন্তান সকলৰ ওচৰলৈ আহে, এই বিশ্বাসেৰে পিছৰ বংশধৰ সকলক জনাই যোৱাৰ উদ্দেশ্যৰে বিহুৰ সময়ত ঘৰে ঘৰে, গাই ফুৰে; মাঙ্গলিক চৰণটোকে হুচৰি গীতৰ বাৰে মন্ত্ৰ বুলি কোৱা হয়।

২। পোহাৰী গীত: হুচৰি গীত শিৱই নন্দীভৃঙ্গীৰ দ্বাৰা তেওঁৰ ভক্ত কছাৰী সকলক শিকাইছিল বুলি কছাৰী সকলৰ জনশ্ৰুতিত উল্লেখ থকাৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। হিন্দু শাস্ত্ৰ লগত সম্বন্ধ থকা জনশ্ৰুতি মতে মহাসতী পাৰ্ব্বতীৰ মৃত্যুত দেবাদিদেৱ মহাদেৱ শিৱই পূৰ্ণ যৌৱন অৱস্থাতে বৰলা হ'ল। পূৰ্ণ যৌৱন অৱস্থাতে বৰলা হোৱাত শিৱৰ অন্তৰত যিবোৰ কামনা-বাসনা, আশা-আকাঙ্ক্ষা আছিল সি সম্পূৰ্ণ মথিমূৰ হ'ল। চিন্তাৰ বোজা বব নোৱাৰি পগলাৰ দৰে হ'ল আৰু অন্তৰত যি অপূৰণীয় কামনা-বাসনাৰ চিন্তা জাগি উঠিল তাক য'তে-ত'তে কোনো লাগ বান্ধ নোহোৱাকৈ পগলাৰ দৰে বেকত কৰি ফুৰিছিল। এই দৰে শিৱই পগলাৰ দৰে লাগ-বান্ধ নোহোৱাকৈ বেকত কৰি ফুৰা মাত-কথাবোৰকে কেন্দ্ৰ কৰি তেওঁৰ শিষ্য সকলে যিবোৰ গীতৰূপে গাইছিল, সেই গীতবোৰেই পোহাৰী গীত। শিৱই পগলা যেন হৈ ফুৰোত বহু সময়ত বহুতৰ ওচৰত বহুধৰণৰ লঘু-লাঞ্ছনা ভোগ কৰিব লগা হৈছিল। শিৱই ভোগ কৰিব লগা হোৱা এই

লঘু-লাঞ্ছনা, বিপদ-বিঘিনি, অপায়-অমঙ্গল আদি শিৱৰ জীৱন কাহিনীক কেন্দ্ৰ কৰি তেওঁৰ শিষ্য নন্দীভৃঙ্গীয়ে যি গীত ৰচনা কৰি কছাৰী সকলক দিছিল সেই বোৰ গীতেই হ'ল থিয় গীত।

জনশ্ৰুতি মতে সি যিকিয়েই নহওক লাগে, বৰ্ত্তমান জন-সমাজত প্ৰচলিত পোহাৰী গীত আৰু থিয় গীত বোৰৰ বেলেগ বেলেগ স্বকীয়া বৈশিষ্ট্য আছে। সাধাৰণতে পোহাৰী গীত বুলিলে কিছুমান সুৰ সংবদ্ধ আৰু লয়যুক্ত কৰি গোৱা ফকৰা-যোজনাক বুজায়। হুঁচৰি গীতৰ আদিম অৱস্থা হ'ল পোহাৰী গীত। এই পোহাৰী গীত কিছুমান ফকৰা-যোজনাত ৰচনা কৰা হৈছিল; সেয়েহে আদিতে হুঁচৰি গীত বুলিলে বাৰকুৰি ফকৰাৰ তেৰকুৰি যোজনাৰ কথাকে বুজাইছিল। ফকৰা-যোজনাৰ মাধ্যমেৰে হুচৰি গীতত জন-সাধাৰণৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাঙ্খা, কামনা-বাসনা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ চাল-চলন, শিল্প-কলা-সংস্কৃতি আদি সকলো ধৰণৰ কথা দাঙি ধৰা হয়। সেয়েহে পোহাৰী গীতৰ ফকৰা-যোজনাবোৰত চহা, সহজ, সৰল অসমীয়া জনসাধাৰণৰ এখন সুন্দৰ ছবি পৰিস্ফুট হোৱা পৰিলক্ষিত হয়।

৩। থিয় গীত :—থিয় গীতক কাহিনী গীত বুলি ক'লে বোধকৰো বৰ বেছি ভুল কৰা নহ'ব। থিয় গীত বোৰত জনজীৱনত ঘটি অহা বিভিন্ন ঘটনাক কাহিনীৰূপে বৰ্ণনা কৰা দেখা যায়। অতীতত ঘটি অহা বহুবোৰ ঘটনা বৰ্ত্তমান জনজীৱনৰ লগত ৰজিতা খোৱাকৈ ৰচিত আৰু সুৰ সংবদ্ধ কৰি গোৱা গীত বোৰেই থিয় গীত।

৪। বৰগীত : হুঁচৰি গীতৰ অন্তৰ্গত বৰগীত বুলি অভিহিত কৰা গীতবোৰক সাধাৰণতে হুয়দাং গীতৰ ৰূপান্তৰ বুলিছে ক'ব পাৰি। হুয়দাং গীতৰ দৰে বৰগীত বোৰত সোণোৱাল কছাৰীৰ অতীত বুৰঞ্জী, সাহিত্য-দৰ্শন, কলা-সংস্কৃতি আৰু জীৱনৰ হা-হুতাশ আদি সকলো কথাই প্ৰকট হোৱা পৰিলক্ষিত হয়। বৰগীত আৰু হুয়দাং গীতৰ মাজত বহুতো দিশত মিল যেন দেখিলেও দুইবিধ গীতৰ নিজৰ নিজৰ বেলেগ বেলেগ স্বকীয়া বৈশিষ্ট্য আছে। হুয়দাং গীত যি সুৰত আৰু বাদ্যযন্ত্ৰ লৈ গোৱা হয় হুঁচৰি বৰগীত বোৰ সেই সুৰ আৰু সেই বাদ্যযন্ত্ৰ লৈ গোৱা নহয়।

হুঁচৰিৰ বৰগীত অন্যান্য হুঁচৰি গীত গোৱাৰ পাছতহে গোৱা হয়। অৰ্থাৎ প্ৰথমে বাৰে মন্ত্ৰ, তাৰ পাছত পোহাৰী গীত, থিয় গীত আৰু সৰ্ব্বশেষত বৰগীত

গোৱা হয়। বৰগীত গালে বৰগীতৰ বাবে বেলেগে গামোচা চেলেং, দা-দক্ষিণাৰে শৰাই আগবঢ়াই সন্মান জনোৱাটো নিয়ম। বৰগীতৰ সুৰৰ এটা স্বকীয়া বৈশিষ্ট্য আছে। সাধাৰণতে বৰগীত বোৰ করুণ সুৰত গোৱা হয়। এই দৰে হুঁচৰি গীতৰ তাৎপৰ্য্য, সুৰ, আৰু গীতৰ গুৰু-গম্ভীৰতালৈ চাই সোণোৱাল কছাৰীৰ হুঁচৰিক চাৰিটা ভাগত ভাগ কৰা হৈছে।

**হুঁচৰি গীত সমূহ ঃ—**

বাৰে মন্ত্ৰ ঃ—এ গৃহস্থৰ ভাল, শুকমুনি কৌটাল, ধাৰৌ-নিধাৰৌ, বালিমাটি স্বভ্ৰণ (বেৰৰ মাটি সুবৰ্ণ) মৃত্যক জয়-জয় আগত ভঁৰাল, পাছত গঁৰাল, উত্তৰে চৰু, দক্ষিণত গোহালিত গৰু, পোৱে-জীয়ে, বুকু জোৰাই থাই থাকিবলৈ শক্তি বিধান কৰক। তিনিশ তিনিকুৰি তিনি দিনৰ মূৰত বলি ৰজাৰ বিহু। আমি ভাত নাই, পানী নাই বুলি ফুৰা নাই, যুগৰহে নিয়তি কৰিছোঁ।

**পোহাৰী গীত ঃ—১**

১। অ' হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে।
হুৰে হুৰে গীতক কোনে সৰজায়॥
২। মহাদেউ পাৰ্ব্বতী সিও সৰজায়।
৩। গজায় মনায় সিও সৰজায়।
৪। খিৰিং ৰজা দেউতা সিও সৰজায়।
৫। চাৰিশাল গোসাঁনী সিও সৰজায়।
৬। নাম ঘৰৰ ভাঙৰীয়া সিও সৰজায়।
৭। এটকা মহন্ত সিও সৰজায়।
৮। গাঁৱৰ চাৰি বুঢ়া সিও সৰজায়।
৯। অ' হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে।
হুৰে হুৰে গীতক কোনে সৰজায়।

---

হুচৰি গোৱাৰ আৰম্ভণিত যুগৰ বাণী বা বাৰেমন্ত্ৰে গৃহস্থৰ সৰ্ব্বমঙ্গল কামনা কৰি আশীৰ্ব্বাদ কৰাৰ লগতে কছাৰী সকল যে বলিৰ সন্তান আৰু তেওঁলোকৰ আদি গুৰু শুক্ৰাচাৰ্য্য আছিল আৰু সেই শুক্ৰাচাৰ্য্যৰ লগত বলিৰ

১০। মাছ ধৰি খায় লুইতৰ শিহু।
মঙ্গল বাৰে উৰুকা বুধ বাৰে বিহু॥
১১। লোহিতৰ শিহু ঐ মাছ ধ'ৰি খায়।
দোমাহী বিহু ঐ আহে আৰু যায়॥
১২। একেদন কাদন ঐ অমৃতৰ মাত।
বছৰেকৰ বিহুত ঐ গছে সলায় পাত॥
১৩। ছ বাৰীৰ বাঁহ ঐ সিবাৰীৰ বাঁহ।
দুই বাঁহে যুঁজ লাগে যায় চ'ত মাহ॥
১৪। একেডাল বাঁহৰে তেৰ ডাল কামি।
ল'ৰা-বুঢ়া চাপি আহ বিহু কৰোঁ আমি॥
১৫। পাকত দিলে শুকতি মাহত দিলে গাজ।
ল'ৰা-বুঢ়া বিহু কৰোঁ নাই কোনো লাজ॥
১৬। ক'ৰ পৰা আহিলা ক'ত দিলা ভৰি।
চোতাল ফাটি গ'ল চিৰা চিৰ কৰি॥
১৭। ইনালাহি আহি ঐ বিনালাহি আহি।
গৰখীয়ালোক পালেহি চোতাল প'ৰিল ঢাকি (ভৰি)

---

মনোমালিন্য হোৱাৰ ফলত পিতামহ বলিৰ পতন হ'ল তাক ব্যক্ত কৰা দেখা যায়। যুগবাণীৰ মতে বলিয়ে তিনিশ তিনি কুৰি তিনি দিনৰ মূৰত অৰ্থাৎ বছৰৰ বিহুৰ দিনা নিজ-সন্তান সকলৰ মাজলৈ পুনৰ এবাৰ আহে। গতিকে কছাৰী সকলে হুঁচৰি গাওঁতে এই বিশ্বাস ৰাখি উক্ত মাঙ্গলিক চৰণটো ঘৰে ঘৰে প্ৰচাৰ কৰি ফুৰে। ইয়াৰ পাছত হুঁচৰি গীতৰ পোহাৰী গীতেৰে হুঁচৰি গীত আৰম্ভ কৰা হয়। পোহাৰী গীতৰ প্ৰথম ভাগত মৰ্ত্যৰ মানৱ সমাজৰ গীত-পদ, ৰাগ-ৰাগিণীৰ সৃষ্টি তত্বৰ কথা দাঙি ধৰা হৈছে।

"হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে।
হুৰে হুৰে গীতক কোনে সৰজায়।
মহাদেউ পাৰ্ব্বতী সিও সৰজায়—"আদি গীতৰ অন্তৰালত সুৱচনী কুঁৱৰীয়ে স্বৰ্গলৈ গৈ স্বৰ্গৰাজাৰ পৰা গীত-পদ, ৰাগ-ৰাগিণী আদি আনি মৰ্ত্যৰ

১৮। পাণ লৈ আন বতীয়া লৈ আন তামোল কাটি খাই যাওঁ।
বেজী লৈ আন বতীয়া লৈ আন চোতাল সী যাওঁ।

১৯। লো হেন দাঁত ঐ জপকা হেন হাত।
সিয়েহে খায় ঐ চোকা ধপাত ॥

২০। চোতাল আগৰ বগৰী পাতে ৰোমা-জোমা।
ভাল বুলি বোৱাৰী আনিলোঁ হুদুৱে খোৱা চুমা ॥

২১। চোতাল আগৰ বগৰী পাত সেৰেং-ৰেঙ।
ভাল বুলি বোৱাৰী আনিলোঁ দাঁত সেৰেং-ৰেঙ ॥

২২। চোতাল আগৰ বগৰী পাত সেৰেং-ৰেঙ।
দিব-থব পাম বুলি কৰে ঝেং ঝেং ॥

২৩। নাক ফেনা-ফেনা ঐ জিকা ফেনা-ফেনা।
কোন কালে খাই পাম ঐ ঘৰীয়ামাছৰ চেনা ॥

২৪। লাউত দিবা হেণ্ডালি, জিকাত দিবা জেং।
দিব থব পাম বুলি কৰে ঝেং ঝেং ॥

২৫। চা-চা বোৱাৰী কি কি নিলে।
নালটো সলকাই কোৰখন নিলে ॥

২৬। একো চৰাই নাকান্দিলে কান্দিলেক হুদু।
ন বোৱাৰীয়ে ধান বানে চাউল কৰে খুদু ॥

---

মানুহৰ মাজত প্ৰচাৰ কৰা আৰু স্বৰ্গৰ পৰা ৰাগ-ৰাগিণী আনিবলৈ গৈ সুবচনী কুৱৰীয়ে যি বিপদৰ সন্মুখীন হ'ব লগা হৈছিল সেই সকলোবোৰ কথা অন্তৰ্নিহিত হৈ আছে।

পোহাৰী গাতত আদি মানৱে নিজ চকুৰে দেখি অনুভৱ কৰিব পৰা পৃথিৱীৰ চিৰন্তন সত্য ঘটনা বোৰক প্ৰকৃতিৰ স্বাভাৱিক ৰূপৰ লগত তুলনা কৰি প্ৰকাশ কৰাৰ প্ৰয়াস পৰিলক্ষিত হয়।

"মাছ ধৰি খায় লুইতৰ শিহু।
মঙ্গল বাৰে উৰুকা বুধবাৰে বিহু ।।
লোহিতৰ শিহু ঐ মাছ ধৰি খায়।
বছৰেকৰ বিহু ঐ আহে আৰু যায় ।।" আদি গীতৰ যোগেদি

শিহুৱে মাছ খোৱাটো, আকালৰ ভাত, বিপদৰ মাত অমৃত স্বৰূপ হোৱাটো

২৭। একো চৰাই নাকান্দিলে কান্দিলেক ফেঁচা।
নবোৱাৰীয়ে ভাত ৰান্ধে ভাত কৰে কেঁচা ॥

২৮। একো চৰাই নাকান্দিলে কান্দিলেক চীত।
তোৰ পৈয়েৰে বন নকৰে ঘূৰাই দিয়ে মিত ॥

২৯। মাকতকৈ হেনো জীয়েকেহে কাজী।
তাই হেনো কাটিছে ঢেঁকী থোৱাই পাজী ॥

৩০। লেখিব নাজানে ৰাচৰে বিহা।
তাই হেনো পিন্ধিছে সিংখাপৰ ৰিহা ॥

৩১। শুনিব লেতেৰা এলাগীৰ মাত।
দেখিব লেতেৰা বিহু চেৰা তাঁত ॥

৩২। খাট ঝাট ঐ উঘা ঘূৰাওঁ।
উঘা যে নূঘৰে কাটি পেলাওঁ ॥

৩৩। আম গছৰ আমৰলী মদাৰ গছৰ হলৌ।
সাত সতিনীয়ে তাঁত লগায় কৰে অলৌ-জলৌ

৩৪। তই খলিহা মই পুঠী একে বিলৰ মাছ।
তই মৰিলে মই কান্দিম কঁকাল ঘৰাই নাচ ॥

৩৫। উমনি কুকুৰা বাঁহ তলত চৰে।
নেজত ধৰি পালে কাৰ-কাৰ কৰে ॥

---

যেনে ধৰণৰ স্বাভাৱিক কথা তেনেকৈ দোমাহী বিহু মঙ্গল বাৰে উৰুকা হৈ বুধবাৰে বিহু হোৱাটো স্বাভাবিক কথা। এইদৰে দোমাহী বিহু বছৰে বছৰে আহে আৰু যায়। চ'তমাহ যোৱাৰ লগে লগে নতুন বছৰৰ আগমন হয়। প্ৰকৃতিয়ে যেন তেতিয়া নতুন সাজেৰে সুসজ্জিত হৈ মনোমোহা হৈ পৰে। বৰদৈচিলাই মাকৰ ঘৰলৈ ঢাপলি মেলে। বৰদৈ চিলাৰ সান্নিধ্যত যেন অধীৰা হৈ প্ৰকৃতি দেৱীয়ে অসংযত ভাবে নাচিবলৈ ধৰে। সেই নাচোনৰ বা লাগিয়েই বননি, ফুলনি, বাঁহনি কাঠনি আদি সকলোতে আনন্দত নাচোনৰ ৰোল উঠে। বসন্তৰ বা লাগি মানুহৰ মন উত্‌ৰাস হৈ আনন্দত নাচি উঠে' এই সকলোবোৰ চিৰ সত্য কথা হুঁচৰিৰ পোহাৰী গীতে সুন্দৰ ভাবে দাঙি ধৰিছে।

৩৬। আম ঠাল কেঁকোৰা থৈ আহোঁ গৈ।
যম ৰজা কেনেকুৱা চাই আহোঁ গৈ॥

৩৭। সুৰুই নবৈ থায় আহু-শালী।
নাকাটে নাবাছে কৰে আলি-জালি॥

৩৮। চোতাল আগৰ বগৰী ফুলে সুফুলে।
বৰককাইৰ বৰ বৌয়ে সোধে-নোসোধে॥

৩৯। কি ফুল ফুলিলে লতা বগাই।
পিন্ধিব নাপালোঁ খোপা ভৰাই॥

৪০। জোল দিব পাৰোঁ মই পাচলি দিব পাৰোঁ।
চকু চেলাই চাই বুঢ়া তাৰ ভয়ত মৰোঁ॥

৪১। মোৰ পো খিতিঙা শাকত নাথায় লোণ।
বেৰৰ জলঙাৰে চাই পঠিয়ায় খিতিঙানে কোণ॥

৪২। আহ ঐ জীয়াৰী গোটি বোলাওঁ।
গোটি যে নোবোলে কাটি পেলাওঁ॥

৪৩। চাৰিওটি হাঁহ পোৱালি নাদৰ পাৰত চৰে।
গৰখীয়া ল'ৰাই কোবাই দিলে তেঁট তেঁট কৰে॥

৪৪। চা চা বোৱাৰী কি কি নিলে।
কাপোৰ খিনি থৈ হেনো জপাটো নিলে॥

৪৫। লাচকুঁচি কুঁচি ঐ লাচ কুঁচি কুঁচি।
জালুক বুলি খাই পালো আঠিয়াকলৰ গুটি॥

---

বিহুৰ সময়ত গৃহস্থৰ ঘৰত কোনো আগতীয়া খা-খবৰ নোহোৱাকৈ বিভিন্ন ঠাইৰ পৰা মানুহে হুঁচৰি গাবলৈ আহে। ডেকাল'ৰাৰ ঘিটঘিটনিত যেন চোতাল ফাটি যাওঁ ফাটি যাওঁ কৰে। চোতাল ভৰি ল'ৰা-ডেকা, বুঢ়া-মেথা সকলোৱে গৃহস্থৰ চোতালত নানা দুখ-সুখৰ কথা আলাপ-আলোচনা কৰে। গৃহস্থই জা-জলপান, তামোল-পাণ, আদিৰে ভকত সকলক সোধ-পোচ কৰে। কেতিয়াবা এই হুঁচৰি গাবলৈ অহা লোকৰ মাজৰ কিছুমান দন্দুৰালোকে হাই-কাজিয়া কৰি অশান্তি সৃষ্টিও কৰে। ফলত হুঁচৰি গাই থকা লোকৰ মাজত হুলস্থুলৰ সৃষ্টি হয়। তেনে অৱস্থাত গাঁৱৰ মুখিয়াল ব্যক্তি সকলে

৪৬। নৰাণিৰ কুচিয়া তৰাণিত চৰে।
নেজত ধৰি পাগে কেৰ-মেৰ কৰে ॥

৪৭। খাবলৈ লেতেৰা অদা ধানৰ চিৰা।
বহিব লেতেৰা ঠেং খঁৰা পীৰা ॥

৪৮। নহকুৰ পাত ঐ পনকুৰ পাত।
সুদা খোলাত তেল মাৰে কৰে যাত-যাত ॥

৪৯। বীণ বায় ক'ত বাঁহী বায় ক'ত।
বীণ বাই বাঁহী নাই বিতিঙা হ'ল য'ত ॥

৫০ নৰাণি মৰাণি খৰচ আছে কোন।
জীয়াৰী নাই বোৱাৰী নাই গুলাই চাব কোন ॥

দোষ লাগি দঁদুৰা লোক সকলক সমাজৰ আগত থিয় কৰাই বিচাৰ কৰে। বিচাৰত অপৰাধী বুলি গণ্য হোৱা জনক তামোল-পাণ লৈ ৰাইজৰ ওচৰত আঁঠু লৈ সেৱা জনাই ক্ষমা খুজিবলৈ কয়। এই দৰে তামোল-পাণ ৰূপী বেজী-বতীয়াই ফাটি যোৱা চোতাল খন যেন সী দিয়ে। অর্থাৎ ভাঙি যাবলৈ ধৰা সমাজ খনক পুনৰ সংগঠন কৰে। তামোল-পাণ অসমীয়াৰ অতি আদৰৰ আৰু সন্মানৰ বস্তু। যি কাম লাখ টকাই কৰিব নোৱাৰে সেই কাম সামান্য তামোল-পাণ এটাই কৰিব পাৰে।

এইদৰে "কৰ পৰা আহিলা ক'ত দিলা ভৰি।
চোতাল ফাটি গ'ল চিৰা চিৰ কৰি ॥
পাণ লৈ আন তামোল লৈ আন কাটি খাই যাওঁ।
বেজী লৈ আন বতীয়া লৈ আন চোতাল সী যাওঁ ॥"

আদি পোহাৰী গীতে অসমীয়া চোতালৰ বিহুৰ স্বাভাৱিক প্ৰতিচ্ছবি এখন দাঙি ধৰিছে।

গৃহস্থৰ ঘৰত হুঁচৰি বহু সময় ধৰি গাই-বাই থাকিও যেতিয়া গৃহস্থ-গৃহিণীৰ পৰা কোনো সমিধান নাপায় তেতিয়া চোতালত হুঁচৰি গাই থকা লোক সকলে ঘৰৰ গৃহিণী, বোৱাৰী, জীয়াৰী, আদি সকলক নানা যোজনাৰে জোকাবলৈ ধৰে।

"চোতাল আগৰ বগৰী পাতে ৰোমা-জোমা।
ভাল বুলি বোৱাৰী আনিলোঁ হুতুৰে খোৱা চুমা ॥

**গোহাৰী গীত—২**

ইয়ৰি হুঁচৰি,
ইয়ৰি চৈতা,
পানী নাই নৈতা,
যিবা আছে ফাটি-ফুটি ২
সিও গ'ল ঘুমটি।
কড়ি লেখো অৰা-অৰা ২
আৰু লাগে বাৰ অৰা।
দুৱাৰ মুখত ড়ং দাং ২
বৰ ঘৈণীক সুধি চাওঁ।
দুৱাৰ মুখত অকা-বকা ২
বৰ ঘৈণীৰ কঁকাল ভগা।
ম'হ মৰিলে মক্ মকাই ২
গৰু মৰিলে নেগুৰ পকায়।
গৰুৰ শিং চাই লগাওঁ জৰু ( জৰী ) ২
হেলৌ-হেচৌ টানো গৰু।

---

লাউত দিবা হেডালি জিকাত দিবা জেং।
দিব থম পাম বুলি কৰে ঝেং ঝেং ॥

আদি যোজনাৰে অসমীয়া বোৱাৰী সকলৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথাকে দাঙি ধৰিবলৈ বিচৰা হৈছে। অসমীয়া বোৱাৰীয়ে ৰন্ধা-বঢ়া, ৰোৱা-তোলা, বোৱা-কটা আদি ঘৰুৱা কাম-কাজবোৰৰ উপৰিও আলহী-অতিথিক সোধ-পোচ কৰা, গাঁৱৰ বুঢ়া-মেথা, শহুৰ-শাহু, দদাই-খুৰী, বৰজনা আদি লোক সকলক সম্মান, আদৰ-যত্ন কৰিব লাগে। এই খিনি কৰিব নোৱাৰিলেই সমাজৰ দৃষ্টিত হেয় প্ৰতিপন্ন হ'ব লগা হয়। এই সকলোবোৰ কথা হুঁচৰি গীতৰ যোজনাবোৰত সুন্দৰ ভাবে প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়।

তাঁত শিল্প অসমীয়া নাৰীৰ এটা অবিচ্ছেদ্য অঙ্গ। বব-কাটিবলৈ নজনা অসমীয়া নাৰীৰ সমাজত অনাদৰ। বব-কাটিবলৈ নজনা তিৰোতাক অকাজী বুলি হেয় প্ৰতিপন্ন কৰে। বিহুৰ সময়ত বস্ত্ৰদান কৰাটো অসমীয়াৰ নীতি। সেয়েহে

চিপ চাই-চাই লেকাম জৰী ২
হেলেঔ হেলেঔ টঙাল জৰী।
দুৱাৰ মুখত পাতোঁ থোকা ২
যিমান পৰা ৰকা-ভকা।
দুৱাৰ মুখত কেঁচা পিঠা ২
বৰঘৈণীৰ কঁকাল ভঙা।
বাঁহ পাতে হৰ-হৰাই ২
চালত পৰি ধৰ ফৰায়
এদোণ ধানৰ দুদোণ তুঁহ ২
কথা হৈছে ফাঁক-ফুক।
ধপলা-ধপল কোমোৰা কাটোঁ ২
সাঙ্গী ভাৰ তুলাত জোখোঁ।
চালৰ ওপৰে মাৰোঁ ধুপ
গৰু মানুহ হুৱা চোৰ।

বিহুৰ আগে আগে অসমীয়া বোৱাৰী-জীয়াৰীয়ে এজোঁাটি কাপোৰ বৈ উলিয়াবলৈ যত্ন কৰে। বিহুৰ আগেয়ে বই কাটি শেষ কৰিব নোৱৰা বিহু চেৰা তাঁত দেখিলে হুচৰি গোৱা ৰাইজে এইদৰে গায় -

"শুনিব লেতেৰা এনাগাৰ মাত।
দেখিব লেতেৰা বিহু চেৰা তাঁত॥

আকৌ হুঁচৰি শৰাইত দান দিয়া বস্ত্ৰখন যদি চকুত লগা নহয় তেন্তে ঘৰৰ বোৱাৰী জীয়াৰীক উদ্দেশ্য কৰি হুঁচৰি গোৱা ৰাইজে এই দৰে গায়—

"লেখিব নাজানে ৰাচৰে বিহা।
তাই হেনো পিন্ধে সিংখাপৰ বিহা"
মাকতকৈ জীয়েক হে কাঁজী
তাই হেনো কাটে ঢেকী থোৰাই পাজী॥

কেতিয়াবা কেতিয়াবা গাঁৱৰ দুখীয়া-দৰিদ্ৰ লোকে নগৰ সমনীয়া সকলৰ লগত সমানে ফেৰ মাৰি বিহু কৰিবলৈ এৰি মনৰ বেজাৰতে বহি থাকে। তেনেস্থলত নগৰ সমনীয়া সকল আহি বিভিন্ন বুজনি দি বিহু কৰিবলৈ বিহু তলীলৈ

হেপায় পায় পোহাৰী বাই।
পাণ আনিবা পকা চাই।
তামোল আনিবা ভাঙৰ চাই।
চাগি আনিবা কেঁচা চাই।
ধঁপাত আনিবা চোকা চাই।
চূণ আনিবা নিকা চাই।
পাণ বিয়াবা চূণ চাই।
কেঁহা তামোল সোৱাদ পায়॥

৩॥ গীতঃ—ঘৈণী বাই কে, ঘৈণী ঘৰলৈ যায়। (খৰচাপৰ)
গোতিঃ—ঘৈণী বাই কে, ঐ লাহে লাহে কৰি চোতাল সাৰিবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি চৰা-পীৰা দিবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি চাহ-তামোল দিবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি ভাতে ৰান্ধিবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি ভাতে বিলাবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি মুহুদি দিবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি সমিধান দিবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি আশীৰ্ব্বাদ লবলৈ যায়।
ঘৈণী বাই কে ঐ লাহে লাহে কৰি বিদায় মাগিবলৈ যায়॥

---

লৈ যোৱাৰ কথা হুঁচৰি গীতৰ যোজনাত এইদৰে ব্যক্ত কৰিছে—

"তই খলিহা মই পুঠী একে বিলৰ মাছ।
তই মৰিলে মই কান্দিম কঁকাল ঘূৰাই নাচ॥

এই দৰে আখৰ বোধ নথকা হোজা-সহজ-সৰল লোকে মৌখিক ভাবে ৰচনা কৰা হুঁচৰি গীতৰ ফকৰা-যোজনা বোৰত হোজা, সহজ-সৰল অসমীয়া জন-জীৱনৰ এখন সুন্দৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়।

"ঘৈণী বাই কে ঘৈণী ঘৰলৈ যায়" হুঁচৰি গীতটিত বিহুৰ সময়ত হুঁচৰি গাবলৈ অহা ৰাইজক কেনেকৈ ঘৰৰ গিৰিহঁতে সোধ-পোচ কৰি আদৰ-সৎকাৰ কৰে তাক সুন্দৰ ভাবে ব্যক্ত কৰিছে। গাঁৱৰ হুঁচৰি

৪। গীত :—(১) ( খৰচাপ )

জিটুলী গছৰ তেতেলী তোলো নাই ;
চাউল চালিবলৈ চালনী নাই ॥

গীত :—(২) শীতলীকা তেতেলী তোলো নাই।
চাউল চালিবলৈ চালনী নাই ॥

গোতি :—সৰু জনীয়ে বুলিলে বৰজনীক বাই।
আলহী আহিছে কিহেৰে বা খায় ।।
ডাঙৰ জনীয়ে বুলিলে নকৰিবা চিন্তা
বাৰীত আছে পচলা তাকে আনি দিবা ।।
ক'তে থলে ছিগা কাঁচি ক'তে থলে দা ;
পচলা আনিবলৈ কোন জনী যা ?
ছিগা কাঁচি হাতত লৈ বান্ধনি হ'ল থিয়।
সৰু সৰু পচলাৰ উৰি গল জীৱ ।।
বৰ বৰ বিলাকে আলচিলে পাছে।
বান্ধনি নমৰিলে নোলাওঁ আমি গাজে ।।
কাটিলেক পচলা আনিলেক টানি।
জেওৰাতে খোঁচ খাই বান্ধনি হ'ল কাণী ।।
আনিলেক পচলা মজিয়াতে থলে।
পচলাৰ পানী হেনো মজিয়া খনত বলে ॥
বৰ বৰ বিলাকে চালে-বেৰে ৰ'ল।
সৰু সৰু বিলাকে থিয় তল গ'ল ।।
চৰু উটিল, তাৰু উটিল, উটিল চাঙৰ মৈ।
সাতখন গাঁৱৰ মানুহ আহি পানী সিঁচিল গৈ ॥
সিজালেক পচলা মুগুচালে চেঁচু।
তাৰ মাজত ওলালে জিলিকাং কেঁচু ।।
সিজালেক পচলা মুঠিলেক পাগে।
পচলা চোবাওঁতে শোৱা ল'ৰা জাগে ॥
সিজালেক পচলা নিদিলেক তেল।
কিনো ভাঙি যাবা বান্ধনিৰ মেল ।।

সজালেক পচলা নিদিলেক লোণ।
ববজনাই বুলিলে বান্ধনিনো কোন?

যেই বান্ধনিয়ে বান্ধিছে সেই বান্ধনিয়ে থক।
তাক মাৰিয়ে হেঁচিছে পেটলৈকে য'ক॥

শীতলীকা তেতেলি তোলো নাই।
চাউল চালিবলৈ চালনী নাই।

---

গাবলৈ অহা বাইজক ঘৰৰ গিৰিহঁতে চৰা-পীৰা দি বহিবলৈ দিয়াৰ লগে লগে চাহ তামোল জা-জল-পান দি সোধ-পোচ কৰে। হুঁচৰি গোৱা বাইজলৈ চেলেং, গামোচা, দান-দক্ষিণা, গুৱা-পাণ সহ শৰাই এখন আগ বঢ়াই ঘৰৰ অপায়-অমঙ্গল, বিপদ-বিঘিনি, মাৰি-মৰক দূৰ কৰি বছৰটোৰ বাবে মঙ্গল কামনা কৰি বাইজৰ পৰা আশীৰ্বাদ লয়। এই দৰে হুঁচৰি গোৱা বাইজক মান-সংকাৰ কৰি থুৱাই বুৱাই বিদায় দিয়াৰ সকলোবোৰ কথা উক্ত গীতটিত সুন্দৰ ভাবে দঙি ধৰা হৈছে। সেইদৰে "ঢোল ঢোল মাধে মদাৰৰ ফুল" হুঁচৰি গীতিটিৰ যোগেদিও সেই একে কথাকে ব্যক্ত কৰিছে।

"জিটুলী গছৰ তেতেলী তোলো লাই।
চাউল চালিবলৈ চালনী নাই॥" এই হুঁচৰি গীতটিয়ে অসমীয়া গাঁৱলীয়া ঘৰুৱা জীৱনৰ এটি বাস্তৱিক পৰিবেশৰ ৰূপ দাঙি ধৰিছে। কাম-বন নকৰা খিতিঙা ভাই-ককাই কেইজন মানেৰে ভৰা টোকোনা ঘৰ এখনলৈ আলহী আহিলে ঘৰৰ জা-জোৱালীহঁতে কেনে ধৰণেৰে আলহীক সোধ-পোচ কৰিব তাক লৈ চিন্তাত পৰে। জিটুলী আৰু তেতেলী তলৰ দুডৰা লাইশাকৰ বাহিৰে ঘৰত একো নথকা আনকি চাউল চালিবলৈও ঘৰত চালনী নথকা এখন ঘৰৰ জা-জোৱালীহঁতে কেনে ধৰণৰ পৰিস্থিতিৰ মাজত পৰি বাৰীৰ পচলা আনি ৰান্ধিব লগা হ'ল আৰু পচলা ৰান্ধিবলৈ গৈ কি অৱস্থাৰ সন্মুখীন হ'ল তাক সুন্দৰভাবে ব্যক্ত কৰিছে। উক্ত

৫। গীত :—শীতলীকা তেতেলী তোলো লাই ( খৰচাপৰ )
চাউল চালিবলৈ চালনী নাই।

গোতি :—কিনো ঘৰলৈ দিলি ঐ আই ,
ঘৰ বুলিবলৈ চাল-বেৰ নাই।

কিনো ঘৰলৈ দিলি ঐ আই ,
চাউল চালিবলৈ চালনী নাই।

কিনো ঘৰলৈ দিলি ঐ আই,
বহিবলৈ দিবলৈ চৰা-পীৰা নাই।

কিনো ঘৰলৈ দিলি ঐ আই ,
নাদৰ পানী টুপি আনিবলৈ নাই।

কিনো ঘৰলৈ দিলি ঐ আই ,
বাহী গা ধুবলৈ তিয়নী নাই।

কিনো ঘৰলৈ দিলি ঐ আই
আলহী সুধিবলৈ তামোল-পাণ নাই।

শীতলীকা তেতলী তোলো লাই
চাউল চালিবলৈ চালনী নাই।

---

গীতটিত বাস্তিব-বাটিব নজনা গাঁৱলীয়া আজলী তিৰোতাৰ স্বাভাৱিক ৰূপ এটিও দাঙি ধৰা হৈছে।

"সিজালেক পচলা সুঠিলেক পাগে।
পচলা চোবাওঁতে শোৱা ল'বা জাগে॥" আদি হাস্য ৰসে গীতটিক আৰু ৰসাল কৰি তুলিছে।

সেই দৰে শীতলীকা তেতেলী তোলো লাই,
চাউল চালিবলৈ চালনী নাই॥" আন এটি গীতত কোনো দিনে অভাৱ-অনাটনৰ কথা অনুভৱ নকৰা এগৰাকী গাঁৱলীয়া ছোৱালী মাক-বাপেকে জোৰ কৰি এটি টোকোনা পৰিয়াললৈ বিয়া দিয়াৰ ফলত উদয় হোৱা আজলী ছোৱালীৰ করুণ মনোবেদনা সুন্দৰ ভাবে দাঙি ধৰা হৈছে।

৬। গীত :— অ' ঢোল মাধৈ মদাৰৰ ফুল ;
ঢোল মাধৈ মদাৰৰ ফুল ।

গোতি :— এ চোতাল সাৰোঁতে কঁকাল ভাঙিব ;
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল
এ চৰা-পীৰা দিওঁতে কঁকাল ভাঙিব ,
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল ।
এ তামোল-পাণ দিওঁতে কঁকাল ভাঙিব ;
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল ।
এ চাহ্ জল পান দিওঁতে কঁকাল ভাঙিব ;
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল ।
এ পানী আনোতে কঁকাল ভাঙিব ;
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল ।
এ মুহুদি দিওঁতে কঁকাল ভাঙিব ,
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল ।
এ সমিধান দিওঁতে কঁকাল ভাঙিব ,
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল ।
এ আঠু লওঁতে কঁকাল ভাঙিব ,
ধীৰে ধীৰে ঢোল ঢোল মাধৈ মদাৰৰ ফুল
ঢোল ঢোল মাধৈ মদাৰৰ ফুল ,
ঢোল মাধৈ মদাৰৰ ফুল ॥

৭। গীত :— হাচতি ঐ ৰাম নাৰায়ণ,
হাচতি লৈ যায় হৰে ॥

গোতি :— হাচতি হাচতি নহয় ডেকা ল'ৰা
থৈছে হাচতি বই ।
হাচতি লাহৰ ঐ টেমিটো কাহৰ
কটাৰী ম'হৰে শিং ।
হাচতি বগে ঐ শৰাইতে থলে
উৰি যায় বগৰে লগত ।

নাথায় চাৰি সাজি থাকিব পাৰোঁ মই
নিলাজী দোমাহীৰ লগত।
এখনি হাচতি দেখি মই থৈছোঁ
হৈ সাং মকৰাৰ জাল।
গাত লৈ ফুৰিলে বতাহে ফালিব
মুঠিত লৈ ফুৰিবৰ ভাল।
এ আগে বাচিলে ৰদমে কদম
ৰাইজে বেৰি বেৰি চায়।
এ আগে বাচিলে বাঘে ভালুকে
বাটত মানুহ ধৰি খায়।
এ আগে বাচিলে মুছলমান বাবৰা
সেই ফুল দেশতে নাই।
এ আগে বাচিলে নাচনী মইনা
ৰাইজে বেৰি বেৰি চায়।
এ আগে বাচিলে মাধৈ মালতী ফুল
গোন্ধতে মলে মলায়।
এ আগে বাচিলে পদুমৰ চকা
তুলনা পাবলৈ নাই।
এ আগে বাচিলে বাঘে ভালুকে
বাটত মানুহ ধৰি খায়।
এ আগে বাচিলে পাতালৰ কুকুৰা
ডাকতে ৰাতি পুৱায়।
ৰামক লিখিলে লক্ষণক লিখিলে
সীতাক না লিখিলে ভাৱে।
হাচতি গামোচা লিখি মই থৈছোঁ
চোৰাল তিনিখনি নাৱে।
চোৰাল তিনিখনি নাৱকো লিখিলে
তাকো না লিখিলে মিৰি।

হাচতি গামোচাত লিখি মই থৈছো
উজনি দেশৰে মিৰি।
মিৰিকো লিখিলে মিচিমিকো লিখিলে
তাৰো না লিখিলে হুৰা।
তাৰ পাছে ধৰি লিখাই পঠিয়ালে
দেউতাৰ পৰলা ঘোঁৰা।
কাজীও নহয় কৰমীও নহয়
নহয় খনিকৰৰ জী।
হাচতিৰ মূৰতে লিখি পঠিয়ালে
চতাই নাম চাওৰ মিৰি।
হাচতি ঐ ৰাম নাৰায়ণ
হাচতি লৈ যায় হৰে।

৮। গীত : এলেং পেলেং সৰু সূতাৰ চেলেং
হয়ে কি অহয়ে হয়ে লো হয়া ॥

গোতি :— এলেং মাৰি-মাৰি পাভ মাৰি-মাৰি
কুকিলা মাছৰে ভাৰ লো হয়া।

অসমীয়া নাৰী সৰ্ব্ব সাধাৰণতে একো একো পৰাকী পৈণত শিপিনী। তেওঁলোকে নিজক নিজৰ অত্যাৱশ্যকীয় সকলো কাপোৰ-কানি বই লোৱাৰ উপৰিও উৎসৱে পৰ্ব্বে সন্মানিত ব্যক্তিক আৰু প্ৰিয়জনলৈ বস্ত্ৰ উপহাৰ দিয়ে। অসমীয়া নাৰীয়ে কাপোৰত এনে সুন্দৰ ফুল তুলিব পাৰে যাক দেখিলে মানুহে আচৰিত নহৈ নোৱাৰে। কাপোৰত ফুলৰ উপৰিও বাঘ ভালুক, চৰাই-চিৰিকতিৰ সাক্ষাৎ ছবিও সুন্দৰ ভাবে তুলিব পাৰে। ইমানেই নহয়, অসমীয়া নাৰীয়ে কাপোৰত ইতিহাসো ৰচনা কৰিব পাৰে। সেয়েহে জাতিৰ পিতা মহাত্মা গান্ধীয়েও অসমীয়া নাৰীৰ ফুলাম, ছাতে শুকুৱা, মুঠিতে লুকুৱা কাপোৰ দেখি কৈছিল —"অসমীয়া নাৰীয়ে কাপোৰত কাহিনী ৰচনা কৰিব পাৰে।"

কুকিলা মাছৰে তিনিকৈ থৰিকা
খোজে পোৱা মাছৰ ঝোল লৌ হয়া।
চেলেং সৰু সূতা ৰূপহী মদাৰ
মানীহে ( মামা ) ক'ত বা কাজী লৌ হয়া।
কাজীও নহওঁ কৰমীও নহওঁ
নইও থনিকৰৰ জী লৌ হয়া।
মোমাই বৰুৱাৰ জী সাতে জনী
তাৰে সৰু জনী কাজী লৌ হয়া।
তাৰে সৰু জনীক আনিব খুজিলোঁ
মাটিৰ মৃদং সাজি লৌ হয়া।
মাটিৰ মৃদং ধেমেহাই চাৰিলে
পৰিল বৰগছৰ শিপা লৌ হয়া

---

পলু পুহি তাৰ সূতাৰে তৈয়াৰ কৰা পাট, এডা, মুগা আদি কাপোৰ অসমীয়া শিপিনীৰ নিজস্ব অমূল্য অৱদান। অসমীয়া শিপিনীয়ে কাপোৰ তৈয়াৰ কৰিব পৰাৰ উপৰিও গছ-বনৰ ফল-মূল, পাত আদিৰ পৰা ৰং তৈয়াৰ কৰি কাপোৰত ৰং দিয়ে। এডী কাপোৰ ধুবলৈ ফুটছাইৰ দ্বাৰা গদ্ খাৰ তৈয়াৰ কৰে। গদ্ খাৰে কাপোৰ ধুলে কাপোৰ পৰিষ্কাৰ হোৱাৰ উপৰিও কাপোৰত এটা সুন্দৰ চিকচিকীয়া ৰং উঠে। অন্যান্য কাপোৰ ধুবলৈ ধানখেৰ পুৰি তাৰ দ্বাৰা এবিধ খাৰ তৈয়াৰ কৰে। এই দৰে নিজে ঘৰতে নানা বস্ত্ৰ-বস্তুৰ দ্বাৰা খাৰ তৈয়াৰ কৰি কাপোৰ ধোৱে। এ অসমীয়া নাৰীৰ নিজস্ব আবিষ্কাৰ।

অসমীয়া নাৰী যে পৈণত শিপিনী তাক "হাচতি ঐ ৰাম নাৰায়ণ হাচতি নৈ যায় হৰে" ৰু চৰি গীতটিৰ "এ আগে বাচিলে নাচনী মইনা,

বাইজে বেৰি-বেৰি, চায়।
এ আগে বাচিলে মাধৈ মালতী ফুল
গোন্ধতে মলে মলায়।
এ আগে বাচিলে পাতালৰ কুকুৰা
ডাকতে ৰাতি পুৱায়।"

ঈশ্বৰে দিলেও বিধতাই নিদিয়ে
ভগৱানে নকৰে কৃপা লৌ হয়া ।
আলি-জালি কৰি চাই পঠিয়ালোঁ।
ধৰিব নাজানে পাজী লৌ হয়া
একাজীয়ে পিন্ধিছে মুগাৰে মেখেলা
যায় গোমে-গোমে বাজি লৌ হয়া
এলেং পেলেং সৰু সুতাৰ চেলেং
হয়ে কি অহয়ে হয়ে লৌ হয়া ।।

৯। **গীত** :—হয় হয় এলেঙা ঐ,
হয় হয় এলেঙা ঐ ।

গোতি :—এলেং মাৰি-মাৰি পাভকে মাৰিলোঁ। ২
কুকিলা মাছৰে ভাটি এ···হেই ।
এলেং মাছৰে তিনিকৈ থৰিকা ২
কুকিলা মাছৰে খাজি এ···হেই ।
হয় হয় এলেঙা অলৌ লৌ তলৌলৌ । ২
হয় হয় এলেঙা ঐ
হয় হয় এলেঙা ঐ
এলেং মাৰি-মাৰি পাভ মাৰি-মাৰি ২
নাজানি মাৰিলোঁ শোল এ···হেই ।
এলেং মাছৰে তিনি থৰিকা ২
পাগে পোৱা মাছৰ বোল এ···হেই ।
হয় হয় এলেঙা অলৌ লৌ তলৌ লৌ ২
হয় হয় এলেঙা ঐ ,
হয় হয় এলেঙা ঐ ।
খেৱালী জালৰে গুৱা বাৰ কুৰি ২
পাহৰ হে লেখ-জোখ নাই এ···হেই ।
টিকনিত ধৰিলৈ মাৰোঁ হে এচোছা ২
সকলো একে ঠাই এ···হেই ।

---

আদিৰ যোগেদি সুন্দৰ ভাবে ব্যক্ত কৰিছে

হয় হয় এলেঙা অলৌ লৌ তলৌ লৌ ।২
হয় হয় এলেঙা ঐ ,
হয় হয় এলেঙা ঐ ।
হাতো ভাঙৰ ভাঙৰ ভৰি ভাঙৰ ভাঙৰ ২
ভাঙৰটো পোৰে জীয়ে এ···হেই
এখন দি কৰিবা কি এ···হেই ।
হয় হয় এলেঙা অলৌ লৌ তলৌ লৌ ।২
হয় হয় এলেঙা ঐ ,
হয় হয় এলেঙা ঐ ।

১০ । **গীত :**-- জুৰাই হ ৰামতী বাই ঐ ,
ক'লী সৰমতী বাই ঐ ।

**গোতি :-** চাপৰি চাপৰি মই তোলোঁ বাৰৰি
পুৰণি হাৰামৰ কচু ।
সমনীয়াৰ মাজতে চেনাইক মই নেদেখো
কিনো মোৰ জুই লগা চকু ।
কেনৈ আই তুলিলি মোৰে আই দুখুনী
চাপৰ পানী কচু খুৱাই ।
সৰু কালতে মাৰি মোক নেপেলালি
কুমাৰী চকতে ভৰাই ।
চাৰি পৰ্বতত কিহে গিৰে-গিৰাই
হাবিত পৰ ৰখিসে দেৱে,
বৰগছ ভঙা দি মোৰ মন ভাঙিছে
বুঢ়াওঁতা ন'হল মোৰ কেৱে ।
ইকৰা মাৰিৰে তামোলটো পাৰিলোঁ
ৰঘুমলা গছৰে চালি ।
সাতঘৰ খুজি চূণ-পাণ নাপালোঁ
সেই গুণে নাহিলোঁ কালি ।
অয়া শামুকৰে চয়া শৰীলৰে
অয়া শামুকৰে চয়া

শাত ঘৰ খুজি তামোল খন নাপালোঁ।
আমাৰ হে কপালখন বেয়া।
হুৰাই হ ৰাময়ী বাই ঐ'
ক'লী সক মতী বাই ঐ।

১১। গীত : চতাই কমলা ঐ যায় হেহ হেই,
আৰু ৰহিমলা ঐ যায় হেই হেই।

গোতি : কি লাগি আহিলা ঐ যায় হেই হেই
বিহু ভাৰ এখনি ঐ যায় হেই হেই।
কি লাগি নিজানৰ ঠাই ঐ যায় হেই হেই।
কালৈ কাটিলা ঐ যায় হেই হেই।
ৰাঙলী পচলা ঐ যায় হেই হেই।
কালৈ ৰান্ধিলা চাই ঐ যায় হেই হেই।
পিতাদেউ বুলিলে ঐ যায় হেই হেই।
মোৰে জী আহিছে ঐ যায় হেই হেই।
দঁতাল চাই গাহৰি মাৰোঁ ঐ যায় হেই হেই।
আইদেউ বুলিলে ঐ যায় হেই হেই।
মোৰে জী আহিছে ঐ যায় হেই হেই।
চুকৰ মদ একলহ চাকো ঐ যায় হেই হেই
ককাইদেউ বুলিলে ঐ যায় হেই হেই হেই।
মোৰ ভনী আহিছে ঐ যায় হেই হেই।
মই যাওঁ বজাৰ খন কৰোঁ ঐ যায় হেই হেই।
ভাইদেউ বুলিলে ঐ যায় হেই হেই।
মোৰ বাই আহিছে ঐ যায় হেই হেই!
পকা তামোল থোকি পাৰোঁ ঐ যায় হেই হেই

বিহুৰ সময়ত নতুন জী-জোঁৱাইহঁতে মাক-বাপেকৰ ঘৰলৈ বিহুৰ ভাৰ আনি ভোজ-ভাতৰ মেলা পাতি নতুন মিতিৰৰ চা-চিনাকি দিয়াটো অসমীয়াৰ নীতি। সেই দৰে চতাই, কমলা; ৰহিমলা হুৰেবাই ৰাময়ী, ক'লীমতী, ভেচনদৈ আদি নতুনকৈ বিয়া দিয়া জীহঁতে বিহুৰ সময়ত যেতিয়া মাকৰ

ভনীয়ে বুলিলে ঐ যায় হেই হেই।
মোৰ বাই আহিছে ঐ যায় হেই হেই।
বাহী চোতাল সাৰোঁ ঐ যায় হেই হেই।
বৌ দেউ বুলিলে ঐ যায় হেই হেই।
মোৰ নন্দা আহিছে ঐ যায় হেই হেই
মূৰত তোলে তুলিয়া তাৰো ঐ যায় হেই হেই।
আগতে পিতাদেউ ঐ যায় হেই হেই।
কিয় মাতিছিলি ( গালী ) ঐ যায় হেই হেই।
খহাইছ মোৰে খাই ঐ যায় হেই হেই।
এতিয়া পিতাদেউ ঐ যায় হেই হেই
গণিতা কৰিছ ঐ যায় হেই হেই।
বাটি ধুই দিওঁতো নাই ঐ যায় হেই হেই।
আগতে আইদেউ ঐ যায় হেই হেই।
কিয় মাতিছিলি ঐ যায় হেই হেই।
খহাইছে মোৰে খাই ঐ যায় হেই হেই।
এতিয়া আইদেউ ঐ যায় হেই হেই।
গণিতা কৰিছ ঐ যায় হেই হেই।
বাহী চোতাল সাৰোঁতা নাই ঐ যায় হেই হেই
আগতে ককাই দেউ ঐ যায় হেই হেই।
কিয় মাতিছিলি ঐ যায় হেই হেই।
খহাইছ মোৰে খাই ঐ যায় হেই হেই।
এতিয়া ককাইদেউ ঐ যায় হেই হেই।
গণিতা কৰিছ ঐ যায় হেই হেই।
আগধৰা বোৱাৰী নাই ঐ যায় হেই হেই।
আগতে ভাইনোদেউ ঐ যায় হেই হেই।

---

ঘৰলৈ বিহুৰ ভাৰ আহে তেতিয়া মাক-বাপেকৰ আনন্দৰ অন্ত নাইকিয়া হয়। ঘৰৰ সকলোৱে জী-জোঁৱাইৰ বিহুৰ ভাৰ ভাঙি ( প্ৰীতি ভোজ পাতি ) ৰাইজক খুৱাবলৈ তৎপৰ হয়। ঘৰৰ মাক-বাপেক, ভাই-ভনী আদি সকলোৱে জী-জোঁৱাই, বইনাই-জেঠেৰি, বাই ভিান বুলি প্ৰীতিভোজ পাতি ৰাইজৰ

কিয় মাতিছিলি ঐ যায় হেই হেই।
খহাইছ মোৰে খাই ঐ যায় হেই হেই।
এতিয়া ভাইনোদেউ ঐ যায় হেই হেই
গণিতা কৰিছ ঐ যায় হেই হেই
কাপোৰ ধুই দিওঁতা নাই ঐ যায় হেই হেই।
আগতে বৌ দেউ ঐ যায় হেই হেই
কিয় মাতিছিল ঐ যায় হেই হেই।
খহাইছ মোৰে খ ই ঐ যায় হেই হেই।
এতিয়া বৌদেউ ঐ যায় হেই হেই।
গণিতা কৰিচ ঐ যায় হেই হেই।
বাহী চোতাল সাৰোঁতা নাই ঐ যায় হেই হেই।
আয়ে বিয়া দিলে ঐ যায় হেই হেই।
জপাৰ বৰ কাপোৰ ঐ যায় হেই হেই।
ভাৰত মেট-মেটাই ঐ যায় হেই হেই।
পিতায়ে বিয়া দিলে ঐ যায় হেই হেই।
দঁতাল হাতীক ঐ যায় হেই হেই।
লোকৰ কল ভাঙি খায় ঐ যায় হেই হেই।
ককাইয়ে বিয়া দিলে ঐ যায় হেই হেই।
ক'লা দমৰাটিক ঐ যায় হেই হেই।
জাকত চলে-বলায় ঐ যায় হেই হেই।
বৌয়ে বিয়া দিলে ঐ যায় হেই হেই
কলীয়া চৰটিক ঐ যায় হেই হেই।
মৰিলেও লগতে যায় ঐ যায় হেই হেই।
চতাই কমলা ঐ যায় হেই হেই।
আৰু ৰহিমলা ঐ যায় হেই হেই ॥

---

আগত নতুন মিতিৰৰ চা-চিনাকি দি অপাৰ আনন্দ লাভ কৰে। জী-জোৱাই-ইতে দক্ষিণা, গুৱা-পাণ এটিৰে সৈতে ৰাইজৰ সেবা জনাই আশীৰ্বাদ লয়। এই সকলোবোৰ কথা "চতাই কমলা ঐ যায় হেই হেই। আৰু ৰহিমলা

১২। গীত :— টিপচী এ মাৰ মাৰ কৰে, ( খৰচাপ )
টুলীয়া সাৰেং ঐ পৰি খৰি মৰে।

গাতি : — একো চৰাই নাকান্দিলে
কান্দিলেক শালিক।[২]
বৰঘৈণীয়ে ভাত দিয়ে
কৰে তালিক-বালিক॥
একো চৰাই নাকান্দিলে
কান্দিলেক বগ।[২]
নৰ ঘৈণীয়ে ভাত ৰান্ধে,
কৰে তক-বক॥
একো চৰাই নাকান্দিলে
কান্দিলেক ফেঁচা।[২]
সৰু ঘৈণীয়ে ভাত ৰান্ধে,
ভাত কৰে কেঁচা॥
একো চৰাই নাকান্দিলে
কান্দিলেক হুদু।[২]
সৰু ঘৈণীয়ে ধান বানে
চাউল কৰে খুদু।
একো চৰাই নাকান্দিলে
কান্দিলেক এৰা।[২]

ঐ যায় হেই হেই" গীতটিত সুন্দৰভাবে দাঙি ধৰা হৈছে। ইয়াৰ উপৰিও চতাই কমলা, ৰহিমলা, হুৰেবাই, ৰামতী, ক'লীমতী আদি জী ইঁত মাকৰ ঘৰত থকাৰ সময়ত ঘৰৰ সকলো কামতে আগ ভাগ লৈ মাক-বাপেক, ককাই-ভাই, ভনীক সহায় কৰিছিল। কিন্তু সিইঁতৰ বিয়া হৈ যোৱাত ঘৰৰ কামত কেনে ধৰণৰ অসুবিধা হৈছে তাকো উক্ত গীতটিত সুন্দৰ ভাবে পৰিস্ফুট হৈছে। এই দৰে হুঁচৰিৰ পোহাৰী গীত বোৰত হোজা সহজ সৰল অসমীয়া জন-জীৱনৰ এখন সুন্দৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়।

বাঢ়নীৰ খোঁচ খাই
ঘৈণীৰ চকু হ'ল খেনা ॥
টি পচী এ মাৰ মাৰ কৰে,
টুলীয়া সাৰেং ঐ পৰি ধৰি মৰে।

## হুঁচৰিৰ খিয়গীত

১৩। গীত :– হাতত কাৰফাই ল হেৰ দদাই
মাৰ ঐ বালি চৰাই ॥

গোতি : কাড়োৰা ককায়েৰে কাঁড় খেল খেলিলে মাৰ ঐ বালিচৰাই
খেকেৰা গছলৈ চাই ,, ,, ,,
কাঁড়ো নাহিলে ককাইও নাহিলে ,, ,, ,, ।
খেকেৰা ডুটিকে পাই শৰীলৰে ,, ,, ,, ।
ৰজাই গৈছিল পহু মাৰিবলৈ ,, ,, ,, ।
চুঙতে গধূলি হ'ল শৰীলৰে ,, ,, ,, ।
সমনীয়াই সুধিলে কমে কি বুলি ,, ,, ,, ।
জাল ফালি হৰিণা গলে শৰীলৰে ,, ,, ,, ।
ৰজা গৈছিল মৃগ মাৰিবলৈ ,, ,, ,, ।
কুঁৱৰীৰ মনতে ৰং শৰীলৰে ,, ,, ,, ।
কাণত পিন্ধিলে নৰা জাংফাই ,, ,, ,, ।
মূৰত পিন্ধিলে ৰাবৰী চং শৰীলৰে ,, ,, ,, ।
হাতত কাৰফাই ল হেৰ দদাই।
মাৰ ঐ বালি চৰাই।

হুঁচৰিৰ খিয় গীত এক প্ৰকাৰ কাহিনী গীত। হুচৰিৰ খিয় গীতত মণি কোঁৱৰ, ফুল কোঁৱৰ, নাহৰৰ গীত, জনাগাভৰুৰ গীত তথা অতীত অসমৰ বহুবোৰ ঐতিহাসিক কাহিনী সুন্দৰভাৱে বৰ্ণনা কৰা দেখা যায়।

"হাতত কাৰফাই, ল হেৰ দদাই, মাৰ ঐ বালি চৰাই" গীতৰ যোগেদি জন্তুৰ ভিতৰত হুগৰি পহু, চৰাইৰ ভিতৰত বনকুকুৰা আৰু বালি চৰাই হ'ল আটাইতকৈ চতুৰ, গতিকে এই চতুৰ হুগৰি পহু, বনকুকুৰা আৰু

১৪। গীত :—হৰাই ল সৰগৰ তৰা চাই থাক ঐ নিলগৰ পৰা।

গোতি :—ৰসেৰে নহলে ধৰিব নোৱাৰি চাই থাক ঐ নিলগৰা পৰা।

সোণাৰী শালৰে সোণ শৰীলৰে চাই থাক ঐ নিলগৰ পৰা।

চকুৰা নহলে পুৰিব নোৱাৰি ,, ,, ,, ,, ,,।

চতাই নামচাঙৰ লোণা শৰীলৰে ,, ,, ,, ,, ,,।

এক মঙ্গলবাৰে লফাডাল কাটিলে ,, ,, ,, ,, ,,।

তিনি মঙ্গলবাৰে যায় শৰীলৰে ,, ,, ,, ,, ,,।

ভাৰখোৰ বান্ধোতে যতনা কৰোঁতে ,, ,, ,, ,, ,,।

লফাৰ পাত লেৰেলি যায় শৰীলৰে ,, ,, ,, ,, ,,।

ভাতে ৰান্ধি দিয়া খাওঁ শৰীলৰে ,, ,, ,, ,, ,,।

পানী আনি দিয়া খাওঁ শৰীলৰে ,, ,, ,, ,, ,,।

লোকে মহডীয়া মহডে পালেগৈ ,, ,, ,, ,, ,,।

মইনো মহঙলৈ যাওঁ শৰীলৰে ,, ,, ,, ,, ,,।

ককাই মহডীয়া মহঙলৈ নাযাবি ,, ,, ,, ,, ,,।

নাখাওঁ ডোখৰীয়া লোণ শৰীলৰে ,, ,, ,, ,, ,,।

ক'ৰবাত কেনেবাকৈ পৰ্ব্বত খহি মৰিবি ,, ,, ,, ,,।

তোৰে কৈ কান্দিব কোন শৰীলৰে ,, ,, ,, ,, ,,।

গীত :- সোণৰ মাঙ্গলী ল হেৰ দদাই ৰূপৰ মাদুলীল।

গোতি :- "ছুকুৰি টকা সেনেৰে মাদুলী গঢ়ালে
দুই মূৰে পোৱালৰ বাখৰ।
বালিক মাৰিবলৈ ৰাম ওলালে
লক্ষ্মণে আছিলে চাই।

---

বালি চৰাইক যিজনে মাৰিব পাৰে তেওঁহে প্ৰকৃত চিকাৰী এই কথা খিনি ব্যক্ত কৰা হৈছে।

কিন্তু এই গীতটিৰ সম্পৰ্কত এই বুলিও মত পোষণ কৰা দেখা যায় যে বালি সুগ্ৰীৱৰ যুদ্ধত ৰামে বালিক বধ কৰিবলৈ লওঁতে বালি-সুগ্ৰীৱ দুয়ো ভাইক একে যেন দেখি নানা চিন্তাত পৰি কৰ্ত্তব্যৰ পৰা বিচলিত হৈ পৰা দেখি ভায়েক লক্ষ্মণে ৰামক কৈছে—দাদা, সুগ্ৰীৱৰ মঙ্গলৰ বাবে তুমি বালিক চৰাই জ্ঞান কৰি

দিনত খাই মৰে নগা দাম-ডুমে চাই থাক ঐ নিলগৰ পৰা।
ৰাতি খায় পথৰা জোকে শৰীলৰে " " " " "
কচু পেপা যেন বাজিছ তই ককাই ঐ " " " " "
তোৰে হৈ কান্দিব কোনে শৰীলৰে " " " " "
মহঙ লেতেৰা দিহং লেতেৰা " " " " "
নাম চাং এৰি খোৱা ঠাই শৰীলৰে " " " " "
চপৰা হাতেৰে মাৰিব তোক ককাই ঐ " " " " "
তোৰে হৈ কান্দোতা নাই শৰীলৰে " " " " "
খেৰেম-বেৰেম দুয়ো মুখামুখি " " " " "
খেৰেমৰ লেতেৰা বাট শৰীলৰে " " " " "
কঁকাল থিয় কৰি চিঞৰি মাতিছোঁ " " " " "
তই হে শুগুন মাত শৰীলৰে " " " " "
হুৰাই ল সৰগৰ তৰা " " " " "
চপৰা হাতেৰে মাৰিব তোক ককাই ঐ
তোৰ হৈ কান্দোতা নাই। "আদি"।

বধ কৰা। নহলে সুগ্ৰীৱৰ লগতে আমাৰ উদ্দেশ্যও সফল নহ'ব। যুদ্ধত বালি আৰু সুগ্ৰীৱ দুয়ো ভাইক একে যেন দেখি কোন জন বালি আৰু কোনজন সুগ্ৰীৱ চিনিব নোৱাৰি ৰামৰ মতি ভ্ৰম হোৱা যেন দেখি লক্ষ্মণে ককায়েকক সিইত দুটাক যুদ্ধত চিনাক্ত কৰণৰ বাবে সোণৰ মাদুলী আৰু ৰূপৰ মাদুলী পিন্ধাই দিবলৈ কোৱাৰ কথা এই দৰে উল্লেখ আছে।

"হুৰাই ল সৰগৰ তৰা চাই থাক ঐ নিলগৰ পৰা—" এই গীতটিত এগৰাকী অবলা প্ৰেমিকাৰ বিৰহ বেদনা সুন্দৰ ভাবে প্ৰতিফলিত হৈছে। অতীজতে কছাৰী সকলৰ লোণৰ বাহিৰে একোৰেই অভাৱ নাছিল। তেওঁলোকে লোণৰ সেই অভাৱ পূৰণ কৰিবলৈ চতাই পৰ্ব্বতৰ নামচাঙৰ মহঙ লোণ পুঙৰ পৰা লোণ আনিব লগা হৈছিল। তেওঁলোকে মহঙৰ নগা সকলক নানা বয়বস্তু দিয়াৰ বিনিময়ত নগা সকলে তেওঁলোকক লোণ দিছিল। এই লোণ আনিবলৈ শদিয়াল কছাৰী সকলে নানা হিংস্ৰক জীৱ-জন্তুৰ আক্ৰমণৰ ফলত হোৱা জীৱন মৰণ সমস্যাক বুকুত বান্ধি দুৰ্গম অটব্য অৰণ্যৰ মাজেদি কেইবাদিন ধৰি বাটকুৰি

১৫। গীত :—"ধনে ল ধনে মলাই ফুল চং ঐ ফুলে মলায়

গোত্তি :—চিৰিপি চিৰিপি কৰি কাপোৰ ধুই আছিলে ফুল চং ঐ ফুলে মলায়।

চিৰি লুইতলৈ চাই শৰীলৰে ,, ,, ,,
চিৰি লুইতত কিৰিলি মাৰিলে ,, ,, ,,
ধনে নাও মেলি যায় শৰীলৰে ,, ,, ,,
ধনে নাও মেলে গিৰিজাও-গিৰিজাওঁ ,, ,, ,,
চেনাই মাৰে পাৰেদি লৰ শৰীলৰে ,, ,, ,,
মুঠিৰ তামোল খনি মুঠিতে শুকালে ,, ,, ,,
দিবলৈ নাপালে ছল শৰীলৰে ,, ,, ,,
ধনে গুৱাহাটীত বেহাব ওলালে ,, ,, ,,
কান্ধতে জোলোঙা লৈ শৰীলৰে ,, ,, ,,
ধনে গুৱাহাটীত বেহাব ওলালে ,, ,, ,,
বাটত জিৰালে বৈ শৰীলৰে ,, ,, ,,
ধনে গুৱাহাটীত বেহাব ওলালে ,, ,, ,,
পাৰতে সাজিলে ছৈ শৰীলৰে ,, ,, ,,
ধনে গুৱাহাটীত বেহাব ওলালে ,,
বাটত কিনি খালে কলা (কল) শৰীলৰে ,, ,, ,,
ধনৰে বাতৰি নাপাওঁ ভালে কৰি ,, ,, ,,
ঘঁতৰত ঘুঘুৰে শলা শৰীলৰে ,, ,,
ধনে গুৱাহাটীত বেহাব ওলালে ,, ,, ,,
বাটত কিনি খালে চাউল শৰীলৰে ,, ,,
ধনৰে বাতৰি নাপাওঁ ভালে কৰি ,, ,,
মন হ'ল আউল-বাউলে শৰীলৰে ,, ,, ,,

বাই মহভলৈ যাব লগা হৈছিল। গতিকে এনে জীৱন মৰণ পণ কৰি লোণ আনিবলৈ যোৱা ডেকা প্ৰেমিক জন পুনৰ ঘৰলৈ ঘূৰি আহিব নে নাহিব এই সন্দেহতে প্ৰেমিকাই এই দৰে বিলাপ কৰি গাইছে—

"ককাই মহভীয়া মহভলৈ নাযাবি
নাথাওঁ ডোখৰীয়া লোণ

ধনে গুৱাহাটীত বেহাৰ গুলালে ফুল চং ঐ ফুলে মলায়।
বাটত কিনি খালে বেল শৰীলৰে ,, ,, ,,
ধনৰে বাতৰি নাপাওঁ ভালে কৰি ,, ,, ,,
মুখতো লোৱা নাই তেল শৰীলৰে ,, ,, ,,
ধনে গুৱাহাটীত বেহাৰ গুলালে ,, ,, ,,
বাটত কিনি খালে চিৰা শৰীলৰে ,, ,, ,,
ধনৰে বাতৰি নাপাওঁ ভালে কৰি ,, ,, ,,
বহিবলৈ লোৱা নাই পীৰা শৰীলৰে ,, ,, ,,
ধনে গুৱাহাটীত বেহাৰ গুলালে ,, ,, ,,
বাটত কিনি খালে লং শৰীলৰে ,, ,, ,,
ধনৰে বেজাৰত বাহী গা ধুৱা নাই ,, ,, ,,
মনতো লগা নাই ৰং শৰীলৰে ,, ,, ,,
ধনবৰ সদাগৰে বেহাৰ গুলোৱা ,, ,, ,,
ৰাইজে সকলোৱে জানে শৰীলৰে ,, ,, ,,
ধনৰে বাতৰি শুনিব বিচাৰোঁ ,, ,, ,,
বাতৰি দিবহি কোনে শৰীলৰে ,, ,, ,,
ধনে ল ধনে মলাই, ,, ,, ,,

---

ক'ৰবাত কেনে বাকৈ পৰ্ব্বত খহি মৰিবি
তোৰে হৈ কান্দিব কোন ?"

সেই দৰে "ধনে ল ধনে মলাই ফুল চং ঐ ফুলে মলায়"—গীতৰ অন্তৰালত ফুলচং গাভৰু আৰু ধনবৰ সদাগৰৰ অকৃত্ৰিম প্ৰেম-মিলনৰ এখনি সুন্দৰ প্ৰতি ছবি দাঙি ধৰা হৈছে। ধনবৰ সদাগৰে গুৱাহাটীলৈ বেহাবলৈ যোৱাত প্ৰেয়সী ফুল চং গাভৰুৱে যি বিৰহ-বেদনাত জৰ্জৰিত হৈ কালাতিপাত কৰিব লগা হৈছিল তাক উক্ত গীতৰ মাধ্যমত ব্যক্ত কৰিছে।

শম্ভুদেউ ৰজাৰ পুতেক মণি কোঁৱৰৰ জীৱন কাহিনী ভাগো হুঁচৰি গীতত সুন্দৰ ভাবে ব্যক্ত কৰা দেখা যায়। মণিকোঁৱৰে লৰালি কালত নগৰ ল'ৰা-ছোৱালীবিলাকৰ লগত নানা খেল ধেমালিৰ মাজেদি চন্দ্ৰকলাৰ দৰে ডাঙৰ দীঘল হৈ আহিছিল। এইদৰে নগৰ ল'ৰা-ছোৱালীবোৰৰ লগত নানা খেল-

১৬। গীত :—(i) হুৰাই ল নাহৰ কলি
শৰাইতে মুকলি হ'ল ঐ
চৰাই চম্পা কলি।

গীত :—(ii) হুৰাই ল তামোল জৰা
শৰাইতে মুকলি হ'ল ঐ
ৰং দৈ জাপী ধৰা।

গীত :—(iii) ধনশিৰীৰ বগৰীৰ তলতে ৰাতি পুৱাই হেই

গোতি :– শঙ্খদেউ ৰজাৰে পুতেক মণিকোঁৱৰ
কিছুকৈ ক্ষতি-খুন নাই।
এবেলা দোলাতে এবেলা ঘোঁৰাতে
এবেলা খেড়ি খেলায়।
খেড়ি খেলায়ে ৰঙকে নেপালে
ঘিলা খেলিবলৈ যায়।
ঘিলা খেলিয়ে ৰঙকে নেপালে
হাঁহে যুঁজাবলৈ যায়।
হাঁহে যুঁজায়ে ৰঙকে নেপালে
ছাগে যুঁজাবলৈ যায়।
ছাগে যুঁজায়ে ৰঙকে নেপালে
গৰু যুঁজাবলৈ যায়।
গৰু যুঁজায়ে ৰঙকে নেপালে
ম'হে যুঁজাবলৈ যায়।
ম'হে যুঁজায়ে ৰঙকে নেপালে
হাতী যুঁজাবলৈ যায়।

---

খেমালি কৰি অৱশেষত নদীত গা ধুবলৈ যাওঁতে নদীৰ জল কুঁৱৰীয়ে কেনেকৈ মণিকোঁৱৰক হৰণ কৰি নিলে তাক—

হুহুৰাই ল নাহৰ কলি
শৰাইতে মুকলি হ'ল এ'
চৰাই চম্পা কলি।"

আৰু

হাতী ঘুঁজায়ে বগুকে নেপালে
নদীত গা ধুবলৈ যায়।
এখুজি-দুখুজি যায় আগবাঢ়ি
এপতা পানীলৈ যায়।
এপতা পানীতো কোঁৱৰৰ গা নুজুৰায়
এগাঁঠি পানীলৈ যায়।
এগাঁঠি পানীতো কোঁৱৰৰ গা নুজুৰায়
একাঁঠু পানীলৈ যায়।
একাঁঠু পানীতো কোঁৱৰৰ গা নজুৰায়
এ কঁকাল পানীলৈ যায়।
এ কঁকাল পানীতো কোঁৱৰ গা নুধুৰে
এবুকু পানীলৈ যায়।
এবুকু পানীতো কোঁৱৰ গা নুধুৰে
এডিঙি পানীলৈ যায়।
এডিঙি পানাতো কোঁৱৰ গা নুধুৰে
এমূৰ পানীলৈ যায়।
এমূৰ পানীতো কোঁৱৰ গা নুধুৰে
আথাবনি পানীলৈ যায়।
এজাবুৰ মাৰিলে লাহৰী কোঁৱৰে
ৰাজ গুৰুৰ ঘৰলৈ চাই।
এজাবুৰ মাৰিলে থানুৱা কোঁৱৰে
পুব দিশলৈ চাই

---

"হুৰাই ল তামোল জৰা
শৰাইতে মুকলি হ'ল ঐ
বং দৈ জাপি ধৰা।" আদি গীতৰ যোগেদি সুন্দৰ ভাবে দাঙি ধৰা হৈছে।

এই দৰে হুঁচৰি গীতৰ খিয় গীত সমূহত মনিকোঁৱৰ, ফুল কোঁৱৰ নাহৰৰ গীত, জনাগাভৰু গীত আদি গীত সমূহ পৰিবেশন কৰাৰ উপৰিও বহুতো ঐতিহাসিক কাহিনীও পৰিবেশন কৰা দেখা যায়।

এজাবুৰ মাৰিলে থানুৰা কোঁৱৰে
পশ্চিম দিশলৈ চাই।
এজাবুৰ মাৰিলে থানুৰা কোঁৱৰে
উত্তৰ দিশলৈ চাই।
এজাবুৰ মাৰিলে থানুৰা কোঁৱৰে
দক্ষিণ দিশলৈ চাই।
এজাবুৰ মাৰিলে মণিকোঁৱৰে
বাপেকৰ ৰাজ্যলৈ চাই।
এজাবুৰ মাৰিলে মণিকোঁৱৰে
বাপেকৰ চৰণলৈ চাই।
এজাবুৰ মাৰিলে মণিকোঁৱৰে
মাকৰ চৰণলৈ চাই।
এজাবুৰ-দুজাবুৰ মাৰে সাতে জাবুৰ
পাৰতে মচিলে ভৰি।
আৰু এজাবুৰ মাৰোঁতে কোঁৱৰে
নিলে জল কুঁৱৰীয়ে হৰি।

১৭। গীত :- হৰিধন এধন এ হেই ( খৰচাপ )
মোৰ ধন বিনন্দীয়া
হয়ে কি অহয়ে হয়ে কি না হয়ে কি এ

গোতি :- মাছৰ কুমলীয়া শ'ল শৰীলৰে
মাছৰ কুমলীয়া শ'লে কি না···।
দিন দুপৰতে মাউৰা কোঁৱৰে
বুঢ়ী মাকৰ গুৰিলৈ গলে কি না···।
কি চৰাই মাৰিব বগ শৰীলৰে
কি চৰাই মাৰিব বগে কি না···।
বুঢ়ী মাকৰ ওচৰত মাউৰা কোঁৱৰে
কৰে তক-বগে কি না···।
পোৱালি হাতীৰে শুৰ শৰীলৰে
পোৱালি হাতীৰে শুৰে কিনা···।

বুঢ়ী মাকৰ গুৰিতে বহি ধুল কোৱৰে
তলনৈ কৰিলে মুৰে কি না··· ।
কি খৰি লুৰিবলৈ যোৱা শৰীলৰে
কি খৰি লুৰিবলৈ যোৱাকি না······।
কিহলৈ কান্দিছা নাহি গুমলায়া
দুখৰে বাতৰি কোৱা কি না ।·· ··
হৰি ধন এ ধন এ হেই
মোৰ ধন বিনন্দীয়া
হয়ে কি অহয়ে হয়ে কিনা হয়ে কি এ ।

১৮। গীত :— ১) ৰং পুৰৰ ৰঙা মণি
লগাই দে ঐ সকুভনা
ভিডিটো নোৱাৰোঁ মই ॥

গীত :—(২) হুৰাহ ল কলীয়া চোলা
নাচোন ভালে দেখি
ৰাখা ঐ দেউতাৰ কেকুৰা দোলা ॥
আহ আহ বুলি নাহৰে মা তলে
মাকৰ মুখলৈ চাই ।
কিয়নো মাতিছা নাহৰ সোণামুৰা
চকুতো পইতা নাই ।
অনেক বেহেৰুৱাই যায় বেহাবলৈ
মইনো বেহাবলৈ যাওঁ ।
দেশৰ নৈৰ পানী কৰে তলে-বলায
ঘাটত পাৰ নকৰায় নাও ।
এক মঙ্গল বাৰে লফাডাল কাটিলে ।
তিনি মঙ্গল বাৰে যায় ।
ভাৰ-খোৰ বান্ধোতে যতনা কৰোঁতে
লফা পাত লেৰেলি যায় ।
সোণাপুৰ হাটৰ কপাহ কিনি আনিনা
দিবাহি পকুৱাৰ হাতত ।

৮

দহংহাই ৰান্ধিলে পকংহাই কাটিলে
দহৰাই নবহিল পাতত।
এসেৰ কাটিলে ছমাহ ছন্দিয়ালে
ছ মাহত কাটিলে পাঞ্জী।
এসেৰ কাটিলে গটেপ-টেঙ কৰি
থাকিল শালত লাগি
এসেৰ কাটিলে সবাতকৈ সৰু
তাৰে বান্ধিলে দমৰা গৰু।
এসেৰ কাটিলে মাজনিশা ৰাতি
তাৰে বান্ধিলে দঁতাল হাতী।
এসেৰ কাটিলে খলে বেৰত তুলি
হালোৱাই সো গোল মৈ জৰ বুলি।
ছমাহ কাটিলে ছন্দিয়ালে
দাখল বাটকৈ ৰাজ বাট কৰিলে
ৰাচৰ বাট নেপালে মনি
কলীয়া বেতেৰে মুচুৰা মাৰিলে
মুচুৰা নেপালে মনি।
গোটা ভলুকা বাহ ললে থোৰ চিৰি
হাচতি পুতলক দিলে॥

১৯। গীত :— উৰণ বুৰণ চৰাই হলধীয়া
তোৰুকী লতাৰে পাতে লো হয়া"
গোতি :— লুইতৰ শুৱনী গড়াকৈ চিলনী
পৰ্ব্বতৰ শুৱনা মিৰি লো হয়া।

"হেপাই পাই এ বি বি বয়া,

হেপাই পলুৱাই নিলেও নিলেও নিলে হয়া॥" গীতটিয়ে ইয়াৰ উৎকৃষ্ট নিদৰ্শন। গভাইত চোৰেও যে ৰাজ দায়িত্ব পালে কেনেকৈ সংস্কাৰ হয় তাক উক্ত গীতৰ যোগেদি প্ৰতিপন্ন কৰিছে। ৰাজ্যত চোৰে নানা উপদ্ৰব কৰাত ৰজাই ভালদৰে নিৰীক্ষা কৰি ৰাজ্যৰ চোৰ বোৰক ধৰি নি গাঁও শাসনৰ দায়িত্ব

বাৰীৰে গুৱনী কাকিনী তামোল
পাটীৰে গুৱনী তিৰি লৌ হয়া
শিয়াল খেদিব পাৰে লৌ হয়া।
কুকুৰে খেদিব পাৰে লৌ হয়া।
পাপীক তৰাব গুৰুকো নালাগে
ভকতে তৰাব পাৰে লৌ হয়া।
খেৰালি জালৰে গুৰা বাৰ কুৰি
পাছৰ লেখ-জোখ নাই লৌ হয়া
টিকনিত ধৰি লৈ মাৰোঁতে এচোঁছা
সকলো একে ঠাই লৌ হয়া।
কাতিত কাটে তিপামৰ ভাদৈ ঐ
শলগুৰি আঘোণী বাই লৌ হয়া।
নেকাটি নেবাছি পিন্ধে হালি-জালি
দুবেলা দুসাজি খায়ে লৌ হয়া।
টুলি তামোলৰে পুলি শৰীলৰে
টুলি তামোলৰে পুলি লৌ হয়া।
বৰভুৱাৰৰ মুখতে নাহৰক কাটিলে
গুলমি পৰিলে চুলি লৌ হয়া।
গাহৰিয়ে ভাঙিলে গৰাল শৰীলৰে
গাহৰিয়ে ভাঙিলে গৰাল লৌ হয়া
শুকুৰ বাৰৰ দিনাখন কুলক্ষণ লাগিলে
কোঁৱৰ পানীত পৰি হেৰাল লৌ হয়া।
ঢাপত মুকৰা টিকন শৰীলৰে
ঢাপত মুকৰা টিকন লৌ হয়া।
গুৰু ভকতক লবা সুধি-পুচি
ছোৱালী নানিবা চিকুন লৌ হয়া॥

---

দিয়াত দ্বিতীয় জন চোৰ ওলাই গাঁৱত উপদ্ৰৱ কৰিবলৈ চোৰ নোহোৱা হ'ল। আৰু লগে লগে ৰাজ্যত শান্তি প্ৰতিষ্ঠা হ'ল।

২০। গীত :— হেৰা মালি চং মালি না ঐ
বৰালী মাছবে শালি না হেই।

গোতি :— ফুঁ দি জলাই যাম থাপ মাৰি গুমাই যাম
মলীয়া তুঁহৰ জুই না হেই।
লগাই দিয়া গীতক গাব তই নাজান
ক'তেবা আছিলি শুই না হেই।
খেৰ ঐ কাটিলোঁ মুথুৰা বান্ধিলো
পানীত দি পলোঁ ভেঁটা না হেই।
লগাই দিয়া গীতক গাব তই নাজান
ক'ৰেনো ভেলেঙা ডেকা না হেই।
নাহৰ ফুল কুলিলে ন পানী বাঢ়িলে
পথাৰত পৰিলে ঢেৰা না হেই।
লগাই দিয়া গীতক গাব তই নাজান
গীতকে বুলিলি বেয়া না হেই।
তিনি পবিৰা দলৌ কান্ধ মাৰি
চকুৰি ককবাৰ ভাৰে না হেই।
ইপুৰী-সিপুৰীত সুজিব নোৱাৰো
তোৰে তামোল খোৱা ধাৰে না হেই।
ৰঙা পতুমৰ চকা শৰীলৰে
ৰঙা পতুমৰ চকা না হেই।
তোৰ টকা লৈ কিনো দোল বন্ধাম
বচনে মোৰ লাখ টকা না হেই।
লাখৌ ধানে বানে ধুপুৰ-ধুপুৰ কৰি
লৰে কাণৰ কেৰু না হেই।
চেনেহৰ লাখোক নাপাব লাগিলে
হালৰ গৰু বেচিয়ে নেৰোঁ না হেই।
চেনেহৰ লাখৌ মোৰ অতিকৈ সুপৰী
বেলি দুপৰলৈ শুৱে না হেই।
সুপৰাৰ মেখেলা অথলা-বথল

গোষ্ঠতে পুঠীমাছ মৰে না হেই।
শাকৰ লেতেৰা মেচাকি-মেজেঙা
মগুহৰ লেতেৰা গুঁই না হেই
মানুহৰ লেতেৰা থুপৰী তিৰোতা
দিন দুপৰলৈ শুৱে না হেই
কেৰা মালি চং মালি না ঐ
ববালা মাছৰে শালি না হেই ॥

২১। গান :-- কাৰ কদম বৈনাই ঐ ( খৰচাপ )
জেঠৈৰী ক'ত যায় না হেই।"

গোতি :— ভৰিবৈলে চালে গোচে ভলুকা
ককালটি বাগৰে লৰা না হেই।
নখলৈ চালে দোলাৰ দাপোণ যেন।
চকু দুটি সৰগৰ তৰা না হেই।
চতাই পর্ব্বতৰ ধিতাই কটা যোৱা
বাম ভুঁই নলবা পানী নাইকিয়া
পথাৰত জ্বলিব জুই না হেই।
জেঠৈৰীৰ ভুঁইতে পানী নাইকিয়া
লাহনী সিচোঁ গৈ বল না হেই।
লাহনী সিঁচিয়ে ডোবাকে ভৰালে
কঠীয়া সিচোঁ গৈ ব'ল না হেই।
কঠীয়া সিঁচিয়ে ডোবাকে ভৰালে
কঠীয়া তোলোঁ গৈ ব'ল না হেই।
কঠীয়া তুলিয়ে ডোবাকে ভৰালে
কইনো থৈ আহোঁ গৈ ব'ল না হেই।
গাতো লাগিছে আগৰে ভাগৰে
পেটতো লাগিছে ভোকে না হেই।
আক যে নোবোঁও মই ভদীয়া কঠীয়া
এচাৰি পেলাই যাম জোকে না হেই ॥

২২। গীত :— হেপাই পাই এ ৰি ৰি ৰয়া ( খৰচাপ
হে পাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়।

গোতি :— কছাৰী জাতিৰে বৰুৱা পাতিলে
হেপাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া।
উজনিৰ চোৰকে বৰুৱা পাতিলে
হেপাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া।
নামনিৰ চোৰকে গাঁওবুঢ়া পাতিলে
হেপাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া।
মাজুলীৰ চোৰকে গাঁও ধাৰিক পাতিলে
হে পাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া।
তিনিও বুঢ়াই গাঁওখন চলালে।
হেপাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া।
নাহি কোন ক্ষতি-খুৎ শৰাসৰে
হে পাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া॥
হে পাই পাই এ ৰি ৰি ৰয়া
হে পাই পলুৱাই নিলে ঔ নিলে ঔ নিলে হয়া।

২৩। গীত :— ভোমোৰা এ অ' হয়া অ' হয়া
চাদৈ ভোমোৰাক বিয়া কৰি নিয়া।

গোতি :— ভোমোৰা আগত ভোমোৰা পাছত
ৰাতি খপি গলি ডিমৰুৰ তলত।
ভোমোৰাৰ কাপোৰখন ৰাধাই বোলোৱা
তাতে পৰি গ'ল কলীয়া ভোমোৰা।
সত্যে সত্যে কুকুণীও নাথায় আৰু ভাত।
সত্যে সত্যে কুকুণীৰ বিহু লাগিল গাত।
বোপাই বোৱা ঢাপৰ কল মেলি আছে পুলি,
মই দিওঁ জীয়েৰে নাযায় আহুস কুঁজা বুলি।
বোপাই কোৱা ঢাপৰ কল মেলি আছে পুলি,
মই দিওঁ জীয়েৰে নাযায় পাত কুঁজা বুলি।

বোপাই বোৱা চাপৰ বাঁহ মেলি আছে গাঁজ,
মই দিওঁ জীয়েৰে নাযায় শহুৰক কৰে লাজ।
লাহে কৰি উঠিল গদা ধুমুহ কৰি যায়।
চৰলিয়াই বোলে গদা সান্দহ খুন্দি খায়।
ভোমোৰা এ অ হয়া অ হয়া
চাদৈ ভোমোৰাক বিয়া কৰি নিয়া॥

২৪। গীত :— হাচতি ঐ লাউফুল চাই, মাধৈ মালতী ফুল মলে মলাই
অতি চেনেহৰ দোমাহী বিহুটি নমাই আনিবলৈ যায়॥

গোতি :— অতি চেনেহৰ দোমাহী বিহুটি
হাতত্তে মলডি যায়।
হাতত চাপৰ মাৰি যাবগৈ দোমাহী
ধন দি ৰাখোঁতা নাই।
কাচি কেঁকুৰা খুনতি কেঁকুৰা
সৰগৰ কেকুৰা জোন।
ওলাই আহ ওলাই আহ আমাৰে দেউতা
যেনে পূৰ্ণিমাৰ জোন।
আঠিয়া কলৰে শীতলকৈ থুৰা
শীতল মাল ভোগৰে পাত
ওলাই আহ ওলাই আহ আমাৰে গিৰিহঁত
শীতল কৈ লগাহি মাত
নাল নাই বিছনী ঘূৰে শৰীলৰে
নাল নাই বিছনী ঘূৰে।
নামি আহিলে নিলাজী দোমাহী
নগৰে চহৰে ফুৰে।
চতাই ঢোল বালে খিনিকি-খিনদাও
বহাগী আহিছে বুলি।
কেতেকী চৰায়ে চাপৰি ধৰিছে
যোজনা মেলিছে কুলি।

নামি আহিলে আই নো সৰস্বতী
বাটত কাটি খালে ঔ ।
নামি আহিলে দোমাহী বিহুটি
যেনে লুইতৰ চৌ ।
নামি আহিলে আইনো সৰস্বতী
বাটত কাটি খালে জৰা ।
নামি আহিলে দোমাহী বিহুটি
যেনে লুইতৰ গৰা ।
নামি আহিলে আইনো সৰস্বতী
সৰস্বতী আমাৰে গুৰু ।
নামি আহিলে দোমাহী বিহুটি
যুগৰে নিয়তি কৰোঁ ।
হাচতি ঐ লাউফুল চাই
মাধৈ মালতীফুল মলে মলায় ।
অতি চেনেহৰ দোমাহী বিহুটি
নমাই আনিবলৈ যায় ॥

২৫ । গীত :— গিৰিপ গিৰিপ ঐ লুইতৰ খাতো চৰাই ,
গিৰিপ গিৰিপ ঐ লুইতৰ খাতো চৰাই ।

গোতি : — পথো পথৰ তত ধুৰলী কুঁৱলী
কোনে বান্ধি খালে ভাত ।
মাক নাই মাউৰা তিৰি নাই বৰলা
সিয়ে বান্ধি খালে ভাত ।
মাক নাই মাউৰা তিৰি নাই বৰলা
হাতী ধৰিবলৈ যায় ।
হাতীও নাপালে ঘোঁৰাও নাপালে
আহে হৰি মলা বাই ।
হৰি মলা নাবাৰি শেলায় শৰীলৰে
হৰি মলা নাবাৰি শেলায় ।

পাখৰী কুকুৰাই নিব খেদা মাৰি
দিব হৰিমলা পেলাই ।
হাতীও হেৰালে লিহিৰী বনতে
ঘোঁৰাও হেৰালে ৰণত ।
পাইনো তই হেৰুৱালি পাটীৰে তিৰোতা
চোতালৰ দুৰ্বৰি বনত ।
কাচি কেঁকুৰা থুনতি কেঁকুৰা
সৰগৰ কেঁকুৰা জোন ।
পোত ধৰিলে লোৰ মামৰে
কথাকো না বিন্ধিলে ঘূণ ॥
গিৰিপ গিৰিপ ঐ লুইতৰ খাতো চৰাই ॥
২৬ গ • :— মোৰনো কলীয়া গোসাঁই ঐ
ছয় আঙুলীয়া হেই ।
গা। • .— হাহৰ পেটতে জনম নলবা
তাৰে চোন লেপেটা ভৰি ।
যেতিয়া পাবহি বিহুৰ বৰপূজা
নিব হালে-হালে ধৰি ।
ছাগলীৰ পেটতে জনম কৈ নলবা
তাৰে চাৰিখুৰা ভৰি ।
যেতিয়া আহিব বিহুৰ বৰপূজা
নিব হালে-হালে ধৰি ।
গৰুৰ পেটতে জনম কৈ নলবা
তাৰে চাৰিখুৰা ভৰি ।
যেতিয়া আহিব আহাৰ শাওণে
বাব হালে-হালে ধৰি ।
ম'হৰ পেটতে জনম কৈ নলবা
তাৰে চাৰিখুৰা ভৰি ।
মাইকীৰো চিন নাই মতাৰো চিন নাই ।
বাব হালে হালে ধৰি ।

কুকুৰাৰ পেটতে জনমকৈ নলবা
খুচৰি মুচুৰি খায়।
যেতিয়া আহিব নিলগৰ আলহী
চুকলৈ জুমি-জুমি চাই।
হাতীৰ পেটতে জনমকৈ নলবা
তাৰ গোধা-গোধা ভৰি
যেতিয়া আহিব হাতীৰ বৰফান্দী
নিব হালে-হালে ধৰি।
মানুহৰ পেটতে জনম কৈ নলবা
গাৰ দুঠেং ভৰি।
যেতিয়া আহিব ভৰ যৌৱন
চাৰি দেশ ফুৰিব ঘূৰি।
মোৰ ধন কলীয়া গোসাঁই ঐ
ছয় আঙুলীয়া হেই॥

২৭। গীত :— হাচতি ঐ ধন পৰাণ ঐ
হয় কি অহয়ে হয়॥

গোতি :— অতি চেনেহৰ দোমাহী বিহুটি
হাততে মলঙি যায়।
হাতত চাপৰ মাৰি যাবগৈ দোমাহী
ধন দি ৰাখোঁতা নাই।
চাইনো চাই বুলিবা বাট শৰীলৰে

---

হুচৰি গীতৰ থিয় গীত সমূহত বৈষ্ণৱ দৰ্শনও প্ৰতিফলিত হোৱা দেখা যায়। ১৬০৩ শকত কেশৱদেৱ মহন্তৰ ওচৰত শৰণ লোৱা কছাৰী সকলৰ মাজত অতীজৰ পৰা চলি অহা তেওঁলোকৰ বলি-বাহনৰ প্ৰতি বিৰূপ মনোভাৱ উৎপন্ন হ'বলৈ ধৰিলে। শদিয়াৰ তাম্ৰেশ্বৰী, কেঁচাখাইতী, বুঢ়া-বুঢ়ী, বাইথ আদি শাল সমূহত নানা জীৱ-জন্তুৰ বলিৰ তেজেৰে ৰঞ্জিত হোৱা দেখি শৰণ লোৱা কছাৰী সকলে জীৱই জীৱৰ প্ৰতি কৰা তেনে আচৰণৰ প্ৰতি বিৰোধিতা কৰিবলৈ

চাইনো চাই বুলিবা বাট।
হৃদয়ৰ ভিতৰত আছে থলা-বমা
পিচলি পৰিবা তাত।
কেলৈ সাঁচিলা জপাৰ বৰ কাপোৰ
কেলৈ সাঁচিলা ধন।
জপাৰ বৰ কাপোৰ জপাতে পচিব
হাড়তো গজিব বন।
ধনক ধনে কৰি ধনকে ঘটিলা
পৰম যতন কৰি।
ধান যাব উচলি মন যাব পিচলি
লগত যাব দুচলি খৰি॥
গাৰ কাঢ়ি লব গাৰ কাপোৰ-কানি
হাতৰ কাঢ়ি লব দা।
বাৰীৰ চুকৰে বুটি কোৰ এখনি
সি হে লগতে যায়।
বাৰীৰে চুকৰে জাতি বাঁহ এজুপি
সি মোৰ সোদৰৰ ভাই।
জীয়াই থাকোঁ মানে ছোঁ কাঠি-কামি
মৰিলেও লগতে যায়।
চালত থাই যাব পৰুৱা-পিপড়া
হাড়ত খাই যাব মাটি।

ধৰিলে। তেওঁলোকৰ মনত নিৰাহ প্ৰাণীৰ প্ৰতি সদয় ভাব কেনেধৰণৰে প্ৰতিফলিত হৈছিল তাক—

"টাঁহৰ পেটতে জনমকৈ নলধা
তাৰে চোন লেপেটা ভৰি।
যেতিয়া আহিব বিহুৰ বৰপূজা
নিব হালে হালে ধৰি।" আদি গীতৰ যোগেদি ব্যক্ত কৰিছে। এইদৰে মানুহৰ জীৱন কচুপাতৰ পানীৰ দৰে ক্ষণস্থায়ী। এই

হাতৰ যোবা-যুৱী সলকি পৰিব
যেনে টঙালৰে গাঠি ।
মনিছৰ শৰীল কালৰে অধীনত
নোৱাৰে চিৰদিন ৰব ।
মাটিৰে দেহাটি মাটিতে মিলিব
জীৱ গৈ বৈকুণ্ঠ পাব ॥

২৮ । গীত : - ৰং পুৰ ঐ তিমাপুৰ ঐ,
গৈ থাক গৈ থাক, কিমান দূৰ ঐ ॥

গোটি : — কৃষি কৰিব হাৰতকৈ হাৰ ,
খেতে চাৰি কালে নষ্ট নাহ তাৰ ।
দহ ইন্দ্ৰিয় ভৈলা দহৰ বলত ,
হহাকো বধিক নালাগে বধ ।
মত উদৰে গাৱৰে জৰী ,
নাৰায়ণ নামেৰে শূল মাৰি ।
মনৰে নাঙল ঐ বুদ্ধিৰে ফাল ,
গৰু শিকাবলৈ এচাৰি ভাল ।
বাকো বাবা ঘনে সীৱলা ,
সুচাত ৰছ কঠিয়াতলী ।
বুদ্ধি দি আনিবা মৈ ,
ভ'ব থাল বাম সমান কৈ
সৎজনৰ জপকা নালতে ধৰি ,
চপাইবা জাবৰ একত্ৰ কৰি ।

ক্ষণস্থায় জীৱনত মানুহে ধন-সম্পত্তি, মান-সন্মানক লৈ গৌৰৱ কৰাৰ কোনো কাৰণ নাই । সেয়েহে আকৌ গাইছে :—

"ধনক ধনে কৰি ধনকে মুটিলা
পৰম যতন কৰি ।
ধন যাব উচলি মন যাব পিচলি
জগত যাব মুচলি থৰি ॥" আদি ।

নীতিৰে তুলিবা জগতে জানে ,
তাৰ মূল মন্ত্র যোগাইবা প্রাণে ।
যতেক মুকুন্দ পকীয়া গাম ,
দিনে মাধৱে হালিয়া বায় ।
নয়ানৰ কাচিথন নালতে ধৰি,
দাইবা নামৰ ধান সংহাৰ কৰি ।
মহামায়া জৰী মাটিতে থৈ ,
ডাঙৰা বান্ধি বা আঁঠুতে লৈ ।
তিনি হাতৰে হলঙা মাৰি ,
ডাঙৰী আনিবা কান্ধতে তুলি ।
ভকত সকল ভৰাল সাজে ,
থৰবা নামৰ ধান তাহাতে ধৰি ॥

২৯। গীত :— হয় কি অহয়ে ঐ
হয় বা অ হয় বা ।

গোষ্ঠ : কেলৈ ফুলিলি ঐ হয় বা অ হয় বা ।
ৰূপহী মদাৰ ঐ হয় বা অ হয় বা ।
এহেই কেলৈ পেলালি কলিনা হেই
হয় কি অহয়ে হয়ে লগৰীয়া ধেই ।
গুৰুতো নালাগে ঐ হয় বা অহয় বা ।
ভকতকো নালাগে ঐ হয় বা অহয় বা
এহেই থাকে তল ভাৰ মৰি না হেই ।
হয় কি অহয়ে হয়ে লগৰীয়া ধেই ।
কেলৈই কাটিলা ঐ হয় বা অহয় বা
বাঙি পচলা ঐ হয় বা অহয় বা
এহেই লোকে বাটি ভৰাই খাব না হেই
হয় কি অহয়ে হয়ে লগৰীয়া ধেই ।
কেলৈ তুলিলি ঐ হয় বা অহয় বা
মোৰ আই লাহতীক ঐ হয় হয় বা অহয় বা

এ হেই লোকে বন কৰাই থাবনা হেই
হয় কি অহয়ে হয়ে লগৰীয়া খেই।
আই মাতে মাতে ঐ হয় বা অহয় বা
বোপাই মাতে মাতে ঐ হয় বা অহয় বা।
এহেই মাততে জুকুলা হলোঁ না এ হেই।
হয় কি অহয়ে হয়ে লগৰীয়া খেই।
ককাইৰ মাততে ঐ হয় বা অহয় বা।
ৰ'বকে নোৱাৰোঁ ঐ হয় বা অহয় বা।
এ হেই বেইতাৰ হাণ্ডলাত গলোঁ না এহেই
হয় কি অহয়ে হয়ে লগৰীয়া খেঃ॥

## হুঁচৰিৰ বৰগীত

৩০। গীত : – হাহ চৰাই না এ হেই।
হাঃ চৰাই না হেই॥

গোটি :– ডাঙৰ ডাঙৰ ঐ কোন ডাঙৰ হেই।
দেৱৰ ডাঙৰ ঐ খিৰিং ৰজা না হেই।
দেৱীৰ ডাঙৰ ঐ কোন ডাঙৰ হেই।
দেৱীৰ ডাঙৰ ঐ জুকলী-হাবুকী হেঃ।
বায়ুৰ ডাঙৰ ঐ কোন ডাঙৰ হেই
বায়ুৰ ডাঙৰ ঐ সপ্তবায়ু হেই।
মাতৰ ডাঙৰ ঐ কোন ডাঙৰ হেই।
মাতৰ ডাঙৰ ঐ ধুলাই মেঘ হেই।

---

হুঁচৰিৰ বৰগীত সম্বন্ধে আগতে কৈ অহা হৈছে যে হুঁচৰিৰ বৰগীত সমূহ হয়দাং গীতৰ এক ৰূপান্তৰ মাথোন। অৰ্থাৎ হয়দাং গীত সমূহৰ কিছুমান গীত হুঁচৰি গীত ৰূপে গোৱা হয়। অৱশ্যে হয়দাং গীত সমূহ হুঁচৰি গীতত সুৰত গোৱা নহয়। এই হয়দাং গীত সমূহ হুঁচৰি গীত ৰূপে গোৱাৰো এটা স্বকীয় বৈশিষ্ট্য আছে। সাধাৰণতে হুঁচৰিৰ বৰগীত সমূহ কৰুণ সুৰত গোৱা হয়।

হুঁচৰিৰ বৰগীত সমূহত হয়দাং গীত বোৰৰ উপৰিও শদিয়াৰ সোণোৱাল কছাৰীৰ হালালী ৰাজাৰ ৰহৰোৰ ঐতিহাসিক ঘটনাক লৈ ৰচিত গীত সমূহকো

গাতৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই।
গাতৰ ভাণ্ডৰ ঐ বৰপেট না হেই।
কুলৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই।
কুলৰ ভাণ্ডৰ ঐ লাই মিক্রি হেই।
মাটিৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই
মাটিৰ ভাণ্ডৰ ঐ ধূলাহ মাটি হেই
পানীৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই
পানীৰ ভাণ্ডৰ ঐ ডোঙাই পানী হেই।
থলৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই।
থলৰ ভাণ্ডৰ ঐ পানী-পতা না হেই।
ফুলৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই।
ফুলৰ ভাণ্ডৰ ঐ হেট কপাহ না হেই।
পাতৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই।
পাতৰ ভাণ্ডৰ এ উলুবৰ পাত না হেই।
গছৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই।
গছৰ ভাণ্ডৰ এ লাইজিটুলা না হেই।
মানুহ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেই
মানুহ ভাণ্ডৰ ঐ বাওনা-বাওনী না হেই।
পশুৰ ভাণ্ডৰ ঐ কোন ভাণ্ডৰ হেহ।
পশুৰ ভাণ্ডৰ ঐ ডালিম-কেৰ্কুট না হেই।

---

পৰিবেশন কৰা পৰিলক্ষিত হয়।

"নালে গুৰনী ঐ ফতিয়া গোসাঁই না হেই।
তাৰে না মাজত ঐ দহ শইকীয়া না হেই।
শদিয়াৰ ৰাজ্যলৈ মনত পৰিলে
ডুনাই কুমলীয়া হমে না হেই॥" আদি

গীতৰ যোগেদি শদিয়াৰ হালালী ৰাজ্যত ফতিয়া গোসাঁই নামৰ পৰাক্রমী কছাৰী ৰজাজনৰ দিনত এজন হাজৰিকা, দহ জন শইকীয়া, আৰু পঞ্চাছ জন বৰা আদি বিষয়া সকলক লৈ সগৌৰৱেৰে ৰাজ্য শাসন কৰাৰ কথা দাঙি ধৰা

চৰাই ভাঙৰ ঐ কোন ভাঙৰ হেই।
চৰাই ভাঙৰ ঐ লাইটিপচা না হেই।
মাছৰ ভাঙৰ ঐ কোন ভাঙৰ হেই।
মাছৰ ভাঙৰ ঐ ভেচেলা-চ ন্দা না হেই।
সেৱা ভাঙৰ ঐ কোন ভাঙৰ হেই।
সেৱা ভাঙৰ ঐ লইনা সেৱা নাৱৰা চেৱা হেই
হাঁহ চৰাই না হেই।
হাঁহ চৰাই না হেই

৩১। গীত :— ৰয়া বাই অ হয়া অ হয়া
চাঁদে চকলাক বিয়া কৰি নিযা।

গোতি :—চিলিক চিচ লিক লাই হেনো চিলিক চিচ লিক লাই
চিৰিমৰি কটাৰীয়ে গুৱা কাটি খায়।
চিলিক চিচ্‌লিক লাই হেনো চিলিক চিচ লিক লাই.
ডাল ভাঙি ফল খালে হলো বান্দৰায়।
মিৰি গীতৰ চাওে চাওে মিৰিঅনী নাচে।
খিৰিং ৰজাই ঢোল বজাই নাগিনীয়ে নাচে।
লুৰপী-চুৰপী বোলে হেনো ৰজাৰে জীযাৰী,
লুৰপী-চুৰপী বোলে হেনো ভুযো বাহ নী।
লুৰপী বোলে হেনো মই যাং দে।
চুৰপী বোলে হেনো মই যাং দে।

হৈছে। শদিয়া এৰি দক্ষিণে ছৈখোৱা ঘাট পাৰ হৈ অহা কছাৰী সকলে উক্ত গৌৰৱোজ্জল শদিয়াৰ হালালী ৰাজ্যৰ কথা মনত পেলাই—“শদিয়াৰ ৰাজ্যলৈ মনত পৰিলে। তুলাই কুমলীয়া হমে না হেই।” বুলি অতীতৰ মধুৰ স্মৃতি ৰোমন্থন কৰা দেখা যায়।

সেই দৰে “পাত ঐ পচলা মদাৰ ফুলৰ মালা এহেই ৰহিমলা” গীতটিত ৰহিমলাৰ বাবেই শদিয়াল কছাৰী সকল শদিয়া এৰি আহিব লগা হোৱাৰ ঐতিহাসিক ঘটনা দাঙি ধৰিছে।

বিত্রিং-বাত্রাং হেনো লাগইছে
বিত্রিং-বাত্রাং হেনো লাগইছে।
খুকুম-খুকুম লাই হেনো খুকুম-খুকুম লাই
তেবে গাগনী আই ঐ খুকুম-খুকুম লাই
খুকুম-খুকুম লাই হেনো খুকুম-খুকুম লাই
হুয়া-হৈয়া লাই ঐ খুকুম-খুকুম লাই।

৩২। গীত :— হাঁহ চৰাই না এ হেই
হাঁহ চৰাই না হেই।

গোতি : - মাছৰ চিকুন ঐ মালী মাছ না হেহ।
চৰাই চিকুন ঐ তেলিয়া সাৰেং না হেই।
দেখিব চিকুন ঐ কলীয়া গোঁসাই না হেই।
নালে গুৱনী ঐ ফতিয়া গোঁসাই না হেই।
তাৰে না মাজত ঐ দহ শইকীয়া না হেই।
তাৰে না মাজত ঐ শদিয়া খোৱা গোঁহাই না হেই।
শদিয়াঃ ওপজে ঐ শদিয়া খোৱা গোহাঁই না হেই।
লেং মাৰি লাখুটি লৈ না গোহাঁই হেই।
শদিয়া ৰাজ্যলৈ মনত পৰিলে,
জুনাই কুমলীয়া হমে না হেই।
শদিয়া ৰাজ্যৰে মাৰিৰা পচলা
তাৰে চাৰি আঙুল তেলে না হেই
শদিয়া ৰাজ্যৰে মেচাকি মেজেঙা

শদিয়াৰ কছাৰী ৰজা ফতিয়া গোসাঁইৰ ৰাজ্যত চিকন কছাৰীৰ ঘৰত একে দিনাই চিকনৰ সাতজনী জীয়েকৰ বৰ বিয়া পাতিছিল। চিকনৰ ঘৰত বৰ বিয়া খাবলৈ ৰাজ্যৰ বুঢ়া-বুঢী ডেকা-ডেকেৰী, ল'ৰা-ছোৱালী সকলো আহি ভোজ-ভাত, মদ-মাংস খাই মহা আনন্দত নাচি-বাগি ফুৰিবলৈ ধৰিলে। চিকনৰ ঘৰত বৰ বিয়া পতাৰ কথা গম পাই কছাৰী ৰজাৰ শত্রু শদিয়াৰ আহোম ৰাজ্যৰ অধিপতি শদিয়া খোৱা গোহাঁয়ে সেই চেগতে কছাৰী ৰাজ্য আক্রমণ কৰিবলৈ সিদ্ধান্ত কৰিলে। লঠৰা নামৰ এজন

তাৰে চাৰি আঙুল তেলে না হেই ।
শদিয়া ৰাজাৰে চুতিয়া শালিকী
তাৰে সৰু সৰু ঠোঁট না হেই ।
শদিয়া ৰাজ্যৰে ভদীয়া কঠাল
তাৰে সৰু সৰু ফুট না হেই ।
জোন বাই আগৰে তামুলী তৰা
পৃথিৱী ভুৱনী জেউতি ধৰা না হেই ।
শদিয়াত ওপজে কলীয়া গোসাঁই
মহঙত ওপজে লোণ না হেই ।
শামুকৰ পেটত মাণিক ওপজে
মৰি-মৰি ওপজে জোন না হেই

৩৩। গীত : ৰয়া বাই এ হেই,
অ'ৰয়া হয়া, অ'ৰয়া হয়া ।

গোতি :— মাৰিবা ত আছে বৰলা-কপিলা ৰয হয়া ।
কপাহ তুলাৰ ঝিনজিৰি সুদৈ ৰয়া হয়া ।
ক পাহৰ আনিবা জোলা না গোসাঁই
তুমি বহ লবা ৰিহা কৈ মেখেলা ৰয়া হয়া ।
মোকো বই দিবা চোলা না গোঁসাই ।
চুতিয়া চোলা লুঠীয়া-লুঠী ৰয়া হয়া
চুতিয়া চোলা গলধন ফটা না গোসাঁই ।
চুতিয়া ছোৱালী পলুৱাই আনিবা ৰয়া হয়া ।

হ'মতি ডেকাক থাৰ্মাত বাহিনীৰ অধিনায়ক পাতি থাৰ্মাত আহোমধৰ মিলিত সৈন্যই বৰ বিয়াৰ সময়তে কছাৰী ৰাজ্য আক্ৰমণ কৰিলে। চিকনৰ ঘৰত আহোম-কছাৰীৰ মাজত তুমুল যুদ্ধ হ'ল। কছাৰী সকলৰ বাবে বৰবিয়াই বৰাবিষ হ'ল। বৰ বিয়া খাই আনন্দত নাচি-বাগি থকা কছাৰী সকলে হঠাৎ যুদ্ধ কৰিব লগা হোৱাত পৰাক্ৰমী কছাৰী সকল আহোম সৈন্যৰ হাতত বন্দী হ'ল। আহোম সকলে বিয়া ঘৰৰ দৰা-কন্যাকে আদি কৰি সকলো কছাৰীকে বন্দী কৰি আহোম ৰাজ্যলৈ লৈ গ'ল। লঠৰাই সৈন্য-সামন্ত লগাই কছাৰী গাঁও

চুতিয়া চোলাৰ আঁৰত না গোসাই ।
খেৰেম বেৰেম দুয়ো মুখা মুখি ৰয়া হয়া ।
খেৰেমৰ লেতেৰা বাটে না, গোঁসাই ।
হেনো চকাদৈক আনিব খুজিলোঁ ৰয়া-হয়া।
আহোমে নিদিলে বাট না গোসাঁই
নাও হেঙুলীয়া বঠা হেঙুলীয়া ৰয়া হয়া ।
আৰু হেঙুলীয়া চৈ না গোসাঁই
নুদৈৰ মৰত জাপি হেঙুলীয়া ৰয়া হয়া ।
বিজুলী বাঁহৰে দৈ না গোঁসাই ।
নাৱত উঠি বঠা ধৰিলোঁ ৰয়া হয়া
বঠাৰে বুলিনি চাৱনা গোসাঁই ।
নাও খুমে-খুম বঠা খুমে-খুম ৰয়া হয়া ॥
আৰু খুমে-খুম চৈ না গোসাঁই ।
নুদৈৰ মৰত জাপি খুমে-খুম ৰয়া হয়া ।,
বিজুলী বাঁহৰে দৈ না গোঁসাই ।
নাও তিৰ বিৰাই বঠা তিৰবিৰাই ৰয়া হয়া
আৰু তিৰ বিৰাই চৈ না গোসাঁই ।

---

ভুই লগাই খাস্তাং কৰিলে। লঠৰাই এদল কছাৰী বন্দী কৰি নি লথৌ পৰ্ব্বতলৈ লৈ গৈ চাকৰ কৰি ৰাখিলে। এই দৰে চাকৰ কৰি ৰখা কছাৰী সকলে লঠৰাক প্ৰতিদিনে এটা মতাকুকুৰা এগৰং মদ দিব লাগিছিল। কছাৰী সকলে প্ৰতিদিনে এটা মতাকুকুৰা, এগৰং মদ দি লঠৰাক সন্তুষ্ট কৰি ৰাখিছিল যদিও তলে তলে তাক বধ কৰাৰ উপায় চিন্তি আছিল। তেওঁলোকে এদিন এটা উপায় চিন্তা কৰি উলিয়ালে। সেই মতে তেওঁলোকে এদিন ভুঁই ৰুৱাৰ হাউৰীৰ ব্যৱস্থা কৰিলে। সেইদিনা সকলো কছাৰীয়ে ভুঁই ৰোৱা হাউৰীলৈ গৈ ভুঁই ৰোৱা কামত লাগিলগৈ। আবেলি ভুঁই ৰোৱাৰ কাম শেষ কৰি মদ-ভাত খাবলৈ লওঁতেই লঠৰা আহি সেইখিনি পালেহি। তেওঁলোকে লঠৰাকো মদ-ভাত খাবলৈ দিলে। মদ খাওঁতে যাতে লঠৰাৰ মুখ খন সম্পূৰ্ণ কৈ ঢাকি ৰাখিব পাৰে তাৰ ব্যৱস্থা কৰি এটা ডাঙৰ গৰুঙত মদ খাবলৈ দিলে। এনেকৈ

মূদৈৰ মূৰত জাপি তিৰবিৰাই ৰয়া হয়া
বিজুলী বাহৰে দৈ না গোঁসাই।
মূদৈ পৰিলে মৰিম লাগিলে ৰয়া হয়া।
খেৰমত উজালে লাগুনা গোসাঁই।
নাৱৰ টিঙং টিপচী চৰাই ৰয়া হয়া
পৰে পৰে যেন লাগে না গোসাঁই।
খেৰেম বেৰেম ডুযো মুখা মুখি বৰা হয়া।
খেৰেমত উজালে নাগুনা গোসাঁই
কঁকাল থিয় কৰি চিঞৰি মাতিলে। ৰয়া হয়া
খেৰেমৰ লেতেৰা পানী না গোসাঁই।

৩৭। গীত ঃ—জহৰি এ গৈ চলা
মিৰিবাই এ হেই।

গোতি ঃ— চালেমন চাৰিবা মাবিৰা পচলা
দি যাম খেৰেমত ভৰিনা হেই।
আঁঠুৰে এমনে হলে জলে মনে
খেৰেমৰ লেতেৰা বাটে না হেই।
আঁঠুৰে এমনে হলে জলে মনে

লঠৰাই সেই গৰঙ মদ খাবলৈ লওঁতেই পিছ কালৰ পৰা কেইজন মান কছাৰীয়ে লঠৰাক মূৰত কোৰেৰে গদিয়াই মূৰ ভাঙি হত্যা কৰে। লঠৰাৰ মূৰ ভঙা ঠাইখিনিক ভঙা মূৰ আৰু লঠৰাৰ মূৰ আৰু লঠৰাৰ মূৰ ভাঙোতে সি খাই থকা মুখৰ মদৰ গৰঙটো এৰি গৈ ওচৰৰ এটা সৰু সুঁতিত পৰাৰ ফলত তাৰ পানীবোৰ বহু দিনলৈ মদ মদ গোন্ধাই আছিল বাবে সেই সুঁতিটোক নামলাউ বুলি কোৱা হ'ল। (নাম=পানী, লাউ মদ=মদৰ নৈ) নাম লাউ সুঁতি আৰু ভঙা মূৰ ঠাইখন অৰুণাচলৰ চৌখামৰ ওচৰত অৱস্থিত।

আন হাতেদি আহোমে ধৰি নিয়া কছাৰী সকল আহোমৰ বন্দীশালত বন্দী হৈ থাকিব লগা হ'ল। তেওঁলোকৰ মুক্তিৰ কোনো উপায় নাছিল। এনেতে এদিন শদিয়া খোৱা গোহাঁইৰ জীয়েক ৰহিমলাই জিটুলী গছৰ তলত তাঁত বই থাকোঁতে এজনী পাটমাদৈ চৰাই আহি জিটুলী গছত পৰি গীত গাবলৈ ধৰিলে। চৰাই জনীৰ ৰূপত মুগ্ধ হৈ তাই কাপোৰত ফুল বাচিবলৈ ধৰিলে।

পালো জলে মনে তুখেনা হেই।
খেৰেম-বেৰেম তুয়ো মুখা মুখি
খেৰেমৰ লেতেৰা বাটে না হেই
হেনো চকাদৈক আনিব খুজিলোঁ
আহোমে নিদিলে বাটে না হেই।
জৰ্হৰি এ গৈ চলা
মিৰিবাই এ হেই।

৩৫। গীত:— "পাত ঐ পচলা, মদাৰ ফুলৰ মালা
এ হেই ৰহিমলা।"

গোতি: হেমালী ৰাজ্যতে কৰোঁ যে ধেমালি
ৰহিমলাক লগতে পাই
হেনো ৰহিমলাই কুলক্ষণ লগালে
পাটমাদৈ লগতে নাই।
হেনো ৰহিমলাই ৰোহ ঘৰত সোমালে
কাপোৰত নহ'ল তাৰ ফুল।
এ হেজাৰ কছাৰীক ধৰি কিলালে
ডিঙিত লগালে দোল।

কিন্তু কাপোৰত চৰাই জনীৰ ফুল বচা সম্পূৰ্ণ নৌ হওঁতেই চৰাইজনী উৰি গুচি গ'ল। ৰহিমলাই চৰাইজনীৰ ফুল বাচিব নোৱাৰি মনৰ বেজাৰত ভাত-পানী এৰি ৰোহ ঘৰত সোমাল। ৰহিমলাই ৰোহ ঘৰৰ পৰা মাকক ক'লে যে পাট মাদৈ জনীক বিচাৰি আনি জিটুলী গছত ৰাখিবহি নোৱাৰিলে তাই নাখাই-ন'বই মৰিব। ফলত শদিয়া খোৱা গোহাঁইয়ে বন্দী কছাৰী সকলক এই কামৰ কাৰণে লগালে। তেওঁ কছাৰী সকলক ক'লে যে যদি জিটুলী গছজোপা দা-কুঠাৰ-কোৰ আদি নোহোৱাকৈ খান্দি আনি ৰহিমলাৰ ৰোহ ঘৰৰ ওচৰত কই দি পাটমাদৈ-জনীক তাত আনি দিব পাৰে তেন্তে কছাৰী সকলে মুক্তি পাব। কছাৰী সকলে জিটুলী গছজোপা উভালিবলৈ মুক্তিৰ আশাত প্ৰাণ-পণে চেষ্টা কৰিলে। কিন্তু হায়! নিয়তিয়ে তেতিয়াও তেওঁলোকৰ পিছ এৰা নাছিল।

গোটেই দিনটো গছ উভলোৱা কামত লাগি ৰাতি যেতিয়া ভাগৰত লালকাল হৈ টোপনিত ক'ব নোৱৰা হৈ পৰে তেতিয়া কোনোবাই আহি গছ উভলোৱা

জ্বলা জুই জলালে শদিয়া ভাঙিলে
ভাঙিলে কছাৰীৰ মন ।
দম-দম অগনি জ্বলে চৌদিশে
লঠৱাই ভাঙিলে গাঁৱ ।
দেশৰ ল'ৰা বুঢ়া হ'ব কি গতি
ক'লৈবা যাবিব লৰ ।
শদিয়া এৰি নদিবা পালেহি
ঘৰ এৰি হ'লহি পৰ ।
নৰকৰ যাতনা ভুগিলে কতনা
জিটলী গছৰে তল ।
ৰ'ক্তে নৰমুণ্ডে [illegible]তিলে ধৰিলে
পৰিলে নৰিয়া ৰোগত ।
কেনৈ পাহৰিলি এড়িনা চাপৰি
নানিলি তোৰে সোন লগত ।
এতিয়া বুঢ়া আছু কান্দিব লাগিছ
পৰি অথাই জলত ।
ছৈখোৱা ঘাটতে হনালে বিনালে
শদিয়াৰ ৰাজ্যলৈ চাই
সাতো ভাই মিৰিয়ে সাবটি ধৰিলে
যেন সোদৰৰ ভাই ॥

---

গাঁত টো পুতি থৈ আগৰ দৰে কৰি যায় এইদৰে বহুদিন লাগিও যোগনী গছজোপা উভালিব নোৱাৰিলে । এতিয়া অৱশেষত খিৰিং দেৱতাৰ দয়া উপজিল । খিৰিং দেৱতাই এজন থৰিযা কছাৰীক সপোনত দেখুৱালে যে "মই বগ হৈ ব্ৰহ্মপুত্ৰৰ মাজেদি পাৰ হৈ যাম । তোমালোকে মোৰ পাছে পাছে যাবা । ব্ৰহ্মপুত্ৰৰ পানী একাঁঠু হ'ব । কিন্তু কোনেও পিছলৈ ঘূৰি নাচাবা । ব্ৰহ্মপুত্ৰ পাৰ হৈ শদিয়া এৰি নগলে তোমালোকৰ ৰক্ষা নহ'ব ।" পিছদিনা থৰিযাই বাকী লগৰ মানুহ বোৰক কথাটো ক'লত সেই মতেই ব্ৰহ্মপুত্ৰৰ পাৰলৈ আহিলে । ব্ৰহ্মপুত্ৰৰ পাৰলৈ আহি দেখে যে এজনী বগলী ব্ৰহ্মপুত্ৰৰ মাজেদি খোজ কাঢ়ি গৈ আছে । তাকে দেখি কছাৰী সকলেও তাৰ পাছে পাছে আহিবলৈ ধৰিলে । ভৰ' ব্ৰহ্মপুত্ৰৰ পানী মাত্ৰ একাঁঠু হ'ল ।

৩৬। গীত :—( ) মোৰধন এ ক'লীয়া ঐ
হয় কি অহয়ে হয়।

গীত :—(।।) লালো লালো, লালো হয়া,
হেমালী ঐ।

গোটি :- হেমালী হেমালী কৰিছোঁ খেমালি
খেমালি বতৰে যায়ে কি না
হাতত চাপৰ মাৰি যাবগৈ দোমাহী
ধন দি ৰাখোঁতা নাই কি না।
ৰঙা ৰচনা ঠৰঙা পচলা
পাহৰি নিদিলা লোণে কিনা
বছৰেকৰ বিহুত ফুৰোঁ ঘৰে ঘৰে
কালৰে নিয়তি কৰোঁ কি না।
নামি আহিলে আইনো সৰস্বতী
সৰস্বতী আমাৰে গুৰু কি না
নামি আহিলে দোমাহী বিহু
যুগৰে নিয়তি কৰোঁ কি না।
আপোনাৰ পদুলিত আছোঁ খেন-খেনাই
এফেৰি নকৰা মৰম কি না
গুৰু-ভকতক কৰা সোধ-পোচ
তেহে হ'ব আপোনাৰ ধৰম কি না।
নজনা গীতক জনাই দি এ যাবা
ভঙকি অভঙে ভঙে কি না,
শৰাইৰে ওপৰত বস্ত্ৰখন দেখি
মনতো লাগিছে ৰঙে কি না

এই দৰে বগলী জনীৰ পাছে পাছে গৈ নদীৰ পাৰ পাওঁ পাওঁ হওঁতেই এজনী বুঢ়ীয়ে "অ' মোৰ এড়িয়া চাপৰি থিনি পাহৰি আহিলোঁ বুলি উভতি চোৱাত ব্ৰহ্মপুত্ৰৰ পানী তুয়ো কুল উপচি পৰিল। ফলত কিছুলোক পানীত উটি গ'ল। কিছুলোক সাঁতুৰি পাৰলৈ উঠিল। এইদৰে শদিয়াৰ পৰা ব্ৰহ্মপুত্ৰ পাৰ হৈ দক্ষিণলৈ আহে আৰু ব্ৰহ্মপুত্ৰ পাৰৰ মিৰি গাঁও এখনৰ

কাক কুমলীয়া গৰং শৰীলৰে
কাক কুমলীয়া গৰং কি না
বিহু গা ঃ লাগি ভাত-পানী এৰিলে।
গা কৰে লৰং ফৰং কি না।
কুকুৰা যুঁজাবৰ কাতি শৰীলৰে
কুকুৰা যুঁজাবৰ কাতি কি না।
এটকা ৰূপকে নাপাব লাগিলে
থিয়হ থিয়হ পুৰাই যাম ৰাতি কি না।
এইখিনি ভকতক সুদা নেদেখিবা
বিচাৰিলেও পাবলৈ নাই কি না,
এই খিনি ভকতে আশীৰ্বাদ কৰিব
কোলাত পাবা ধোপোৰা ল'ৰা কি না
দান দিবলৈ হেলা নকৰিবা
তেহে পাবা বৈকুণ্ঠত ঠাই কি না।
ই পুৰীত দিলে সিপুৰীত পাবাগৈ
যমপুৰী নিজানৰ ঠাই কি না।
ধনকে খুজিলোঁ—ধনকে দিলাহি
খুজিলোঁ এ বস্ত্ৰ দিলা কিনা
গুৱা-পাণ এটিৰে শৰাইথন সাজি লৈ

সাত ঘৰ মিৰিৰ লগত বন্ধুত্ব স্থাপন কৰি জীৱন নিৰ্বাহ কৰিবলৈ লয়। এই ঐতিহাসিক ঘটনাটি "পাত ঐ পচলা মদাৰ ফুলৰ মালা এ হেই ৰহিমলা" নামৰ হুচৰি গীতটিত সুন্দৰ ভাবে দাঙি ধৰা হৈছে।

সেই দৰে "মোৰধন এ ক'লীয়া ঐ হয়ে কি অহয়ে হয়"। "লালো লালো, লালো হয়া, হেমালী ঐ" গীতৰ যোগেদি গৃহস্থৰ সৰ্বপ্ৰকাৰ মঙ্গল কামনা কৰাৰ লগতে তেওঁলোকৰ ইষ্টদেৱতাৰ ওচৰত বেমাৰ-অজাৰ, বিপদ-বিঘিনি, অপায়-অমঙ্গল দূৰীকৰণাৰ্থে প্ৰাৰ্থনা জনোৱাৰ কথা ব্যক্ত কৰা হৈছে। গৃহস্থৰ ঘৰত হুঁচৰি গোৱা শেষ হলে এই দৰে গৃহস্থৰ সৰ্বমঙ্গল কামনা কৰি দহ দেৱতাৰ ওচৰত সেৱা জনাই গৃহস্থৰ ঘৰত গোৱা হুঁচৰি সামৰা হয়।

ৰাইজক সমিধান দিলা কি না।
এ গুণে দিবা হ'ব চাৰিগুণে
হব পথাৰতো ধানে কি না।
চকুত বাঢ়িব চকুৰ কৰে-কৰ
ভঁৰালত বাঢ়িব ধানে কি না।
খুটিত বাঢ়িব খুটিৰ ম'হে-গৰু
গোহালিত বাঢ়িব গৰু কি না
গঁৰালত বাঢ়িব গৰালৰ কুকুৰা
বাৰীত বাঢ়িব তৰু কিনা।
ধনে লগ এ ধৰক ধানে লগ এ ধৰক
বিষয় লগ এ ধৰক গাতে কি না—
পোৱে লগ এধৰক জীয়ে লগ এ ধৰক
বিষয় লগ এ ধৰক গাতে কি না।
পৰ্বতত চৰিলে কজলা হৰিণা
ভৈয়ামত চৰিলে শৰে কি না
আমিও নাজানো বুঢ়ালোকে কৈছে
লাগে গৰখীয়া বৰে কি না।
ঢোলে কৰিলে ধিনিকি ধিন দাও
মৃদঙে কৰিলে জাও কি না
বিহুৰে দিনতে গৰখীয়া ভকতে
আশীৰ্ব্বাদ এ কৰি যাওঁ কি না।
পূবক এসেৱা কৰোঁ শৰীলৰে
পশ্চিমক এসেৱা কৰোঁ কি না

---

**হুঁচৰি উকৰা সবাহ :—**

গাঁওখনত হুঁচৰি গোৱা সম্পূৰ্ণৰূপে শেষ হলে গাঁৱৰ ৰাইজে লগ লাগি আনুষ্ঠানিক ভাবে হুঁচৰি উকৰাৰ সবাহ পাতি হুঁচৰি উকৰায়। সেই দিনা পুৱাভাগৰ পৰাই গাঁৱৰ ডেকা-গাভৰু সকলে গাঁৱৰ এজোপা নিৰ্দ্দিষ্ট কৰি লোৱা গছৰ তলত বিহু কৰি পুৰুষ সকলে হুঁচৰি গাই গাই গাঁৱৰ নাম ঘৰ নাইবা

উত্তৰক এসেৱা কৰোঁ শৰীৰে
দক্ষিণক এসেৱা কৰোঁ কি না
শদিয়াত আছে চাৰিশাল গোসাঁনী
তেওঁলৈ এসেৱা কৰোঁ কি না
চৈখোৱাত আছে কেঁচাই খাইতী গোসাঁনী
তেওঁলৈ এসেৱা কৰোঁ কিনা
ৰঙপথাৰত আছে খিৰিং ৰজা দেউতা
তেওঁলৈ এসেৱা কৰোঁ কি না
পাটনাত আছে গজায় ডাঙৰীয়া
তেওঁলৈ এসেৱা কৰোঁ কি না
চন্দ্ৰক এসেৱা, সূৰ্য্যক এসেৱা
কৰোঁ বসুমতীক সেৱা কি না
নাম ঘৰত আছে নাম ঘৰৰ ডাঙৰীয়া
তেওঁলৈ এসেৱা কৰোঁ কি না।
গাঁৱত আছে গাঁৱৰ চাৰি বুঢ়া
তেওঁলৈ এসেৱা কৰোঁ কি না।
স্থলত আছে স্থলৰ ডাঙৰীয়া
তেওঁলৈ এসেৱা কৰোঁ কি না।
ঘৰত আছে ঘৰৰ কালিকা
তেওঁলৈ এসেৱা কৰোঁ কি না
নোগোৱা গাইছো নকৰা কৰিছো
আমি অজান বালক কিনা-
খাওঁ গৰু যেন শোঁও পশু যেন
আমি অবুজ বালক কিনা
গাঁৱৰ বুঢ়া-মেথা দায় নধৰিবা

গাঁৱৰ মুখিয়াল মানুহৰ ঘৰলৈ হুঁচৰি আগবঢ়াই আনি হুঁচৰি গোৱাৰ প্ৰথা আছিল। কিন্তু আজি কালি তেনে ধৰণেৰে হুঁচৰি আগবঢ়াই অনাৰ প্ৰথা লুপ্ত প্ৰায় হ'ল। আজি কালি কেৱল নাম ঘৰত হুঁচৰি উৎপত্তিৰ পৰা আৰম্ভ কৰি অন্তলৈকে আদ্যোপান্ত গোৱা হয়।

থৈ যাওঁ ইমানে ৰাখি কিনা
দশ দেৱতাক সেৱা জনাইছো
দেওকে কৰিছো সাক্ষী কি না
দোমাহী গীতৰ আধ্যা পেলাইছোঁ
থৈছো ইমানে ৰাখি কি না ॥

## হুঁচৰি সামৰা গীত ঃ

৩৭। গীত ঃ— লো বাই লোহৰিয়া।
লো বাই লোহৰিয়া।

গোতি ঃ— ৰাম জয় হৰি এ-হেই।
ৰাম জয় হৰি এ হেই।
ৰাম জয় এজয় হৰিজয় এজয়।
ৰাম জয়ৰ ঘৰলৈ আহিছো আমি
ৰাম জয় ঘৰত আছে বা নাই।
ৰাম জয়ৰ মূৰত তুলসী জানি
ৰামজয় বহাকো আনিছো গীতকো আনিছো
ৰামে কই গলে এজোপা কল
লক্ষ্মণে কাটি গলে পাতে কি না
ৰামে কই গলে এজোপা তুলসী
লক্ষ্মণে ছিঙি গলে পাতে কি না।
নখৰ বিষ লাগি তুলসী মৰিল
কি কৰা সীতা গোসাঁনী কি না।

হুচৰি গোৱা শেষ হলে হগ্ৰা নৃত্য পৰিবেশন কৰাৰ প্ৰথা আছিল। ই এক প্ৰকাৰ বহুৱা নৃত্য। এজন ব্যক্তিয়ে গছৰ বাকলি বসন পিন্ধি হগ্ৰা (বৰাহ) ৰূপ ধাৰ নাচে, আৰু দুজন মান ব্যক্তিয়ে হাতত ধনুকাঁড় লৈ চিকাৰীৰ বেশত হগ্ৰা ৰূপ ধৰা ব্যক্তিলৈ লক্ষ্য কৰি চিকাৰ বিচৰাৰ ভঙ্গিমাত নৃত্য কৰে। চিকাৰীয়ে হাবিত চিকাৰ বিচাৰি ফুৰাৰ সময়ত বিভিন্ন পশু-পক্ষীক জীৱ-জন্তুক লগ পায় আৰু বিভিন্ন জীৱ-জন্তু

৩৮। গীত :— অহৈ লাথৈ ধেমেলীয়া

অহৈ লাথৈ ধেমেলীয়া

গোতি : – লাথৈ ধান বানে ধুপুৰে-ধুপুৰে

লাথৈ ধান বানে ধুপুৰে-ধুপুৰে

লাথৈ কি ধান বানে কি না।

লাথৈ কি ধান বানে কি না।

লাথৈ বাত-ক পাহী ধান বানে কি না।

৩৯। গীত :—লখিমী আই লখিমী আই

লখিমী অহিছে কোঁচ ভৰাই।

গোতি : - লখিমী আই লখিমী আই

কচুবনিৰ মাজেদি আহিছে ঐ।

লখিমী আই লখিমী আই

পাণ বাৰীৰ মাজেৰে আহিছে ঐ।

লখিমী আই লখিমী আই

তামোল বাৰীৰ মাজেৰে আহিছে ঐ

লখিমী আই লখিমী আই

শাকনিৰ মাজেৰে আহিছে ঐ

লখিমী আই লখিমী আই

ধাননিৰ মাজেৰে আহিছে ঐ।

লখিমী আই লখিমী আই

লখিমী আহিছে কোঁচ ভৰাই।

পশু-পক্ষীৰ মাত শুনিবলৈ পায়। এইদৰে চিকাৰীয়ে চিকাৰৰ সময়ত সন্মুখীন হোৱা বিভিন্ন পৰিস্থিতি সমূহক গীতৰ আকাৰত দাঙি ধৰা হয় আৰু সেই গীতৰ তালে তালে তাল মিলাই হওঁৱা আৰু চিকাৰী বেশী ব্যক্তি কেইজনে নৃত্যৰ ভঙ্গিমাত হওঁৱা আৰু চিকাৰীৰ চাৰিত্রিক বৈশিষ্ট্যবোৰ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰে। চিকাৰীয়ে চিকাৰ বিচৰাৰ পৰা আৰম্ভ কৰি হাবিত পশু বধ কৰি তাৰ মাংস ভাগ কৰালৈকে চিকাৰ আৰু চিকাৰীৰ সকলোবোৰ কাৰ্য্য-কলাপ গীত আৰু নৃত্যৰ ভঙ্গিমাত প্ৰকাশ কৰাৰ প্ৰয়াস পৰিলক্ষিত হয়।

৪০। গীত :—(i) লেহেৰ লেহেৰা হয়ে লৌ লেহেৰা ॥

গীত :—(ii) লৌ লৌ শিমলু চলৌ লাই ॥

গোতি :— এহেই গীতৰ শিমলু শোধাইছোং।
এহেই মাতৰ ,, ,, ,,।
এহেই টকাৰ ,, ,, ,,।
এহেই বাহীৰ ,, ,, ,,।
এহেই খঞ্জৰী ,, ,, ,,।
এহেই ৰঙক ,, ,, ,,।
এহেই খঙক ,, ,, ,,।
এহেই নাচক ,, ,, ,,।
এহেই বাগক ,, ,, ,,।
এহেই দুখক ,, ,, ,,।
এহেই দায়ক ,, ,, ,,।
এহেই সকলো দায়-দোষ ক্ষেমিবা ঐ দেউতা।
এহেই লৌ লৌ শিমলু চলৌ লাই ॥

৪১। গীত :— চিলি চিলি চিলি নদয়া ঐ চিলি নদয়া
ডাল ভাঙি ফল খায়া হলৌ বান্দৰা।

গোতি :— একো চৰাই না কান্দিলে কান্দিলেক বগ
ঐ কান্দিলেক বগ,
চিকাৰীয়ে বাঘে দেখি কৰে তক-বক।
একো চৰাই না কান্দিলে কান্দিলেক দাবৈ
ঐ কান্দিলেক দাবৈ,

---

এই দৰে হুগ্ৰা নৃত্যৰ পৰিবেশনৰ পাছত নাম ঘৰত ভোজ-ভাতৰ আয়োজন চলে। নামঘৰত ভোজ-ভাত খাই সমাপ্ত কৰাৰ পাছত সতী পাৰ্ব্বতীৰ হাড়-হাড় ৰূপী তেৰটা গাঁঠি আৰু তেৰটা পাব থকা ভলুকা বাঁহৰ টকা, সৰু সৰু বাঁহৰ টকা মাৰি আদি সকলোবোৰ এজোপা গছৰ গুৰিত শোধাই থৈ বছৰ-টোৰ বাবে টকা সামৰা হয়।

মানুহৰ বিশ্বাস যে দেবী পাৰ্ব্বতীয়ে বিভিন্ন সময়ত বিভিন্নৰূপে ৰূপ ধাৰন

চিকাৰীক দেখা পাই কৰে আবৈ আবৈ।
একো চৰাই নাকান্দিলে কান্দিলেক ফেঁচা
ঐ কান্দিলেক ফেঁচা,

চিকাৰীয়ে চুঙা ভাত ৰান্ধে ভাত কৰে কৈঁচা।
একো চৰাই নাকান্দিলে কান্দিলেক হুঁতু
ঐ কান্দিলেক হুঁতু।

চিকাৰীয়ে চিকাৰ নাপাই কৰে খুহু-মুহু।
একো পহু নাকান্দিলে কান্দিলেক গুহ
ঐ কান্দিলেক গুঁহ।

চিকাৰীয়ে চিকাৰ নাপাই বনত থাকে শুই।
একো পহু নাকান্দিলে কান্দিলেক শৰ
ঐ কান্দিলেক শৰ

চিকাৰীৰ হাতত পৰি কৰে ধৰ-ফৰ।
একো পহু নাকান্দিলে কান্দিলেক বৰাহ
ঐ কান্দিলেক বৰাহ

চিকাৰীয়ে ধৰি আনি নেজ কৰে খৰা।

৪২। গীত :— চৌ মিৰি ফৌ চৌ হাললৈ
গোতি :— চৌ মিৰি ফৌ চৌ হাললৈ
বাৰীত আছে চকলা টেঙা
তাৰে ওমলাই থ।

কৰে। বাৰভনা আই, নভনী লখিমী অপেশ্বৰী, কচুকুঁৱৰী আদি নানা ৰূপ ধাৰণ কৰাৰ উপৰিও নানা বেমাৰ আজাৰৰ মূলতে হ'ল পাৰ্ব্বতী আই। গতিকে বিহুৰ হুচৰি টকাৰ লগত ৰঙালী, কঙালী, খঙালী আদি নানা ৰূপে পাৰ্ব্বতী আইযে ঘূৰি ফুৰে। সেয়েহে বসন্ত আৰু গ্ৰীষ্মকালৰ সময়ত হোৱা বসন্ত, গ্ৰহণী, কাঁহ, ঘা আদি নানা বেমাৰ-আজাৰবোৰ পাৰ্ব্বতী আইৰ কু দৃষ্টিৰ বাবেহে হয় বুলি বিশ্বাস কৰি পাৰ্বতী আইৰ সন্তোষ্টিৰ বাবে নানা

বাপেৰ গৈছে পহু মাৰিব
চৌ মিৰি ফৌ চৌ হাললৌ
মাৰ গৈছে মাছ মাৰিব
চৌ মিৰি ফৌ চৌ হাললৌ

## টকা সামৰা গীত ঃ—

৪৩। গীত ঃ —অধন ধনে এ হয় কি অহয়ে হয়।
ধনে ধনে এ হয় কি অহয়ে হয় ॥

গোতি ঃ -উজায়ে আহিলে আই সৰস্বতী
নামতে সন্তোষ হৈ যোৱা এ হেই।
উজায়ে আহিলে নভনা আই-লখিমা
নামতে সন্তোষ হৈ যোৱা এ হেই।
দেও বুঢা আহিছে সোম বুঢা আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
মঙ্গল বুঢা আহিছে বুধবুঢা আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
চাৰাদৈ আহিছে পাৰাদৈ আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
সোনদৈ আহিছে কুলা দৈ আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
লখিম নভনাৰ বেং দৈ আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
উজায়ে আহিলে আই বাৰভনী।
নামতে সন্তোষ হৈ যোৱা এ হেই।
দুৰ্গা আহিছে ভোগ দৈ আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
বৰমুগী আহিছে মাজুমুগী আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই।
সৰুমুগী আহিছে থুনুকী আহিছে

নামতে সন্তোষ হৈ যোৱা এ হেই ।
গুমলী আহিছে কুমলী আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই ।
লফামুখী আহিছে তিলমুচি আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই ।
কাছৰী আহিছে হাগুৰী আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই
সোণেশ্বৰী আহিছে ৰূপেশ্বৰী আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই ।
উজায়ে আহিলে আই কচু কুঁৱৰা
নামতে সন্তোষ হৈ যোৱা এ হেই
খহুলী আহিছে খজুলী আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই ।
উজায়ে আহিলে আই অপেশ্বৰা
নামতে সন্তোষ হৈ যোৱা এ হেই ।
ৰঙালী আহিছে খঙালী আহিছে
নামতে সন্তোষ হৈ যোৱা এ হেই ।
জৰ-খৰ কাক্লেপ বিঘিনি বিয়পিছে
নামতে সন্তোষ হৈ যোৱা এ হেই ।
চন্দ্ৰক এসেৱা সূৰ্য্যক এসেৱা
কৰোঁ বসুমতীক সেৱা এ হেই ।
পূবক এসেৱা-পশ্চিমক এসেৱা
তেওঁলোকলৈ এসেৱা কৰোঁ এ হেই ।
উত্তৰক এসেৱা দক্ষিণক এসেৱা
তেওঁলোকলৈ এ সেৱা কৰোঁ এ হেই ।
শদিয়াত আছে চাৰি শাল গোসাঁনী
তেওঁলোকলৈ এসেৱা কৰোঁ এ হেই ।
ছৈখোৱাত আছে কেঁচাই খাইতী গোসাঁনী
তেওঁলৈ এসেৱা কৰোঁ এ হেই

বৰ পথাৰত আছে খিৰং ৰজা দেউতা
তেওঁলৈ এসেৱা কৰোঁ এ হেই ।
লাইনাত আছে গজায় ভাণ্ডৰীয়া
তেওঁলৈ এসেৱা কৰোঁ এ হেই ।
নাম ঘৰত আছে নাম ঘৰৰ ভাণ্ডৰীয়া
তেওঁলৈ এসেৱা কৰোঁ এ হেই ।
ঘৰত আছে কুবেৰ কালিকা
তেওঁলৈ এসেৱা কৰোঁ এ হেই ।
গাঁৱত আছে গাঁৱৰ চাৰি বুঢ়া
তেওঁলৈ এসেৱা কৰোঁ এ হেই ।
গীতক শোধাইছোঁ মাতক শোধাইছো
সকলো এৰিবা দায় এ হেই ।
টঁকাক শোধাইছোঁ বাঁহীক শোধাইছো
সকলো এৰিবা দায় এ হেই
নাচক শোধাইছোঁ বাগক শোধাইছে।
সকলো এৰিবা দায় এ হেই ।
নোগোৱা গাইছোঁ নকৰা কৰিছো
আমি অজান বালক এ হেই ।

---

পূজা-সেৱা কৰে। ছঁচৰি টঁকা সামৰাৰ সময়ত ছঁচৰি টঁকা ভালত সৰু সৰু বাঁহৰ টঁকা মাৰিবে তক তক কৈ টুকুৰিয়াই মানুহৰ বেমাৰ আজাৰ, অপায়-অমঙ্গল যাতে বিয়পিব নোৱাৰে তাৰ বাবে পাৰ্ব্বতী আইকে আদি কৰি দহ দেৱতাৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনোৱাৰ লগতে অজানিত ভাবে

থাওঁ গৰু যেন শোঁ পশু যেন
আমি অবুজ বালক এ হেই।
টঁকাক শোধাইছোঁ টঁকা মাৰিক শোধাইছোঁ
সকলোকে দিছোঁ ঠাই এ হেই।
অজান বালকে প্ৰাৰ্থনা জনাইছোঁ
সকলো ক্ষমিবা দায় এ হেই
ধন ধনে এ হয় কি অহয়ে হয়।
ধন-ধনে এ হয় কি অহয়ে হয়।

---

কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা খুজি প্ৰাৰ্থনা গীত গাই গাই সেৱা জনোৱা হয়। এই দৰে হুচৰি টঁকা লৈ প্ৰাৰ্থনা গীত গাই হুঁচৰি টঁকা, সৰু সৰু বাঁহৰ টঁকা মাৰি আদি এজোপা গছৰ গুৰিত শোধাই থৈ হুঁচৰি টঁকা সামৰা হয়।

—x—

# গ্ৰন্থ পঞ্জী


১। কছাৰী বুৰঞ্জী—ৰায়বাহাদুৰ সূৰ্য্যকুমাৰ ভূঞা।

২। বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি—শ্ৰীভবেন নাৰ্জ্জি।

৩। কাছাড়েৰ ইতিবৃত্ত—উপেন্দ্ৰনাথ গুহ।

৪। কোঁচ কছাৰীৰ পৰিচয়—অনিৰাম বসুমতাৰী।

৫। The History of Medieval Assam, by N N. Acharyya, M. A, PH. D.

৬। অসমীয়া জাতিৰ ইতিবৃত্ত—অসম সাহিত্য সভা—১৯৭৪।

৭। অসমৰ লোক-সংস্কৃতি—বিৰিঞ্চিকুমাৰ বৰুৱা।

৮। অসমীয়া সাহিত্য-সংস্কৃতিৰ দুটি এটি—বীৰেন বৰকটকী

৯। পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি—ডঃ মহেশ্বৰ নেওগ।

১০। অসমৰ লোক-উৎসৱ—শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য।

১১। অসমীয়া সাহিত্যৰ ৰূপৰেখা—ডঃ মহেশ্বৰ নেওগ।

১২। অসমৰ লোক-কলা—যুগল দাস—প্ৰকাশন পৰিষদ, অসম।

১৩। ঢোল, মৃদঙ্গ, খোল আৰু তালৰ মালিতা—শ্ৰীশ্ৰীতীৰ্থনাথ গোস্বামীৰ দ্বাৰা সঙ্কলিত-ধলৰ সত্ৰ পুথিভঁৰাল-যোৰহাট।

১৪। অসমীয়া জন-সাহিত্য - ডঃ প্ৰফুল্লদত্ত গোস্বামী।

১৫। শৰণীয়া সকল কোন জাতিৰ মানুহ—ৰজনীকান্ত দাস আৰু ৰামচৰণ ব্ৰহ্ম।

১৬। ডাকৰ বচন—দণ্ডীৰাম দত্ত—সংগৃহীত আৰু সম্পাদিত।

১৭। সোণোৱাল কছাৰী জাতি—শ্ৰী হেমন্ত কুমাৰ সোণোৱাল।

১৮। সংস্কৃতিকে চাৰ অধ্যায়—ৰামধাৰীসিং দিনকৰ।

১৯। বলিৰজা দোমাহী : সংস্কৃতিৰ এখিলা পাত—গগন সোণোৱাল। "সোণোৱালী"—স্মৃতিগ্ৰন্থ-সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰসন্থা ১৯৭৯

২০। কছাৰী জাতিৰ চমু ইতিহাস—লভিত কুমাৰ শইকীয়া

"সোণোৱালী"—স্মৃতিগ্ৰন্থ-সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ-সন্থা ডিব্ৰুগড়—১৯৭৯।

২১। হুঁচৰি গীতৰ এক অধ্যয়ন -লভিত কুমাৰ শইকীয়া "আৱাহন"—অসম সাহিত্যসভা সংখ্যা—৪২শ বছৰ, ১ম সংখ্যা ১৮৯৩ শক।

২২। সোণোৱাল কছাৰীৰ সভ্যতা আৰু সংস্কৃতি—লভিত কুমাৰ শইকীয়া "আমাৰ প্ৰতিনিধি" ১২শ বছৰ : ১২শ সংখ্যা : ভাদ : ১৮৯৪ শক।

২৩। অসম বুৰঞ্জীৰ টোকা—পণ্ডিত হেমচন্দ্ৰ গোস্বামী।

২৪। আসাম বুৰঞ্জী—গুণাভিৰাম বৰুৱা।